জৱাহৰলাল নেহৰু আৰু ছোভিয়েত ৰুছিয়া

LIBRARY.
ASSAM.

জৱাহৰলাল নেহৰু আৰু ছোভিয়েট ৰাছিয়া

শ্ৰীসতীশ চন্দ্ৰ কাকতী

CENTRAL LIBRARY
ASSAM

সাহিত্য-প্ৰকাশ
গুৱাহাটী-৩

JAWAHARLAL NEHRU ARU SOVIET RUSSIA : A short analytical account of Jawaharlal Nehru's commitment to socialism in relation to his understanding of Soviet Russia beginning with his firs' visit to M sc w in 1927 on the occasion of the Tenth Anniversary of the Great October Revolution, and culminatng in the Indo-Soviet Treaty of Peace, Friendship and Cooperation on August 9, 1971 thereby strengthening the process of friendship between India and the Soviet Union.

প্ৰকাশক ঃ
সাহিত্য-প্ৰকাশ
ট্ৰিবিউন বিল্ডিং
গুৱাহাটী—৭৮১০০৩

প্ৰথম প্ৰকাশ
জুলাই, ১৯৭৬

মূল্য ঃ ১৬.০০ (ষোল্ল) টকা

মুদ্ৰক ঃ
ট্ৰিবিউন প্ৰেছ
গুৱাহাটী—৭৮১০০৩

If any people think of me, then I would like them to say 'This man was a man who with all his mind and heart loved India and the Indian people and they, in turn, were indulgent to him and gave him of their love most indulgently and extravagantly.'

—JAWAHARLAL NEHRU

কোনোবাই যদি মোৰ কাৰণে ভাবিব ইচ্ছা কৰে, তেনেহলে তেওঁলোকক মই কবলৈ খোজো 'এইজন মানুহে ভাৰত আৰু ভাৰতবাসীক দেহে-কেহে ভাল পাইছিল আৰু ইয়াৰ প্ৰতিদানত তেওঁৰ প্ৰতি তেওঁলোকে তেওঁলোকৰ হিয়াভৰা মৰম-চেনেহ অধিক ভাবে যাচিছিল।'

—জৱাহৰলাল নেহৰু

আগকথা

১৯১৭ চনৰ ৰুছ দেশৰ অক্টোবৰ বিপ্লৱ কেৱল ৰুছ দেশৰেই নহয়, সমগ্ৰ বিশ্ব ইতিহাসৰে এটা যুগান্তকাৰী ঘটনা। এই বিপ্লৱে সমগ্ৰ মানব জাতিৰ চিন্তাধাৰাতে এটা নতুন দিশ উদ্ভাসিত কৰিছিল আৰু দলিত, শোষিত শ্ৰেণীৰ মনত নতুন সমাজ ৰচনাৰ আকুলতা জগাই তুলিছিল। এই বিপ্লৱৰ পিছৰে পৰা ৰুছ দেশৰ অতুলনীয় অগ্ৰগতিয়ে পৃথিৱীৰ সকলো প্ৰগতিশীল শক্তিক মুগ্ধ, আলোড়িত আৰু অনুপ্ৰাণিত কৰি আহিছে।

আমাৰ দেশতো সমাজবাদী চিন্তাধাৰাৰ সূচনা হৈছিল স্বাধীনতা লাভৰ বহু আগৰে পৰা। ভাৰতবৰ্ষত এই আদৰ্শৰ সন্ধানৰ ইতিহাস পৰ্য্যালোচনা কৰিবলৈ যাওঁতে প্ৰথমতেই উল্লেখ কৰিব লাগিব পণ্ডিত জৱাহৰলাল নেহৰুৰ কথা। স্বাধীনতা সংগ্ৰামৰ সুদীৰ্ঘ কালছোৱাত পণ্ডিত নেহৰুৱে ভাৰতবৰ্ষৰ জনমানসত সমাজবাদী চিন্তা সঞ্চাৰিত কৰিছিল। স্বাধীন ভাৰতৰ প্ৰধান মন্ত্ৰী ৰূপেও সুদীৰ্ঘ সোতৰ বছৰ কাল তেওঁ অহৰহ চেষ্টা চলাইছিল এখন সমাজবাদী ৰাষ্ট্ৰ গঢ়ি তুলিবলৈ। পণ্ডিত নেহৰুৰ মনত সমাজবাদী চিন্তাৰ স্ফুৰণ ঘটিছিল যাইকৈ ভাৰতবৰ্ষৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক পটভূমিত। তেখেতৰ সমাজবাদী চিন্তাধাৰাৰ উৎস আছিল ভাৰতবৰ্ষৰ জনসাধাৰণ। সামন্তযুগীয়া বেমেজালিৰ পৰা ভাৰতৰ ৰাইজৰ মুক্তিৰ পথ বিচাৰি তেওঁ উপনীত হৈছিল সমাজবাদৰ চিন্তাত আৰু ইয়াকেই তেওঁ জাতিৰ একমাত্ৰ আদৰ্শ ৰূপে ডাঙি ধৰিছিল তেওঁৰ চিন্তা, বাক্য আৰু কাৰ্য্যাৱলীত।

ৰুছ দেশ আৰু ভাৰতবৰ্ষৰ মাজত গভীৰ সম্প্ৰীতি আৰু সহযোগৰো মূল ভিত্তি হ'ল এই আদৰ্শ আৰু লক্ষ্যৰ সাদৃশ্য। পণ্ডিত নেহৰুৱে ১৯২৭ চনতে মস্কোত ৰুছ বিপ্লৱৰ দশম বাৰ্ষিকী অনুষ্ঠানত যোগ দিছিলগৈ আৰু তাৰ মাজেদি ৰুছ দেশৰ সমাজবাদী চিন্তাধাৰাৰ সতে ভাৰতীয় মানসৰ ফলপ্ৰসূ পৰিচয় সূচিত হৈছিল। আন্তৰ্জাতিক সহযোগিতা আৰু

সমাজবাদী ভ্ৰাতৃত্বৰ আদৰ্শত পণ্ডিত নেহৰুৱে স্বাধীন ভাৰতৰ সতে কছু দেশৰ যি সম্প্ৰীতি সম্পৰ্ক গঢ়ি তুলিছিল, সি ইতিমধ্যেই বিভিন্ন ক্ষেত্ৰত সাৰ্থক ভাবে বিকশিত হৈ উঠিছে।

প্ৰবীণ সাংবাদিক শ্ৰীসতীশ চন্দ্ৰ কাকতীয়ে এই পুথিত এই সকলো কেইটা দিশৰ এটা থুলমূল আভাষ দিবলৈ চেষ্টা কৰিছে। আমাৰ দেশত বৰ্ত্তমান সমাজবাদী সমাজ ৰচনাৰ যি চূড়ান্ত পৰ্ব আৰম্ভ হৈছে, সেই সময়ত দেশবাসী বিশেষকৈ যুৱকসকল আন্তৰ্জাতিক সমাজবাদৰ ইতিহাস আৰু নেহৰুৰ সমাজবাদী চিন্তাধাৰাৰ সতে পৰিচিত হোৱাটো বাঞ্ছনীয়। সেই পৰিপ্ৰেক্ষিতত শ্ৰীকাকতীৰ চেষ্টা প্ৰশংসনীয়। অৱশ্যে এই কেউটা বিষয় ইমান গভীৰ যে তাৰ ভ্ৰান্তিহীন আৰু সম্পূৰ্ণ পৰিচয়ৰ বাবে এই কিতাপৰ পৰিধি নিতান্তই সীমাবদ্ধ। তথাপি মই আশা কৰিছো এই পুথিয়ে গভীৰতৰ আৰু ব্যাপকতৰ অধ্যয়নৰ বাবে পাঠকসকলক অনুপ্ৰাণিত কৰিব।

মুখ্যমন্ত্ৰীৰ সচীবালয়,
দিশপুৰ, গুৱাহাটী
৮ জুলাই, ১৯৭৬

শৰৎচন্দ্ৰ সিংহ

লেখকৰ একাষাৰ

ভাৰতৰ মুক্তি-সংগ্ৰামৰ সুদীৰ্ঘ ইতিহাসত মোহনদাস কৰমচাঁদ গান্ধী আৰু পণ্ডিত জৱাহৰলাল নেহৰুৰ নাম সোণালী আখৰেৰে লিখা থাকিব। দেশৰ এই মহান নেতাদ্বয়ক ক্ৰমান্বয়ে 'মহাত্মাজী' আৰু 'পণ্ডিতজী' বুলি শ্ৰদ্ধাজনিত ভাষাৰে ৰাইজে সমাদৰ কৰিছিল। তেওঁলোকৰ জীৱন-আলেখ্যই ভাৰতৰ অগণন জনতাক প্ৰভূতভাৱে উদ্বুদ্ধ কৰিছিল। গান্ধীজীয়ে কৈছিল ঃ 'মোৰ জীৱনটোৱে বাণী'। তেওঁৰ ৰাজনৈতিক উত্তৰাধিকাৰী পণ্ডিত নেহৰু আছিল এজন বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি—অক্লান্ত মুক্তি-যুঁজাৰু, প্ৰখ্যাত লেখক, শক্তিশালী বক্তা আৰু ভাৰতৰ স্বাধীনতাৰ উত্তৰ কালত সুদক্ষ প্ৰশাসক। নেহৰুৰ বক্তৃতাসমূহ আৰু দেশপ্ৰেমৰ জ্বলন্ত চানেকীয়ে কৃষক, শ্ৰমিক প্ৰমুখ্যে ভাৰতীয় জনতাক স্বাধীনতা যুদ্ধৰ সময়ত অনুপ্ৰাণিত কৰিছিল। সেইদৰে নেহৰুৰ অমূল্য গ্ৰন্থৰাজি আৰু লেখনিবোৰে বৌদ্ধিক সমাজৰ মাজত নব জাগৰণৰ সৃষ্টি কৰিছিল।

নিঃসন্দেহে নেহৰুৰ 'গ্লিমচেচ্ অব ৱাৰ্ল্ড হিস্টৰী' [বিশ্ব ইতিহাসৰ জিলিঙনি] 'এন অটোবায়োগ্ৰাফী' [আত্ম-জীৱনী] আৰু 'দি ডিচকভাৰী অব ইণ্ডিয়া' [ভাৰত সন্ধান] নামৰ গ্ৰন্থ তিনিখন ভাৰতীয় ইতিহাস, সভ্যতা, সংস্কৃতি আৰু চৰিত্ৰ-সাহিত্য আদিৰ ক্ষেত্ৰত মূল্যবান অৱদান। মন কৰিবলগীয়া কথা যে এই তিনিখন গ্ৰন্থ নেহৰুৱে তেওঁৰ কাৰাগাৰ জীৱনৰ সময়ছোৱাত সংকলন কৰিছিল। স্বাধীনতা-যুদ্ধৰ সংক্ৰান্তত বৃটিচ চৰকাৰে নেহৰুক মুঠ ৯ বাৰ গ্ৰেপ্তাৰ কৰে আৰু জৰিমনা আদিৰ উপৰিও তেওঁক ৯ বছৰ কাল ফাটেকত আবদ্ধ কৰি ৰাখে। 'গ্লিমচেচ্ অব ৱাৰ্ল্ড হিস্টৰী'খন তেওঁ ১৯৩০ চনৰ

পৰা ১৯৩৪ চনলৈ কাৰাগাৰত থকা অৱস্থাত লিখে ; অৱশ্যে ১৯২৮ চনতে এই গ্ৰন্থৰ পাতনি তেওঁৰ জীয়েক ইন্দিৰালৈ লিখা চিঠিৰ আকাৰত আৰম্ভ কৰিছিল। আত্ম-জীৱনীখন নেহৰুৱে লিখিছিল ১৯৩৪ চনৰ জুনৰ পৰা ১৯৩৯ চনৰ ফেব্ৰুৱাৰী মাহৰ সময়ছোৱাত ; তেতিয়াও তেওঁ কাৰাৰুদ্ধ অৱস্থাত আছিল। নেহৰুৰ আনখন গ্ৰন্থ 'দি ডিচ্‌কভাৰী অব ইণ্ডিয়া' মাত্ৰ পাঁচ মাহত সম্পূৰ্ণ কৰিছিল ১৯৪৪ চনৰ এপ্ৰিল আৰু চেপ্তেম্বৰ মাহৰ ভিতৰত যেতিয়া তেওঁ আহমেদাবাদ ফ'ৰ্ট জেলত আৱদ্ধ আছিল।

নেহৰুৰ সুদীৰ্ঘ কাৰাগাৰ জীৱনক ভাৰতৰ কাৰণে বিষাদত হৰ্ষ বুলি কব পাৰি, কাৰণ স্বাধীনতা যুদ্ধৰ চাকনৈয়াত নেহৰু যিদৰে জড়িত হৈ আছিল, তেনে অৱস্থাত তেওঁ সময় উলিয়াই যে অমূল্য গ্ৰন্থ ৰচনা কৰিব পাৰিলেহেঁতেন তাক কোৱা টান। কাৰাগাৰৰ দীঘলীয়া জীৱনেহে নেহৰুক তিনিখন প্ৰখ্যাত গ্ৰন্থ লিখাৰ সুবিধা যোগাইছিল। দুখৰ বিষয় যে ১৯৪৪ চনৰ পাচৰপৰা ১৯৬৪ চনৰ ২৫ মে'ত তেওঁৰ মৃত্যুৰ সময়ছোৱা বিশেষকৈ ১৯৪৫ চনৰ দেশবিভাজনৰ সংকটৰ পৰা আৰম্ভ কৰি তেওঁ প্ৰধান মন্ত্ৰীত্বৰ অভিজ্ঞতাৰ বিষয়ে কোনো গ্ৰন্থ নেহৰুৱে প্ৰণয়ন কৰি থৈ যাব নোৱাৰিলে। এই কাম বৰ্ত্তমান আৰু ভৱিষ্যতৰ জীৱনী-লেখক শ্ৰেণী আৰু গবেষণাকাৰীসকলে সম্পন্ন কৰিব বুলি আশা কৰিব পাৰি।

জৱাহৰলাল নেহৰু যে কেৱল ভাৰতৰ এজন মহান নেতা আছিল এনে নহয় ; আন্তৰ্জাতিক ক্ষেত্ৰতো নেহৰুৱে পৰম খ্যাতি লাভ কৰিছিল আৰু তেওঁৰ আন্তৰ্জাতিকতা আৰু মানব-প্ৰেম বিশ্ববিদিত হৈ পৰিছিল। তাৰ প্ৰমাণ স্বৰূপে নেহৰুৰ বিখ্যাত গ্ৰন্থ তিনিখন কছ প্ৰমুখ্যে একাধিক বিদেশী ভাষাত অনুবাদ কৰা হৈছে বা প্ৰকাশ কৰাৰ যো-জা চলিছে। নেহৰুৰ আত্ম-জীৱনী, বিশ্ব ইতিহাসৰ জিলিকনি আৰু ভাৰত-সন্ধান নামৰ ইংৰাজী গ্ৰন্থ তিনিখন ইতিমধ্যে ভাৰতীয় আঞ্চলিক ভাষাত প্ৰকাশ পাইছে আৰু তাৰ দ্বাৰা ভাৰতৰ সৰ্বসাধাৰণক মাতৃভাষাৰ যোগেদি নেহৰুক চিনাকি কৰি দিয়াত সহায়ক হৈছে।

নেহৰুৰ প্ৰতিভাবিশিষ্ট জীৱন-আলেখ্যৰ এটা মনকৰিবলগীয়া দিশ হৈছে তেওঁৰ প্ৰগতিবাদী আদৰ্শ আৰু সমাজবাদত অকৃত্ৰিম আস্থা। তেওঁৰ এই আদৰ্শ আৰু আস্থাৰ উদ্ভৱ হৈছিল ১৯২৭ চনত যেতিয়া

ৰুছিয়াৰ মহান অক্টোবৰ বিপ্লৱৰ দশম বাৰ্ষিকী উৎসৱত প্ৰথমবাৰৰ কাৰণে মস্কোত নিজে উপস্থিত হৈ ছোভিয়েত য়ুনিয়নৰ অগ্ৰগতি দেখা পাইছিল। ছোভিয়েত ৰুছিয়াত নেহৰুৰ সেই ভ্ৰমণক ভাৰত-ছোভিয়েত বন্ধুত্বৰ সূৰ্য্যোদয় বুলি কলেও অত্যুক্তি কৰা নহয়। সুদীৰ্ঘ অৰ্দ্ধ শতাব্দীৰ পাচত ভাৰত আৰু ছোভিয়েত ৰুছিয়াৰ মাজৰ বন্ধুত্ব আৰু সহযোগ আজি সুপ্ৰতিষ্ঠিত হৈ উঠিছে।

জৱাহৰলাল নেহৰু সমাজবাদৰ প্ৰতি কেনেকৈ আকৃষ্ট হৈছিল আৰু ছোভিয়েত ৰুছিয়াক দলিত আৰু শোষিত জাতিসমূহৰ পদ-প্ৰদৰ্শক হিচাপে তেওঁ কি দৰে বুজিছিল এই পুথিত তাক চমুকৈ ব্যাখ্যা কৰাৰ প্ৰচেষ্টা হৈছে। বৰ্তমান ভাৰত-ছোভিয়েত সম্পৰ্কত গঢ়ি উঠা বন্ধুত্ব আৰু সহযোগৰ পৰিপ্ৰেক্ষিতত এই পুথিখনে অসমীয়াভাষী নতুন পুৰুষ' বন্ধুসকলক যদি পণ্ডিত জৱাহৰলাল নেহৰুৰ সমাজবাদী আদৰ্শ আৰু কৰ্মপন্থাৰ লগত সাধাৰণভাৱেও চিনাকি কৰি দিব পাৰে, তেন্তে লেখকে তেওঁৰ পৰিশ্ৰম আংশিকভাৱে সাৰ্থক হৈছে বুলি কৃতাৰ্থ মানিব।

গ্ৰন্থখনত পৰিশিষ্ট হিচাবে কাৰ্ল মাৰ্ক্স, ভ্লোডিয়াৰ লেনিন আৰু জৱাহৰলাল নেহৰুৰ জীৱনী চমুকৈ সন্নিবিষ্ট কৰা হৈছে। পুথিখন সংকলন কৰোঁতে যিবোৰ গ্ৰন্থৰ পৰা সমল আহৰণ কৰা হৈছে উক্ত গ্ৰন্থবোৰৰ তালিকা এখন সংযোজন কৰা হৈছে। এই সুযোগতে আমি উক্ত গ্ৰন্থকাৰ আৰু প্ৰকাশকসকলৰ প্ৰতি কৃতজ্ঞতা জনালোঁ।

অসমৰ মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই 'জৱাহৰলাল নেহৰু আৰু ছোভিয়েত ৰুছিয়াৰ' আগকথা এটি লিখি আমাক উৎসাহিত কৰাৰ বাবে তেওঁৰ প্ৰতি কৃতজ্ঞতা আগবঢ়ালোঁ। লগতে অসমৰ লব্ধপ্ৰতিষ্ঠ 'সাহিত্য-প্ৰকাশে' এই পুথিখন প্ৰকাশৰ দায়িত্ব লৈ আমাক পৰম অনুগৃহীত কৰাত এই প্ৰতিষ্ঠানৰ কৰ্মকৰ্তাসকলৰ শলাগ ললোঁ।

'কাকতী নিলয়'
হিল্ চাইড ৰ'ড,
উজান বজাৰ, গুৱাহাটী—৩
জুলাই, ১৯৭৬

শ্ৰীসতীশ চন্দ্ৰ কাকতী

উচর্গা

ভাৰতৰ অজ্ঞাত অগণন
মুক্তি-যুঁজাৰুৰ স্মৃতিত

সূচীপত্ৰ

		পৃষ্ঠা
এক :	দেশ দুখন আদৰ্শ এটা	১
দুই :	আনন্দভৱনৰ জৱাহৰলাল	৯
তিনি :	সমাজবাদৰ প্ৰতি আকৰ্ষণ	১৯
চাৰি :	জনতাৰ জৱাহৰলাল	৪৯
পাঁচ :	মুক্তি-সংগ্ৰামীৰ ভূমিকাত	৬৮
ছয় :	ভাৰতৰ মুক্তি-সংগ্ৰাম আৰু ৰুছিয়া	৭৯
সাত :	কাৰ্ল মাৰ্ক্স, লেনিন আৰু নেহৰু	১০২
আঠ :	মতিলালৰ পৰা ইন্দিৰালৈ	১১৪
ন :	বন্ধুত্বৰ ঐতিহাসিক দলিল	১৩০
পৰিশিষ্ট-ক :	কাৰ্ল মাৰ্ক্স	১৩৫
:	ভ্লাডিমিৰ লেনিন	১৪০
:	জৱাহৰলাল নেহৰু	১৪৫
পৰিশিষ্ট-খ :	ক্ৰমবৰ্দ্ধমান ভাৰত-ছোভিয়েত বন্ধুত্ব গঢ়াৰ সন্দৰ্ভত সময়ভিত্তিক তালিকা	১৫৬
পৰিশিষ্ট-গ :	গ্ৰন্থপঞ্জী	১৫৯

এক

দেশ দুখন আদৰ্শ এটা

ভাৰত আৰু ছোভিয়েত ৰুছিয়া কুৰি শতিকাৰ দুখন মহান দেশ। আয়তন, লোকসংখ্যা, ভৌগোলিক পৰিস্থিতি আৰু ৰাজনৈতিক আদৰ্শৰ হিচাবত দুয়োখন দেশৰ অৱস্থিতি পৃথিৱীৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ। ছোভিয়েত ৰুছিয়াৰ আয়তন ২২,৪০২,২০০ বৰ্গ কিলোমিটাৰ; ই পৃথিৱীৰ আয়তনৰ এক চতুৰ্থাংশ। ১৯৭৩ চনৰ আনুমানিক হিচাবত ৰুছিয়াৰ লোকসংখ্যা পঁচিশ কোটি বুলি ধৰা হৈছে। পৃথিৱীৰ এক বিস্তীৰ্ণ অংশ ছোভিয়েত ৰুছিয়াই আগুৰি আছে। ইয়াৰ সীমাৰেখা য়ুৰোপৰ একাংশলৈ বিস্তৃত।

ভাৰতবৰ্ষ পৃথিৱীৰ আন এখন দেশ যি দেশৰ আয়তন, লোকসংখ্যা, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশ লেখত লবলগীয়া। চীন দেশৰ বাহিৰে ভাৰতৰ লোকসংখ্যা পৃথিৱীৰ ভিতৰত আটাইতকৈ বেছি। চীনৰ পিচতেই ভাৰতবৰ্ষ পৃথিৱীৰ সৰ্ববৃহৎ দেশ। বৰ্তমান ইয়াৰ আয়তন ৩,২৬৮,০৯০ বৰ্গ কিলোমিটাৰ আৰু বিশ্ব স্বাস্থ্য সন্থাৰ ১৯৭৩ চনৰ লেখমতে ভাৰতৰ বৰ্তমান লোকসংখ্যা ষাঠি কোটি। ভাৰত উপমহাদেশখন ভাৰত, পাকিস্তান আৰু পূব পাকিস্তান তথা বাংলাদেশ নামৰ তিনিখন ৰাজ্যত বিভক্ত নোহোৱা হ'লে সামগ্ৰিকভাৱে ভাৰতবৰ্ষ পৃথিৱীৰ ভিতৰত লোকসংখ্যাৰ লেখত সৰ্ববৃহৎ দেশ বুলি গণ্য হলহেঁতেন। ১৯৪৭ চনৰ আগষ্ট মাহত ভাৰত বিভাজন হোৱাত ভাৰতবৰ্ষ লোকসংখ্যাৰ ভিতৰত পৃথিৱীৰ ভিতৰত সৰ্ববৃহৎ দেশ বুলি

পৰিগণিত নহ'ল। তথাপি আয়তন আৰু লোকসংখ্যাৰ হিচাবত ভাৰতবৰ্ষ যে এখন বৃহৎ দেশ তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

ছোভিয়েত ৰুছিয়া আৰু ভাৰতবৰ্ষৰ ভৌগোলিক অৱস্থিতি, লোক-সংখ্যা, কিম্বা আয়তনৰ তুলাচনীত বিচাৰ কৰিলে এই মহাদেশ দুখনৰ গুৰুত্ব উপলব্ধি কৰা টান। বিশ্বৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিক্ৰমাৰ পৰিপ্ৰেক্ষিতত আৰু দেশ দুখনৰ মুক্তি সংগ্ৰাম আৰু আদৰ্শগত মূল্যবোধৰ দ্বাৰা বিশ্ব-প্ৰবাহৰ ওপৰত যি প্ৰভাৱ পৰিছে আৰু ভৱিষ্যতেও প্ৰভাৱ পৰিব পাৰে, সেইটো বিচাৰ কৰিলেহে ছোভি-য়েত ৰুছিয়া আৰু ভাৰতবৰ্ষৰ প্ৰকৃত মূল্যাঙ্কণ কৰা হব। মানব সমাজত এই দুখন দেশৰ চিন্তাধাৰা আৰু বন্ধুত্বই উল্লেখযোগ্যভাৱে ৰেখাপাত কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে। যোৱা দশকত একাধিক ঘটনাই তাৰ ইংগিত দিছে।

প্ৰথমতে চকুত পৰে ১৯১৭ চনত অক্টোবৰ মহাবিপ্লৱৰ পৰা আৰম্ভ কৰি যোৱা অৰ্দ্ধশতাব্দী কালছোৱাত ছোভিয়েত চৰকাৰে গ্ৰহণ কৰা নীতি আৰু আদৰ্শ আৰু কাৰ্য্যক্ষেত্ৰত তাৰ ৰূপায়ণ। তাৰ দ্বাৰা ছোভিয়েত ৰুছিয়াই প্ৰমাণ কৰি দেখুৱাইছে যে ধনতন্ত্ৰ আৰু সাম্ৰাজ্যবাদৰ দ্বাৰা দলিত জাতিসমূহক বিভিন্ন ক্ষেত্ৰত কৰা শোষণৰ পৰা মুক্ত কৰিবলৈ হলে মানৱ জাতিয়ে সমাজবাদৰ পন্থা গ্ৰহণ কৰাৰ বাহিৰে আন পথ থাকিব নোৱাৰে।

মুক্তি সংগ্ৰাম আৰু তাৰ পাচত দেশ নিৰ্মাণৰ কাৰণে ভাৰতবৰ্ষই যি অভিনৱ পন্থা লৈছে আৰু এতিয়ালৈকে এই বিষয়ত যি পদক্ষেপ পৰিলক্ষিত হৈছে সি বিশ্বৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব। ভাৰতৰ মুক্তি সংগ্ৰাম মহাত্মা গান্ধীৰ নেতৃত্বত এটা অভি-নৱ পন্থাৰ যোগেদি পৰিচালিত হৈছিল যাৰ ফলত মহা পৰাক্ৰমী বৃটিচ শক্তিয়ে ১৯৪৭ চনৰ পোন্ধৰ আগষ্টত ভাৰত ত্যাগ কৰিবলৈ বাধ্য হৈছিল। উল্লেখ কৰা প্ৰয়োজন যে দ্বিতীয় মহাযুদ্ধৰ পাচত সাম্ৰাজ্য-বাদৰ পৰা মুক্তি লাভ কৰা দেশ হিচাবে ভাৰতবৰ্ষ পৃথিৱীৰ ভিতৰত

প্ৰথম দেশ। সাম্ৰাজ্যবাদত পৰমগৰ্বী বৃটিচ প্ৰধানমন্ত্ৰী উইন্‌ষ্টন চাৰ্চিল চাহাবে ১৯৪২ চনত সগৌৰৱে ঘোষণা কৰিছিল—"বৃটিচ সাম্ৰাজ্যৰ পৰিসমাপ্তি ঘটাবলৈ মই মহামান্য সম্ৰাটৰ প্ৰধান মন্ত্ৰী হোৱা নাই।" ১৯৪৩ চনৰ ৮ অক্টোবৰত ভাৰতবৰ্ষৰ বাবে নব-নিযুক্ত ভাইচৰয় লৰ্ড ৱাভেলে ভাৰতবৰ্ষৰ ৰাজনৈতিক সমস্যা সমাধান কৰোঁ মহাত্মা গান্ধীৰ লগত আলোচনা কৰাৰ তেওঁৰ অভিপ্ৰায় প্ৰকাশ কৰাত চাৰ্চিল চাহাবে তেওঁক কৈছিল যে তেওঁৰ অৰ্থাৎ চাৰ্চিলৰ মৃতদেহৰ ওপৰতহে তেনে কথা অৰ্থাৎ ৱাভেলে গান্ধীৰ লগত আলোচনা কৰিব পাৰিব। চাৰ্চিল চাহাব পৃথিৱীৰ এজন বিচক্ষণ ৰাজনীতিজ্ঞ আছিল যদিও, তেওঁ সময়ৰ আহ্বান বুজিব নোৱাৰিছিল আৰু বুজিব নোৱাৰিছিল ভাৰতীয় জনতাৰ মুক্তি সংগ্ৰামৰ উগ্ৰতা। সি যি নহওক, ভাৰতবৰ্ষ স্বাধীন হ'ল। স্বাধীনতাৰ উত্তৰ কালত দেশখনৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে চৰকাৰে মুক্তভাৱে পৰিকল্পনা গ্ৰহণ কৰিছে। বৈদেশিক ক্ষেত্ৰতো ভাৰতে অকুণ্ঠভাৱে শান্তি, সহযোগ আৰু সহ-অৱস্থানৰ নীতি গ্ৰহণ কৰিছে। এই নীতি কোনো বিদেশী শক্তিৰ নিৰ্দেশ বা ইংগিতত ৰচনা হোৱা নাই; এই নীতি ভাৰতবৰ্ষই নিজৰ পৰম্পৰা, দৃষ্টিভংগী আৰু আদৰ্শৰ ভিত্তিত ৰচনা কৰিছে।

ছোভিয়েত ৰুছিয়া আৰু ভাৰতবৰ্ষৰ মাজত লক্ষ্য কৰিবলগীয়া আন এটা বিষয় হৈছে দুয়োখন দেশৰ পূৰ্বৰ সমাজ, অৰ্থনীতি আৰু ৰাজনীতিৰ গাঁথনি। প্ৰথমতেই মনত পৰে ১৯১৭ চনৰ ৰুছিয়াৰ অক্টোবৰ বিপ্লৱৰ পূৰ্বে ৰুছিয়াৰ ৰাজনৈতিক অৱস্থা আৰু তাৰ তলত ৰুছ জনতাৰ অবৰ্ণনীয় দুৰ্দশা। ১৯১৭ চনলৈকে ৰুছিয়াৰ শাসনভাৰ ন্যস্ত আছিল জাৰৰ হাতত। জাৰৰ দ্বাৰা পৰিচালিত মধ্যযুগীয়া শাসন ব্যৱস্থাৰ হেঁচাত ৰুছ জনসাধাৰণৰ অৱস্থা পানীত হাঁহ নচৰা অৱস্থাৰ দৰেখীয়া হৈছিল; বিশেষকৈ ১৯১৪—১৮ চনৰ প্ৰথম মহাযুদ্ধৰ পৰিপ্ৰেক্ষিতত ৰুছৰ অৱস্থা অবৰ্ণনীয় হৈ পৰিছিল। ১৯১৬ চনত ৰুছিয়াৰ খাদ্য অৱস্থা দ্ৰুতগতিত বেয়া হৈ উঠিছিল; বস্ত্ৰ-বস্তুৰ মূল্য অতিপাতভাৱে বৃদ্ধি হৈছিল। এনে অৰ্থনৈতিক দুৰৱস্থাত

ৰুছ জনসাধাৰণ অতিষ্ঠ হৈ দেশৰ শাসন ব্যৱস্থাৰ আমূল পৰিবৰ্তনৰ বাবে দাবী উত্থাপন কৰিছিল। কিন্তু তেতিয়া ৰুছিয়াৰ শাসক জাৰ দ্বিতীয় নিকলচে এই দাবী উপেক্ষা কৰিছিল আৰু তেনে দাবী দেশৰ পক্ষে অনিষ্টকৰ বুলি ব্যাখ্যা কৰিছিল। এনে পৰিস্থিতিত ১৯১৭ চনৰ মাৰ্চ মাহত পেট্ৰোগ্ৰেড চহৰত জনসাধাৰণৰ বিক্ষোভ হয়; বিশেষকৈ কৃষক আৰু শ্ৰমিকৰ মাজত ব্যাপক উত্তেজনা পৰিলক্ষিত হয়। জনসাধাৰণ, শ্ৰমিক আৰু কৃষক শ্ৰেণীৰ এই বিক্ষোভক ১৯১৭ চনৰ অক্টোবৰ বিপ্লৱৰ আগজাননী বুলি কব পাৰি। ইতি-মধ্যে ৰুছ সেনা বাহিনীয়েও জনসাধাৰণৰ বিক্ষোভৰ প্ৰতি সমৰ্থন আগবঢ়ায়। পৰিস্থিতি শেহত ইমান জটিল হৈ পৰে যে দ্বিতীয় নিকলচ আৰু তেওঁৰ পুতেক উভয়ে শাসনৰ গাদি ত্যাগ কৰিবলৈ বাধ্য হ'ল। এইদৰে জাৰৰ পতন ঘটে।

জাৰৰ পতনৰ পাচত প্ৰায় পাঁচ মাহ কাল ৰুছৰ শাসনৰ দায়িত্ব কেইটামান অনা-সাম্যবাদী দলৰ হাতত ন্যস্ত হয়; ন্যস্ত হয় যদিও সেই দলকেইটাৰ শাসনে জনসাধাৰণৰ প্ৰত্যাহ্বানত সেও মানিব লগা হৈছিল, কাৰণ ৰাইজৰ আকাংখ্যা মতে সেই চৰকাৰে কোনো কাম কৰিব নোৱাৰিলে। উপায়ন্তৰ হৈ জুলাই মাহত সেই দলৰ শাসক শ্ৰেণীয়ে আলেকজেণ্ডাৰ কেৰেনেস্কিৰ হাতত শাসনভাৰ গটাই দিয়ে। কেৰেনেস্কি কিন্তু এজন নৰমপন্থী চ'চিয়েলিষ্ট আছিল। যি চাম ৰুছ নেতাই মাৰ্ক্স আৰু লেনিনৰ আদৰ্শৰ ভিত্তিত ৰুছিয়াত শাসন ব্যৱস্থা প্ৰবৰ্তন কৰিবলৈ বিচাৰিছিল, সেই চাম নেতা সেই সময়ত ৰুছিয়াৰ বাহিৰত আছিল। আলেকজেণ্ডাৰ কেৰেনেস্কিৰ শাসন ওফৰাই তাৰ ঠাইত সমাজবাদৰ আদৰ্শত এখন চৰকাৰ প্ৰতিষ্ঠা কৰাৰ সংকল্পে সেই নেতাসকল ৰুছিয়ালৈ প্ৰত্যাবৰ্তন কৰিলে ১৯১৭ চনৰ ৯ নবেম্বৰত। কেইদিনমানৰ ভিতৰতে এই সমাজবাদী নেতাসকলে ৰুছিয়াত এখন বিপ্লৱী চৰকাৰ গঠন কৰিলে। এই চৰকাৰখনক ছোভিয়েট ৰুছিয়াত কমিউনিষ্ট চৰকাৰৰ অভ্যুত্থান বুলিব পাৰি। তেতিয়াৰ পৰা বৰ্তমান সময়লৈকে ৰুছিয়াত ছোভিয়েত ব্যৱস্থা ৫৯

বছৰ একেৰাহে চলি আছে। এই শাসনৰ ছত্ৰছায়াত ৰুছিয়া এখন সমৃদ্ধিশালী আৰু শান্তিকামী ৰাষ্ট্ৰ হিচাবে গঢ়ি উঠিছে।

অত্যাচাৰী জাৰৰ শাসনৰ তলত ৰুছ সৰ্বসাধাৰণ ৰাইজৰ যি দুৰ্দশা হৈছিল, বৃটিচ চৰকাৰৰ দুশ বছৰীয়া সাম্ৰাজ্যবাদী চৰকাৰৰ তলতো ভাৰতৰ জনসাধাৰণে তেনে দুৰ্গতি ভোগ কৰিছিল। শোষণ আৰু উৎপীড়নৰ বোজা ভাৰতীয় জনসাধাৰণৰ পক্ষে অসহনীয় হৈ পৰিছিল। মূলতঃ ভাৰত আৰু ৰুছিয়া সেই সময়ত দুখন কৃষি প্ৰধান দেশ আছিল আৰু আৰ্থিক ক্ষেত্ৰত দুয়োখন দেশৰ অৱস্থা সম-পৰ্য্যায়ত আছিল। দুয়োখন দেশৰ মাজত পাৰ্থক্য আছিল এয়ে যে ৰুছিয়াত সেই দেশৰ একশ্ৰেণী প্ৰভাৱশালী ব্যক্তিয়ে ৰুছ জনসাধাৰণক শোষণ আৰু উৎপীড়ণ কৰিছিল আৰু ভাৰতবৰ্ষৰ অগনণ জনতাক ভাৰতৰ মুষ্টিমেয় জমিদাৰ আৰু ন্যস্ত স্বাৰ্থত জড়িত ভাৰতীয় এচাম লোকৰ সহযোগত বিদেশী বৃটিচে শোষণ আৰু উৎপীড়ন কৰিবলৈ সমৰ্থ হৈছিল।

স্মৰণ কৰা প্ৰয়োজন যে বৃটিচসকল ভাৰতলৈ পোন প্ৰথমে বণিক হিচাবে আহিছিল; তেওঁলোকে ভাৰতত সাম্ৰাজ্যবাদ বিস্তাৰ কৰি শাসন ব্যৱস্থা প্ৰতিষ্ঠা কৰিবলৈ বিচৰা নাছিল। বৃটিচৰ দৰে য়ুৰোপৰ ফৰাচী, ওলন্দাজ আৰু জাৰ্মান সম্ৰাটৰ দ্বাৰা গঠিত ৰেণ্ট ইণ্ট ইণ্ডিয়া কোম্পানী কেইটাও ভাৰতত কোনো ৰাজনৈতিক প্ৰভুত্ব বিস্তাৰ কৰিবলৈ অহা নাছিল বা পোনতে তেনে বিধৰ কোনো প্ৰয়াস কৰা নাছিল যেন অনুমান কৰা হয়। বৃটিচ সদাগৰসকলে প্ৰতিষ্ঠা কৰা ইণ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰথমতে কলিকতাত কোঠ মাৰে যিদৰে ফৰাচী সদাগৰসকলে চন্দন নগৰত, ওলন্দাজ সদাগৰসকলে চুচুৰাত আৰু জাৰ্মান সদাগৰসকলে বাকিজাৰৰ গাঁৱত ব্যৱসায়ৰ কোঠ বহুৱাইছিল। নানা চল-চক্ৰান্ত কিম্বা যুদ্ধৰ দ্বাৰা ক্ৰমান্বয়ে বৃটিচ সদাগৰ গোষ্ঠীয়ে বাকী বিদেশী কোম্পানী কেইটাক পৰাস্ত কৰে আৰু ভাৰতত তেওঁলোকৰ কাৰবাৰ একচেতীয়াভাৱে চলাবলৈ সক্ষম হয়। ১৭৩০ চনৰ পৰা ১৯৪৭ চনলৈ দুশ বছৰৰো অধিক কাল ভাৰতত

শাসন, শোষণ আৰু উৎপীড়ন কৰাৰ পিচত বৃটিচ চৰকাৰে ভাৰতীয় জনসাধাৰণ মুক্তি সংগ্ৰামৰ ওচৰত নতি স্বীকাৰ কৰে। সুদীৰ্ঘ কাল বিদেশী শাসনৰ তলত দেশখনৰ কি দুৰৱস্থা হৈছিল সি সহজে অনুমেয়।

ঊনৈশ শ সাতচল্লিশ চনৰ পোন্ধৰ আগষ্টৰ মাজনিশা ভাৰতে স্বাধীনতা লাভ কৰাৰ পাচত স্বাধীন চৰকাৰে দেশখন নিৰ্মাণ কৰিবলৈ কি নীতি আৰু পন্থা গ্ৰহণ কৰিব লাগে সেই বিষয়ে নেতাসকলৰ মনত অলপো দ্বিধাৰ ভাব নাছিল, কাৰণ প্ৰাক্-স্বাধীনতাৰ সময়ত বিশেষকৈ মুক্তি-সংগ্ৰামত আৰু মহাত্মা গান্ধীয়ে নেতৃত্ব লোৱাৰ পিচত, তেওঁ আৰু তেওঁৰ ৰাজনৈতিক উত্তৰাধিকাৰী হিচাবে পণ্ডিত জৱাহৰলাল নেহৰুৱে বিভিন্ন পৰ্য্যায়ত তাৰ ইংগিত দিছিল। গান্ধীজীয়ে ভাৰত-বৰ্ষত এখন 'ৰামৰাজ্য' প্ৰতিষ্ঠাৰ কল্পনা কৰিছিল। তেওঁৰ কল্পিত ৰামৰাজ্যৰ ছবিখন গান্ধীজীয়ে তেওঁৰ ৰচিত 'হিন্দ স্বৰাজ' [১৯০৮] পুথিখনত বৰ্ণনা কৰিছিল। এই পুথিখন তেওঁ ৰচনা কৰিছিল দক্ষিণ আফ্ৰিকাত হোৱা তেওঁৰ নিজৰ অভিজ্ঞতাৰ ভিত্তিত। ১৯১৫ চনৰ ৯ জানুৱাৰীৰ দিনা গান্ধীজী দক্ষিণ আফ্ৰিকাৰ পৰা 'আসাম' নামৰ জাহাজেৰে আহি বম্বেৰ 'গেটওৱে' পায়হি। তেওঁৰ সাধাৰণ বয়বস্তুৰ লগত হিন্দ স্বৰাজ নামৰ নিজে লিখা পুথিখনৰ পাণ্ডুলিপিটো কঢ়িয়াই আনিছিল। এই পুথিখনত ভাৰতৰ স্বাধীনতাৰ মৌলিক বস্তু কি হ'ব তাক তেওঁ লিপিবদ্ধ কৰিছিল। ৰাস্কিন, টলষ্টয় আৰু থৰ'---এই তিনিজন মহান ব্যক্তিৰ লিখনিসমূহ পঢ়ি, তেওঁলোকৰ চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱান্বিত হৈ, মহাত্মা গান্ধীয়ে অহিংসা আৰু আইন অমান্য নীতি গ্ৰহণ কৰি, নিজৰ জীৱন আৰু কৰ্মপন্থাক গঢ় দিবলৈ তেওঁ প্ৰস্তুত হৈ আহিছিল। সুদীৰ্ঘ ত্ৰিশ বছৰ ধৰি সেই নীতিৰ পৰা গান্ধীজী অলপো আঁতৰি নগৈছিল।

জৱাহৰলাল নেহৰুক গান্ধীজীয়ে ১৯৪২ চনৰ 'ভাৰত-ত্যাগ' আন্দোলনৰ কেইমাহমান আগত বাৰ্দ্ধাত তেওঁৰ উত্তৰাধিকাৰী বুলি ৰাজহুৱাভাৱে ঘোষণা কৰিছিল। কিন্তু জৱাহৰলাল মূলতঃ এজন বাস্তৱবাদী ৰাজনৈতিক নেতা আছিল। গান্ধীজীৰ সৈতে জৱাহৰলাল

নেহৰু বহু বিষয়ত একমত হব নোৱাৰিছিল ; একমত হব নোৱাৰিছিল যদিও গান্ধীজীক তেওঁ উপেক্ষা কৰা নাছিল। নেহৰুৱে স্বাধীন ভাৰতক গঢ় দিবলৈ সংকল্প লৈছিল পৰিকল্পনাৰ যোগেদি যি পৰিকপনাৰ মাধ্যমত ছোভিয়েত ৰুছিয়াই ১৯১৭ চনৰ অক্টোবৰ বিপ্লৱৰ পাচত অভূতপূৰ্ব আকাৰত দেশখন গঢ়ি তুলিছে। স্বাধীন ভাৰত ৰাষ্ট্ৰৰ প্ৰথম প্ৰধানমন্ত্ৰী হৈ জৱাহৰলাল নেহৰুৱে সমাজবাদৰ ভিত্তিত ভাৰতৰ অৰ্থনৈতিক গাঁথনিৰ কাম হাতত লৈছিল। সমাজবাদত তেওঁৰ পৰম বিশ্বাস আছিল। এই বিশ্বাস ক্ষণেকত তেওঁৰ মনলৈ অহা নাছিল। ছাত্ৰ অৱস্থাৰ পৰা সমাজবাদৰ প্ৰতি তেওঁ আকৃষ্ট হৈছিল আৰু সেই আদৰ্শৰপৰা জৱাহৰলাল কিঞ্চিৎমানো বিচলিত হোৱা নাছিল। সেইয়া তেওঁৰ জীৱনৰ সক্ৰিয় কালছোৱাত অৰ্থাৎ ১৯২৭ চনৰ পৰা ১৯৬৪ চনলৈ তেওঁৰ বিভিন্ন কাৰ্য্যত প্ৰকাশ পাইছিল। তেওঁ যে নিজে কেৱল সমাজবাদত বিশ্বাসী আছিল এনে নহয় ; তেওঁৰ দৌহিত্ৰী ইন্দিৰা গান্ধীক যাক নেহৰুৱে পিতৃ সুলভ স্নেহেৰে 'প্ৰিয়দৰ্শিনী' বুলি সম্বোধন কৰিছিল, তেওঁকো এজাপ চিঠিৰে পৃথিৱীৰ ঘটনা প্ৰবাহৰ লগত চিনাকি কৰি দিছিল আৰু সমাজবাদত উদ্বুদ্ধ কৰিছিল। দেউতাকৰ আহিত ইন্দিৰা গান্ধী ৰাজহুৱা জীৱন আৰু ৰাজনৈতিক দৃষ্টিভঙ্গীত বিশেষকৈ তেওঁ প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ পিচৰ পৰা সমাজ-বাদৰ আদৰ্শ আৰু নীতিৰ ওপৰত পৰম বিশ্বাসী হৈ আছে আৰু তেওঁৰ চৰকাৰৰ নীতি দৃঢ়তাৰে আগবাঢ়িছে।

সেয়েহে ঠোৰতে কব পাৰি যে ছোভিয়েত ৰুছিয়া আৰু ভাৰতবৰ্ষ দুখন বিভিন্ন ৰাষ্ট্ৰ যদিও, দুয়োখন ৰাষ্ট্ৰ এটা আদৰ্শেৰে অনুপ্ৰাণিত আৰু সেই একেটা আদৰ্শৰ মাধ্যমত শান্তি, মৈত্ৰী আৰু সহযোগৰ কাৰণে প্ৰতিজ্ঞাবদ্ধ হৈছে। ১৯৫৫ চনৰ জুন মাহত প্ৰধানমন্ত্ৰী হিচাবে জৱাহৰলাল নেহৰুৰ প্ৰথম ৰুছ ভ্ৰমণত ভাৰত-ছোভিয়েত বন্ধুত্বৰ পাতনি মেলা হৈছিল। ১৯৭১ চনৰ ৯ আগষ্টত নতুন দিল্লীত ভাৰত চৰকাৰ আৰু ছোভিয়েত চৰকাৰৰ মাজত স্বাক্ষৰিত চুক্তি-পত্ৰ সেই প্ৰতিজ্ঞাৰ দলিল বুলি কলে অত্যুক্তি কৰা নহয়। সেই দলিল

ভাৰত-ছোভিয়েত ৰুছিয়াৰ মাজত গঢ়ি উঠা বন্ধুত্বৰ এটা ঐতিহাসিক পদক্ষেপ। ১৯৭৩ চনৰ ২৯ নবেম্বৰত নতুন দিল্লীত ভাৰতৰ প্ৰধান-মন্ত্ৰী ইন্দিৰা গান্ধী আৰু য়ুনিয়ন অব্ ছোভিয়েত চ'চিয়েলিষ্ট ৰিপাব্লিকৰ ছোভিয়েত নেতা লিওনেদ্ ব্ৰেজনেভৰ উপস্থিতিত স্বাক্ষৰিত দলিলে ভাৰত-ছোভিয়েত মৈত্ৰীৰ এনাজৰী পূৰ্বতকৈ দৃঢ় কৰিছে। ১৯৭৬ চনৰ ছাব্বিশ জানুৱাৰীত মস্কোত অনুষ্ঠিত ৰুছিয়াৰ কমিউনিষ্ট পাৰ্টিৰ পঞ্চবিংশতি কংগ্ৰেছত ব্ৰেজনেভে দলৰ প্ৰধান হিচাবে ন-দি ছোভিয়েত ৰুছিয়া আৰু ভাৰতবৰ্ষৰ মাজৰ বন্ধুত্বৰ কথা পুনৰ দৃঢ়তাৰে ঘোষণা কৰিছে। তেওঁৰ ভাষাত 'সেই মহান দেশ ভাৰত'ৰ বন্ধুত্বৰ প্ৰতি ছোভিয়েত ৰুছিয়াই পৰম গুৰুত্ব আৰোপ কৰে।

উনৈশ শ ছয়সত্তৰ চনৰ জুন মাহত ইন্দিৰা গান্ধীয়ে ছোভিয়েত ৰুছিয়া পৰিভ্ৰমণ কৰি ৰুছ-ভাৰতীয় বন্ধুত্ব আৰু সহযোগিতা দৃঢ়তৰ কৰিছে।

দুই

আনন্দ ভৱনৰ জৱাহৰলাল

জৱাহৰলালৰ জন্ম হৈছিল এলাহাবাদৰ বিখ্যাত নেহৰু পৰিয়ালত। নেহৰুৰ পূৰ্বপুৰুষসকল কাশ্মীৰৰ আছিল আৰু জাতত ব্ৰাহ্মণ আছিল। কিন্তু জৱাহৰলাল নেহৰুৰ দেউতাক মতিলাল নেহৰু পাশ্চাত্য চালচলনত বাস কৰিছিল আৰু পুৰণি নীতি-নিয়মবোৰৰ বিৰোধী আছিল; দেউতাক পিন্ধন-উৰণ, খোৱা-বোৱা আদি সামাজিক বিষয়বোৰৰ ক্ষেত্ৰত চাহাবী আছিল; আনকি পুতেক জৱাহৰলালক শৈশৱ কালত ইংৰাজ গৃহ শিক্ষকৰ দ্বাৰা শিক্ষা দিছিল আৰু ইংৰাজ মহিলাৰ দ্বাৰা তত্বাৱধান লোৱাইছিল। তেওঁ আওপুৰণি ব্যৱস্থাবোৰ ভাল নাপাইছিল আৰু সেইবোৰ বৰ্জন কৰিছিল। দেউতাক মতিলাল নেহৰুৰ বিষয়ে মন্তব্য দি জৱাহৰলালে তেওঁৰ আত্মজীৱনীত মতিলালক এজন 'ডাঙৰ বিদ্ৰোহী' বুলি উল্লেখ কৰিছে। দেউতাক এজন খ্যাতনামা উকীল আছিল আৰু ওকালতি ব্যৱসায়ত তেওঁ প্ৰচুৰ ধন ঘটিছিল। গতিকে মতিলালে আধুনিক লাহ-বিলাসৰ যাৱতীয় সামগ্ৰীৰে ঘৰখন, পৰিয়ালটো আৰু ল'ৰা-ছোৱালীৰ সৈতে সুখী পৰিয়াল কৰি তুলিব পাৰিছিল। এক কথাত কব লাগিলে তেওঁৰ পৰিয়ালটো সকলো ক্ষেত্ৰতে পাশ্চাত্য হৈ পৰিছিল। জৱাহৰলাল নেহৰু যেতিয়া এঘাৰ বছৰত সোমায়, তেতিয়া ফাৰ্ডিনেণ্ড টি ব্ৰুকচ্ নামৰ এজন ইংৰাজক মতিলাল নেহৰুয়ে জৱাহৰলালৰ গৃহ-শিক্ষক ৰূপে নিয়োগ কৰিছিল আৰু এইজনা শিক্ষকৰ তলত জৱাহৰলালৰ প্ৰথম শিক্ষা আৰম্ভ হৈছিল। এনী বেচেণ্টৰ পৰামৰ্শ ক্ৰমেই মতিলালে পুতেকৰ প্ৰাথমিক শিক্ষাৰ

দায়িত্ব ব্ৰুকচ্‌ৰ হাতত দিছিল। এনী বেচেণ্ট মতিলাল নেহৰুৰ এগৰাকী ঘনিষ্ঠ বন্ধু হোৱাৰ উপৰিও ভাৰতৰ এজন পৰম হিতৈষী ব্যক্তি আছিল। প্ৰায় তিনি বছৰ কাল ইংৰাজ শিক্ষক ব্ৰুক্‌চে জৱাহৰ-লালক ঘৰতে শিক্ষা প্ৰদান কৰিছিল। জৱাহৰলালৰ ওপৰত ব্ৰুকচ্‌ৰ লেখত লবলগীয়া প্ৰভাৱ পৰিছিল, বিশেষকৈ থিয়চফিৰ দৰ্শনে জৱাহৰ-লালক শৈশৱ অৱস্থাত একাধিক ধৰ্মীয় শাস্ত্ৰৰ মূলকথা বুজিবলৈ সহায় কৰিছিল।

বাল্যকালৰ পৰা পুথি-অধ্যয়নৰ প্ৰতি জৱাহৰলালৰ পৰম ধাউতি জন্মিছিল। গৃহ-শিক্ষক ব্ৰুকচে এই ধাউতি জৱাহৰলালৰ মনলৈ আনিছিল ; কিন্তু জৱাহৰলালে পুথিবোৰ জধে-মধে পঢ়িছিল। তথাপি জীৱনৰ পিচৰ ছোৱাত এই পুথি অধ্যয়নৰ পৰা তেওঁ পৰম উপকৃত হৈছিল, বিশেষকৈ তেওঁ বিজ্ঞানৰ যিবোৰ পুথি পঢ়িছিল যেনে, এইচ-জি-ৱেলচ্‌ৰ ৰোমাঞ্চকৰ গ্ৰন্থবোৰ সেই পুথিবোৰে বিজ্ঞানৰ প্ৰতি জৱাহৰলালৰ মনত স্পৃহা জন্মাইছিল। সেয়ে উচ্চ শিক্ষাৰ কাৰণে তেওঁ কেম্ব্ৰিজলৈ গৈ বিজ্ঞান বিষয় লৈছিল।

পোন্ধৰ বছৰ বয়সত ১৯০৫ চনৰ মে' মাহত দেউতাক, মাক আৰু সৰুজনী ভনীয়েকৰ লগত জৱাহৰলাল পোন প্ৰথম বাৰৰ কাৰণে বিলাতলৈ যায় আৰু তাৰ হেৰ' স্কুলত ভৰ্তি হয়। বিলাতত আৰম্ভণিতে তেওঁ অকলশৰীয়া জীৱন কটাবলৈ বৰ টান পাইছিল। কিতাপ পঢ়ি জৱাহৰলালে অকলশৰীয়া জীৱনৰ আহকাল কিছু পৰিমাণে লাঘৱ কৰিব পাৰিছিল। তেতিয়াৰ পৰা তেওঁ ৰাজনীতিৰ বিষয়ত মনোযোগ দিবলৈ ধৰে। বাতৰি কাকত, আলোচনী আদি পঢ়ি তেওঁ সময়ৰ ঘটনাৱলীৰ লগত সম্পৰ্ক ৰাখিছিল। জৱাহৰলালে হেৰ' স্কুলতেই তাৰ প্ৰমাণ দিব পাৰিছিল। ১৯০৫ চনৰ শেষৰ ফালে ইংলেণ্ডৰ সাধাৰণ নিৰ্বাচনত উদাৰনৈতিক দলে জয়লাভ কৰে আৰু এই দলে কেম্বল বেনাৰমেনৰ নেতৃত্বত মন্ত্ৰীসভা গঠন কৰে। ১৯০৬ চনৰ আগভাগত জৱাহৰলালৰ শ্ৰেণীৰ শিক্ষকজনে ছাত্ৰসকলক বৃটিচ নতুন মন্ত্ৰীসভা কাৰ নেতৃত্বত গঠন হৈছিল আৰু মন্ত্ৰীসভাৰ মন্ত্ৰী-

কেইজনৰ নাম নো কি জৱাহৰলাল প্ৰমুখ্যে ছাত্ৰসকলক প্ৰশ্ন কৰে। জৱাহৰলালে প্ৰশ্নটোৰ সম্পূৰ্ণ শুদ্ধ উত্তৰ দি শিক্ষকজনক পৰম সন্তোষ দিছিল।

জৱাহৰলালে বিলাতত শিক্ষা লাভ কৰি থকা সময় ছোৱাত ভাৰতত কিছুমান ৰাজনৈতিক ঘটনাৰ সূচনা হয়। ১৯০৫—১৯০৭ চনৰ বঙ্গ-ভঙ্গ আন্দোলন, পঞ্জাৱত হোৱা আন্দোলনৰ সন্দৰ্ভত লালা লাজপাত ৰায় আৰু অৰ্জুন সিঙৰ নিৰ্বাসন সেই ঘটনাবোৰৰ ভিতৰত উল্লেখযোগ্য। মহাৰাষ্ট্ৰতো লোকমাণ্য তিলকৰ নেতৃত্বত স্বাধীনতা আন্দোলনৰ ঢৌ ব্যাপক হৈ পৰিছিল। বিলাতত এই ঘটনাৱলীৰ বিষয়ে কোনো বিস্তৃত বিবৰণ পোৱা নগৈছিল। কিন্তু বিভিন্ন সূত্ৰৰ যোগেদি বঙ্গ-ভঙ্গ আন্দোলন, স্বদেশী আন্দোলন, বিদেশী দ্ৰব্য বৰ্জন আদিৰ বা-বাতৰি জৱাহৰলালৰ কাণত পৰিছিলগৈ। এই বাতৰিবোৰে যুৱক জৱাহৰলালৰ মনত এটা বিৰাট আলোড়নৰ সৃষ্টি কৰিছিল; কিন্তু কাৰো সৈতে তেওঁ এই ঘটনা-প্ৰৱাহ সম্পৰ্কে আলোচনা কৰিবলৈ সুবিধা নাপাইছিল; সুবিধা পোৱা নাছিল যদিও ভাৰতীয় ঘটনাৱলীৰ বাতৰিয়ে জৱাহৰলাল নেহৰুৰ মনত বিশেষ-ভাৱে ৰেখাপাত কৰিছিল। ৰুছ-জাপানৰ যুদ্ধত ৰুছিয়াৰ পৰাজয় আৰু জাপানৰ জয়ে তেওঁৰ মনত পৰম প্ৰতিক্ৰিয়া কৰে। এই সম্পৰ্কে জৱাহৰলালে আত্ম-জীৱনীত লিখিছে: "জাপানৰ জয়ত মই আত্মহাৰা হৈছিলোঁ। জাপানৰ পুৰণি বীৰত্বৰ কাহিনীবোৰ মই ভাল পাইছিলোঁ আৰু ভাল পাইছিলোঁ লা, কেডিয়' হৰ্ণৰ ধুনীয়া কৱিতাবোৰ।"

জে-এম ট্ৰেভেলিয়ানৰ দ্বাৰা লিখা গেৰিবল্ডি সম্পৰ্কে পুথি এখন হেৰ' স্কুলত থাকোঁতে জৱাহৰলাল নেহৰুয়ে বঁটা হিচাবে লাভ কৰিছিল। গেৰিবল্ডি ইটালীৰ এজন দেশপ্ৰেমিক নেতা আৰু সৈনিক আছিল। যিসকল ইটালীবাসীয়ে নেপোলিয়নৰ বিৰুদ্ধে যুঁজি ইটালীৰ স্বাধীনতা ৰক্ষা কৰিছিল তেওঁলোকৰ ভিতৰত গেৰিবল্ডি অন্যতম আছিল। এওঁ মেজিনীৰ সমসাময়িক আছিল আৰু এওঁৰ সৈতে

গেৰিবল্ডিয়ে নেপোলিয়নৰ বিৰুদ্ধে যুঁজি ইটালীৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰিছিল। গেৰিবল্ডিনৰ বিষয়ে লিখা ট্ৰেভেলিয়ানৰ আন এখন কিতাপো সংগ্ৰহ কৰি জৱাহৰলালে পঢ়িছিল। এই কিতাপ দুখনৰ প্ৰভাৱ জৱাহৰলালৰ ওপৰত পৰিছিল, কিয়নো ইটালীৰ গেৰিবল্ডি আৰু মেজিনীৰ বীৰত্বৰ কাহিনী পঢ়াৰ পাচত জৱাহৰলালৰ মনত ভাৰতৰ দুৰ্জেয় মুক্তিৰ সপোন জাহি উঠিছিল। এইদৰে ইংলেণ্ডত থকা কালত তেওঁৰ মনত স্বদেশ প্ৰেমৰ অকাট্য সাঁচ বহিবলৈ ধৰে আৰু ভাৰতৰ মুক্তিৰ বাবে যুঁজিবলৈ ভাবৰ অগ্নি তেওঁৰ মনত উদয় হয়।

জৱাহৰলালে কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা ডিগ্ৰী লাভ কৰে ১৯১০ চনত। তাৰ পিচৰ দুটা বছৰ লণ্ডন আৰু ইংলেণ্ডৰ আন আন ঠাই ঘূৰি ফুৰে। জীৱনৰ উদ্দেশ্য সম্পৰ্কে তেওঁ মনটোত একো ধাৰণা কৰিব পৰা নাছিল। তথাপি ৰাজনীতিৰ ক্ষেত্ৰত ক্ৰমান্বয়ে তেওঁ নিজক গঢ় দিবলৈ ধৰিছিল ; কিন্তু ভাৰতীয় চিভিল চাৰ্ভিচত পৰীক্ষা দিয়াৰ বাবে দেউতাকে কৰা প্ৰস্তাৱত তেওঁ বৰ প্ৰতিবাদ কৰা নাছিল। ঘটনাচক্ৰত জৱাহৰলালে আই-চি-এছ পৰীক্ষাত যোগ দান নকৰিলে ; এই পৰীক্ষাত যোগ দিয়াহেঁতেন জৱাহৰলাল বিদেশী শাসনযন্ত্ৰৰ চকৰীৰ অংশ স্বৰূপ হ'লহেঁতেন আৰু ভাৰতৰ মুক্তিসংগ্ৰামত যোদ্ধাৰূপে নামি পিচত স্বাধীন ভাৰতৰ প্ৰধানমন্ত্ৰীৰ ভূমিকা লব নোৱাৰিলেহেঁতেন।

লণ্ডনত থকা কালছোৱাত জৱাহৰলাল নেহৰু এবাৰ আয়াৰ্লেণ্ডলৈ যায়। সেই সময়ত আয়াৰ্লেণ্ডত ছিন্ ফেইন নামৰ ৰাজনৈতিক দলটোৰ নেতৃত্বত আয়াৰ্লেণ্ডৰ স্বাধীনতা আন্দোলন আৰম্ভ হৈছিল। তাত নাৰীসমাজেও নাৰী-জাগৰণৰ যোগেদি তেওঁলোকৰ ভোটাধিকাৰৰ দাবী উত্থাপন কৰিছিল। আয়াৰ্লেণ্ডৰ স্বাধীনতাৰ যুদ্ধ আৰু তাৰ নাৰী-জাগৰণ উভয়ে জৱাহৰলালক বৰকৈ আকৰ্ষিত কৰিছিল। তালৈ গৈ তেওঁ এই আন্দোলন দুটাৰ বিষয়ে অধ্যয়ন কৰিছিল আৰু আন্দোলন দুটাৰ মৰ্ম বুজিবলৈ চেষ্টা কৰিছিল। ইতিমধ্যে তেওঁ য়ুৰোপৰ কেইবাখনো দেশলৈ যায়।

১৯১২ চনত বাৰিষ্টাৰী পাছ কৰি জৱাহৰলাল স্বদেশলৈ উলটি আহে। সাত বছৰ কাল ইংলেণ্ডত থকাৰ পাচত ভাৰতলৈ আহি তেওঁ ভাৰতৰ ৰাজনৈতিক পৰিস্থিতি বৰ সেমেকা যেন অনুভৱ কৰিছিল। চৰমপন্থী নেতা লোকমান্য তিলক তেতিয়া জেলত; বঙ্গভঙ্গ আন্দোলনৰ পাচত বঙ্গদেশ শান্ত আৰু মৰ্লেটণ্ড সংস্কাৰৰ সপক্ষে মধ্যপন্থী নেতাসকলৰ তেতিয়া বলিষ্ঠ সমৰ্থন। দেশৰ এনে পৰিস্থিতি দেখি জৱাহৰলাল বৰ হতাশ হৈ পৰিছিল, কাৰণ বিলাতত থকা সময়ছোৱাত তেওঁ ভাৰতৰ স্বাধীনতাৰ সপোন দেখিছিল। কিন্তু ভাৰতলৈ ঘূৰি আহি সেই সপোনৰ লগত ভাৰতৰ পৰিস্থিতিৰ কোনো সম্পৰ্ক তেওঁ দেখা নাপালে। গেৰিবল্ডিৰ আদৰ্শ আৰু ছিন্ ফেইনৰ আন্দোলনে তেওঁৰ মনলৈ ৰাজনৈতিক আন্দোলনৰ যি জোঁৱাৰ আনিছিল সেই জোঁৱাৰ যেন নিষ্প্ৰভ হৈ পৰিছিল। তেওঁ হতাশাৰ ওচৰত সেও নামানি ১৯১২ চনত প্ৰথমবাৰৰ কাৰণে বঙ্গদেশৰ বাঙ্কিমপুৰত বহা কংগ্ৰেছ অধিবেশনলৈ প্ৰতিনিধি হিচাবে যায়। কিন্তু এই অধিবেশনৰ আলোচনাৰ লক্ষণ দেখি জৱাহৰলাল সন্তুষ্ট হব নোৱাৰিলে। এই বিষয়ে নিজৰ প্ৰতিক্ৰিয়া আত্ম-জীৱনীত তেওঁ এইদৰে লিখিছে: ‘সেইখন [কংগ্ৰেছ অধিবেশন] আছিল বিশেষকৈ ইংৰাজী জনা ওপৰ-শ্ৰেণী লোকৰ মেলা আৰু তাত যোগদান কৰিছিল বেছিভাগ চাহাবে ৰাতিপুৱা পিন্ধা কোট আৰু ধুনীয়াকৈ ইস্ত্ৰি কৰা পেটলুং পৰিধান সহ; প্ৰকৃততে সেইখন আছিল সামাজিক সম্মিলন। তাত কোনো ৰাজনৈতিক উত্তেজনা বা সংকট নাছিল।’ অৱশ্যে কংগ্ৰেছ অধিবেশনত উপস্থিত থকা নেতাসকলৰ ভিতৰত গোখলে জৱাহৰলালৰ মন আকৃষ্ট কৰিছিল। তেওঁৰ মতে গোখলে আছিল ৰাজনীতি আৰু ৰাজহুৱা কামত আশাশুধীয়া আৰু গভীৰভাৱে কাম কৰা এজন লোক। গোখলেৰ ব্যক্তিত্বত জৱাহৰলাল মুগ্ধ হৈ পৰিছিল।

কংগ্ৰেছৰ বাঙ্কিমপুৰ অধিবেশনৰ পাচত ভাৰতত কোনো উল্লেখযোগ্য ৰাজনৈতিক ঘটনা নোহোৱাত জৱাহৰলালে ৰাজহুৱা কামত যোগদান কৰা নাছিল। সেই কালছোৱা অৱশ্যে প্ৰথম মহাযুদ্ধৰ সময় আছিল। মহাযুদ্ধ শেষ হোৱাত ১৯১৯ চনৰ পৰা কিন্তু ভাৰতৰ

গান্ধীজীয়ে কংগ্ৰেছৰ নেতৃত্ব লোৱাৰ পাচত ভাৰতৰ মুক্তি সংগ্ৰামৰ ৰেহৰূপ অভূতপূৰ্বভাৱে পৰিবৰ্তন হবলৈ ধৰিলে। কুখ্যাত ৰাওলেট্ আইন আৰু খেলাফট আন্দোলনৰ পৰিপ্ৰেক্ষিতত গান্ধীজী কংগ্ৰেছৰ নেতৃত্বৰ গুৰি ধৰিবলৈ আগবাঢ়ি আহিল। জৱাহৰলালে ১৯১৬ চনত বহা কংগ্ৰেছ অধিবেশনত পোন প্ৰথমবাৰৰ কাৰণে গান্ধীজীক লগ পাইছিল ; কিন্তু সেই সময়ত গান্ধীজী কংগ্ৰেছৰ লগত বৰ ঘনিষ্ঠ হৈ পৰা নাছিল। ১৯১৯ চনৰ পৰা কিন্তু গান্ধীজী কংগ্ৰেছৰ প্ৰধান নেতা হৈ পৰিল। সেই সময়ৰ পৰা ভাৰতত গান্ধীযুগ আৰম্ভ হোৱা বুলি কব পাৰি।

কুখ্যাত ৰাওলেট্ আইনৰ প্ৰতিবাদ হিচাবে গান্ধীজীয়ে যেতিয়া দেশত অসহযোগ আন্দোলন ঘোষণা কৰিলে তেতিয়া জৱাহৰলালে মুক্তি-সংগ্ৰামৰ বাবে এটা নিৰ্দিষ্ট বাট দেখিলে আৰু তেওঁৰ মন উদ্দীপ্ত হৈ পৰিল। গান্ধীজীৰ সিদ্ধান্ত সম্পৰ্কে জৱাহৰলালে তেওঁৰ আত্ম-জীৱনীত লিখিছে ঃ ……'অৱশেষত এটা মীমাংসা হ'ল, এটা কাৰ্য্যকৰী পন্থা পোৱা গ'ল আৰু সেই কাৰ্য্যপন্থা পোনপটীয়া আৰু তাত কোনো লুকঢাক নাই ; বোধহয় তাৰ পৰা সুফল পোৱা যাব। মই উৎসাহত উদ্দীপ্ত হৈ পৰিলোঁ। অতি আনন্দ মনে সত্যাগ্ৰহ সভাত যোগ দিবলৈ মন মেলিলোঁ। তাৰ পৰিণতি যে আইন অমান্য, কাৰাবৰণ ইত্যাদি কি হ'ব তাক ভবাই নাছিলোঁ—।'

পিচে জৱাহৰলালৰ উদ্দীপ্ত মন ক্ৰমান্বয়ে চেঁচা হবলৈ ধৰিলে। তাৰ কাৰণ প্ৰধানতঃ দুটা আছিল। প্ৰথম, সত্যাগ্ৰহ আন্দোলনৰ কাৰ্য্যক্ৰমত তেওঁ কোনো সদৃষ্ট গঢ় দেখা পোৱা নাছিল ; দ্বিতীয় তেওঁৰ দেউতাক মতিলাল নেহৰু নিজেই সত্যাগ্ৰহৰ বিৰোধী হ'ল। এই সম্পৰ্কে উল্লেখ কৰি জৱাহৰলালে কৈছিল ঃ "একেবাৰে কেইবা-দিনো মোৰ মানসিক দ্বন্দ্ব চলিল। আমি দুয়োজনে [জৱাহৰলাল নেহৰু আৰু মতিলাল নেহৰু] বুজিছিলোঁ—আমাৰ আগত বিৰাট প্ৰশ্ন যাব মেৰপাকত পৰি আমাৰ দুয়োৰে জীৱনৰ গতি সলনি হৈ যাব পাৰে। সেই কাৰণে আমি ইজনে সিজনৰ মনোভাৱৰ প্ৰতি

শুৰুত্ব দি চলিবলৈ কঠোৰ পৰিশ্ৰম কৰিছিলোঁ। দেউতাৰ মনোকষ্ট লাঘৱ কৰাৰ মোৰ ইচ্ছা আছিল, কিন্তু মই যে সত্যাগ্ৰহৰ পন্থা লবই লাগিব। আমাৰ দুজনৰ পক্ষে এই কালছোৱা বৰ সঙ্কটপূৰ্ণ আছিল। ৰাতিপুৱা অকলে অকলে ঘূৰি ফুৰিছিলোঁ—মোৰ নিষ্পেষিত মনটোৱে বিচাৰি ফুৰিছিল সমস্যা সমাধানৰ উপায়।”

জীৱনৰ প্ৰথম সংঘাটত জৱাহৰলাল উত্তীৰ্ণ হ'ল আৰু দেউতাকৰ আপত্তি সত্বেও তেওঁ অসহযোগ আন্দোলনত যোগ দিলে। অসহযোগ আন্দোলন তথা ভাৰতৰ মুক্তি আন্দোলনত এবাৰ যি যোগ দিলে তাৰ পৰা তেওঁ জীৱনৰ বাকী ছোৱাত ক্ষন্তেকৰ কাৰণেও জিৰণি নিবিচাৰিলে। গান্ধীজীৰ নেতৃত্বত ১৯১৯ চনত জৱাহৰলাল কংগ্ৰেছত সক্ৰিয়ভাৱে নামি পৰিল আৰু সুদীৰ্ঘ ২৭ বছৰ কাল তেওঁ আন্দোলনত ঘনিষ্ঠভাৱে জড়িত হৈ আছিল। ১৯৪৭ চনৰ ১৫ আগষ্টত জন্ম লাভ কৰা স্বাধীন ভাৰতৰ প্ৰধান মন্ত্ৰীৰ পদত একেৰাহে সোতৰ বছৰ দায়িত্ব বহন কৰাৰ পাচত ১৯৬৪ চনৰ ২৭ মে'ত তেওঁ স্বৰ্গগামী হ'ল।

সাধাৰণতে প্ৰশ্ন উদয় হয়ঃ আনন্দ ভৱনৰ লাহ-বিলাসত ডাঙৰ-দীঘল হোৱাৰ পিচত বুৰ্জোৱা নেহৰু পৰিয়ালৰ অতি স্নেহৰ সন্তান হৈ, শিশুকালত বিদেশী গৃহ-শিক্ষকৰ তত্বাৱধানত প্ৰাথমিক আৰু মাধমিক শিক্ষা লাভ কৰা সুদূৰ হেৰ' স্কুল আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ উচ্চ শ্ৰেণীৰ পৰিবেশত ছাত্ৰ-জীৱন কটাই, তেওঁৰ শৈশৱ আৰু কিশোৰ জীৱনত ভাৰতৰ জনসাধাৰণৰ পৰা সম্পূৰ্ণভাৱে বিচ্ছিন্ন হৈ, জৱাহৰলালে দেশৰ স্বাধীনতা-যুদ্ধৰ কঠোৰ ভৱিষ্যতত জপিয়াই পৰিছিল কিয়? ইংলেণ্ডত থকা কালত প্ৰগতিবাদী লেখকৰ পুথি অধ্যয়ন কৰিছিল যদিও ছাত্ৰাৱস্থাত তেওঁ কোনো সক্ৰিয় ৰাজনীতিত যোগ দিয়া নাছিল। তথাপি বিলাতৰ পৰা ভাৰতলৈ প্ৰত্যাবৰ্তন কৰাৰ পিচত জৱাহৰলাল সমাজবাদৰ প্ৰবক্তা হ'ল কিয়? সেই সময়ত ভাৰতীয় ৰাজনীতি আৰু স্বাধীনতা-যুদ্ধৰ বাবে কংগ্ৰেছে যে প্ৰগতিবাদী কিবা নীতি বা আঁচনি লৈছিল তেনেও নহয়। তেন্তে

জৱাহৰলালে কংগ্ৰেছত যোগ দি সমাজবাদৰ কথা চিন্তা কৰিছিল কিয় ? তেওঁৰ আত্ম-জীৱনীত তেওঁৰ প্ৰাথমিক ৰাজনীতি সম্পৰ্কে ১৯৩৬ চনত এইদৰে উল্লেখ কৰিছে ঃ মোৰ ৰাজনীতি মোৰ শ্ৰেণীৰ ৰাজনীতি আৰু সেই শ্ৰেণীটো বুৰ্জোৱা। দৰাচলতে তেতিয়া ৰাজনৈতিক আন্দোলন মধ্যবিত্ত শ্ৰেণীৰ আন্দোলন আছিল আৰু এতিয়াও সেই ভাবেই আছে। মধ্যপন্থীয়েই হওক বা চৰমপন্থীয়েই হওক, তেওঁলোকে এই শ্ৰেণীৰ অৰ্থাৎ বুৰ্জোৱা শ্ৰেণীৰ প্ৰতিনিধিত্ব কৰিছিল আৰু বিভিন্ন প্ৰকাৰে নিজৰ শ্ৰেণীৰ স্বাৰ্থৰ বাবে যত্ন কৰিছিল। এমুঠি উচ্চ মধ্যবিত্ত শ্ৰেণীৰ মানুহে বৃটিচ আমোলৰ তলত সুখত বাস কৰিছিল। যি চাম মধ্যবিত্ত শ্ৰেণীৰ লোক আছিল, তেওঁলোকেও উচ্চ মধ্যবিত্ত শ্ৰেণীৰ প্ৰতিনিধিত্ব কৰিছিল। হঠাৎ সত্যাগ্ৰহ আহি তেওঁলোকৰ সুখ-স্বাচ্ছন্দ্য নষ্ট কৰিলে বুলি ভাবি তেওঁলোকে এই আন্দোলনক সমূলি ভাল নাপাইছিল। বৃটিচ চৰকাৰ আৰু ডাঙৰ জমিদাৰ শ্ৰেণীৰ লগত তেওঁলোকৰ সম্বন্ধ আছিল। চৰমপন্থী লোকসকলে মধবিত্ত লোকতকৈ তলৰ শ্ৰেণী বেছি প্ৰতিনিধিত্ব কৰিছিল; তেওঁলোকে ঠাইবিশেষত সংঘবদ্ধও হৈছিল। গতিকে মধ্যবিত্ত লোকসকলৰ বৰ প্ৰতিপত্তি নাছিল। আনহাতে খেতিয়কসকল আছিল হোজা, দুখীয়া আৰু নিপীড়িত; সদায় কষ্ট ভোগ কৰিয়েই তেওঁলোকে দিন নিয়াইছিল। খেতিয়ক শ্ৰেণীয়ে নিজৰ অদৃষ্টৰ ওপৰত নিৰ্ভৰ কৰি বহি থাকে আৰু ফলত তেওঁলোক চৰকাৰ, জমিদাৰ, সুদখোৰ, নিম্নবেতনভোগী চাকৰিয়াল, পুলিচ, উকীল, পুৰোহিত, মোল্লাৰ দ্বাৰা শোষিত আৰু দলিত হৈ পৰে।

জৱাহৰলাল নেহৰুৱেও ১৯২০ চনলৈকে কাৰখানাৰ শ্ৰমিক আৰু কৃষক শ্ৰেণীৰ বিষয়ে বিশেষ নাজানিছিল। তেওঁৰ ৰাজনৈতিক দৃষ্টিভঙ্গী মধ্যবিত্ত শ্ৰেণীৰ আছিল। কিন্তু খেতিয়ক আৰু শ্ৰমিকৰ দাৰিদ্ৰ্য আৰু দুখ-কষ্টৰ বিষয়ে তেওঁ গম নোপোৱাকৈ থকা নাছিল। ভাৰত স্বাধীন হোৱাৰ পাচত দেশৰ অগণন লোকৰ দাৰিদ্ৰ্য মোচনৰ

সমস্যা সমাধান কৰিব লাগিব বুলি জৱাহৰলালে ভাবিছিল ; তেওঁ হৃদয়ঙ্গম কৰিছিল যে ভাৰতৰ লাখ লাখ খেতিয়ক, শ্ৰমিক আৰু আন গৰীব শ্ৰেণীৰ লোকৰ মাজত কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰিব নোৱাৰিলে ভাৰতৰ মুক্তি-সংগ্ৰামৰ কাৰ্য্যসূচী অসম্পূৰ্ণ হৈ ৰব । সেই কাৰণে ১৯২০ চনৰ পৰা প্ৰায় পাঁচ বছৰ কাল খেতিয়ক, বনুৱা শ্ৰেণী আৰু জনতাৰ লগত ওতপ্ৰোতভাৱে জৱাহৰলাল জড়িত হৈ পৰে, জেললৈ যায়, জেলৰ পৰা আহি পুনৰ জেললৈ যায় আৰু বৃটিচ চৰকাৰৰ নিৰ্য্যাতন ভোগ কৰে । ইতিমধ্যে জৱাহৰলাল নেহৰুৰ পত্নী কমলা নেহৰু টান নৰিয়াত আক্ৰান্ত হয় আৰু ১৯২৬ চনৰ ডিচেম্বৰ মাহৰ আগ ভাগত নেহৰু তেওঁৰ ৰুগীয়া পত্নীৰ সৈতে বম্বেৰ পৰা ভিয়েনালৈ কমলাৰ চিকিৎসাৰ বাবে জাহাজেৰে যাত্ৰা কৰে । তেৰ বছৰৰ মূৰত এইয়া জৱাহৰলালৰ দ্বিতীয় বিদেশ ভ্ৰমণ । সেই সুদীৰ্ঘ তেৰ বছৰৰ অভাৱনীয় কালছোৱা আছিল প্ৰথম মহাযুদ্ধৰ,---বিভিন্ন ঠাইত বিপ্লৱৰ আৰু পৰিবৰ্তনৰ । এই সন্দৰ্ভত তেওঁ নিজে লিখিছে ঃ 'মহাযুদ্ধৰ ৰক্ত আৰু বিভীষিকাৰ মাজত আগৰ চিনাকি পৃথিৱীখনৰ মৃত্যু ঘটিছে । নতুন পৃথিৱী এখনে মোৰ কাৰণে অপেক্ষা কৰি আছে ।'

নতুন পৃথিৱী ? জৱাহৰলালে বাৰু কেনে ধৰণৰ নতুন পৃথিৱীৰ সপোন দেখিছিল ? এই প্ৰশ্ন দুটাৰ যথাযথ উত্তৰ পাবলৈ হলে জৱাহৰলালে মহাযুদ্ধৰ উত্তৰ কালৰ য়ুৰোপত কি দেখিছিল, শিকিছিল আৰু তাৰ দ্বাৰা তেওঁ কি ভাবে প্ৰভাৱান্বিত হৈছিল আৰু তাৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ ৰাজনীতিৰ ধাৰা পৰিবৰ্তন কৰিব পাৰিছিল তাৰ বিশ্লেষণ প্ৰয়োজন । বিভিন্ন কিতাপৰ যোগদি ১৯০৫ চনৰ পৰা প্ৰগতিবাদৰ তেওঁ যি উৎস লাভ কৰিছিল, সেই প্ৰগতিবাদৰ প্ৰকৃত যাত্ৰা আৰম্ভ হৈছিল তেওঁৰ ১৯২৬ চনৰ য়ুৰোপ ভ্ৰমণত । কমলা নেহৰুৰ টান নৰিয়াৰ সন্দৰ্ভত জৱাহৰলালৰ এই য়ুৰোপ যাত্ৰা হৈছিল যদিও, এই যাত্ৰা আছিল তেওঁৰ কাৰণে তাৎপৰ্য্যপূৰ্ণ আৰু দিক-নিৰ্দেশক । এই যাত্ৰাই জৱাহৰলালৰ সক্ৰিয় ৰাজনীতিৰ ধাৰাত অদমনীয় ৰেখা-

পাত কৰিছিল ; মহাত্মা গান্ধীৰ ৰাজনৈতিক দৃষ্টিভঙ্গীতো জৱাহৰলালৰ 'নতুন পৃথিৱী'ৰ সপোনৰ ছাঁ পৰিছিল । মহাত্মা গান্ধীৰ কল্পিত 'ৰাম ৰাজ্য' আৰু জৱাহৰলালৰ 'নতুন পৃথিৱী'—এই দুটাৰ সংমিশ্ৰণ স্বাধীন ভাৰতৰ বুনিয়াদ ।

তিনি

সমাজবাদৰ প্ৰতি আকৰ্ষণ

য়ুৰোপলৈ যোৱাৰ আগতে ভাৰতৰ ৰাজনৈতিক ঘটনাৱলীৰ ৰেহ-ৰূপ দেখি জৱাহৰলাল নেহৰু বৰ হতাশ হৈ পৰিছিল। সেই কাৰণে ভাৰতৰ বাহিৰলৈ গৈ ভাৰতৰ অৱস্থাৰ বিষয়ে কি কৰিব পাৰি তাৰ সন্ধেদ পাবলৈ তেওঁ হেপাহ কৰিছিল। কিন্তু তেনে সুবিধা তেওঁলৈ অহা নাছিল। তেওঁৰ পত্নী কমলা নেহৰুৰ নৰীয়াই সেই সুবিধা আনি দিছিল। তেওঁৰ ভাষাত "মই নিজেই ভাৰতৰ বাহিৰলৈ যাবলৈ ইচ্ছা কৰিছিলোঁ। মোৰ মনটো ধূৱলী-কুঁৱলীৰে আবৃত হৈ আছিল আৰু কোনো স্পষ্ট বাট দেখা নাছিলোঁ---মই ভাবিছিলোঁ যে মই যদি ভাৰতৰ বাহিৰলৈ যাব পাৰোঁ তেতিয়া হয়তো এটা স্পষ্ট বাটৰ সন্ধান পোৱা যাব; ভাৰত সম্পৰ্কে ভাল ধাৰণা লবলৈ সুযোগ মিলিব আৰু মোৰ মনৰ পৰা আন্ধাৰ দূৰ হব।'

তেওঁ বিদেশলৈ যোৱাৰ ক্ষেত্ৰত কেতবোৰ বাধা উপস্থিত হৈছিল। তেওঁৰ কাৰণে চৰকাৰৰ পৰা পাৰপত্ৰ পোৱা সহজ নাছিল। বিদেশ ভ্ৰমণ কালত জৱাহৰলালে কোনো ৰাজনৈতিক কামত যোগদান নকৰিব বুলি তেওঁ লিখিতভাৱে চৰকাৰক জনাব লাগে বুলি চৰকাৰে তেওঁৰ পৰা প্ৰতিশ্ৰুতি বিচাৰিছিল; কিন্তু তেনে প্ৰতিশ্ৰুতি দিবলৈ জৱাহৰলাল মান্তি নহ'ল। মান্তি নোহোৱা সত্ত্বেও শেহান্তৰত কমলাৰ চিকিৎসা সংক্ৰান্তত তেওঁ চুইজাৰলেণ্ডলৈ যাবলৈ অনুমতি পাইছিল।

১৯২৬ চন। জৱাহৰলাল নেহৰু য়ুৰোপত। কোনো ৰাজনৈতিক উদ্দেশ্য লৈ তেওঁ এই ভ্ৰমণত যোৱা নাছিল। এই ভ্ৰমণ আছিল ব্যক্তিগত আৰু অপৰিহাৰ্য; কাৰণত—তেওঁৰ পত্নী কমলা নেহৰুৰ চিকিৎসাৰ সন্দৰ্ভত তেওঁ যাব লগা হৈছিল চুইজাৰলেণ্ডলৈ। কমলাৰ চিকিৎসা স্বাভাৱিকতেই দীঘলীয়া আছিল। চুইজাৰলেণ্ডত থকা সময়ত জৱাহৰলালে খবৰ পালে যে 'লীগ অব্ অপ্ৰেচড্ পিপলচ' অৰ্থাৎ দলিত জাতিপুঞ্জ নামৰ আন্তৰ্জাতিক সভা এখন ব্ৰুচেলচ্‌ত বহিব। তেওঁ ব্যক্তিগতভাৱে তালৈ যাবলৈ কিন্তু উৎসাহিত হোৱা নাছিল। তেওঁ ভাবিলে যে ব্যক্তিগতভাৱে সেই সভালৈ যোৱাৰ পৰিবৰ্তে ভাৰতৰ মুক্তি-সংগ্ৰামৰ বাহক ভাৰতীয় জাতীয় মহাসভাৰ প্ৰতিনিধি হিচাপে এই আন্তৰ্জাতিক সভাখনত যোগদান কৰিব পাৰিলে ফলপ্ৰসূ হব; প্ৰতিনিধিত্বমূলক উপস্থিতি যুক্তিসংগত বুলি বিবেচনা কৰি জৱাহৰলালে কংগ্ৰেছ সভাপতিলৈ এখন চিঠি লিখিলে। চিঠিখনত ব্ৰুচেলচ্ সভাখনৰ গুৰুত্ব আৰু তাত কংগ্ৰেছৰ প্ৰতিনিধিত্ব কৰিবলৈ তেওঁ ইচ্ছা প্ৰকাশ কৰিছিল।

সেই বছৰৰ ডিচেম্বৰৰ শেষৰ সপ্তাহত কংগ্ৰেছৰ ৪১ তম অধিবেশন গুৱাহাটীৰ ওচৰত পাণ্ডুত বহে। অসমত পোন প্ৰথম বাৰৰ কাৰণে বহা এই কংগ্ৰেছ অধিবেশনত মহাত্মা গান্ধী প্ৰমুখ্যে শীৰ্ষস্থানীয় নেতাসকলে জৱাহৰলালৰ চিঠি মৰ্মে তেওঁৰ অনুৰোধ বিবেচনা কৰে আৰু এটা প্ৰস্তাৱৰ যোগেদি জৱাহৰলাল নেহৰুক ব্ৰুচেলচত অনুষ্ঠিত আন্তৰ্জাতিক সভাত কংগ্ৰেছৰ একমাত্ৰ প্ৰতিনিধি হিচাবে যোগদান কৰিবলৈ মনোনীত কৰে। কংগ্ৰেছৰ এই সিদ্ধান্ত উল্লেখ কৰি দেউতাক মতিলাল নেহৰুৱে গুৱাহাটীৰ পৰা ৰেলেৰে উভটি যোৱাৰ পথত ৰেলৰ পৰা ১৯২৬ চনৰ ৩০ ডিচেম্বৰত জৱাহৰলাললৈ এখন চিঠিত লিখিছিল: 'দলিত জাতিপুঞ্জত কংগ্ৰেছৰ প্ৰতিনিধিত্ব কৰিবলৈ কংগ্ৰেছে তোমাক একমাত্ৰ প্ৰতিনিধি মনোনীত কৰিছে। সময় অতি কম হোৱাৰ কাৰণে তোমাৰ বাহিৰে আন কাৰোবাক এই বিষয়ে অনুৰোধ কৰা অসম্ভৱ আছিল। তোমাৰ খৰচ-পাতি কংগ্ৰেছে

বহন কৰিব। ৰঙস্বামীয়ে (এওঁ গুৱাহাটীত বহা কংগ্ৰেছ অধিবেশনত সভাপতিত্ব কৰে) তোমালৈ ইতিমধ্যে টেলিগ্ৰাম কৰিছে। আনুষ্ঠানিক-ভাবে তোমালৈ এখন চিঠি আৰু জাতি সংঘৰ সচিবলৈ আন এখন চিঠি এই মেইলতে পঠাব।'

ভাৰতীয় জাতীয় মহাসভা তথা কংগ্ৰেছৰ হৈ জৱাহৰলালে এখন আন্তৰ্জাতিক সভাত উপস্থিত হবলৈ পাই পৰম আনন্দ পাইছিল। এই সভাত প্ৰপীড়িত জাতি যেনে জাভা, ইণ্ডোচীন, পেলেস্টাইন, চিৰিয়া, মিচৰ, আফ্ৰিকাৰ নিগ্ৰো জাতিকে প্ৰমুখ্য কৰি পদদলিত বহুত জাতিৰ প্ৰতিনিধি সমবেত হৈছিল। এনে এখন সভালৈ পদদলিত আৰু প্ৰপীড়িত অন্যতম জাতি হিচাবে ভাৰতৰ প্ৰতিনিধিয়ে যোগদান কৰাটো যে অত্যন্ত সমীচিন আৰু সময়োপযোগী হৈছিল তাত অলপো সন্দেহ নাছিল। ব্ৰুচেলচ্‌ৰ এই সভাখনক 'লীগ্ অব অপ্ৰেচ্‌দ পিপলচ্' আৰু পিছত সাম্ৰাজ্য বিৰোধী লীগ্ বুলি আখ্যা দিয়া হৈছিল। ১৯২৭ চনৰ ফেব্ৰুৱাৰী মাহত এই সভাখন বহিছিল। এই সভাত বিশ্বৰ কেইবা-জনো বিখ্যাত লেখক আৰু চিন্তাশীল আৰু প্ৰগতিবাদী ব্যক্তিক জৱাহৰ-লালে লগ পায়। এই ব্যক্তিসকলৰ ভিতৰত ৰোমাঁৰোলে, এলবাৰ্ট আইনস্টাইন, মেডাম য়ি য়াৎছেন, হেনৰী বাৰব্ৰুচ, জৰ্জ লেন্‌চবুৰী, ফেনাৰ ব্ৰকৱে, হেৰী পলিট, ৰেজিনেল্ড ব্ৰীজমেন, ইদো ফিমেন, উইলি মুনজেগবাৰ্গ, ৱাৰ্ল্ট টলাৰ, মহম্মদ হাটা আৰু ৰ'গাৰ বল্ডুউইনৰ নাম উল্লেখযোগ্য। সভাখনত সভাপতিত্ব কৰিছিল বৃটিচ বনুৱা দলৰ অন্যতম নেতা জৰ্জ লেণ্ডচবুৰীয়ে। জৱাহৰলাল নেহৰু সভাপতি-মণ্ডলীৰ অন্যতম সদস্য নিৰ্বাচিত হৈছিল আৰু এবাৰ আনুষ্ঠানিক বৈঠকত সভাপতিত্বও কৰিছিল। এই সভাত যিবোৰ প্ৰস্তাৱ গৃহীত হৈছিল সেই প্ৰস্তাৱবোৰ ৰচনা কৰোতে তেওঁ বিশেষ অংশ গ্ৰহণ কৰিছিল। আঠ-নদিনমান এই সভাৰ আলোচনাত অংশ লৈ তেওঁ ভাগৰি পৰিছিল।

ব্ৰুচেলচ্ সভাখনে জৱাহৰলাল নেহৰুৰ ওপৰত বিভিন্নৰূপে ৰেখা-পাত কৰিছিল। আন্তৰ্জাতিকতাৰ গভীৰ অৰ্থ বুজাত এই সভাৰ

আলোচনা তেওঁৰ পক্ষে বৰ সহায়ক হৈ পৰিছিল। এই কথা স্বীকাৰ কৰি তেওঁ আত্ম-জীৱনীত লিখিছে ঃ 'ব্ৰুচেলচ্ কংগ্ৰেছ আৰু পিচত এই কংগ্ৰেছৰ আন আন ঠাইত বহা অধিবেশনৰ পৰা পৰাধীন আৰু উপনিবেশ দেশবিলাকৰ সমস্যাবোৰৰ বিষয়ে মই যথেষ্ট জ্ঞান অৰ্জন কৰিলোঁ। ইয়াৰ মাধ্যমত পশ্চিমীয়া দেশবোৰৰ বনুৱা শ্ৰেণীৰ ক্ষেত্ৰত হোৱা সংঘৰ্ষ আৰু সংঘাট পৰিষ্কাৰভাৱে দেখা পালোঁ। তাৰ আগতে এই বিষয়ে মই অলপ-অচৰপ জানিছিলোঁ, এই বিষয়ে পুথিও কিছু পঢ়িছিলোঁ ; মোৰ সেই জ্ঞানৰ লগত বাস্তৱ অভিজ্ঞতা কিম্বা ব্যক্তিগত সম্পৰ্ক ঘটিছে আৰু মাজে সময়ে কিছুমান সমস্যাৰ সন্মুখীন হৈছোঁ। এই সমস্যাবোৰ আভ্যন্তৰীণ সংঘৰ্ষৰ প্ৰতিফলন মাত্ৰ। দ্বিতীয় আন্তৰ্জাতিক বনুৱা আৰু তৃতীয় আন্তৰ্জাতিক বনুৱা জগতৰ ভিতৰত মোৰ সহানুভূতি আছিল তৃতীয় আন্তৰ্জাতিক বনুৱা জগতৰ প্ৰতি। যুদ্ধৰ পিচত দ্বিতীয় আন্তৰ্জাতিকৰ কাৰ্য্যকলাপ দেখি তাৰ প্ৰতি মোৰ বিতৃষ্ণা হৈছিল আৰু ইয়াৰ প্ৰতি বৃটিচ বনুৱাদলৰ সহানুভূতি থকা কাৰণে আমাৰ ভাৰতীয়সকলৰ যথেষ্ট অভিজ্ঞতা হৈছে। সেই-কাৰণে সদিচ্ছাৰে কমিউনিজমৰ ফালে মই চাল নোখোৱাকৈ থাকিব নোৱাৰিলোঁ। যিমানেই ইয়াৰ দোষ থাকক, ইয়াত অন্ততঃ ভণ্ডামী নাই আৰু ই সাম্ৰাজ্যবাদী নহয়। মতবাদৰ কাৰণেই তাক সমৰ্থন কৰা কথা নহয়, কাৰণ কমিউনিজমৰ সুক্ষ্মতত্বৰ বিষয়ে মই একো নাজানিছিলোঁ। তাৰ বাহিৰৰ ফালটোহে মই জানিছিলোঁ। তথাপি তাৰ প্ৰতি মই আকৃষ্ট হৈছিলোঁ ; তাৰ লগতে ৰুছ দেশত সংঘটিত হোৱা পৰিবৰ্তনেও মোক আকৰ্ষণ কৰিছিল।'

মহাত্মা গান্ধীয়ে মহীশুৰ ৰাজ্যৰ (বৰ্তমান কৰ্ণাটক) নন্দী হিলচ্‌ৰ পৰা ১৯২৭ চনৰ ২৭ মে'ত জৱাহৰলৈ এখন চিঠি লিখে। এই চিঠিখনত জৱাহৰলালে ব্ৰুচেলচ্ সভাত যি ভূমিকা লৈছিল সেই বিষয়ে গান্ধীজীয়ে এইদৰে লিখে ঃ 'তুমি ৰাজৱাহভাৱে দিয়া বিবৃতি আৰু গোপনীয় প্ৰতিবেদনত প্ৰপীড়িত জাতি সংঘৰ সভাৰ বিষয়ে লিখা কথাবোৰ যত্ন সহকাৰে পঢ়িছোঁ। এই সংঘৰ পৰা কিবা লাভ হব বুলি মই নাভাবো, কাৰণ সংঘৰ কাম-কাজ প্ৰপীড়িত জাতিসমূহক

শোষণ কৰা শক্তিসমূহৰ ওপৰত নিৰ্ভৰ কৰে। য়ুৰোপৰ প্ৰপীড়িত জাতিৰ সদস্যবৰ্গ শেহত তাত তিষ্ঠিব নোৱাৰিব। ইফালে আমাৰ জনসাধাৰণেও নিজৰ শক্তি বৃদ্ধি কৰাৰ পৰিবৰ্তে বাহিৰৰ জাতি আৰু সাহায্যৰ বাবে আশা কৰাৰ ভয় আছে।'

এই একেখন চিঠিতে গান্ধীজীয়ে জৱাহৰলাল নেহৰুক ভাৰতীয় জাতীয় কংগ্ৰেছৰ পৰৱৰ্তী অধিবেশন অৰ্থাৎ ১৯২৮ চনত বহিবলগীয়া কংগ্ৰেছ অধিবেশনৰ সভাপতি হোৱাৰ বাবে ইংগিত দিছিল। গান্ধী-জীয়ে লিখিছিল 'কংগ্ৰেছৰ অহা অধিবেশনৰ সভাপতিৰ বাবে তোমাক বাচনি কৰাৰ কথা উঠিছে। তোমাৰ দেউতাৰাৰ (মতিলাল নেহৰু) লগত এই বিষয়ে মই চিঠিৰ আদান-প্ৰদান কৰিছোঁ। ······ জন-সাধাৰণৰ ওপৰত আমি আমাৰ প্ৰভাৱ হেৰুৱাইছোঁ। তুমি যদি সভাপতি হোৱা, মোৰ বোধেৰে জনসাধাৰণে অন্ততঃ এবছৰৰ কাৰণে তোমাক হেৰুৱাব। ইয়াৰ অৰ্থ কিন্তু এইটো নহয় যে কংগ্ৰেছক অৱহেলা কৰিব লাগে। কোনোবাই এই কাম অৰ্থাৎ সভাপতিত্বৰ দায়িত্ব লব লাগিব; বহুতে বিভিন্ন কাৰণে বা স্বাৰ্থৰ খাতিৰত এই দায়িত্ব লবলৈ ইচ্ছুক হবও পাৰে। হয়তো তেওঁলোকে কংগ্ৰেছক কোনো মতে পৰিচালিত কৰি নিবও পাৰে। তেওঁলোকৰ ইচ্ছামতে অনুষ্ঠানটো কোনোমতে চলাব······ কিন্তু প্ৰশ্ন হৈছে তেওঁলোকে তোমাক কামত কেনেকৈ ব্যৱহাৰ কৰিব। তুমি ভাবিচিন্তি যি কৰা উচিত তাকে কৰিবা। এই বিষয়ে এটা সুচিন্তিত মনোভাব লবা আৰু দাদাভাই বা মেকস্বোৱানীৰ দৰে নিস্বাৰ্থভাৱে কৰা 'মোৰ মূৰত মুকুট পিন্ধাই দিয়া' ধৰণৰ মনোভাবকে লবা আৰু সেইদৰে যে মুকুট পিন্ধাই দিয়া হব সেই বিষয়ে মোৰ অলপো সন্দেহ নাই······।"

য়ুৰোপ পোৱাৰ পাচত জৱাহৰলালৰ মনত থকা আগৰ হতাশা কিছুপৰিমাণে কমিল আৰু মনলৈ ক্ৰমান্বয়ে নতুন উদ্যম আহিল। কমলা নেহৰুৰ টান নৰীয়াই তেওঁৰ মনৰ উদ্যমত কোনো ছাঁ পেলাব নোৱাৰিছিল। ১৯২৬ চনৰ ১১ আগষ্টৰ এখন চিঠিত জৱাহৰলালে লিখিছিল : 'ভাৰতৰ ভৱিষ্যত বৰ অন্ধকাৰ; ভাৰতৰ পৰিস্থিতি

হতাশজনক হৈছে যদিও মই কিন্তু নিৰাশবাদী হোৱা নাই'''''আমি স্বৰাজ লাভ কৰিমেই। মই নিজেও এদাল তেজপাত গছৰ দৰে আগবাঢ়িছোঁ।' সেই বছৰৰ পহিলা ডিচেম্বৰৰ আন এখন চিঠিত তেওঁ লিখিছিল ঃ 'মই এতিয়া অশান্ত অনুভৱ কৰিছোঁ; মই যেন ভাৰতৰ ৰাজনীতিৰ চাকনৈয়াত জাপ দি পৰিম। মোৰ মনত কেইবা-মাহ ধৰি শক্তি পুঞ্জীভূত হৈ আছে আৰু এই শক্তি এতিয়া ধীৰে ধীৰে উদগীৰণ হবলৈ বিচাৰিছে। মই গুৱাহাটীত বহিবলগীয়া কংগ্ৰেছ অধিবেশনত যোগদান কৰিব লাগিছিল। কংগ্ৰেছ অধিবেশনত উপস্থিত থাকি কাৰোবাৰ যে উপকাৰ কৰিব পাৰিলোঁহেঁতেন এনে নহয়; তথাপি তাত উপস্থিত থাকি উগ্ৰভাব লবলৈ ভাল পালোহেঁতেন। সি যি হওক, হতাশ হোৱাৰ কাৰণ নাই। আমি এটা অভাৱনীয় পৰ্য্যায়ৰ মাজেদি আগবাঢ়িছোঁ আৰু ইয়াৰ ফল ভাল হব।'

গুৱাহাটীৰ ওচৰত পাণ্ডুত ১৯২৬ চনৰ ডিচেম্বৰ মাহৰ শেষৰ সপ্তাহত ৰঙ্গস্বামী আয়েঙ্গাৰৰ সভাপতিত্বত কংগ্ৰেছৰ ৪১তম অধিবেশন বহিছিল আৰু এই খনেই আছিল অসমত বহা প্ৰথম কংগ্ৰেছ অধিবেশন। এই অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল দেশভক্ত তৰুণ ৰাম ফুকন আৰু সাধাৰণ সম্পাদক আছিল কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ। অসমত দ্বিতীয়বাৰৰ কাৰণে কংগ্ৰেছৰ অধিবেশন বহে গুৱাহাটীৰ ওচৰৰ জালুকবাৰীত— এই ঠাইখিনিৰ নাম দিয়া হৈছিল প্ৰাগজ্যোতিষপুৰ; এই অধিবেশন ১৯৫৮ চনৰ জানুৱাৰী মাহত বহে। এই অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী আৰু সম্পাদক আছিল শ্ৰীশৰৎ চন্দ্ৰ সিংহ, শ্ৰীৰবীন কাকতী আৰু শ্ৰীমান প্ৰফুল্ল গোস্বামী।

ভাৰতলৈ আহি কংগ্ৰেছ অধিবেশনত জৱাহৰলাল নেহৰুৱে যোগ-দান কৰিব নোৱাৰিলে যদিও, ১৯২৭ চনৰ ফেব্ৰুৱাৰী মাহত ব্ৰুচেলচ্‌ত বহা আন্তৰ্জাতিক সভাত নিখিল ভাৰত কংগ্ৰেছ মহাসভাৰ প্ৰতিনিধি-ৰূপে যোগ দি তেওঁ পৰম উপকৃত হৈছিল আৰু দেশ-বিদেশৰ ভু-ভা লবলৈ সক্ষম হৈছিল। ব্ৰুচেলচ্‌ৰ অভিজ্ঞতা সম্পৰ্কে নেহৰুৱে এঠাইত এনেদৰে উল্লেখ কৰিছে ঃ ব্ৰুচেলচ্ কংগ্ৰেছ ১৯২৭ চনৰ ফেব্ৰুৱাৰীৰ আগভাগত বহে। ব্ৰুচেলচ কংগ্ৰেছৰ দৰে এখন সন্মিলন বহিব লাগে বুলি প্ৰথমে কোনে প্ৰস্তাৱ কৰিছিল মই নাজানো। প্ৰকাশ, এই প্ৰস্তাৱ

প্ৰথমে বাৰ্লিনত উঠে। বাৰ্লিন চহৰে ৰাজনৈতিক দেশান্তৰী আৰু উগ্ৰপন্থী লোকক আকৰ্ষণ কৰিছিল। তাৰ পিচত তাৰ ঢৌ পেৰিচলৈ বিয়পি পৰে। কমিউনিষ্ট দল বৰ প্ৰতাপী আছিল। প্ৰপীড়িত জাতিসমূহ আৰু বামপন্থী শ্ৰমিক নেতাসকলৰ মাজত এটা উমৈহতীয়া ভাব আৰু কাৰ্য্যপন্থা হোৱা উচিত বুলি তাত এটা বাতাবৰণৰ সৃষ্টি হৈছিল। সকলো প্ৰতিনিধিয়ে উপলব্ধি কৰিছিল যে স্বাধীনতাৰ আন্দোলন এটা উমৈহতীয়া প্ৰচেষ্টা আৰু সি সাম্ৰাজ্যবাদৰ বিৰোধী আন্দোলন। সেই কাৰণে ব্ৰুচেলচ্ কংগ্ৰেছৰ আলোচন আৰু কাৰ্য্য-পন্থা যথাসম্ভৱ সামূহিক হোৱা বাঞ্ছনীয় বুলি সকলোৱে অনুভৱ কৰিছিল। ইংলেণ্ড, ফ্ৰান্স, ইটালী প্ৰমুখ্যে ৰাষ্ট্ৰকেইখন উপনিৱেশীক ৰাষ্ট্ৰ আছিল; গতিকে এই দেশকেইখন তেনে আলোচনা আৰু কাৰ্য্যপন্থাৰ ঘোৰ বিৰোধী আছিল। কিন্তু যুদ্ধৰ পাচত (প্ৰথম মহা-যুদ্ধ) উপনিৱেশিক ৰাষ্ট্ৰ হিচাবে জাৰ্মানৰ অন্ত পৰিল। সেই কাৰণে জাৰ্মান চৰকাৰে আন শক্তিসমূহৰ তলতীয়া উপনিৱেশ আৰু পৰাধীন দেশবোৰৰ আন্দোলনৰ প্ৰতি সহানভূতিসূচক নিৰ্লিপ্ততা প্ৰদৰ্শন কৰিছিল। বিদেশৰ প্ৰগতিবাদী দলবোৰে তেওঁলোকৰ কাৰ্য্যৰ বাবে বাৰ্লিনক কেন্দ্ৰ হিচাবে লোৱাৰ সেইটো অন্যতম কাৰণ আছিল। এই দল সমূহৰ ভিতৰত চীনৰ কুমিনটাং বামপন্থী প্ৰধান আৰু আটাইতকৈ কৰ্মশীল আছিল। সেই সময়ত কুমিনটাং দলে চীনত মধ্যযুগীয়া দলবোৰক ইমূৰৰ পৰা সিমূৰলৈ মষিমূৰ কৰি পেলাইছিল।

ব্ৰুচেলচ্ কংগ্ৰেছত জৱাহৰলাল নেহৰুৱে ন আৰু বাৰ ফেব্ৰুৱাৰীত বক্তৃতা দিয়ে। এই বক্তৃতা দুটাত নিখিল ভাৰত কংগ্ৰেছৰ উদ্দেশ্য, তাৰ যোগেদি কৰা স্বাধীনতা আন্দোলন, মহাত্মা গান্ধীৰ নেতৃত্ব, ভাৰতত বৃটিচৰ আধিপত্য, আন্তৰ্জাতিক সমস্যা আদিৰ বিষয়ে তেওঁ বিবৰণ দাঙি ধৰে। আন্তৰ্জাতিক সভাত বক্তৃতা দিয়া তেওঁৰ অভিজ্ঞতা এয়েই প্ৰথম আছিল। বক্তৃতা দুটাৰ অংশ বিশেষ তলত দিয়া হ'ল ঃ

'ভাৰতীয় জাতীয় কংগ্ৰেছ মূলতঃ জাতীয়তাবাদী, কাৰণ জাতীয়তা-বাদ তাৰ বুনিয়াদ; আমাৰ মহান নেতা মহাত্মা গান্ধীয়ে কোৱা মতে

আমাৰ জাতীয়তাবাদ চৰম আন্তৰ্জাতিকতাৰ ওপৰত প্ৰতিষ্ঠিত। ভাৰতৰ স্বাধীনতা আমাৰ কাৰণে অতি গুৰুত্বপূৰ্ণ সমস্যা আৰু অত্যন্ত অপৰিহাৰ্য্য। বিশ্বৰ কাৰণেও ভাৰত এটা সমস্যা। অতীতৰ ভাৰতীয় অৱস্থাই আন আন দেশ আৰু মানুহক যিদৰে প্ৰভাৱান্বিত কৰিছিল ভৱিষ্যতেও ভাৰতে আন দেশবোৰক সেইদৰে প্ৰভাৱান্বিত কৰিব।

'বৰ্তমান বৃটিচ সাম্ৰাজ্যবাদ মহাপ্ৰতাপী আৰু সুদূৰ প্ৰসাৰী, ভাৰতত বৃটিচ সাম্ৰাজ্যবাদ আৰু নীতিয়ে খোপনি পুতিছে। বৃটিচ সাম্ৰাজ্যবাদে ভাৰতত প্ৰভুত্ব দৃঢ় কৰাৰ উদ্দেশ্যে তালৈ সমূদ্ৰবাট সুদৃঢ় কৰিছে। সেই কাৰণে মিচৰ আৰু আফ্ৰিকাৰ আন দেশবোৰেও শাস্তি ভুগিছে। এই পটভূমিত ভাৰত আৰু ভাৰতৰ ভৱিষ্যত আন্তৰ্জাতিক দৃষ্টিত গুৰুত্বপূৰ্ণ।

'ভাৰতীয় জাতীয় মহাসভাৰ আন্তৰিক শুভেচ্ছা মই অতি আনন্দেৰে ইয়ালৈ বহন কৰি আনিছোঁ। সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুঁজিবলৈ আন্তৰ্জাতিক যুটীয়া প্ৰচেষ্টাৰ লগত আমাৰ দেশৰ জাতীয়তাবাদী আন্দোলনক সংযোগ কৰাৰ উদ্দেশ্যে কংগ্ৰেছে মোক দায়িত্ব দিছে। এই যুটীয়া প্ৰচেষ্টা কি তাক আমি বুজিছোঁ। সেই কাৰণেই সাম্ৰাজ্যবাদৰ বিৰোধী যি কোনো আন্দোলনত স্বাভাৱিকতেই আমাৰ স্বাৰ্থ আছে। সাম্ৰাজ্যবাদ কি আৰু তাৰ ফলাফল আপোনালোকে যদি সঁচাকৈয়ে বুজিবলৈ ইচ্ছা কৰে তেন্তে তাৰ উদাহৰণ ভাৰতবৰ্ষৰ বাহিৰে আন কোনো দেশ হব নোৱাৰে। ভাৰতৰ আভ্যন্তৰিণ অৱস্থাৰ পৰা বুজিব পাৰিব কেনেকৈ বৃটিচ সাম্ৰাজ্যবাদে শ্ৰমিক শ্ৰেণীক উৎপীড়ন আৰু শোষণ কৰে। সাম্ৰাজ্যবাদৰ যি কোনো দিশৰ বিচাৰ কৰিব খুজিলে তাক ভাৰতবৰ্ষতেই পাব। আপোনালোক চীন, মিচৰ বা আন যি কোনো সুদূৰ দেশৰ পৰা আহক, আপোনালোকৰ স্বাৰ্থ আৰু আমাৰ স্বাৰ্থ ওতপ্ৰোতভাৱে জড়িত। ভাৰতৰ সমস্যা আপোনালোকৰ বাবে গুৰুত্বপূৰ্ণ সমস্যা।

'ভাৰতবৰ্ষক কি দৰে শোষণ কৰা হৈছে তাৰ ইতিহাস মই আপোনালোকৰ আগত বিৱৰি কৱ নোৱাৰোঁ। আমাৰ দেশখনক

কিভাবে বেয়া ব্যৱহাৰ কৰে, উৎপীড়ন কৰে আৰু লুণ্ঠন কৰি আছে তাৰ বিস্তৃত বিবৰণো মই দিব খোজা নাই। সেইয়া দুখৰ এটা দীঘলীয়া কাহিনী .... আপোনালোকে নানা ৰকমৰ দুৰ্ঘটনা, হত্যাকাণ্ড আদিৰ কথা শুনিছে।........বৃটিচ আমাৰ দেশলৈ আহিল; এখন প্ৰদেশৰ বিৰুদ্ধে আন এখন প্ৰদেশক উচতাই দিলে আৰু শেহত তেওঁলোকে তেওঁলোকৰ অধিকাৰ দৃঢ় কৰিলে।'

এইভাৱে নেহৰুৱে ব্ৰুচেলচ্ কংগ্ৰেছত বৃটিচৰ দৌৰাত্ম্য, বিভেদমূলক নীতি, জমিদাৰ শ্ৰেণীৰ শোষণ, দেশীয় ৰাজন্যবৰ্গৰ উৎপীড়ন, অৰ্থ-নৈতিক লুণ্ঠন আদিৰ বিতং বিৱৰণ এটা দাঙি ধৰে আৰু ভাৰত সম্পৰ্কে এটা প্ৰস্তাৱ উত্থাপন কৰে। প্ৰস্তাৱটোত নেহৰুৱে কয় যে "এই কংগ্ৰেছে (ব্ৰুচেলচ্‌ত বহা উৎপীড়িত জাতিসমূহৰ কংগ্ৰেছ) বিশ্বাস কৰে যে ভাৰতীয় জাতীয় আন্দোলনে ভাৰতৰ কৃষক আৰু শ্ৰমিকৰ মুক্তিৰ আঁচনি প্ৰস্তুত কৰিব, কাৰণ তেওঁলোকৰ মুক্তি অবিহনে স্বাধীনতা প্ৰকৃত হব নোৱাৰে।"

ভাৰতলৈ প্ৰত্যাৱৰ্তন কৰাৰ পাচত জৱাহৰলালে ভাৰতীয় জাতীয় কংগ্ৰেছৰ ওচৰত এখন প্ৰতিবেদন দাখিল কৰে। প্ৰতিবেদনখনত তেওঁ পৰামৰ্শ আগবঢ়াই কয় যে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ব্ৰুচেলচ্‌ত গঠিত হোৱা সংঘৰ লগতে ভাৰতীয় কংগ্ৰেছে যোগাযোগ কৰিব লাগে। তেওঁৰ মতে তেনে যোগাযোগে প্ৰচাৰ কাৰ্য্যত সহায় কৰিব আৰু এচিয়াৰ আন আন ঠাইৰ জাতীয়তাবাদী আন্দোলনৰ লগত ভাৰতৰ জাতীয়তাবাদী আন্দোলনৰ ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিব। ব্ৰুচেলচ্‌ৰ সভাখনক অতি আৱশ্যকীয় ঘটনা বুলি তেওঁ প্ৰতিবেদনখনত উল্লেখ কৰিছিল।

জৱাহৰলালে ব্ৰুচেলচ্‌ত যি ভূমিকা লৈছিল দেউতাক মতিলাল-নেহৰু আৰু কংগ্ৰেছৰ আন আন নেতাসকলে তাৰ প্ৰশংসা কৰিছিল। ব্ৰুচেলচ্ কংগ্ৰেছৰ পৰা ভাৰতৰ স্বাধীনতা আন্দোলনৰ ওপৰত যে বৰ উল্লেখযোগ্য ৰেখাপাত পৰিব তাক কিন্তু মহাত্মা গান্ধীয়ে ভবা নাছিল।

জৱাহৰলাল নিজেও পিচত ব্রুচেলচ্‌ সভাধিবেশনৰ ফলাফল সম্পৰ্কে সন্দিহান হৈছিল। তথাপি ব্ৰুচেলচ্‌ৰ সভাধিবেশনত যোগ দি প্ৰগতিবাদী ঘটনাবলীৰ বিষয়ে তেওঁ যথেষ্ট জ্ঞান লাভ কৰিছিল আৰু তেনে জ্ঞানে তেওঁৰ ৰাজনৈতিক চিন্তাধাৰা আৰু কাৰ্য্যপন্থাক অধিক ক্রিয়াশীল কৰাত সহায় কৰিছিল।

জৱাহৰলাল নেহৰু য়ুৰোপত থকাৰ সময়ত ছোভিয়েত ৰুছিয়াৰ অক্টোবৰ বিপ্লৱৰ দশম বাৰ্ষিকী উৎসৱ বহে। সেই উৎসৱত যোগ-দান কৰিবলৈ 'চ'চাইটী অব্‌ কালচাৰেল ৰিলেচন্‌ উইথ ফৰেইন কান্ট্রিজ' নামৰ সন্থাই জৱাহৰলালক মস্কোত বহা বিপ্লৱৰ বাৰ্ষিকীলৈ নিমন্ত্ৰণ জনায়। তেওঁ সেই নিমন্ত্ৰণ গ্ৰহণ কৰে আৰু মস্কোলৈ যায়। এইয়া আছিল তেওঁৰ প্ৰথম ৰুছ ভ্ৰমণ। তেওঁৰ লগত দেউতাক মতিলাল নেহৰুও মস্কোলৈ যায়। জৱাহৰলালৰ এই মস্কো দৰ্শন ঐতিহাসিক ভ্ৰমণ বুলি কব পাৰি, কাৰণ এই ভ্ৰমণে তেওঁৰ মতবাদ আৰু ৰাজনৈতিক চিন্তাধাৰাৰ গতি সম্পূৰ্ণভাৱে পৰি-বৰ্তন কৰে আৰু তেওঁৰ লগত ছোভিয়েত ৰুছিয়া তথা সমাজবাদৰ যোগসূত্ৰ স্থাপন কৰে।

দেউতাকৰ সৈতে জৱাহৰলালে মস্কোত কেবাসপ্তাহো কটাই-ছিল। উভয়ে ছোভিয়েত ৰুছিয়াৰ শাসন-পদ্ধতি, কৃষক শ্ৰেণীৰ অৱস্থা আৰু আন আন বিষয়ৰ লগতে ৰুছিয়াৰ জেল-ব্যৱস্থাৰ বিষয়ে অধ্যয়ন আৰু নিৰীক্ষণ কৰিবলৈ সুযোগ পাইছিল। ছোভিয়েত ৰুছিয়াত পুৰুষৰ সৈতে নাৰী জাতিৰ সমান অধিকাৰ আৰু তাক কি ভাৱে কাৰ্য্যকৰী কৰা হৈছে, শিশু আৰু যুৱ সম্প্ৰদায়ৰ বাবে কি ব্যৱস্থা কৰা হৈছে সেইবোৰ চাই-চিতি ভাৰত আৰু ৰুছিয়াৰ অৱস্থা তুলনা কৰিবলৈ তেওঁ সুযোগ পাইছিল। ৰুছিয়াত তেওঁৰ অভিজ্ঞতা সম্পৰ্কে কেইবা-টাও প্ৰবন্ধ মুগুত কৰি মাদ্ৰাজৰ প্ৰখ্যাত বাতৰিকাকত 'দি হিন্দু'ত এলানিকৈ সেই প্ৰবন্ধকেইটা প্ৰকাশ কৰিছিল। পিচত এই প্ৰবন্ধবোৰ থুপিয়াই 'ছোভিয়েত ৰুছিয়া', নামৰ এখন পুথি প্ৰকাশ কৰে। পুথি-খনত 'ৰুছিয়াৰ আকৰ্ষণ' 'মস্কোৰ বিষয়ে ধাৰণা', 'ছোভিয়েত পদ্ধতি'

'ইউ-এচ-এচ আৰু সংবিধান', 'ৰুছিয়াৰ পুথি', 'লেনিন', 'কৃষক শ্ৰেণীৰ ফৌজদাৰী আইন', 'লঘু সম্প্ৰদায়ৰ সমস্যা' 'কৃষক আৰু ভূমি', 'নাৰী আৰু বিবাহ' 'ৰুছিয়াৰ জেল', 'ৰুছিয়া আৰু ভাৰতবৰ্ষ' শিতানৰ কেইবাটাও অধ্যায়ত তেওঁৰ ৰুছিয়াৰ অভিজ্ঞতা বৰ্ণনা কৰা আছে। এই পুথিখনৰ গুৰুত্ব ঐতিহাসিক, কাৰণ তাত জৱাহৰলালে ছোভিয়েত ৰুছিয়াৰ আদৰ্শ অৰু কৰ্ম-আঁচনিবোৰ অতি সুন্দৰভাৱে বিশ্লেষণ কৰিছে। সমাজবাদৰ আদৰ্শই যে তেওঁক অত্যন্ত আকৰ্ষণ কৰিব পাৰিছিল পুথিখনত সেইটো প্ৰকাশ পাইছিল। 'ছোভিয়েত ৰুছিয়া' নামৰ পুথিখনৰ আগকথাত জৱাহৰলালে ৰুছিয়াৰ বিষয়ে লিখিছে ঃ 'ছোভিয়েত ৰুছিয়াৰ সদা পৰিবৰ্তিত আৰু জটিল অৱস্থা বৰ্ণনা কৰিবলৈ যথেষ্ট জ্ঞান আৰু সাহসৰ আৱশ্যক। মোৰ তেনে জ্ঞান আছে বুলি মই দাবী কৰিব নোৱাৰোঁ; অৱশ্যে মই এনে কিছুমান কাম কৰিবলৈ আগবাঢ়ো যি কাম বিশেষ জ্ঞান-সম্পন্ন লোকেও কৰিবলৈ সাহ নকৰে। ৰুছিয়া সম্পৰ্কে মই কোনো নিয়ম নিৰ্দ্ধাৰণ কৰিবলৈ বা যি ঘটিছে তাৰ ওপৰত কোনো মত জাহিৰ কৰিবও নোখোজোঁ। ছোভিয়েতৰ অৱস্থাৰ অধ্যয়নে মোৰ মনক গভীৰভাবে আকৰ্ষণ কৰিছে। বিভিন্ন সূত্ৰত অনুসন্ধান কৰি মই জানিব পাৰিছোঁ যে ছোভিয়েত ৰুছিয়াৰ বিষয়ে বুজ লবলৈ বহুত লোক ইচ্ছুক।'

নেহৰুৱে লিখিছে ঃ 'মই য়ুৰোপৰ পৰা ঘূৰি অহাৰ পাচত ৰুছিয়া সম্পৰ্কে মোক বহুত লোকে প্ৰশ্ন কৰিছে। .... সমগ্ৰ জগতে ৰুছিয়াৰ প্ৰতি লক্ষ কৰি আছে—কিছুমানে ভয়ত আৰু কিছুমানে ঘৃণাত; বাকীবোৰে ৰুছিয়াৰ পথ লবলৈ পৰম আশাৰে বাট চাই আছে।'

'ৰুছিয়াৰ প্ৰতি নিৰ্বিকাৰ হৈ থকাটো কল্পনা কৰিব নোৱাৰা কথা। কিন্তু ৰুছিয়াৰ সাফল্য আৰু ত্ৰুটিৰ বিষয়ে ঠিকভাৱে বিচাৰ কৰা টান। ৰুছিয়া বিজুলীৰ দৰে; বিজুলী স্পৰ্শ কৰিলে যেনেকৈ এটা ভয়াবহ প্ৰতিক্ৰিয়া হয় ৰুছিয়াৰ বিষয়ে আলোচনা কৰিবলৈ গলেও তেনে অৱস্থা হয়। যিসকলে ৰুছিয়াৰ সপক্ষে লিখে তেওঁ-লোকৰ লিখনিত প্ৰশংসাৰ প্ৰাচুৰ্য্য নোহোৱা নহয়; যিসকলে ৰুছিয়াক ভৰ্ৎসনা কৰে তেওঁলোকৰ লিখনিবোৰো ভৰ্ৎসনাৰ প্ৰাচুৰ্য্য। বহু-

কথা লেখকজনৰ দৃষ্টি আৰু মনোভাৱৰ ওপৰত নির্ভৰ কৰে। সেই-দৰে ৰুছিয়া সম্পর্কে থকা পূর্বৰ মত আৰু বিৰাগ ভাবৰ ওপৰত লেখক এজনৰ লিখনি প্ৰস্তুত হয়। এই দুটা বিপৰীত মতৰ খিটোৰেই শুদ্ধ নহওক, এচিয়া—য়ুৰোপীয় কাঁচি আৰু হাতুৰীৰ এই দেশখনৰ (ছোভিয়েত ৰুছিয়া) আকর্ষণ কোনেও পাহৰিব নোৱাৰে ; এই দেশৰ কৃষক আৰু শ্ৰমিকসকল এনে এখন সিংহাসনত বহিছে যিখন পূর্বতে মহা পৰাক্রমী লোকে দখল কৰি আছিল।

'আমাৰ ভাৰতবর্ষৰ কাৰণে ৰুছিয়াৰ আকর্ষণ বেছি। পুৰণি ব্যৱস্থাৰ আমুল পৰিবর্তন কৰি বিশাল শক্তিসমূহে যি নতুন পৃথিৱী এখনৰ সৃষ্টি কৰিছে তাক বুজিবলৈ আমাৰ স্বাৰ্থই আমাক বাধ্য কৰে। এই নতুন পৃথিৱীখনত মুল্যবোধৰ সম্পূর্ণ পৰিবর্তন ঘটিছে আৰু পুৰণি মানদণ্ডৰ ঠাইত নতুন মানদণ্ডৰ সৃষ্টি হৈছে। আমি এটা গঠনমুখী জাতি আৰু পৰিবর্তন বেছি ভাল নাপাওঁ ; আমাৰ বর্তমান দুৰৱস্থা আৰু লাঞ্চনাক অতীতৰ গৌৰৱ আৰু সভ্যতাৰ কথা সুঁৱৰি পাহৰিবলৈ প্ৰয়াস কৰোঁ কিন্তু অতীত মৰিল আৰু পূর্বৰ সভ্যতাই আমাৰ বর্তমান সমস্যাবোৰৰ সমাধানৰ ক্ষেত্ৰত সহায় নকৰে। আমি যদি আমাৰ সমস্যাবোৰ সমাধান কৰিবলৈ ইচ্ছা কৰোঁ তেন্তে নতুন চিন্তাৰাজ্যত সোমাব লাগিব আৰু নতুন পন্থা লব লাগিব। পৃথিৱী পৰিবর্তনশীল ; অতীতত যি সভ্যতা আছিল সি আজি প্রযোজ্য নহয়। পৰিবর্তনৰ একাবেঁকা বাটেৰেই আমি পৰি-চালিত হব লাগিব। জনাকীর্ণ বাটত আকোঁৰগজালি ভাবে ধৰি থাকিলে বেঁকা বাটৰ পৰা পিচলি পৰিম আৰু বিপর্য্যয়ৰ সম্মুখীন হম।

'সেই কাৰণে ৰুছিয়াই আমাৰ মন আকর্ষণ কৰে ; পৃথিৱীত সম্প্রতি যিবোৰ সমস্যাৰ উত্তৱ হৈছে সেইবোৰ সমাধান কৰাত ৰুছিয়াই সহায় কৰিব পাৰে। আমাৰ মন ৰুছিয়াই বিশেষভাৱে আকৃষ্ট কৰে এই কাৰণে যে তাৰ অৱস্থা আৰু ভাৰতৰ অৱস্থাৰ মাজত প্ৰভেদ নাই। ভাৰত আৰু ৰুছিয়া বিস্তৃতভাৱে কৃষিপ্রধান দেশ আৰু দুয়োখন

দেশত সামান্যভাৱে উদ্যোগীকৰণ হৈছে ; দুয়োখন দেশ দৰিদ্ৰতা আৰু নিৰক্ষৰতাৰ সন্মুখীন। এই সমস্যাবোৰৰ সমাধানৰ ক্ষেত্ৰত ৰুছিয়াই যদি সমাধান বিচাৰি পায় ভাৰতবৰ্ষত আমাৰ কাম উজু হৈ পৰিব।

'আমি ৰুছিয়াক উপেক্ষা কৰিব নোৱাৰোঁ কাৰণ এইখন এখন শক্তিশালী দেশ। এইখন দেশ আমাৰ বন্ধুৰাষ্ট্ৰ হব আৰু আমাৰ সৈতে যোগাযোগ ৰক্ষা কৰিব পাৰে। এই দুটাৰ যিটোৱে সম্ভৱ নহওক, আমি ৰুছিয়াক বুজিব লাগিব ; বুজি উঠি আমাৰ নীতি সেইদৰে নিৰ্দ্ধাৰণ কৰিব লাগিব।

'ৰুছিয়াৰ বিষয়ে ভাৰতবৰ্ষই বিস্তৃতভাবে জানিবলৈ ইচ্ছা কৰাটো স্বাভাবিক। ৰুছিয়া বিৰোধী আৰু বিত্তীয় সাহায্যেৰে পৰিপুষ্ট বাতৰি প্ৰতিষ্ঠানবোৰে পৰিৱেশন কৰা বাতৰিবোৰহে আমি পাই আছোঁ।'

'ছোভিয়েত ৰুছিয়া' নামৰ পুথিখনৰ আন এঠাইৰ জৱাহৰলালে লিখিছে : 'ছোভিয়েত পদ্ধতিয়ে বিভিন্ন অৰ্থনৈতিক গোষ্ঠীৰ পৃথক পৃথক স্বাৰ্থেৰে গঠিত সমাজখনক স্বীকাৰ কৰে। এই অৱস্থা থকালৈকে সমাজখন প্ৰত্যেক গোষ্ঠী আৰু শ্ৰেণীৰ তুলনামূলক গুৰুত্ব আৰু শক্তিৰ প্ৰকাশক হব। ইতিহাসৰ সুদীৰ্ঘ ধাৰাই বিভিন্নগোষ্ঠী আৰু শ্ৰেণীৰ মাজত সংঘাট স্বীকাৰ কৰি আহিছে। সেই কাৰণে ইতিহাসক আমি অৰ্থনৈতিক মাপকাঠিৰে বিশ্লেষণ কৰোঁ। ঐতিহাসিক যি কোনো সময়তে এটা প্ৰভাৱশালী শ্ৰেণী আছে বুলি আমি শুনিছোঁ। অন্য স্বাৰ্থসমূহৰ কথা সেই প্ৰভাৱশালী শ্ৰেণীৰ প্ৰভুত্ব ৰক্ষা বা শক্তিশালী কৰাৰ লগতহে বিবেচিত হয়। আন শ্ৰেণীৰ ওপৰত থকা এটা শ্ৰেণীবিশেষৰ প্ৰভুত্ব চৰকাৰ কাচিৎহে প্ৰকাশ হয়। শোষিত শ্ৰেণীক প্ৰতাৰণা কৰিবলৈ সেই প্ৰভাৱশালী শ্ৰেণী নানাভাৱে লুকাই থাকে আৰু পৰিবৰ্ত্তনৰ গতি তাত মন্থৰ হয়। প্ৰভাৱশালী শ্ৰেণীয়ে নিজৰ স্বাৰ্থসমূহ ৰক্ষা কৰিবলৈ স্বত্ব আৰু কৰ্ত্তব্য আছে বুলি সমাজত এটা ধাৰণা ওপজায়। সমাজ বিবৰ্ত্তনৰ লগে লগে নতুন অৰ্থনৈতিক আৰু

সামাজিক গঠনে নতুন আৰু উন্নততৰ ৰূপ লয়। তেতিয়া নতুন শ্ৰেণী এই পৰিবৰ্তনলৈ আহি পৰে আৰু এই নতুন শ্ৰেণীয়ে পুৰণি শ্ৰেণীৰ ওপৰত প্ৰতিষ্ঠা লাভ কৰে।

'সংস্কৃতি, শিক্ষা, জনসাধাৰণৰ আইন, ৰীতি-নীতি প্ৰভাৱশালী শ্ৰেণীটোৱে নিয়ন্ত্ৰণ কৰে ; কিন্তু এই শ্ৰেণীটোৱে নিজৰ স্বৰূপটো ঢাকি ৰাখে, বিশেষকৈ যেতিয়া এটা নতুন শ্ৰেণীয়ে এই প্ৰভাৱশালী শ্ৰেণীটোক প্ৰতিৰোধ কৰি নিজৰ স্বত্ব সাব্যস্ত কৰিবলৈ আৰম্ভ কৰে। কমিউনিষ্টৰ মতে বৰ্তমান সময়ৰ গণতন্ত্ৰ এটা শ্ৰেণীবিশেষৰ প্ৰভূত্বৰ ওপৰত প্ৰতিষ্ঠিত, যদিও এই প্ৰভূত্বশালী শ্ৰেণীটোৱে নিজৰ স্বৰূপটো ঢাকি ৰাখে। তেনে গণতন্ত্ৰক সামাজিক বা মানবীয় গণতন্ত্ৰ বুলিব নোৱাৰি। তাৰ লক্ষ কৰিবলগীয়া কথা যে তেনে গণতন্ত্ৰই সমতাৰ নামত সমাজখন গাইগুটীয়াভাৱে বিচ্ছিন্ন কৰে আৰু এই প্ৰভাৱশালী শ্ৰেণীটোৱে এখন দুৰ্বৰ ধনতান্ত্ৰিক ৰাষ্ট্ৰ হিচাবে নিজক গঠন কৰি লয়। এনে ৰাষ্ট্ৰৰ বিৰুদ্ধে ব্যক্তি বা গোষ্ঠী শক্তিহীন হৈ পৰে। যেতিয়া শ্ৰেণীসমূহ সংগঠন হবলৈ ধৰে, তেতিয়া প্ৰভাৱশালী শ্ৰেণীটোৰ ৰূপটো ধৰিব পাৰি। প্ৰভাৱশালী গোষ্ঠী বা শ্ৰেণীয়ে বাকী শ্ৰেণীসমূহৰ সংগঠন নিষ্ঠুৰভাৱে দমন কৰে।

'ৰুছিয়াৰ ছোভিয়েতবোৰক শুনিবে পৰা শ্ৰমিক শ্ৰেণীৰ সন্থা যেন লাগে। শ্ৰমিক ইউনিয়নবোৰ ছোভিয়েতবোৰৰ পৰা পৃথক। অৱশ্যে পিচত শ্ৰমিক সন্থাৰ আগৰণুৱাবোৰে ছোভিয়েতবোৰত বা তেনে সন্থাত যোগ দিয়ে। ১৯১৭ চনত কেৰেণেস্কিৰ দিনত ছোভিয়েত বোৰৰ শক্তি বৃদ্ধি হয় আৰু লেনিনে প্ৰস্তুত কৰা ধ্বনি (সকলো ক্ষমতা ছোভিয়েতৰ হাতত') বিয়পি পৰে।

'বিপ্লৱৰ আগতে ছোভিয়েতবোৰে কেৱল শ্ৰমিকৰ প্ৰতিনিধিত্ব কৰিছিল। পিচত নাবিক আৰু সৈনিকসকলে ছোভিয়েতত যোগ দিয়ে। শেহত কৃষক সকলো লগ লাগে। কিন্তু শ্ৰমিকসকলক যিদৰে প্ৰতিনিধিত্ব দিয়া হৈছিল, কৃষকসকলক সেইদৰে প্ৰতিনিধিত্ব দিয়া হোৱা নাছিল, কাৰণ কৃষকসকলক কিছু উন্নত বুলি ভবা হৈছিল।

বৌদ্ধিক সকলকো যোগদান কৰিবলৈ দিয়া হৈছিল ; কিন্তু যিসকল বৌদ্ধিকে ধনতন্ত্ৰৰ তলত চাকৰি কৰিছিল, তেনে বৌদ্ধিকক ছোভিয়েতৰ পৰা বাদ দিয়া হৈছিল। প্ৰথমতে কৃষকসকলৰ ভিতৰত থকা ধনী-চামে ছোভিয়েতত যোগদান কৰিব পাৰিছিল ; পিচত কিন্তু এইচামক বাদ দিয়া হৈছিল। যিসকলে আনৰ পৰিশ্ৰম বা ঘৰভাড়াৰ ওপৰত জীৱিকা নিৰ্বাহ কৰিছিল, বিশেষকৈ জাৰৰ দিনত কামকৰা লোক আৰু যাজকসকলক বাদ দিয়া হৈছিল ; অৱশ্যে কোনো কোনো ক্ষেত্ৰত এই নীতি প্ৰযোজ্য নহৈছিল। তাৰ ফলত কম সংখ্যক লোক ছোভিয়েতৰ পৰা বাদ পৰিছিল।

‘কোন শ্ৰেণীক ছোভিয়েতত অন্তৰ্ভূক্ত কৰা হব বা নহব সেই বিষয়ত মূল নীতি আছিল এই ধৰণৰ ঃ সমাজ গঠনৰ কাৰণে যিসকলক এটা বিশেষ পৰ্য্যায়ত আৱশ্যক আছিল তেনে লোকক ভৰ্তি কৰা হৈছিল। আটাইতকৈ যি প্ৰগতিবাদী গোষ্ঠী আৰু শ্ৰেণীয়ে শক্তি আৰু গুৰুত্বৰ দ্বাৰা প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছিল তেনে শ্ৰেণীয়ে যোগদান কৰাৰ ব্যৱস্থা আছিল। উচ্চতম শক্তিসম্পন্ন নিখিল ৰুছিয়া অব্ কংগ্ৰেছে কোন সস্থাক ছোভিয়েতৰ পৰা বাদ দিব বা কোন সস্থাক ভৰ্তি কৰিব পৰা যাব তাক নিৰ্ণয় কৰিছিল। ১৯১৮ চনৰ জানুৱাৰীত বহা তৃতীয় নিখিল ৰুছিয়া অব্ কংগ্ৰেছে সেই নীতি নিৰ্দ্ধাৰণ কৰি দিছিল। শোষণকাৰী কোনো শ্ৰেণীৰ লোকে ছোভিয়েত চৰকাৰত যোগদান কৰিব নোৱাৰিছিল। ১৯১৮ চনৰ পঞ্চম নিখিল ৰুছিয়া অব্ কংগ্ৰেছৰ বৈঠকত সেই নীতি সংবিধানৰ অন্তৰ্ভূক্ত কৰা হয়।

‘ছোভিয়েত পদ্ধতিৰ উল্লেখযোগ্য দিশ—তাৰ প্ৰতিনিধি নিৰ্দ্ধাৰণৰ প্ৰণালী। বহুত গণতান্ত্ৰিক দেশত ব্যক্তিক গোট বা য়ুনিট হিচাবে ধৰি আঞ্চলিক বা ভৌগলিক সমষ্টি গঠন কৰা হয়। ছোভিয়েত গঠন প্ৰণালীত অৰ্থনৈতিক বা সামাজিক গোট বা য়ুনিট যেনে গাওঁ, সমবায়, কলকাৰখানা, ট্ৰেড য়ুনিয়নসমূহক গণ্য কৰা হয়। ভোটাৰৰ সংখ্যা অনুপাতে প্ৰতিনিধি নিৰ্বাচন কৰা হয়। সৰু য়ুনিটবোৰে যুক্তভাৱেও প্ৰতিনিধি বাচিব পাৰে।

'গাওঁ ছোভিয়েতখন গাওঁখনৰ প্ৰাণ স্বৰূপ। ছোভিয়েত মানে 'সভা' আৰু গাওঁ ছোভিয়েত এখন গাওঁ পঞ্চায়তৰ লেখীয়া। গাওঁ ছোভিয়েতখন গাঁৱৰ প্ৰত্যেক ব্যক্তিৰ দ্বাৰা নিৰ্বাচিত হয়। ৰাজহুৱা সভাত হাত দাঙি ভোটাৰসকলৰ দ্বাৰা প্ৰতিনিধি বচা হয় আৰু তাত প্ৰত্যেক মুনিহ তিৰোতা উপস্থিত থাকে। অৱশ্যে তাৰ বাবে বয়স নিৰ্দ্ধাৰণ কৰা আছে। পৰৰ শ্ৰমৰ ওপৰত জীৱিকা-নিৰ্বাহ কৰা ধনী কৃষক আৰু যিবোৰ সুদখোৰ আৰু যাজক তেনেলোকক ভোট দিবলৈ দিয়া নহয়; কাৰণ এনে লোকক সমাজ বিৰোধী বা ধোদ বুলি গণ্য কৰা হয়। গাওঁখনৰ উদ্যোগ বা ৰাজহুৱা অনুষ্ঠান থাকিলে, তেনে উদ্যোগ বা প্ৰতিষ্ঠানেও ছোভিয়েতলৈ প্ৰতিনিধি পঠাব পাৰে। সেইদৰে স্থানীয় সমবায় সমিতি, কৃষক য়ুনিয়ন, নাৰী-সন্থা, যুৱ-সংঘৰ পৰাও প্ৰতিনিধি পঠাব পাৰে।

'গাওঁ ছোভিয়েতবোৰত অনা-কমিউনিষ্টসকল সংখ্যাগৰিষ্ঠ দল; ছোভিয়েত সভাবোৰত কিছুমান কমিউনিষ্ট উপস্থিত থাকেই আৰু এইচাম কমিউনিষ্ট ক্ৰিয়াশীল আৰু বুদ্ধিমান আৰু সেই কাৰণে তেওঁলোক সংখ্যালঘিষ্ঠ হোৱা সত্বেও তেওঁলোকৰ প্ৰভাৱ উল্লেখযোগ্য।

'গাঁৱলীয়া জনসাধাৰণৰ দৈনন্দিন জীৱনৰ সকলো বিষয়ত গাঁও-ছোভিয়েতে সিদ্ধান্ত লয়। অৱশ্যে এনে সিদ্ধান্তৰ সম্পৰ্কত কাৰোবাৰ কিবা আপত্তি থাকিলে উচ্চ ছোভিয়েতত আপীল কৰিব পাৰে। উচ্চ ছোভিয়েতৰ মধ্যস্থতা কৰিব পৰা ক্ষমতা আছে। গাঁও-ছোভিয়েতে জমি সমস্যাৰ বিচাৰ কৰাৰ কৰ্তৃত্ব আছে, বিশেষকৈ জমি বিতৰণৰ ক্ষেত্ৰত। খেতিৰ সঁচ বিতৰণ গাঁও-ছোভিয়েতেই কৰিব পাৰে ৰাজহুৱা বননি অঞ্চলত খৰিকটা আৰু সাধাৰণ বিধিমতে ৰাজহ, স্কুল ঘৰ, হাস্পাতাল, স্বাস্থ্য-সেৱা, অগ্নি-নিৰ্বাপক পাৰস্পৰিক সাহায্য আদি বিষয় গাঁও-ছোভিয়েতে পৰিচালনা কৰে। গাঁও-ছোভিয়েত গাঁৱৰ বিভিন্ন অনুষ্ঠানবোৰৰ যোগসূত্ৰ; সমবায় ভিত্তিত স্থাপিত পাৰস্পৰিক সাহায্য সমিতি, নাৰী সন্থা, যুৱ সংঘ, বয়-স্কাউটৰ দৰে

পায়োনিয়াৰ, আন্তৰ্জাতিক পাৰস্পৰিক সাহায্য সমিতি আদি গাঁৱবোৰৰ বহুত অনুষ্ঠান আছে।

'ছোভিয়েত পদ্ধতিৰ আন দুটা উল্লেখযোগ্য দিশ আছে। প্ৰথম, এই পদ্ধতিৰ তলত প্ৰতিনিধিক ৰিক'ল অৰ্থাৎ ঘূৰাই অনাৰ ব্যৱস্থা। ছোভিয়েতৰ যি কোনো সভ্যক, যি কোনো সময়ত, প্ৰত্যেক সমষ্টিয়ে ঘূৰাই অনাৰ ক্ষমতা আছে। আন আন দেশত প্ৰতিনিধিসকলক এটা নিৰ্দিষ্ট কালৰ যেনে তিনি, চাৰি বা পাঁচ বছৰৰ কাৰণে নিৰ্বাচিত কৰা হয় আৰু তেনেদৰে নিৰ্বাচিত প্ৰতিনিধিক সেই নিৰ্দ্ধাৰিত সময় ছোৱাত ঘূৰাই আনিব নোৱাৰি। দ্বিতীয়, ছোভিয়েত পদ্ধতিৰ তলত বিধি-ব্যৱস্থা আৰু কাৰ্য্যকাৰক উভয়ৰে সংমিশ্ৰণ আছে। কিন্তু কাৰ্য্য ক্ষেত্ৰত এইটো কিভাবে প্ৰয়োগ কৰা হয় তাক স্পষ্টকৈ বুজা নাযায়।

'ছোভিয়েত ৰুছিয়া নাটখন আৰু বিৰাট পৰিবৰ্তনৰ শুৰিত থকা ভিতৰুৱা শক্তিবোৰনো কি তাক জানিবলৈ হ'লে তাৰ থিয়ৰীৰ অধ্যয়নেই যথেষ্ট নহয়। পৃথিৱীৰ ইতিহাসত অক্টোবৰ বিপ্লৱ নিশ্চয় এটা ডাঙৰ ঘটনা—ফৰাচী বিপ্লৱৰ পিচত অক্টোবৰ বিপ্লৱ আটাইতকৈ ডাঙৰ ঘটনা। মানবীয় আৰু নাটকীয় দৃষ্টিত বিপ্লৱৰ যি কোনো বিৱৰণ যি কোনো ৰহস্যময় গল্পতকৈ মনোৰঞ্জক।

'ৰুছ বিপ্লৱ সফল হৈছিল নে নাই তাক বিচাৰ কৰিবলৈ হলে তাৰ মতবাদ বা জনসাধাৰণৰ উৎসাহ-উদ্দীপনা কিম্বা লেনিনৰ মহত্বক মাপকাঠি হিচাপে ধৰিলে নহব; বলছিভিকে তেওঁলোকৰ প্ৰতিদ্বন্দ্বী সকলক নিশ্চিহ্ন কৰিছিল বা বগা অত্যাচাৰক ৰঙা অত্যাচাৰৰ দ্বাৰা প্ৰতিহত কৰিছিল আৰু সেই কাৰণে ৰুছ বিপ্লৱ নিষ্ফল হৈছিল বুলি কিন্তু কব নোৱাৰি। এই বিপ্লৱে জনসাধাৰণক কিমানখিনি সুখ-স্বাচ্ছন্দ্য দিব পাৰিছিল সেই দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলহে বিপ্লৱৰ সাফল্য মূল্যাঙ্কণ কৰা হব। সেই আংশিক ভাব মনস্তাত্বিক বিষয়; কিন্তু কিছু পৰিমাণে সি বাস্তৱ অৱস্থা আৰু প্ৰকৃত তথ্য-পাতিৰ কথাও। জনসাধাৰণৰ মনোভাব বুজিবৰ কাৰণে

তেওঁলোকক ঘনিষ্ঠভাৱে জানিব লাগিব। কোনো এটা পৰ্য্যায়ত কিছু দিনৰ বাবে বস্তু-বাহানি অভাৱ হলেও, উৎপীড়নৰ পৰা মুক্তি লাভ কৰাটো তাতকৈ ডাঙৰ কথা। যিসকল ৰুছিয়ালৈ গৈছে তেওঁলোকে আমাক কৈছে যে বিপ্লৱৰ আগছোৱাত গৃহবিবাদ আদিৰ কাৰণে জনসাধাৰণ দুৰ্ভিক্ষৰ মুখত পৰিছিল, নতুন স্বাধীনতা, খাদ্যাভাব, দুখ-দুৰ্গতিয়ে আনকি সুখ-স্বাচ্ছন্দ্যতকৈ বেছি সন্তোষ দিছিল। কিন্তু মনোস্তাত্বিক ফাল বাদ দি, বিপ্লৱে বস্তু-বাহানিৰ ক্ষেত্ৰত কি ফল আনিছে তাকো আমি বিচাৰ কৰিব পাৰোঁ আৰু তাৰ দ্বাৰা বছৰে বছৰে কি পৰিবৰ্তন হৈছে তাকো লক্ষ কৰিব পাৰোঁ। সেইদৰে ভবিষ্যতত কি উন্নতি বা অৱনতি হব পাৰে তাৰ ইংগিতো পাব পাৰোঁ।

'ৰুছিয়াত বলছেভিক বিপ্লৱ হবৰ দহ বছৰ (১৯২৭) হ'ল ; কিন্তু আমি মনত ৰখা উচিত যে প্ৰথম দহ বছৰ বিদেশী আৰু আভ্যন্তৰীণ শত্ৰু দুৰ্ভিক্ষ আৰু অৱৰোধৰ বিৰুদ্ধে যুঁজ কৰোতেই গৈছিল। নানা শত্ৰুৱে খাদ্য সৰবৰাহ বন্ধ কৰি দি ৰুছিয়াৰ বিনাশ সাধন কৰিবলৈ প্ৰয়াস কৰিছিল ; তাৰ ফলত দেশখনৰ অৰ্থনৈতিক অৱস্থা ছিন্ন-ভিন্ন হৈ পৰিছিল ; যোৱা পাঁচ বছৰত ৰুছিয়াত তুলনামূলক-ভাবে শান্তি বিৰাজ কৰিছে আৰু দেশখনৰ সম্পদৰাশিৰ বিকাশ কৰাৰ বাবে সুবিধা হৈছে। কিন্তু এই সময়ছোৱাতো মাকিন যুক্তৰাষ্ট্ৰ আৰু য়ুৰোপৰ বেছিভাগ চৰকাৰৰ বিৰুদ্ধে ৰুছিয়া ঠিয় হব লগাত পৰিছিল। দেশখনৰ সম্পদৰাশিৰ বিকাশ কৰিবলৈ ৰুছিয়াৰ অৰ্থবল নাছিল ; বাহিৰৰ পৰাও ৰুছিয়াই মূলধন বা ঋণ নাপাইছিল। এইবোৰ অসুবিধা সত্বেও যোৱা পাঁচ বছৰত ৰুছিয়াৰ উন্নতি হৈছে। নিৰ্ভৰযোগ্য পৰ্য্যালোচকৰ মতে ৰুছিয়া উন্নতিৰ পথত আগ বাঢ়িছে আৰু যুদ্ধৰ আঠ বছৰত যি ক্ষতি হৈছিল তাক পূৰণ কৰিব পাৰিছে। বৰ্তমান ৰুছিয়াত উৎপাদন ১৯১৪ চনতকৈ---যেতিয়া মাকিন যুদ্ধ হৈছিল---বেছি আৰু উৎপাদনৰ গতি দ্ৰুত হৈছে।

'মাকিন যুক্তৰাষ্ট্ৰই চৰকাৰীভাবে ৰুছিয়াক স্বীকৃতি দিয়া নাই। মাকিন চৰকাৰৰ এই বিৰোধিতা সত্বেও তাৰ পৰা বহুত ব্যৱসায়ী লোক

ৰুছিয়াৰ উন্নতিৰ দ্বাৰা আকৰ্ষিত হৈছে ; সেইদৰে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ পৰা যি সকল ছাত্ৰ আৰু অধ্যাপক ৰুছিয়ালৈ গৈছে তেওঁলোকো আকৰ্ষিত হৈছে। বৰ্তমান ৰুছিয়াত বহুত বিদেশী পৰ্য্যটক আছে ; তেওঁলোক কিন্তু পশ্চিম য়ুৰোপৰ পৰা যোৱা পৰ্য্যটক নহয়---তেওঁলোক ছাত্ৰ আৰু অনুসন্ধিৎসু লোক। ৰুছিয়াক প্ৰশংসা কৰিবলৈ যোৱা তেওঁলোক সমাজবাদী লোকো নহয় ; তেওঁলোক তালৈ চিন্তাশীল আৰু ব্যৱসায়ী লোক হিচাবে সন্ধান লবলৈ গৈছে আৰু তেওঁলোকৰ ভাবধাৰাৰ বিৰোধী দেশ হিচাপে ৰুছিয়া নো কি দেশ তাক বুজিবলৈ। এই অনুসন্ধিৎসুসকলৰ ভিতৰত চীন, পাৰস্য, আফগানিস্তান আদি প্ৰাচ্য দেশবোৰৰ যথেষ্ট সংখ্যক প্ৰতিনিধিও আছে। তেওঁলোকে ৰুছিয়াৰ শিক্ষা-ব্যৱস্থা, কৃষি, সমবায় আৰু সেনা বিভাগৰ বিষয়ে বিশেষ অধ্যয়ন কৰিবলৈ গৈছে।

'আমাৰ অধ্যাপক আৰু ছাত্ৰসকল ৰুছিয়াৰ শিক্ষা আৰু কৃষি অধ্যয়ন কৰিবলৈ যোৱাটো ভাল হব। ৰাজনৈতিক নেতাসকল ৰুছিয়ালৈ যোৱাতকৈ আমাৰ ছাত্ৰ আৰু অধ্যাপকসকল গলে বেছি সহায়ক হব। আমাৰ বিশ্ববিদ্যালয় সমূহে যোগ্য প্ৰতিনিধি দল সহজে পঠাব পাৰে।

'আমাৰ বিশ্ববিদ্যালয় আৰু আন আন অনুষ্ঠানবোৰে যদি ৰুছিয়াক বুজিবলৈ আগ্ৰহ কৰে, তেন্তে তেওঁলোকৰ প্ৰতিনিধি ৰুছিয়ালৈ পঠাবৰ কাৰণে তাৰ সাংস্কৃতিক আৰু শিক্ষা অনুষ্ঠান সমূহৰ লগত চিঠিৰে যোগাযোগ স্থাপন কৰিব পাৰে, যদিহে বৃটিচ চৰকাৰে সেই বিষয়ত হস্তক্ষেপ নকৰে। কিতাপ-পত্ৰৰ আদান-প্ৰদানেৰেও তেনে যোগাযোগ কৰিব পাৰি। ৰুছসকলে তেনে সহযোগৰ প্ৰতি ওলগ জনাব আৰু আনন্দেৰে খবৰ-পাতিৰ যোগান ধৰিব। সময়ে সময়ে ৰুছসকলে ইংৰাজী আৰু আন বিভিন্ন ভাষাত তেওঁলোকৰ উন্নতিৰ বিষয়ে পুস্তিকা প্ৰকাশ কৰে। এইবোৰ পুথি আৰু পুস্তিকা একপক্ষীয় আৰু চৰকাৰৰ দৃষ্টিভংগীৰ প্ৰতিনিধিত্ব কৰে ; তথাপি তাত শেহতীয়া তথ্য-পাতি পোৱা যায়।

'ৰুছিয়া সম্পৰ্কে মোৰ বিশেষ জ্ঞান আছে বুলি দাবী নকৰোঁ আৰু তাৰ বহুত বিষয়ে মই চিন্তা কৰা নাই। ছোভিয়েত ৰুছিয়াৰ ভৱিষ্যত কি হব সেই সম্পৰ্কেও মই ভবা নাই। কমিউনিষ্ট দলে তেওঁলোকৰ আক্ৰমণাত্মক মনোভাব ৰাখিবনে লাহে লাহে তেওঁলোকৰ ওচৰ-চুবুৰীয়া দেশবোৰৰ সৈতে সহানুভূতিৰ নীতি লব তাকো মই চিন্তা কৰা নাই। বিপ্লৱৰ পিচত লেনিনে লিখিছিল যে "বিপ্লৱৰ উল্লেখযোগ্য কথা হৈছে ৰুছিয়াৰ নিজস্ব ৰাজনৈতিক ব্যৱস্থাৰ মাধ্যমত পৃথিৱীৰ উন্নত দেশবোৰতকৈ ৰুছিয়া বেছি আগবাঢ়ি গৈছে; কিন্তু সেইয়া যথেষ্ট নহয়। আমাৰ সংগ্ৰামে কোনো আপোচ সহ্য নকৰে; হয় সংগ্ৰাম ব্যৰ্থ হ'ব, নহয় অৰ্থনৈতিক ক্ষেত্ৰত উন্নত দেশবোৰক ঢেৰ পেলাব লাগিব; আমাৰ সংগ্ৰাম হয় ৰসাতলে যাব, নহয় পুৰামাত্ৰাই আগবাঢ়ি যাব। ইতিহাসেও সেই কথাকে কয়।" প্ৰকৃততে ৰুছিয়াৰ সংগ্ৰাম চলি আছে, কিন্তু উগ্ৰ কমিনিজমৰ ম্যাদ উকলি গৈছে। কিছুমান লোকে কয় যে শ্ৰেণীহীন সমাজৰ বাবে কমিউনিষ্টৰ ইচ্ছা সত্বেও ছোভিয়েত য়ুনিয়নত নতুন শ্ৰেণীৰ সৃষ্টি হৈছে। ভৱিষ্যত যিয়েই নহওক, অ'ত-ত'ত দুই-এটা পৰিবৰ্তন হয় যদিও, এই সংগ্ৰামে কোনো আপোচ গ্ৰহণ নকৰে। লেনিনে কোৱাৰ দৰে, ৰুছিয়া হয় ধ্বংস হব---নহয় আগবাঢ়ি যাব। মধ্যপন্থাৰ কোনো সম্ভাৱনা নাই যেন লাগে। যোৱা দহ বছৰৰ পৰা দেখা যায় ৰুছিয়াৰ পতন হবই নোৱাৰে।

'১৯১৭ চনৰ বিপ্লৱে যিবোৰ গতিশীল শক্তিৰ সৃষ্টি কৰিছিল সেই শক্তিবোৰ মাৰ যোৱা নাই; বৰঞ্চ এই শক্তিবোৰে ইতিহাস ৰচনা কৰিছে আৰু তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। তাৰ প্ৰতি আওকণীয়া হৈ থকাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে।

'ৰুছিয়াৰ বিৰোধী হৈ থাকিবলৈ ইংলেণ্ডে আমাক সাৱধানে প্ৰস্তুত কৰি ৰাখিছে আৰু সেই পৰম্পৰাত আমি ডাঙৰ-দীঘল হৈছোঁ। অতীতত বহু বছৰ ৰুছ আক্ৰমণৰ কথা আমাৰ আগত দাঙি ধৰা হৈছিল আৰু তাৰ বাবে সামৰিক ক্ষেত্ৰত অতিমাত্ৰা ব্যয় কৰাৰ অজু-

হাত দেখুওৱা হৈছিল। তাৰৰ ৰাজত্ব গ'ল, কিন্তু ইংলেণ্ড আৰু ৰুছিয়াৰ মাজত প্ৰতিদ্বন্দ্বিতা চলি আছে আৰু ৰুছিয়াই ভাৰত আক্ৰমণ কৰিব বুলি আমাক কোৱা হৈছে। এইটো কিমানদূৰ সঁচা? বৃটিচ সাম্ৰাজ্যবাদী নীতি আৰু ছোভিয়েত ৰুছিয়াৰ মাজত তুমুল বিবাদ নিশ্চয় আছে আৰু এনে বিবাদে যুদ্ধ ঘটায়। গতিকে যুদ্ধৰ বিপদ থকাটো সঁচা, কিন্তু এনে এখন যুদ্ধ ৰুছিয়াই বাঞ্ছা কৰে নে ইংলেণ্ডে সামৰিক সংঘৰ্ষ বিচাৰে?

'অলপতে ৰুছিয়াই আন্তৰ্জাতিক যুদ্ধ আৰু গৃহ-যুদ্ধৰ মাজেদি অতিবাহিত কৰিলে, দুৰ্ভিক্ষ আৰু অৱৰোধৰ সম্মুখীন হ'ল; কিন্তু অৰ্থনৈতিক অৱস্থা স্থায়ী কৰিবলৈ এতিয়া ৰুছিয়াই শান্তি বিচাৰে। ইতিমধ্যে ৰুছিয়া বহুখিনি সফল হৈছে আৰু ৰুছিয়াৰ সকলো অঞ্চলত শান্তিৰে উন্নয়নৰ কামত দেশখন উঠি পৰি লাগিছে। যুদ্ধ হলে আৰু তেনে এখন যুদ্ধত জয় লাভ কৰিলেও উন্নয়নৰ গতি ব্যাহত হব আৰু বৰ্তমানে ৰুছিয়াই যি নতুন ব্যৱস্থা গঠন কৰিবলৈ প্ৰচেষ্টা হাতত লৈছে সিও অনিশ্চিত কালৰ বাবে পলম হৈ যাব। ৰুছিয়াই সেইটো পছন্দ নকৰে। সেই কাৰণে আমি দেখিছোঁ যে ৰুছিয়াই সামৰিক সংঘৰ্ষত বাধ্য হৈ সোমাব নোখোজে, যদিও তাৰ বাবে অপমান আৰু প্ৰৰোচনা চলিছে। ৰুছিয়াই নিজৰ ক্ৰোধ আৰু খং দমাই ৰাখিও যুদ্ধত লিপ্ত নোহোৱাত সফল হৈছে।'

ছোভিয়েত ৰুছিয়াৰ অক্টোবৰ বিপ্লৱক জৱাহৰলাল নেহৰুৱে পূৰ্বৰ পৰাই সমাদৰ কৰিছিল। তেওঁৰ জীয়াৰী ইন্দিৰালৈ—ইন্দিৰাক তেওঁ স্নেহসুলভ ভাষাত 'প্ৰিয়দৰ্শিনী' বুলি এজাপ চিঠি লিখিছিল ১৯২৮-৩৩ত। তেনে এখন চিঠিত ৰুছ বিপ্লৱক এটা 'বিৰাট ঘটনা' বুলি আখ্যা দিছিল আৰু তেনে ঘটনা পৃথিৱীত অদ্বিতীয় বুলি কৈছিল। সেই কথাখিনি নেহৰুৰ ৰচিত 'গ্লিম্পচেজ অব্ ৱৰ্ল্ড হিষ্টৰী' অৰ্থাৎ 'বিশ্ব ইতিহাসৰ জিলিঙনি' নামৰ গ্ৰন্থত সন্নিবিষ্ট কৰা আছে। সমাজবাদৰ মহান নেতা লেনিন সম্পৰ্কে জৱাহৰলালে এনেদৰে লিখিছে: 'লেনিনৰ মৃত্যুৰ পাচত তেওঁ এটা শক্তিশালী ঐতিহ্য হিচাবে পৰিগণিত হৈছে,

কিন্তু নিজৰ দেশ ৰুছিয়াতহে যে তেওঁ তেনেভাবে গণ্য হৈছে সেইটো নহয়; সমগ্ৰ পৃথিৱীয়ে তেওঁক স্বীকাৰ কৰিছে। সময় চাপি অহাৰ লগে লগে তেওঁ মহিয়ান হৈ উঠিছে; বাছকবনীয়া কেইগৰাকীমান মহান নেতাৰ মাজত তেৰোঁ এজন। পেট্ৰোগ্ৰেড সম্প্ৰতি লেনিনগ্ৰেড বুলি জনাজাত। ৰুছিয়াৰ প্ৰতি ঘৰতে এটা লেনিন কেন্দ্ৰ আছে বা লেনিনৰ এখন প্ৰতিচ্ছবি আছে। কিন্তু স্মৃতিস্তম্ভ বা ছবিৰ যোগেদি তেওঁ চিৰঞ্জীৱি হোৱা নাই। তেওঁ যি মহান কাম কৰি গৈছে তাৰ বাবেহে লেনিন চিৰঞ্জীৱি হৈছে আৰু লাখ লাখ শ্ৰমিকৰ অন্তৰত চিৰঞ্জীৱি হৈ আছে, কাৰণ শ্ৰমিকসকলে আজি লেনিনৰ আদৰ্শৰ পৰা প্ৰেৰণা লাভ কৰে আৰু শুভদিনৰ আশাৰ ৰেঙণিৰ সম্ভেদ পায়।'

জৱাহৰলাল নেহৰু আবেগিক উত্তেজনা বা হুজুগত সমাজবাদী হৈ উঠা নাছিল। সমাজবাদ সম্পৰ্কে যি সকলে পূৰ্বতে চিন্তা কৰিছিল আৰু শ্ৰেণীবিহীন সমাজ-ব্যৱস্থাৰ সপোন দেখিছিল তেওঁলোকৰ গ্ৰন্থৰাজি পঢ়ি, তাক বুজি আৰু আয়ত্ত কৰি নেহৰুৱে সমাজবাদ গ্ৰহণ কৰিছিল। ৰেভাৰেণ্ড চি-এফ-এণ্ড্ৰুজে জৱাহৰলালক উপহাৰ দিয়া মৰেলৰ 'ব্লেক মেনচ্ বাৰ্ডেন' অৰ্থাৎ 'কলা মানুহৰ বোজা' নামৰ প্ৰগতিমূলক পুথি আদি পঢ়াৰ উপৰিও তেওঁ কাৰ্ল মাৰ্ক্স আৰু লেনিনৰ গ্ৰন্থবোৰ পঢ়িছিল আৰু তাৰ দ্বাৰা তেওঁ বিশেষভাৱে প্ৰভাৱান্বিত হৈছিল। ১৯৪২ চনৰ 'কুইট্ ইণ্ডিয়া' বা 'ভাৰত ত্যাগ' আন্দোলনৰ সন্দৰ্ভত আহমেদাবাদ ফৰ্ট জেলত থকাৰ সময়ত জৱাহৰলাল নেহৰুৱে 'ডিচ্কভাৰী অব্ ইণ্ডিয়া' অৰ্থাৎ 'ভাৰত সম্ভেদ' নামৰ যিখন বৃহৎ পুথি লিখিছিল তাত কাৰ্ল মাৰ্ক্স আৰু লেনিন সম্পৰ্কে জীৱন-দৰ্শন নামৰ শিতানত এইদৰে লিখিছে ঃ

'মাৰ্ক্স আৰু লেনিনৰ বিষয়ে কৰা অধ্যয়নে মোৰ মনলৈ এটা দুৰ্বাৰ প্ৰভাৱ আনিছিল আৰু তাৰ দ্বাৰা ইতিহাস আৰু চলিত ঘটনা প্ৰবাহক নতুন দৃষ্টিৰে চাবলৈ সক্ষম হৈছিলোঁ। ইতিহাস আৰু সামাজিক পৰিস্থিতিৰ সুদীৰ্ঘ চক্ৰ বা তাৰ উত্তৰ কালৰ ঘটনাৰ বাবে

তাৰ কিছু অৰ্থ থকা যেন লাগে। ভৱিষ্যতৰ অনিশ্চয়তা দূৰীকৰণত সেই অধ্যয়নে মোক সহায় কৰিছিল। বাস্তৱ ক্ষেত্ৰত ছোভিয়েত ৰুছিয়াই যি সাফল্য অৰ্জন কৰিছে, সেইয়া অত্যন্ত লেখতলবলগীয়া। তাত হোৱা ঘটনাৱলী মই মাজে সময়ে বেয়া পাইছিলো বা তাক বুজিব পৰা নাছিলোঁ আৰু সেই ঘটনাৱলী সময়ৰ সুবিধাবাদ বা শক্তিৰ ৰাজনীতিৰ লগৰ যেন মোৰ ধাৰণা হৈছিল। তথাপি প্ৰথম আবেগৰ ভুল ব্যাখ্যা সত্বেও ছোভিয়েত বিপ্লৱে মানৱ কল্যাণৰ পথ এখোজ আগবঢ়াই নিছিল আৰু নুমাব নোৱাৰা একুৰা জুই জ্বলাইছিল। সেয়ে প্ৰগতিৰ নতুন সভ্যতাৰ ভেঁটি স্থাপন কৰিছিল। তাত মোৰ কোনো সন্দেহ নাছিল। অত্যন্ত ব্যক্তিকেন্দ্ৰিক আৰু ব্যক্তিগত স্বাধীনতাৰ ওপৰত মই পৰম বিশ্বাসী ; সেই কাৰণে অতিমাত্ৰা নিয়ন্ত্ৰণী ব্যৱস্থা মই পছন্দ নকৰোঁ। তথাপি মোৰ মনত স্পষ্ট ধাৰণা হৈছিল যে এটা জটিল সামাজিক গাঁথনিত ব্যক্তিগত স্বাধীনতা সীমিত হব লাগিব ; প্ৰকৃত ব্যক্তিগত স্বাধীনতা কিছু পৰিমাণে সীমাবদ্ধতাৰ মাজেদিহে সম্ভৱ হব পাৰে। মূল স্বাধীনতাৰ খাতিৰত সৰুসুবা বিধৰ স্বাধীনতা সীমাবদ্ধ কৰাৰ প্ৰয়োজন।

'মাৰ্ক্স-বাদৰ দৃষ্টিভঙ্গীৰ ভালেখিনি মই বিনা কষ্টেৰে গ্ৰহণ কৰিব পাৰিছিলোঁ।'

আত্ম-জীৱনীৰ এঠাইত জৱাহৰলালে উল্লেখ কৰিছে ঃ

'সকলো ফালৰ পৰা ভাবিচিন্তি চালে এটা ব্যৱস্থা সম্ভৱ হব পাৰে। সেইটো হৈছে সমাজতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থা। প্ৰথমতে জাতি বিশেষৰ ভৌগলিক সীমাৰ ভিতৰত, তাৰ পিচত সমগ্ৰ জগতত সেই ব্যৱস্থাৰে কিনা-বেচা কৰা, বস্তুৰ উৎপাদন নিয়ন্ত্ৰণ কৰা আৰু তাক জনসাধাৰণৰ কল্যাণৰ বাবে নিয়ন্ত্ৰণ কৰা। কি উপায়েৰে সেই নিয়ন্ত্ৰণ কৰা হব পাৰে সেইটো সুকীয়া কথা। কিন্তু যি সকলে বৰ্তমান ব্যৱস্থাৰ তলত লাভ উপাৰ্জন কৰিছে তেওঁলোকে আপত্তি কৰিলে বুলিয়েই এটা জাতিৰ বা সমগ্ৰ মানৱ কল্যাণৰ বাট ৰুদ্ধ হৈ থাকিব নোৱাৰে—সি স্পষ্ট কথা। যদি ৰাজনৈতিক আৰু সামাজিক প্ৰতিষ্ঠানবোৰ এই ব্যৱস্থাৰ

বাটত হেঙাৰ হৈ থাকে, তেনেহলে তেনে হেঙাৰ আঁতৰাব লাগিব। এই বাঞ্ছনীয় আৰু কাৰ্য্যভিত্তিক আদৰ্শক লঘু কৰি সেই প্ৰতিষ্ঠান-বিলাকৰ সৈতে আপোচ কৰিলে বিশ্বাসঘাটকতা কৰা হব। পৃথিৱীৰ পৰিস্থিতিয়েই হয়তো তেনে পৰিবৰ্তন আনি দিব; পৰিবৰ্তন আনিব নোৱাৰিলে অন্ততঃ তাৰ দিন চমু কৰি আনিব; কিন্তু সৰহ ভাগ মানুহে সেইকথা মানি সেই বাটত নিষ্ঠাৰে আগ নাবাঢ়িলে সেইয়া সম্ভৱ নহব। যিসকলে এই বাটলৈ আহিবলৈ ইচ্ছা কৰা নাই তেওঁ-লোকৰ অন্তৰ জয় কৰি এই মতবাদ অৰ্থাৎ সমাজবাদলৈ তেওঁলোকক আনিব লাগিব।'

১৯২৭-২৮ চনৰ য়ুৰোপ ভ্ৰমণে জৱাহৰলাল নেহৰুৰ মনৰ ওপৰত যি প্ৰভাৱ আনিছিল আৰু তাৰপৰা সমাজবাদ আৰু কমিউনিজমৰ প্ৰতি তেওঁৰ যি বিশ্বাস জন্মিছিল সেইটো বিভিন্ন ৰাজনৈতিক সভা-সমিতি, বনুৱা সমাৱেশ, সন্মিলন আৰু যুৱ আৰু ছাত্ৰ সন্মিলনত দিয়া তেওঁৰ বক্তৃতাবোৰত পৰিষ্কাৰভাৱে প্ৰকাশ পাইছিল। ১৯২৮ চনৰ মাজভাগত তেওঁ য়ুৰোপ ভ্ৰমণ সমাপ্ত কৰি ভাৰতলৈ প্ৰত্যাবৰ্তন কৰে। সেই বছৰৰ ২২ চেপ্তেম্বৰত কলিকতাত বহা সদৌ বঙ্গ ছাত্ৰ সন্মিলনৰ সভাপতি হিচাবে দিয়া ভাষণত সমাজবাদ আৰু কমিউনি-জমৰ প্ৰতি খোলা-খুলিভাবে সমৰ্থন দি জৱাহৰলালে কৈছিল ঃ

'আমাৰ বন্ধুবৰ্গৰ কিছুমানক কমিউনিজমে চক্ খুৱায়। কিন্তু কমিউনিজমৰ অৰ্থ কি? আমাতকৈ বয়সীয়াল লোকসকলে তেওঁ-লোকৰ কোঠালিত বহি পকা চুলিৰ মূৰ আৰু গোঁফত তাও দি কমিউ-নিষ্ট শব্দটোৰ নাম শুনিয়েই আতঙ্কিত হয়। কিন্তু কমিউনিজমে কি বুজায় সেই সম্পৰ্কে তেওঁলোকৰ কিবা জ্ঞান আছেনে নাই মোৰ সন্দেহ। তোমালোকে নিশ্চয় দেখিছা ট্ৰেড য়ুনিয়ন আন্দোলন দমন কৰিবলৈ ব্যৱস্থাপক সভাত কি প্ৰচেষ্টা হৈছে আৰু কমিউনিজমত লিপ্ত থকা বুলি বহুতক চৰকাৰৰ পৰা আঁতৰত ৰাখিছে। তোমা-লোকে লক্ষ কৰা নাই নে কেনেকৈ বৃটিচ সাম্ৰাজ্যবাদে—যাৰ হাতত টেংক আছে, বিমান আছে, ড্ৰেডনাট্ আছে—তেনে পৰাক্ৰমী সাম্ৰাজ্যই

নতুন ভাবধাৰা প্ৰচাৰপ্ৰয়াসী মুষ্টিমেয় লোকৰ কাৰণে ভীত হৈ পৰিছে— এই নতুন ভাবধাৰা'ৰ কাৰণে বৃটিচ সাম্ৰাজ্য তাচৰ ঘৰৰ দৰে ভাঙি যাব বুলি ভয় খোৱাৰ কি কাৰণ আছে— তোমালোকে দেখিছা এই বিৰাট সাম্ৰাজ্য পৃথিৱীৰ মনোমোহা অঞ্চলবোৰত বিয়পি পৰিছে। গতিকে তেওঁলোকৰ ভয় তেওঁলোকৰ দুৰ্বলতাৰ কাৰণেহে হৈছে। বৃটিচ সাম্ৰাজ্য এটা দৈত্য, কিন্তু তাৰ ঠেং মাটিৰে সজা। এটা ভাবধাৰা যদি মাৰাত্মক হয়, তেনে ভাবধাৰাক সতকাই আটক কৰিব নোৱাৰে, কিয়নো তেনে মনোভাবে সীমা আৰু দস্তুৰ অতিক্ৰম কৰে। যদি ভাৰত চৰকাৰে ভাবে যে নতুন ভাবধাৰা ভাৰতলৈ বিয়পি পৰাটো আইনেৰে বন্ধ কৰিব পাৰিব, তেন্তে ভাৰত চৰকাৰ আচৰিত ভাবে হতবুদ্ধি হৈ পৰিছে।

'কমিউনিজমৰ ভাবধাৰা এনে নে যে তাৰ ওচৰত বৃটিচ সাম্ৰাজ্য-বাদ কঁপিব লাগে? সেই বিষয়ে মই ইয়াত আলোচনা কৰিবলৈ নিবিচাৰোঁ; তথাপি মই তোমালোকক কব খোজোঁ যে কমিউনিজমক মই সমাজৰ এটা আদৰ্শ বুলি বিশ্বাস কৰোঁ; অৱশ্যে কমিউনিষ্ট-সকলৰ কিছুমানৰ লগত ব্যক্তিগতভাবে মোৰ মতৰ অমিল আছে আৰু কমিউনিজমে ভাৰতৰ অৱস্থাৰ লগত খাপ খাব নে নাই সেই বিষয়ে মই নিশ্চিত নহয়। কমিউনিজমৰ প্ৰতি মোৰ বিশ্বাস হোৱাৰ কাৰণ হৈছে যে ই মূলতঃ সমাজবাদ। মই ভাবোঁ পৃথিৱীখন যদি বিপৰ্য্যয়ৰ পৰা ৰক্ষা পৰিব লাগে, তেন্তে তাৰ একমাত্ৰ পথ সমাজবাদ।

'আৰু ৰুছিয়া? এইখন কি দেশ? বৰ্তমান বিভিন্ন জাতিৰ পৰা আমি অচ্যুত হৈ আছোঁ, পথভ্ৰষ্ট হৈছো আৰু ভুল কৰি আছো। কিন্তু নানা ত্ৰুটি সত্বেও ৰুছিয়া আজি সাম্ৰাজ্যবাদৰ পৰম শত্ৰু হিচাবে থিয় দিছে। ৰুছিয়াই প্ৰাচ্যৰ জাতিবোৰৰ প্ৰতি উচিত আৰু বদান্যতাৰ ভাব দেখুওৱাৰ নজিৰো আছে।'

ঊনৈশ শ আঠাইশৰ কেৰেলাৰ প্ৰাদেশিক সন্মিলনত নেহৰুৱে তেওঁৰ বক্তৃতাত জমিদাৰ শ্ৰেণীৰ ওপৰত চোকা মন্তব্য প্ৰকাশ কৰি-

ছিল। সেই মন্তব্যৰ প্ৰতিবাদ কৰি ৫0 জন জমিদাৰ আৰু মাটিৰ মালিকে লাহোৰৰ দৈনিক বাতৰিকাকত ‘ট্ৰিবিউন’ত (বৰ্তমান এই বাতৰি কাকতখন চণ্ডীগড়লৈ স্থানান্তৰিত কৰা হৈছে) এটা চোকা বিবৃতি দিছিল। সেই বিবৃতিৰ প্ৰত্যুত্তৰ দি জৱাহৰলালে লিখিছিল (২৬ আগষ্ট, ১৯২৮)ঃ ‘সমাজবাদ পঞ্জাবৰ জমিদাৰসকলে ভবাৰ দৰে কোনো ভয় কৰিবলগীয়া বস্তু নহয়। এই সম্পৰ্কে অধ্যয়ন কৰিলে জমিদাৰসকলে তেওঁলোকৰ মত পৰিবৰ্তন কৰিব। আমি ধনতান্ত্ৰিক ব্যৱস্থাত প্ৰতিষ্ঠিত চৰকাৰৰ তলত আছো যদিও, অৱস্থা বিশেষৰ তাগিদাত সমাজে কিছুমান অনুষ্ঠানক ৰাষ্ট্ৰীয়কৰণ কৰিবলৈ বাধ্য কৰিছে। আমাৰ ৰেলৱে, ডাকঘৰ, ৰাস্তা আৰু আন বহুত অনুষ্ঠানক ৰাষ্ট্ৰীয়কৃত কৰা হৈছে। ইংলেণ্ডৰ ৰক্ষণশীল চৰকাৰেও বিজুলী শক্তিক ৰাষ্ট্ৰীয়কৰণৰ তলত আনিছে। তেনেহলে জমি ৰাষ্ট্ৰীয়কৰণ নহবনে?’

জৱাহৰলালৰ বক্তৃতা, প্ৰবন্ধ আৰু বিভিন্ন ক্ষেত্ৰত কৰা আলোচনা বিশ্লেষণ কৰিলে দেখা যায় যে তেওঁ আজীৱন সমাজবাদী আছিল আৰু সমাজবাদক তেওঁৰ ৰাজনৈতিক জীৱনৰ আদৰ্শ হিচাবে গ্ৰহণ কৰিছিল। কোনো কোনো সময়ত ৰাজহুৱা কামকাজৰ আঁচনি গ্ৰহণ বা তাক কামত ৰূপায়ণ কৰোতে তেওঁৰ ইতস্ততঃ ভাব দেখা গৈছিল; কিন্তু ভাৰতবৰ্ষই যে সমাজবাদৰ লক্ষ্য গ্ৰহণ কৰিব তাত তেওঁৰ কোনো দ্বিধাভাব নাছিল। ‘ইণ্ডিয়া এণ্ড ৱাৰ্ল্ড’ বোলা কিতাপত তেওঁ লিখিছেঃ ‘মোৰ দৃঢ় বিশ্বাস যে বিশ্ব আৰু ভাৰতৰ সমস্যাবোৰ সমাধান কৰিবলৈ একমাত্ৰ উপায় সমাজবাদ; সমাজবাদ বোলোতে মই কিন্তু কোনো অস্পষ্ট মানবীয় মতবাদৰ কথা কোৱা নাই। সমাজবাদ অৰ্থনৈতিক মতবাদতকৈ বেছি অৰ্থব্যঞ্জক; ই জীৱনৰ এটা আদৰ্শ আৰু সেইবাবে সমাজবাদে মোক আকৰ্ষণ কৰে।’

সমাজবাদৰ প্ৰতি জৱাহৰলালৰ আকৰ্ষণ ক্ষণস্থায়ী আবেগ নাছিল। তেওঁৰ মনত তেওঁৰ পক্ষে ভাৰত-প্ৰেম প্ৰথম আছিল আৰু সমাজবাদে তেওঁৰ মনত দ্বিতীয় স্থান অধিকাৰ কৰিছিল। সমাজবাদ

গ্ৰহণ কৰাৰ ক্ষেত্ৰত মুষ্টিমেয়, স্বাৰ্থান্বেষী ধনী আৰু পৰিবৰ্তন-বিৰোধী লোকৰ অপ্ৰিয়ভাজন হবলৈ তেওঁ কিঞ্চিৎমানো দ্বিধা নকৰিছিল। ১৯২৮ চনত বিহাৰৰ বেটিয়াত বহা চম্পাৰণ জিলা ৰাজনৈতিক সন্মিলনত ভাষণ দি তেওঁ সেই কথা পৰিষ্কাৰভাবে প্ৰকাশ কৰিছিল। জৱাহৰলালে জনসাধাৰণৰ দুৰ্গতি দেখি বিস্ময় মানিছিল। জনসাধাৰণে নিজৰ দুৰ্গতি কলিযুগৰ অপৰিহাৰ্য্য পৰিণতি বুলি, ভাগ্যক দোষ দি সেইবোৰ নিঃসহায়ভাবে সহ্য কৰি থকাত তেওঁ আচৰিত হৈছিল। তাৰ প্ৰতিকাৰ কি? এই প্ৰশ্ন তুলি জৱাহৰলালে নিজেই তাৰ উত্তৰ দি কৈছিল ঃ 'তাৰ প্ৰকৃত সমাধান সমাজবাদত। যদি ভাৰতে সঁচাকৈয়ে স্বৰাজ বিচাৰিছে আৰু সেই স্বৰাজে যদি ভাৰতৰ জনসাধাৰণৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক স্বৰাজক বুজায়, তেনেহলে দেশত জনসাধাৰণে সমাজবাদী ৰাষ্ট্ৰভিত্তিক চৰকাৰ গঠন কৰিব লাগিব। উৎপাদন, জমি, কল-কাৰখানা আৰু বিতৰণৰ সকলো পথ কেইজনমান লোক বা কেইটামান গোষ্ঠীৰ পৰা আনি ৰাষ্ট্ৰই হস্তগত কৰিব লাগিব। একমাত্ৰ এনে উপায়েৰেহে সম্পদ আৰু উৎপাদনক মুষ্টিমেয় লোকৰ একচেতিয়া কবলৰ পৰা মুক্ত কৰিব পৰা যাব। অন্যথা জনসাধাৰণৰ অৰ্থনৈতিক মুক্তি এটা সপোন হৈ ৰব। গুণক নিশ্চয় পুৰস্কৃত কৰিব লাগিব, কিন্তু সকলোৱে যাতে সমান সুবিধা পাব পাৰে তাৰ ব্যৱস্থাও হব লাগিব। জনসাধাৰণে বৰ্তমান দাৰিদ্ৰৰ যি অসহনীয় বোজা বহন কৰি আছে তাৰ পৰিপ্ৰেক্ষিতত মৌখিক সমান অধিকাৰ অবাস্তৱ। বৰ্তমান ব্যৱস্থাই একহাতে এজন ডেভিদ য়ুল আৰু আনহাতে ৰুগীয়া, নিশকটীয়া, অজলা আৰু ভোকাতুৰ শ্ৰমিকৰ সৃষ্টি কৰিব (চাৰ ডেভিদ য়ুল কলিকতাৰ বিখ্যাত এণ্ড্ৰুজ এণ্ড য়ুল কোম্পানীৰ ডিৰেক্টৰ আছিল আৰু এই কোম্পানীয়ে কেইবাটাও কল-কাৰখানাৰ মালিকত্ব অধিকাৰ কৰিছিল আৰু এতিয়াও অধিকাৰ কৰি আছে। ১৯৭৩ চনত এই বৃটিচ কাৰখানাটো চৰকাৰে হস্তগত কৰিবলৈ সিদ্ধান্ত লয়)। উপায়হীন হৈ এই শ্ৰমিকসকলে ধৰ্মঘটত যোগ দিলে, পুলিচে তেওঁলোকৰ ওপৰত গুলীচালনা কৰিব, অথচ যিজন লোকে সিহঁতক শোষণ কৰে তেওঁ মৰিব শান্তিৰে আৰু থৈ যাব তেওঁৰ উত্তৰাধিকাৰীৰ কাৰণে কোটি কোটি টকা। সমাজতান্ত্ৰিক ব্যৱস্থাৰ

বাহিৰে আন কোনো ব্যৱস্থাই সকলোৰে কাৰণে সমান সুবিধা দিব নোৱাৰে। যেতিয়ালৈকে সমাজভিত্তিক পদ্ধতি প্ৰৱৰ্তন কৰা নহয়, তেতিয়ালৈকে গুণানুসাৰে মানুহক পুৰস্কৃত কৰাটো চকুত ধূলি মৰাৰ দৰে হ'ব।'

জৱাহৰলালে ন-দি কৈছিল যে সম্পদৰ বৰ্তমান অসমতাৰ ব্যৱস্থাই সাম্ৰাজ্যবাদ সৃষ্টি কৰিছে আৰু সাম্ৰাজ্যবাদে বিভিন্ন জাতিৰ ভিতৰত ক্ষমতাৰ অন্ধ প্ৰতিযোগিতা আনিছে; তাৰ ফলত ভয়ানক যুদ্ধ-বিগ্ৰহ ঘটিছে। এই যুদ্ধৰ খৰচ কোনে বহন কৰিছে? এই প্ৰশ্নৰ অৱতাৰণা কৰে নেহৰুৱে। তাৰ উত্তৰ দি তেওঁ কৈছিল: 'যি ধন-তান্ত্ৰিক লোকে তেনে যুদ্ধৰ সৃষ্টি কৰে, সিহঁতে সেই যুদ্ধৰ খৰচ বহন নকৰে, বহন কৰে দুখীয়া জনসাধাৰণে। সেই জনসাধাৰণ শ্ৰেণীক শোষণকাৰী ধনতান্ত্ৰিক প্ৰতিনিধিবৰ্গই নিৰ্মমভাৱে লুণ্ঠনো কৰে। আন এখন মহাযুদ্ধৰ সম্ভাৱনা দেখা দিছে। সেই যুদ্ধখন হ'ব প্ৰথম মহাযুদ্ধতকৈ বেছি ভয়াবহ। (স্মৰণ কৰা উচিত যে জৱাহৰলাল নেহৰুৱে ১৯২৮ চনত দ্বিতীয় মহাযুদ্ধৰ যি ভৱিষ্যত বাণী কৰিছিল সেই যুদ্ধ ১৯৩৯ চনত আৰম্ভ হয়।) তেওঁ কৈছিল ধ্বংসৰ ফালে যথেষ্ট অগ্ৰগতি হৈছে আৰু এই ধ্বংস তথা যুদ্ধৰ কাৰণে দুখীয়া শ্ৰেণীক নিজৰ ৰক্ত দিবলৈ পুনৰ আহ্বান কৰা হ'ব। যুদ্ধ আৰু তাৰ পুনৰাবৃত্তি কেনেকৈ বন্ধ কৰা হয়? সমগ্ৰ বিশ্বত সমাজবাদ প্ৰতিষ্ঠা কৰাটোৱেই একমাত্ৰ উৎকৃষ্ট বাট।'

স্বৰাজ সম্পৰ্কে ব্যাখ্যা কৰি নেহৰুৱে তেওঁৰ ভাষণত কৈছিল 'স্বৰাজ' 'স্বৰাজ' ধ্বনি তুলি থাকিলেই স্বৰাজ লাভ কৰিব নোৱাৰি। স্বৰাজৰ কাৰণে সৰ্বসাধাৰণ ৰাইজে যুঁজিব লাগিব। তেওঁ কৈছিল: 'ৰুছিয়াত স্বাধীনতা অৰ্জন কৰিছে জনতাই; ভাৰতে যদি স্বৰাজ বিচাৰে, তেন্তে তাৰ বাবে ভাৰতৰ কৃষক আৰু শ্ৰমিকে সংগ্ৰাম কৰিব লাগিব।'

জৱাহৰলালৰ ১৯২৭-২৮ চনৰ বিদেশ ভ্ৰমণৰ সময়ত সমাজবাদৰ ওপৰত তেওঁৰ যি বিশ্বাস জন্মিছিল, সেই বিশ্বাসক তেওঁ নিজৰ কৰ্মবহুল

জীৱনত সদায় সজীৱ কৰি ৰাখিছিল। প্ৰধানমন্ত্ৰী হিচাবে সমাজবাদৰ বিশ্বাস কামত ৰূপায়িত কৰিবলৈ তেওঁ বিভিন্ন আঁচনি গ্ৰহণ কৰিছিল। তাৰ বাবে তেওঁ সমালোচকৰ সম্মুখীন হৈছিল; তথাপি সমাজবাদৰ লক্ষ্যৰ পৰা তেওঁ অলপো পথ-ভ্ৰষ্ট নহৈছিল। ১৯৬২ চনৰ ১০ ফেব্ৰুৱাৰীত অৰ্থাৎ তেওঁৰ মৃত্যুৰ দুবছৰ আগত আহমেদাবাদৰ ৰাজহুৱা সভা এখনত তেওঁৰ চৰকাৰৰ সমাজবাদ নীতি দৃঢ়তাৰে ঘোষণা কৰিছিল। বক্তব্যত তেওঁ কৈছিল ঃ 'ভাৰতবৰ্ষত সমাজবাদ প্ৰতিষ্ঠিত কৰিবলৈ কংগ্ৰেছে যি লক্ষ্য গ্ৰহণ কৰিছে, তাৰ পৰা একো-পধ্যে লৰচৰ কৰা নহব, কাৰণ ৰাইজৰ জীৱনৰ অত্যাৱশ্যকীয় বয়-বস্তুৰ আশু সমস্যাৰ একমাত্ৰ সমাধান দিব পাৰে সমাজবাদে। কংগ্ৰেছে ব্যাখ্যা কৰা সমাজবাদৰ আদৰ্শ কোনো পুথি বা ক্ষমতাৰ পৰা আহৰণ কৰা বস্তু নহয়; ইয়াক দেশখনৰ উপযোগী আৰু অৱস্থাৰ লগত খাপ খুৱাই গ্ৰহণ কৰা হৈছে। ভাৰত আৰু কংগ্ৰেছ কমিউনিষ্ট হবলৈ নাযায়, কাৰণ কমিউনিজমে হিংসাত বিশ্বাস কৰে——। কংগ্ৰেছৰ ঘোষিত সমাজবাদী আঁচনি কোনো নতুন কথা নহয়। কংগ্ৰেছে ত্ৰিশ বছৰ ব্যাপি এই প্ৰশ্নটোৰ প্ৰতি মনোনিবেশ কৰি আছে আৰু সমাজবাদৰ পন্থা অৱলম্বন কৰিবলৈ সিদ্ধান্ত লৈ থৈছে।'

স্বতন্ত্ৰ দলৰ নেতাসকলে পৰিকল্পনাৰ সমালোচনা কৰিছিল। নেহৰুৱে তাত বিৰক্তি বোধ কৰিছিল। বহুতে তেওঁক অৰ্দ্ধ কমিউনিষ্ট বুলি কব খোজে বুলি তেওঁৰ ধাৰণা হৈছিল। এই প্ৰসঙ্গত ৰাজা-গোপালাচাৰীৰ কথা উল্লেখ কৰি জবাহৰলালে আহমেদাবাদৰ সভাত কৈছিল ঃ 'ৰাজাজীয়ে মোক অৰ্দ্ধ কমিউনিষ্ট বুলি কয়। মই অৰ্দ্ধ কমিউনিষ্ট নহম; মই পূৰ্ণমাত্ৰাই কমিউনিষ্ট হম যদি ভাৰতৰ পক্ষে সেইটো সহায়ক হয়। ভাৰতবৰ্ষ দুৰ্বল হৈ থাকক, ৰসাতললৈ যাওক, দুখ কৰি থাকক—সেইটো মই সহ্য কৰিব নোৱাৰোঁ।'

এসময়ত ছোভিয়েত ৰুছিয়াৰ কিছুমান কথাত, বিশেষকৈ ষ্টেলিনৰ আমোলৰ ঘটনা প্ৰবাহৰ পৰিপ্ৰেক্ষিতত, নেহৰু মৰ্মাহত হৈছিল। ১৯৩৬ চনত ৰচিত তেওঁৰ আত্মজীৱনীত জবাহৰলালে তেওঁৰ সেই

মনোভাব প্ৰকাশ কৰিছে। তেওঁ লিখিছে ঃ মই বহুদিনৰ পৰা চ'চিয়েলিজম আৰু কম্যিউনিজমৰ প্ৰতি আকৃষ্ট হৈ আছোঁ। ৰুছিয়াই মোক মুগ্ধ কৰিছে, কিন্তু ৰুছিয়াৰ কিছুমান কথা মই বেয়া পাওঁ যেনে বিৰোধী সকলো মত জোৰেৰে দমন কৰা, প্ৰায় সকলো কথাকে সামৰিক পৰ্য্যায়ত নিয়ন্ত্ৰণ কৰা আৰু নীতি কাৰ্য্যকৰী কৰাত অযথা হিংসাত্মক পথ অৱলম্বন কৰা।'

এইখিনিতে স্মৰণ কৰা উচিত যে তাৰ কিছু বছৰৰ পাচত (জুন, ১৯৫৫) ৰুছিয়াৰ আমন্ত্ৰণ ক্ৰমে আৰু প্ৰধানমন্ত্ৰী হিচাবে জৱাহৰলাল নেহৰু যেতিয়া ছোভিয়েত ৰুছিয়ালৈ যায় সেই সময়ত ৰুছিয়াৰ পূৰ্বৰ নীতি সম্পূৰ্ণভাৱে পৰিবৰ্তন হোৱা তেও দেখিছিল। তেতিয়াৰ পৰা তেওঁৰ মৃত্যুৰ সময়লৈকে (২৭ মে' ১৯৬৪) নেহৰুৱে ছোভিয়েত ৰুছিয়াৰ প্ৰতি বন্ধুত্বৰ ভাব ৰক্ষা কৰিছিল আৰু দুয়োখন ৰাষ্ট্ৰৰ মাজত বন্ধুত্ব আৰু সহযোগৰ সম্পৰ্ক দুৰ্বল হবলৈ দিয়া নাছিল।

নেহৰুৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ দিনতো ভাৰত-ছোভিয়েত সম্পৰ্কীয় নেহৰুৰ ৰুছিয়া-নীতি অনুসৰণ কৰা হৈছিল। শাস্ত্ৰীৰ মৃত্যুৰ পাচত প্ৰধানমন্ত্ৰী হিচাবে ইন্দিৰা গান্ধীয়ে দায়িত্ব গ্ৰহণ কৰাৰ দিনৰপৰা ভাৰত-ছোভিয়েতৰ মাজৰ বন্ধুত্ব আৰু সহযোগৰ নীতি দৃঢ়তৰ হৈ উঠিছে। প্ৰকৃতপক্ষে ইন্দিৰা গান্ধীৰ প্ৰধান মন্ত্ৰীত্বৰ যোৱা দহোটা বছৰত ভাৰত-ছোভিয়েতৰ মৈত্ৰী আৰু সহযোগ এটা ঐতিহাসিক পৰ্য্যায়ত উপনীত হৈছে।

চাৰি

জনতাৰ জৱাহৰলাল

১৯২৮ চনত জৱাহৰলাল নেহৰু য়ুৰোপ ভ্ৰমণ কৰি ভাৰতলৈ প্ৰত্যাবৰ্তন কৰাৰ সময়ত তেওঁৰ বয়স ৩৯ বছৰ। বয়সত যেনে ডেকা, ভাবতো তেনে বিপ্লৱমুখী। ১৯২০-২২ চনৰ অসহযোগ আন্দোলনৰ পাচত ১৯২৭ চনলৈ প্ৰায় ছয়বছৰ কাল কংগ্ৰেছ তথা ভাৰতৰ মুক্তি সংগ্ৰামত বিশেষ কোনো উল্লেখযোগ্য ঘটনা হোৱা নাছিল। অসহযোগ আন্দোলন যিদৰে আগবাঢ়িব লাগিছিল, সেই-দৰে আগ নাবাঢ়িল। তাৰ অৰ্থ কিন্তু এইটো নাছিল যে অসহযোগ আন্দোলনৰ উত্তৰ কালত মহাত্মা গান্ধীজীৰ নেতৃত্ব ম্লান হৈছিল কিম্বা স্বাধীনতা আন্দোলনৰ উদ্দেশ্য ত্যাগ কৰা হৈছিল। ভাৰতৰ মুক্তি-সংগ্ৰামৰ ইতিহাস পৰ্য্যালোচনা কৰিলে কিন্তু দেখা যায় যে ১৯২২-২৭ চনৰ কালছোৱা নিৰ্জীৱ আৰু অৱসাদগ্ৰস্ত হৈ পৰিছিল। এই কথা নেহৰুৱে আত্ম-জীৱনীত উল্লেখ কৰিছে। অৱশ্যে য়ুৰোপলৈ যোৱাৰ আগতেও ভাৰতৰ তেনে নিৰ্জীৱ অৱস্থা তেওঁ লক্ষ্য কৰি-ছিল আৰু তাৰ বাবে তেওঁ হতাশ হৈছিল। য়ুৰোপত কিছুদিন থকাৰ পিচত তেওঁৰ শৰীৰ আৰু মনলৈ নতুন বল আৰু উৎসাহ আহে। তাক উল্লেখ কৰি 'টুৱাৰ্ড চ'চিয়েলিজম'ত তেওঁ এইদৰে লিখে ঃ

'শাৰীৰিক আৰু মানসিক ভাল অৱস্থাৰে মই য়ুৰোপৰ পৰা উভতি আহিছোঁ। মোৰ শক্তি আৰু উদ্যম সম্পূৰ্ণভাৱে অনুভৱ কৰিছোঁ। আগতে মোৰ মনৰ ভিতৰত থকা দ্বন্দ্ব আৰু অৱসাদে সঘনে মোক বৰ পীড়ন কৰিছিল। সদ্যহতে সেইবোৰ মোৰ মনৰ

পৰা নাইকিয়া হ'ল। মোৰ আদৰ্শৰ পৰিসৰ বৰ বহল হ'ল; জাতীয়তাবাদ এটা ঠেক মনোভাৱ আৰু সেয়ে যথেষ্ট নহয় যেন লাগিছিল। ৰাজনৈতিক স্বাধীনতাৰ নিশ্চয় আৱশ্যক আছে; কিন্তু সেইয়া মাত্ৰ এটা শুদ্ধ পদক্ষেপহে আছিল; সামাজিক স্বাধীনতা আৰু সমাজ আৰু ৰাষ্ট্ৰ উভয়কে সমাজবাদৰ গাঁথনিত গঠন কৰিব নোৱাৰিলে দেশ বা ব্যক্তি কোনেও উন্নতি কৰিব নোৱাৰে। পৃথিৱীৰ ঘটনাৱলী সম্পৰ্কে মোৰ স্পষ্ট ধাৰণা হোৱা যেন পাইছিলোঁ; সাম্প্ৰতিক পৃথিৱীৰ পৰিস্থিতি সম্পৰ্কে মোৰ দৃঢ় মত হৈছিল যদিও, সি এতিয়া খুব দ্ৰুত গতিত পৰিবৰ্তন হবলৈ ধৰিলে। সাময়িক ৰাজনীতি আৰু ঘটনা-প্ৰবাহৰ বিষয়েহে যে মই বিস্তাৰিতভাৱে অধ্যয়ন কৰিছিলোঁ তেনে নহয়; যিবোৰ বিষয়ত মোৰ মন বহিছিল যেনে সাংস্কৃতিক আৰু বৈজ্ঞানিক বিষয়েও মই অধ্যয়ন কৰিছিলোঁ। য়ুৰোপ আৰু আমেৰিকাৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক বিষয়ত যি বিৰাট পৰিবৰ্তন হৈছিল সেইবোৰ অধ্যয়ন কৰি মই বৰ আনন্দ পাইছিলোঁ। কেতবোৰ কথা ভাল লগা নাছিল যদিও, ছোভিয়েত ৰুছিয়াই মোক বৰকৈ আকৰ্ষণ কৰিছিল আৰু ৰুছিয়াই পৃথিৱীৰ কাৰণে এটা নতুন বাণী বহন কৰি অনা যেন মোৰ মনত ধাৰণা হৈছিল। কুৰি শতিকাৰ দ্বিতীয় দশকৰ মাজ ভাগত য়ুৰোপ এক হিচাবে থিতাপি লাগিছিল; কিন্তু সেই অৱস্থা মোৰ বোধেৰে উপকৰা আছিল। অদূৰ ভবিষ্যতত য়ুৰোপ আৰু পৃথিৱীৰ কাৰণে উদ্গীৰণ আৰু বিৰাট পৰিবৰ্তনে বাট চাই আছিল।

'এই ঘটনাৱলীৰ কাৰণে আমাৰ দেশখনক সন্তম কৰি সেই পৰিস্থিতিৰ সন্মুখীন হবলৈ যিমানদূৰ সম্ভৱ সাজু কৰি ৰখাটো আমাৰ আশু কৰ্তব্য। এই কাম মূলতঃ আদৰ্শবাদৰ আছিল। প্ৰথম, আমাৰ ৰাজনৈতিক উদ্দেশ্য সম্পৰ্কে কোনো সন্দেহ থাকিব নালাগিব। আমাৰ পক্ষে এইটো যে মূল উদ্দেশ্য তাক ভালকৈ বুজিব লাগিব, অস্পষ্ট আৰু বিচ্ছিন্ন উদ্দেশ্যৰ পৰা সি পৃথক আৰু আমূল উদ্দেশ্যধৰ্মী হব লাগিব। সামাজিক উদ্দেশ্যৰ কথাও আছে। তেতিয়া কংগ্ৰেছে যে সিমানখিনি আগবাঢ়ি যাব পাৰিব সেইটো মই ভাবিলে

অতিৰঞ্জিত কৰা হব। কংগ্ৰেছ মাত্ৰ এটা ৰাজনৈতিক আৰু জাতীয়তাবাদী অনুষ্ঠান আছিল আৰু তাৰ বাহিৰে কংগ্ৰেছে আন ধৰণেৰে ভাবিব নোৱাৰিছিল। তথাপি মোৰ বোধেৰে আন ধৰণে ভবাৰ থল আছে যেন লাগিছিল। কংগ্ৰেছৰ বাহিৰত, শ্ৰমিক আৰু যুৱ সম্প্ৰদায়ৰ মাজত তেনে ভাব এটা প্ৰচাৰ কৰিব পাৰি। সেই উদ্দেশ্যে মই কংগ্ৰেছৰ বাব লোৱাৰ পৰা আঁতৰত থাকিবলৈ বিচাৰিছিলোঁ আৰু ভিতৰুৱা অঞ্চলত গাঁৱলীয়া মানুহৰ অৱস্থা বুজিবলৈ মই সাধাৰণভাৱে চিন্তাও কৰিছিলোঁ। কিন্তু সেইটো হৈ নুঠিল। ঘটনাচক্ৰই মোক কংগ্ৰেছ ৰাজনীতিৰ মাজলৈ টানি নিলে।'

ইপিনে ভাৰতত সমাজবাদৰ ঢৌ লাহে লাহে বলৈ ধৰিলে। প্ৰকৃত পক্ষে নেহৰুৰ য়ুৰোপ ভ্ৰমণ আৰু মস্কো দৰ্শনৰ আগতেই ভাৰতৰ কেইজনমান প্ৰগতিবাদী যুৱকে বিচ্ছিন্নভাবে সমাজবাদৰ প্ৰচাৰৰ কাৰ্য্যত লিপ্ত হৈছিল। ভাৰতত সমাজবাদ প্ৰচাৰৰ উদ্দেশ্যে ১৯২৩ চনত প্ৰথম আলোচনী প্ৰকাশ হয়। ভাৰতীয় শ্ৰমিক আৰু কৃষক দল পোন প্ৰথম বাৰৰ কাৰণে ১৯২৬ চনত স্থাপন কৰা হয় আৰু এই সস্থাৰ যোগেদি আনুষ্ঠানিকভাৱে শ্ৰমিক আৰু কৃষক শ্ৰেণীক সংঘবদ্ধভাবে নিজৰ স্বত্ব প্ৰতিষ্ঠা কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হয়। ১৯২৮ চনত নিখিল ভাৰত চ'চিয়েলিষ্ট যুৱ-কংগ্ৰেছৰ প্ৰথম অধিবেশন বহে। এই অধিবেশনত সভাপতিত্ব কৰে জৱাহৰলাল নেহৰুৱে। নেহৰুৰ ভাষাত ঃ

'সমাজবাদৰ ক্ষেত্ৰত মই ভাৰতত প্ৰথম বাটকটীয়া নাছিলো, বৰং মই এই বিষয়ত পিচপৰা আছিলোঁ। মোতকৈ আগতে কেবাজনেও সমাজবাদৰ বাট মুকলি কৰি থৈ গৈছে আৰু মই ক্ৰমাগত বৰ কষ্টেৰেহে আগ বাঢ়িছিলোঁ। শ্ৰমিকৰ ট্ৰেড য়ুনিয়ন আন্দোলন আদৰ্শগত দৃষ্টিত নিঃসন্দেহে সমাজবাদী আছিল। সেইদৰে যুৱসন্থাবোৰৰ ভিতৰত কেইবাখনো সন্থা সমাজবাদত প্ৰতিষ্ঠিত আছিল। সেই সময়ত অস্পষ্ট আৰু অনিৰ্দিষ্ট সমাজবাদ ভাৰতীয় পৰিবেশৰ অংশবিশেষ আছিল। ১৯২৭ চনৰ ডিচেম্বৰ মাহত য়ুৰোপৰ পৰা ঘূৰি আহি মই সেইটো লক্ষ কৰিছিলোঁ, তাৰ আগেয়ে কেবাজনো

লোক ব্যক্তিগতভাবে সমাজবাদী আছিল। তেওঁলোকৰ বেছি-ভাগেই তেনে পৰ্য্যায়ত চিন্তা কৰিছিল, অৱশ্যে মাৰ্ক্সৰ থিয়ৰীয়ে তেওঁ-লোকক প্ৰভাৱাণ্বিত কৰিছিল আৰু তেওঁলোকৰ কেইজনমানে নিজকে মাৰ্ক্সবাদী বুলি ভাবিছিল। য়ুৰোপ আৰু আমেৰিকাত যিদৰে এই ভাবটো তেতিয়া শক্তিশালী হবলৈ ধৰিছিল, ভাৰততো সেইদৰে এই ভাব শক্তিশালী হবলৈ ধৰে। এইটো হৈছিল ছোভিয়েত য়ুনিয়নৰ ঘটনাৱলী আৰু তাৰ পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ প্ৰভাৱ হিচাবে।

'মই কংগ্ৰেছৰ এজন দায়িত্বশীল বিষয়ববীয়া আৰু সমাজ-বাদী কৰ্মী হিচাবে ৰুছিয়াৰ ঘটনাৱলীত গুৰুত্ব আৰোপ কৰি-ছিলোঁ আৰু ৎকবাজনো বিশিষ্ট কংগ্ৰেছী লোকে মোৰ দৰে চিন্তা কৰিছিল। ১৯২৬ চনতেই আমি সৰু-সুৰা বিধৰ চ'চিয়েলিষ্ট আঁচনি তৈয়াৰ কৰিবলৈ চেষ্টা কৰিছিলোঁ ; চলিত ভূমি-প্ৰথা উচ্ছেদ হব লাগিব বুলি ঘোষণা কৰিছিলোঁ আৰু ঘোষণা কৰিছিলোঁ যে, ৰাষ্ট্ৰ আৰু কৃষকৰ মাজত কোনো মধ্য শ্ৰেণী থাকিব নোৱাৰিব। আমি অৱশ্যে খুব সাৱধানে আগবাঢ়িব লগাত পৰিছিলোঁ, কাৰণ সেই সময়ত এনে বিধৰ ভাবধাৰা নতুন আছিল।'

তেওঁৰ আত্ম-জীৱনীতো জৱাহৰলালে ১৯২৮ চনত দেশৰ পৰি-স্থিতি সম্পৰ্কে এইদৰে লিখিছে ঃ

'১৯২৮ চনত ৰাজনৈতিক কাম-কাজ ভালদৰে চলিছিল। সকলো ঠাইতে নতুন উৎসাহ আৰু উদ্দিপনা দেখিছিলোঁ। জনসাধাৰণৰ মনত আগবাঢ়ি যাবলৈ প্ৰবল আকাংক্ষা পৰিলক্ষিত হৈছিল। বোধ হয় মোৰ অনুপস্থিতিৰ কালছোৱাত এনে পৰিবৰ্তন আহিছিল। মোৰ প্ৰত্যাৱৰ্তনৰ পিচত সেইটো লক্ষ কৰিছিলোঁ। ১৯২৬ চনৰ প্ৰথম ভাগত ভাৰত আছিল নিৰ্জীৱ আৰু অৱসাদগ্ৰস্ত। বোধহয় ভাৰতে ১৯১৯-২২ চনৰ অৱসাদ সম্পূৰ্ণভাৱে গুচাব পৰা নাই ; কিন্তু ১৯২৮ চনৰ ভাৰতবৰ্ষখনক নতুন, সক্ৰিয় আৰু দমিত শক্তিৰে পূৰ্ণ হৈ থকা যেন লাগিছিল। কাৰখানাৰ বনুৱা, পথাৰৰ খেতিয়ক আৰু মধ্যবিত্ত শ্ৰেণী, যুৱক আৰু বৌদ্ধিক সকলৰ মাজত নব-চেতনাৰ প্ৰমাণ পোৱা গৈছিল।'

শ্ৰমিক, কৃষক আৰু যুৱক—এই তিনি শ্ৰেণীৰ মানুহৰ ওপৰত নেহৰুৰ পৰম বিশ্বাস আছিল। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সফলতাৰ বহুখিনি এই তিনি শ্ৰেণীৰ মানুহৰ ভূমিকাৰ ওপৰত নিৰ্ভৰ কৰিছিল বুলি তেওঁ ভাবিছিল। সেই কাৰণে ১৯২৮ চনৰ পৰা ১৯৩১ চন—এই চাৰি বছৰত তেওঁ শ্ৰমিক, কৃষক, যুৱক তথা ছাত্ৰৰ বিভিন্ন সমাৰোহ, সন্মিলন আদিত উল্লেখযোগ্যভাৱে যোগ দিছিল, তেওঁলোকৰ লগত দেশৰ বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰিছিল আৰু নতুন পৃথিৱীৰ চিন্তাধাৰা সম্পৰ্কে ভাবৰ আদান-প্ৰদান কৰিছিল। নেহৰুৱে শ্ৰমিক, কৃষক আৰু যুৱ সম্প্ৰদায়ৰ ওপৰত যিদৰে বিশ্বাস ৰাখিছিল, এওঁলোকে নেহৰুৰ ওপৰত পৰম আস্থা ৰাখিছিল, নেহৰুৰ নেতৃত্ব বিচাৰিছিল আৰু নেহৰুৰ বিভিন্ন বক্তৃতা আৰু কাৰ্য্য-প্ৰণালীয়ে তেওঁলোকক বিশেষভাৱে আকৰ্ষণ কৰিছিল।

এই সময়ত শ্ৰমিক, ছাত্ৰ আৰু যুৱক সম্পৰ্কে, বিশেষকৈ তেওঁ য়ুৰোপৰ পৰা ঘূৰি আহি এওঁলোকৰ মাজত নতুন চেতনা দেখি নেহৰুৱে কি ধাৰণা কৰিছিল তাক তেওঁৰ আত্ম-জীৱনীত উল্লেখ কৰিছে। ১৯২৮ চনৰ শ্ৰমিক আৰু শ্ৰমিক সংগঠন সম্পৰ্কেও তেওঁ এইদৰে লিখিছে ঃ

'ট্ৰেড য়ুনিয়ন আন্দোলন বহুখিনি আগবাঢ়িছে। সাত-আঠমান বছৰৰ আগতে স্থাপিত নিখিল ভাৰত ট্ৰেড য়ুনিয়ন কংগ্ৰেছে ইতিমধ্যে এটা বলিষ্ঠ আৰু প্ৰতিনিধিমূলক অনুষ্ঠান হিচাপে স্থিতি লৈছে। এই অনুষ্ঠান লেখ আৰু আনুষ্ঠানিক পৰ্য্যায়তহে যে বিয়পি পৰিছিল এনে নহয়; ইয়াৰ মতবাদো অধিক সংগ্ৰামমুখী আৰু চৰমপন্থী হৈ উঠিছিল। ধৰ্মঘট সঘনে হৈছিল আৰু শ্ৰেণী সংগ্ৰাম বৃদ্ধি পাইছিল। বস্ত্ৰশিল্প আৰু ৰেলৱেত কাম কৰা কৰ্মীসকল খুব ভালদৰে সংঘবদ্ধ হৈছিল।'

কৃষক সম্প্ৰদায় সম্পৰ্কে উল্লেখ কৰি তেওঁ লিখিছে ঃ

'খেতিয়ক সম্প্ৰদায়ো উদ্বুদ্ধ হৈ উঠিছিল। যুক্ত প্ৰদেশত সেইয়া পৰিলক্ষিত হৈছিল বিশেষকৈ সেই প্ৰদেশৰ অযোধ্যা অঞ্চলত। এই

অঞ্চলত পতা প্ৰতিবাদ সভাত কৃষকসকল দলে দলে গোট খাইছিলহি। নতুন অযোধ্যা প্ৰজাস্বত্ব আইনখনে খেতিয়কসকলক কিছুমান সুবিধা দিয়াৰ আশ্বাস দিছিল, কিন্তু তেওঁলোকে পিচত উপলব্ধি কৰিলে যে সেই আইনৰ দ্বাৰা তেওঁলোকৰ দুৰ্দশা লাঘৱ নহব। গুজৰাটত খেতিৰ মাটিৰ খাজনা বৃদ্ধি কৰাৰ সন্দৰ্ভত চৰকাৰৰ লগত খেতিয়কৰ সংঘৰ্ষ হৈছিল। চৰ্দাৰ বল্লভভাই পেটেলৰ নেতৃত্বত বৰদলিত হোৱা সত্যাগ্ৰহত সেই সংঘৰ্ষ প্ৰকাশ পাইছিল। এই আন্দোলন অতি সাহসেৰে পৰিচালিত হৈছিল আৰু ভাৰতৰ বাকী অংশই তাৰ প্ৰশংসা কৰিছিল। বৰদলিৰ কৃষক আন্দোলন বহুখিনি কৃতকাৰ্য্য হৈছিল। কিন্তু তাৰ উল্লেখযোগ্য সাফল্য এইখিনিতে আছিল যে সেই আন্দোলনে সমগ্ৰ ভাৰতৰ কৃষক আন্দোলনৰ ওপৰত এটা বিৰাট প্ৰতিক্ৰিয়া কৰিছিল। কৃষকৰ দৃষ্টিত বৰদলি হৈ পৰিছিল ভাৰতীয় কৃষকৰ আশা-আকাংক্ষা, শক্তি আৰু জয়ৰ প্ৰতীক।'

সেই একে সময়ছোৱাত যুৱসম্প্ৰদায়ৰ মাজত গঢ়ি উঠা চেতনা সম্পৰ্কে নেহৰুৱে এইদৰে উল্লেখ কৰিছে ঃ

'১৯২৮ চনৰ ভাৰতবৰ্ষৰ আন এটা উল্লেখযোগ্য কথা আছিল যুৱ সম্মিলন পতা হৈছিল। এই যুৱ সন্থাবোৰ বিভিন্ন ধৰণৰ আছিল। এই সন্থাবোৰ বৈপ্লৱিক মতৰ ভিত্তিত গঠন কৰা হৈছিল। যুৱ সন্থাবোৰৰ উৎপত্তি আৰু কাৰ্য্য-পদ্ধতিৰ মাজত পাৰ্থক্য যিয়েই নাথাকক, যুৱ সম্মিলনবোৰত সেই সময়ৰ অৰ্থনৈতিক আৰু সামাজিক সমস্যাবোৰৰ অলোচনা হৈছিল আৰু সন্থাবোৰে অৱস্থাৰ আমূল পৰিবৰ্তনৰ ফালে চাল খাইছিল।'

শ্ৰমিক, কৃষক আৰু যুৱকৰ মাজত নব-চেতনা দেখি জৱাহৰলালে সমাজবাদ আন্দোলন ক্ৰিয়াশীল গতিত আগবঢ়াই নিবলৈ তেওঁলোকৰ মাজত প্ৰচেষ্টা আৰম্ভ কৰিলে। এই কামত তেওঁক উদগণি যোগাইছিল ভাৰতত গঢ়ি উঠা ট্ৰেড য়ুনিয়ন আন্দোলনে। ট্ৰেড য়ুনিয়নৰ যোগেদি মাৰ্ক্সবাদ প্ৰচাৰ কৰা হৈছিল। প্ৰায় এবছৰ কাল এইদৰে শ্ৰমিক, কৃষক আৰু যুৱ-আন্দোলনৰ বেহৰূপ লক্ষ কৰি, এই অনুষ্ঠান-

যোৰত প্ৰত্যক্ষ আৰু পৰোক্ষভাবে জড়িত হৈ নেহৰু আশাতীত ভাবে উৎসাহিত হবলৈ ধৰিলে। ইতিমধ্যে বিহাৰৰ কয়লা শিল্পৰ কেন্দ্ৰ ঝৰিয়াত নিখিল ভাৰত ট্ৰেড য়ুনিয়ন কংগ্ৰেছৰ বছৰেকীয়া অধিবেশন বহে। নেহৰু সেই অধিবেশনত উপস্থিত থাকি আলোচনাত অংশ গ্ৰহণ কৰে প্ৰথম বাৰৰ কাৰণে। কাৰ্যাতঃ তেওঁ এজন বাহিৰা মানুহৰ দৰে আছিল যদিও, কৃষক শ্ৰেণী আৰু তাৰ পিচত শ্ৰমিকসকলৰ মাজত তেওঁ জনপ্ৰিয় হৈ উঠিব ধৰে। অৱশ্যে সংস্কাৰধৰ্মী আৰু বিপ্লৱমুখী শ্ৰেণী দুটাৰ মাজত থকা পুৰণি বিবাদ তেওঁ লক্ষ কৰিছিল। এই সংক্ৰান্তত তেওঁ লিখিছে ঃ

'বিপ্লৱমুখী শ্ৰেণীৰ প্ৰতি মোৰ সহানুভূতি আছিল ; কিন্তু যিহেতু এই সম্মিলনত মই এজন নতুন লোক আছিলোঁ, সেই কাৰণে ট্ৰেড্ য়ুনিয়ন কংগ্ৰেছৰ গৃহ-বিবাদ মই ভালকৈ বুজিব নোৱাৰিছিলোঁ। মই এই বিবাদৰ পৰা আঁতৰতো আছিলোঁ। মই ঝৰিয়া এৰাৰ পিচত ট্ৰেড য়ুনিয়নৰ বিষয়ববীয়াৰ বাবে বছেৰেকীয়া নিৰ্বাচন হয়। পিচত মই কলিকতাত খবৰ পালোঁ যে ট্ৰেড য়ুনিয়ন কংগ্ৰেছৰ অহা অধিবেশনৰ সভাপতি হিচাপে য়ুনিয়নে মোক নিৰ্বাচন কৰিছে। নৰমপন্থী উপদলটোৱে মোৰ নাম প্ৰস্তাব কৰিছিল। বোধহয় তেওঁলোকে ভাবিছিল যে আন উপদলটোৰ মনোনিত প্ৰাৰ্থীজনক নিৰ্বাচনত মই পৰাজয় কৰিব পাৰিম। এই উপদলৰ মনোনিত প্ৰাৰ্থীজন ৰেলৱেত কাম কৰা প্ৰকৃত শ্ৰমিক আছিল। মই থকা হেঁতেন এই উগ্ৰপন্থী উপদলৰ প্ৰাৰ্থীজনৰ সপক্ষে মোৰ নামটো উঠাই ললোঁহেঁতেন। মোৰ দৰে এজন নতুন লোক—মই প্ৰকৃত শ্ৰমিকো নাছিলোঁ—এনে এজন ব্যক্তিৰ ওপৰত সভাপতিৰ পদ জাপি দিয়াটো মই অশোভনীয় বুলি ভাবিছিলোঁ। ভাৰতৰ ট্ৰেড য়ুনিয়ন আন্দোলনৰ এইটো এটা দুৰ্বলতা আৰু আন্দোলনৰ নাবালক অৱস্থাৰ পৰিচায়ক আছিল। ১৯২৯ চনৰ মাৰ্চ মাহত প্ৰগতিবাদী উপদলৰ আগশাৰীৰ বেছি ভাগ শ্ৰমিক কৰ্মী চৰকাৰৰ দ্বাৰা গ্ৰেপ্তাৰ হয়। তেওঁলোকৰ ভিতৰত কেইজনমান কমিউনিষ্ট আছিল, কেইজনমান আছিল কমিউনিষ্টৰ সহযোগী আৰু বাকীবোৰ ট্ৰেড য়ুনিয়নৰ কৰ্মীহে আছিল।

এইয়া বিখ্যাত মিৰাট বিচাৰৰ পাতনি আছিল। মিৰাট বিচাৰ চাৰে চাৰি বছৰ চলিছিল।'

মিৰাট বিচাৰ সম্পৰ্কে জৱাহৰলালে ১৯২৯ চনৰ ২২ জুন তাৰিখে বৃটিচ ট্ৰেড য়ুনিয়ন কংগ্ৰেছৰ সাধাৰণ পৰিষদৰ সম্পাদক বাল্টাৰ চিট্ৰিনলৈ এখন চিঠি লিখে। তেতিয়া নেহৰু নিখিল ভাৰত ট্ৰেড য়ুনিয়নৰ সভাপতি। সেই চিঠিখনত জৱাহৰলালে লিখিছিল: 'দেশৰ সাধাৰণ পৰিস্থিতিৰ পৰা মিৰাটৰ বিচাৰ পৃথকভাৱে লব নোৱাৰি। এই কথা মই স্পষ্টভাৱে জনাব খোজোঁ। শ্ৰমিক আন্দোলনৰ বিৰুদ্ধে চৰকাৰে যি দমন-নীতি লৈছে, মিৰাট বিচাৰ সেই নীতিৰ এটা পৰ্য্যায় বিশেষ। ভাৰতত এই সত্য ঘটনা স্বীকৃত হৈছে আৰু আমাৰ ট্ৰেড য়ুনিয়নৰ কাৰ্য্য-নিৰ্বাহক সভাই প্ৰস্তাৱ যোগে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ভাৰতীয় জাতীয় কংগ্ৰেছ শ্ৰমিকৰ লগত পোনপটীয়া বা সম্পূৰ্ণভাৱে জড়িত নহয় যদিও, কং-গ্ৰেছেও সেইটো স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। কমিউনিজম আৰু কমিউনিষ্টৰ বিষয়ে ভাৰতত বৰ চিৎকাৰ কৰা হৈছে। ভাৰতত নিশ্চয় কিছুমান কমিউনিষ্ট আছে; কিন্তু এইটো কথা সঁচা যে চৰকাৰৰ অলেখ গ্লানি ঢাকিবলৈ কমিউনিষ্টৰ বিৰুদ্ধে হৈ-চৈ কৰা হৈছে। মিৰাট মোকৰ্দমাৰ ৩১ জন অপৰাধীৰ বেছিভাগেই কমিউ-নিজমৰ বিষয়ে একো নাজানে। শ্ৰমিক বা কৃষক আন্দোলনৰ লগত জড়িত যি কোনো লোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু তেওঁলোক বিচাৰৰ সম্মুখীন হৈছে। মিৰাট মোকৰ্দমাত জড়িত লোকৰ ভিতৰত আঠজন নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সদস্য যি কমিটীখন ভাৰতৰ জাতীয় কংগ্ৰেছৰ কেন্দ্ৰীয় কাৰ্য্য-নিৰ্বাহক কমিটী। চৰকাৰে মাত্ৰ যে কমিউনিষ্টৰ ওপৰতহে দৃষ্টি ৰাখিছে সেইটো একোপধ্যে বিশ্বাসযোগ্য নহয়।'

১৯২৯ চনটো জৱাহৰলাল নেহৰুৰ পক্ষে এটা লেখত লবলগীয়া বছৰ। সেই বছৰতে আগা-পিচাকৈ নিখিল ভাৰত ট্ৰেড-য়ুনিয়ন কংগ্ৰেছ (নবেম্বৰ ৩০, ১৯২৯) আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ বছেৰেকীয়া অধিবেশনত (ডিচেম্বৰ ২৯, ১৯২৯) সভাপতিৰ দায়িত্ব

তেওঁৰ গাত পৰিছিল। এজন মানুহৰ পক্ষে এই দুটা দায়িত্ব বহন কৰাটো এক হিচাবে অস্বাভাৱিক কথা যেন আছিল। তথাপি তেওঁ দুয়োটা দায়িত্ব গ্ৰহণ কৰিছিল, কাৰণ তেওঁ আশা কৰিছিল যে এই অনুষ্ঠান দুটাৰ সম্পৰ্ক পূৰ্বতকৈ ওচৰা-উচৰি হৈ আহিব। তেওঁৰ ভাষাত কবলৈ গলে ঃ 'মই আশা কৰিছিলোঁ এই দুটা অনুষ্ঠানৰ মাজত মই সম্পৰ্কৰক্ষীৰ দৰে কাম কৰিম আৰু দুয়োটা অনুষ্ঠান ওচৰা-উচৰি হৈ পৰিব—ভাৰতীয় জাতীয় কংগ্ৰেছ অধিকতৰ সমাজ-বাদী আৰু প্ৰলেটাৰিত হব আৰু সংগঠিত শ্ৰমিক আন্দোলনে জাতীয় আন্দোলনত যোগ দিব।'

কিন্তু জৱাহৰলালৰ এই আশা সঠিক নাছিল, কাৰণ জাতীয়তা-বাদী আন্দোলন সমাজবাদী আৰু প্ৰলেটাৰী দিশত আগুৱাই যাব পাৰে যদিহে জাতীয়তাবাদী আন্দোলন কেৱল জাতিয়তাবাদী হৈ নাথাকে। কংগ্ৰেছৰ আদৰ্শ বুৰ্জোৱাৰ আদৰ্শ আছিল যদিও, কংগ্ৰেছক বিপ্লৱমুখী অনুষ্ঠান বুলি তেওঁ ভাবিছিল। তেওঁ লিখিছে ঃ তথাপি শ্ৰমিক আন্দোলনে নিজৰ বৈশিষ্ট্য ৰক্ষা কৰিও কংগ্ৰেছক সহায় আৰু প্ৰভাৱান্বিত কৰিব পাৰে; মই আশা কৰি-ছিলোঁ যে সময়ৰ সোঁতে আৰু কংগ্ৰেছৰ লগত শ্ৰমিকৰ যোগদানে কংগ্ৰেছক এটা উগ্ৰ আদৰ্শবাদ লবলৈ আগবঢ়াই নিব আৰু সামাজিক আৰু অৰ্থনৈতিক সমস্যাবোৰৰ লগত প্ৰত্যক্ষভাৱে সংযোগ ঘটাব। যোৱা কেইবছৰৰ ভিতৰত কংগ্ৰেছে কৃষক আৰু গাঁৱৰ ফালে চাল খাইছে। এইটো অব্যাহত হৈ থাকিলে সময়ত কংগ্ৰেছ এখন বিৰাট কৃষকৰ অনুষ্ঠানত পৰিণত হব বা কংগ্ৰেছ এনে অনুষ্ঠান হব য'ত কৃষক শ্ৰেণীৰ প্ৰভুত্ব হব। - - - নাগপুৰ ট্ৰেড য়ুনিয়ন কংগ্ৰেছত মই কোনো বিশেষ ভুমিকা লোৱা নাছিলোঁ। শ্ৰমিক আন্দোলনত মই নতুনকৈ সোমাইছিলোঁ আৰু সেই বিষয়ত মোৰ কিছু ইতস্ততঃ ভাব আছিল। সাধাৰণতে মই প্ৰগতিবাদী উপদলৰ সপক্ষে মত দিছিলোঁ, কিন্তু কোনো উপদলত নাছিলোঁ; সভাপতি হিচাবেও মই কোনো নিৰ্দেশকৰ ভুমিকা নলৈ নিৰপেক্ষ বক্তা হিচাপে যোগদান

কৰিছিলোঁ। ট্ৰেড য়ুনিয়নত যি ভাঙোন ধৰিছিল সেই বিষয়ত মই প্ৰায় নিৰপেক্ষ দৰ্শক হৈ আছিলোঁ। দক্ষিণ পন্থী উপদলটোৱে ট্ৰেড য়ুনিয়ন কংগ্ৰেছৰ পৰা বিচ্ছেদ হৈ যোৱাটো উচিত হোৱা নাছিল বুলি ব্যক্তিগতভাৱে মই ভাবিছিলোঁ। তথাপি বামপন্থী উপদলটোৰ কিছুমান নেতাই দক্ষিণ পন্থী দলটোক বিচ্ছেদ হৈ যাবলৈ সুবিধা দিছিল। দক্ষিণ আৰু বামপন্থীৰ বিবাদৰ মাজত মধ্য-পন্থী উপদলটো নিঃসহায় হৈ পৰিছিল। প্ৰকৃত নেতৃত্ব দিব পৰা হলে, ট্ৰেড য়ুনিয়নৰ বিভাজন এৰাব পৰা গলহেঁতেন; বিভাজন হলেও, পিচৰ অসন্তোষজনক ফল নহলহেঁতেন। ১৯৩০ চনৰ পৰা এইবোৰৰ পৰা আঁতৰি আছিলোঁ, কাৰণ বেছিভাগ সময় মই কাৰাগাৰত আছিলোঁ।'

নাগপুৰ ট্ৰেড য়ুনিয়নৰ অধিবেশনত দিয়া নেহৰুৰ ভাষণত তেওঁৰ মত মুক্তভাৱে প্ৰকাশ কৰিছিল। সেই সময়ত বৃটিচ শ্ৰমিক দল ৰাম্জে মেক্‌ডনেণ্ডৰ নেতৃত্বত শাসনৰ দায়িত্বত আছিল, কিন্তু ভাৰতৰ প্ৰতি বৃটেইনৰ শ্ৰমিক দল চৰকাৰৰ নীতিত বিশেষ পৰিবৰ্তন নোহোৱা দেখি নেহৰুৱে সমালোচনা কৰিছিল। তথাপি ঊনৈশ শতিকাৰ দ্বিতীয় দশকত ভাৰতবৰ্ষৰ শ্ৰমিক আন্দোলনে কংগ্ৰেছক সমৰ্থন যোগাই নতুন শক্তি যোগাইছিল। তাৰ ফলত কংগ্ৰেছ আগতকৈ বেছি জাতি-য়তাবাদী হৈ পৰে আৰু শ্ৰমিক আৰু কৃষকৰ অৱস্থাৰ সংস্কাৰ সাধনৰ বাবে যত্নবান হয়।

উল্লেখযোগ্য যে ১৯২৯ চনত উত্তৰ প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাত কৃষক আৰু শ্ৰমিক সকলৰ বিষয়ে বিশদ আলোচনা হয়। নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে সমাজবাদৰ ভিত্তিত প্ৰস্তাৱ আদি গ্ৰহণ কৰা উচিত বুলি উত্তৰ প্ৰাদেশ কংগ্ৰেছৰ সভাই পৰামৰ্শ দিয়ে। সেই মতে ১৯২৯ চনত বম্বেত অনুষ্ঠিত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভাই উত্তৰ প্ৰদেশ কমিটীত গৃহীত প্ৰস্তাৱৰ পাতনিটো গ্ৰহণ কৰে আৰু তাৰ পৰা সমাজবাদ নীতিৰ প্ৰতি কংগ্ৰেছৰ সম্পূৰ্ণ সমাদৰ পৰিলক্ষিত হয়।

১৯২৮-২৯ চনৰ এই দুবছৰ কালছোৱাত জৱাহৰলালে ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ ভ্ৰমণ কৰি জনতাৰ মাজত কংগ্ৰেছৰ, সমাজবাদৰ আৰু নতুন পৃথিৱীৰ বাণী প্ৰচাৰ কৰে। ১৯৩০-৩১ চনত যেতিয়া কংগ্ৰেছে দেশত 'পূৰ্ণ স্বাধীনতা'ৰ ৰণ-শিঙা বজায়, তেতিয়া শ্ৰমিক, কৃষক, ছাত্ৰ আৰু যুৱক-যুৱতীয়ে এই ৰণত ডাঙৰ ভূমিকা লয়। তাৰ অন্যতম কাৰণ আছিল জৱাহৰলালে এই শ্ৰেণীকেইটাৰ মাজত ব্যাপক সংগঠন আৰু প্ৰচাৰ কাৰ্য্য চলাইছিল যেনে ১৯২৭ চনৰ শেহ ভাগত ভাৰতলৈ প্ৰত্যাৱৰ্তন কৰি কিষাণ সভা, ছাত্ৰ-সন্মিলন আৰু যুৱ সমাবেশত তেওঁৰ দ্বাৰা স্বাধীনতাৰ বাণী প্ৰচাৰ। তেওঁ বহু দিনৰ পৰা অনুভৱ কৰি আহিছিল যে ভাৰতৰ স্বাধীনতা আন্দোলনৰ ভৱিষ্যত নিৰ্ভৰ কৰিছিল উঠি অহা যুৱক চামৰ ওপৰত, কৃষক-শ্ৰেণীৰ সক্ৰিয় ভূমিকা আৰু শ্ৰমিকৰ সহযোগত।

ভাৰতৰ যুৱ সন্মিলনৰ ১৯২৭ চনৰ ২৩ ডিচেম্বৰত বহা বৈঠকত ভাষণ দি জৱাহৰলালে যুৱক সকলক সোঁৱৰাই দিছিল যে যুৱক-সকল প্ৰগতি, বিদ্ৰোহ আৰু কৰ্মৰ প্ৰতীক; যুৱকে মাতৃভূমিৰ গৌৰৱ উজ্জ্বল কৰিবলৈ হলে তেওঁলোকে অতীতৰ ফালে চাব নালাগে —তেওঁলোকৰ দৃষ্টি হব লাগে আগফালে। যুৱক আৰু বয়সীয়াল লোকৰ মাজৰ পাৰ্থক্য উল্লেখ কৰি তেওঁ আঙুলিয়াই দিছিল যে বয়সীয়াল লোকে অতীতৰ কৃতিত্ব আৰু ত্যাগৰ কথা স্মৰণ কৰে; আনহাতে যুৱকসকলে তেওঁলোকৰ সম্মুখত উপস্থিত অফুৰন্ত ভৱি-ষ্যতৰ কথা স্মৰণ কৰে। তেওঁ কৈছিল, 'মোৰ মতে যুৱক শ্ৰেণী অনুসন্ধিৎসু, সমালোচনা আৰু মনৰ বিদ্ৰোহ আৰু শক্তিৰ প্ৰতীক।' যুৱকসকলে তেওঁলোকৰ আন্দোলনৰ উদ্দেশ্য সেই দৃষ্টিৰে গ্ৰহণ কৰিব লাগে বুলি নেহৰুৱে তেওঁলোকক পৰামৰ্শ দিছিল আৰু আশা কৰিছিল যে যিহেতু সমগ্ৰ বিশ্বত যুৱ-সম্প্ৰদায়ৰ মাজত নৱ-চেতনাৰ উদয় হৈছে সেই কাৰণে ভাৰতীয় যুৱকেও তেওঁলোকৰ কৰ্তব্য সম্পৰ্কে সজাগ থাকিব লাগিব।

সন্মিলনত যুৱ পতাকা উত্তোলন কৰি জৱাহৰলালে যুৱকক যি বাণী দিছিল সেই বাণীত তেওঁৰ গভীৰ চিন্তাধাৰা আৰু অদম্য উৎসাহ

আৰু লগতে ভাৰতীয় মুক্তি সংগ্ৰামত যে যুৱকে মহৎ ভূমিকা লব লাগিব সেইটো সম্পূৰ্ণভাবে প্ৰকাশ হৈছিল। তাৰ পিচত তেওঁ ছাত্ৰ সমাজলৈ নানা সময়ত ভাৰতীয় স্বাধীনতা আৰু নতুন সমাজ-ব্যৱস্থা গঠনত তেওঁলোকৰ ভূমিকা সম্পৰ্কে স্পষ্টভাবে উল্লেখ কৰিছিল।

লাহোৰ ছাত্ৰ-সন্মিলনলৈ এটা বাণীত (১৯২৮ চনৰ ৬ অক্টোবৰ) যুৱক আৰু ছাত্ৰসকলক উদ্দেশ্য কৰি জৱাহৰলালে কৈছিল ঃ

'যেতিয়া আৱশ্যক হয় তেতিয়াই এটা নতুন সমাজ-ব্যৱস্থা উদ্ভাৱন কৰিবলৈ সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবা। তেতিয়াহে দেশ আৰু দেশবাসীৰ প্ৰকৃত স্বাধীনতা লাভ কৰিবা। দেশৰ স্বাধীনতা ভাল, কিন্তু সেই স্বাধীনতাৰ লগত যদি জনসাধাৰণক জড়িত কৰা নহয় তেন্তে তাৰ দ্বাৰা আমি বিশেষ লাভবান হব নোৱাৰোঁ বা যি ব্যৱস্থাই জনসাধাৰণক দাসত্বৰ কবলত ৰাখিছে আৰু সকলো সুবিধাৰপৰা বঞ্চিত কৰিছে তেনে অৱস্থাৰ অৱসান নঘটিব। দেশৰ যুৱক-সম্প্ৰদায়ে এই বিষয়ে গভীৰভাৱে চিন্তা কৰি তাৰ উপায় উদ্ভাৱন কৰিব লাগে। ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ন্যস্তস্বাৰ্থই যি প্ৰতিক্ৰিয়া নকৰক, যুৱকে সকলো শক্তিৰে ব্যৱস্থাৰ পৰিবৰ্তনৰ কাৰণে আত্ম-নিয়োগ কৰিব লাগিব। বয়সীয়াল লোকসকলে যদি আপোচৰ কথা ভাবে, ভাবক ; যুৱকসকলে কিন্তু অসীমৰ কথা চিন্তা কৰি চাব লাগিব। যুৱকসকলে আজি বা কাইলৈৰ লাভ-লোকচানৰ কথা ভাবিব নালাগে। চিন্তা আৰু কামত যুৱকসকলহে একমাত্ৰ বাস্তৱমুখী ; আন সকলো মতা-তিৰোতা চুটি-দৃষ্টিৰ যদিও তেওঁলোকে নিজক বাস্তৱমুখী বুলি ভাবে। তেওঁলোকৰ কোনো আদৰ্শ নাই, ভৱিষ্যতৰ বাবে তেওঁলোকৰ কোনো দৰ্শনো নাই— চিন্তা আৰু সুদৃঢ় ভেটি নহলে কোনো অনুষ্ঠান গঢ়ি তুলিব নোৱাৰি। বালিময় ভেটিত তোমালোকে অট্টালিকা সাজিব নোৱাৰা। মুক্ত সমাজৰ ভৱিষ্যত ব্যৱস্থাৰ বাবে কোনো বৃহৎ গাঁথনি গঢ়িব পৰা নাযায় যদি আমি বাস্তৱধৰ্মী মুনিহ-তিৰোতা হিচাবে আজিয়েই দৃঢ় ভেটি স্থাপন নকৰোঁ। আদৰ্শবাদী হৈ বাস্তৱধৰ্মী হব লাগিব যাতে তাৰ দ্বাৰা প্ৰকৃত কাম সাধন কৰিব পাৰি। লাহোৰৰ ছাত্ৰ-সম্প্ৰদায় তেনে বাস্তৱধৰ্মী আৰু আশাবাদী হব বুলি মই আশা কৰোঁ।'

১৯২৮ চনৰ ১২ ডিচেম্বৰত পুণাত বম্বে প্ৰেচিডেন্সী যুৱ সম্মিলন বহে। তাত সভাপতিত্ব কৰে নেহৰুৱে। তেওঁৰ সুদীৰ্ঘ অভি-ভাষণত বৃটিচ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে কৰা ভাৰতৰ স্বাধীনতা আন্দো-লনৰ বিষয়ে বিশ্লেষণ কৰি কয় : 'মোৰ আৰু তোমালোকৰ আগত যি সমস্যাৰ উত্তৰ হৈছে সেইয়া ভাৰতৰ ৰাজনৈতিক স্বাধীনতাৰ সমস্যা; কিন্তু আমাৰ সামগ্ৰিক সমস্যাৰ সেইটো এটা অংশ বিশেষহে। যেতিয়ালৈকে সাম্ৰাজ্যবাদ সম্পূৰ্ণৰূপে ধ্বংস কৰা নহয়, তেতিয়ালৈকে মুষ্টিমেয় লোক কেইজনমানে জনসাধাৰণক শোষণ কৰি থাকিব। সেই কাৰণে সকলো ৰকমৰ সাম্ৰাজ্যবাদ ধ্বংস কৰিব লাগিব আৰু সমাজত এটা নতুন বুনিয়াদ গঢ়িব লাগিব। সেই বুনিয়াদ, সমবায়ৰ বুনিয়াদ যিটোৰ অন্য নাম সমাজবাদ। সমবায় সমাজবাদী কমনৱেলথ আমাৰ ৰাষ্ট্ৰীয় উদ্দেশ্য আৰু সমাজ-বাদী ৰাষ্ট্ৰসমূহৰ বিশ্ব ফেডাৰেচন আমাৰ আন্তৰ্জাতিক লক্ষ্য।

'আমি আমাৰ লক্ষ্যৰ পিনে আগবঢ়াৰ পূৰ্বে আমি দুটা শ্ৰেণীৰ বিৰুদ্ধে—ৰাজনৈতিক আৰু সামাজিক উভয় ক্ষেত্ৰত যুঁজিব লাগিব। আমি বিদেশী শাসকক পৰাজয় কৰিব লাগিব আৰু লগতে পৰাজয় কৰিব লাগিব ভাৰতৰ সামাজিক প্ৰতিক্ৰিয়াশীল শক্তিসমূহক।'

নেহৰুৱে আঙুলিয়াই দিছিল যে ভাৰতত যিবোৰ প্ৰতিক্ৰিয়াশীল শক্তি বা শ্ৰেণী আছে সেইবোৰে বিদেশী শাসকক সকলো ৰকমে সহায় কৰি আছে। এই প্ৰসংগত তেওঁ বৃটিচ চৰকাৰৰ দ্বাৰা গঠিত চাই-মন আয়োগৰ সপক্ষে যিবোৰ লোক বা গোষ্ঠীয়ে ওকালতি কৰিছিল বা সহযোগ কৰিছিল সেই সকলৰ কটু সমালোচনা কৰিছিল, কাৰণ ভাৰতৰ স্বাধীনতাৰ প্ৰশ্নত যিকোনো আপোচ নীতি গ্ৰহণ কৰাৰ তেওঁ পৰম বিৰোধী আছিল।

বম্বে প্ৰেচিডেন্সী যুৱ সম্মিলনৰ সভাপতিত্ব কৰাৰ পাচত জৱাহৰ-লালে কলিকতাত সমাজবাদী যুৱ-কংগ্ৰেছত সভাপতিত্ব কৰেহি (২৮ ডিচেম্বৰ, ১৯২৮)। সভাপতিৰ ভাষণত তেওঁ সমাজবাদ কি, জন-সাধাৰণৰ মাজত সমাজবাদ কিদৰে প্ৰচাৰ কৰিব লাগে সেই বিষয়ে যুৱক সকলৰ আগত মত দাঙি ধৰিছিল। মানুহৰ জীৱনৰ প্ৰত্যেক

স্তৰতে আৰু বিভিন্ন কাৰ্য্যত যেনে ধৰ্মীয়, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত সমাজবাদ প্ৰয়োগ কৰিব লাগে বুলি তেওঁ যুৱক সকলক আহ্বান কৰিছিল । তেওঁ কৈছিল ঃ 'সমাজবাদ এটা শ্লোগান অৰ্থাৎ ধ্বনি নহয় ; তাক অধ্যয়ন কৰিব লাগিব আৰু কাৰ্য্যক্ষেত্ৰত প্ৰয়োগ কৰিব লাগিব ।' তেওঁৰ মতে 'হৈ-চৈ আৰু উত্তেজনাৰ দ্বাৰা সমাজবাদ নহয় ; তাক লাভ কৰিবলৈ চিন্তা আৰু গভীৰ অধ্যয়নৰ আৱশ্যক ।' যুৱকসকলে যদি প্ৰকৃতভাৱে উপলব্ধি কৰিব পাৰিছে যে একমাত্ৰ সমাজবাদৰ মাধ্যমত মুক্তিলাভ কৰিব পাৰি, তেন্তে যুৱকসকলে সমগ্ৰ দেশত সমাজবাদ প্ৰচাৰ কৰিব লাগিব বুলি নেহৰুৱে যুৱক বৃন্দৰ প্ৰতি গোহাৰি জনায় । তেওঁ সকলোকে সতৰ্ক কৰি কৈছিল যে সমাজবাদৰ আন্দোলন বৰ কঠোৰ আন্দোলন ; তথাপি যুৱকসকলে সকলো প্ৰতিকূল ব্যৱস্থাৰ বিৰুদ্ধে সংগ্ৰাম কৰিব লাগিব ।

১৯২৭-৩০ চনৰ সময়ছোৱাত নেহৰুৱে যিবোৰ সভা-সমিতিত বক্তৃতা দিছিল, তাত সমবেত ৰাইজক নেহৰুৱে 'কমৰেড্' বুলি সম্বোধন কৰিছিল । তেওঁ য'লৈ গৈছিল তাতেই তেওঁৰ নামত অৰ্থাৎ 'পণ্ডিত জৱাহৰলাল নেহৰু কি জয়' জয়ধ্বনি উঠিছিল আৰু লগতে 'ইনক্লাব জিন্দাবাদ' আৰু 'ভাৰত মাতা কি জয়' ধ্বনিৰে জনসাধাৰণে আকাশত কল্লোল তুলিছিল । এই ধ্বনি সমূহৰ প্ৰতিধ্বনি উঠিছিল নেহৰুৱে তেওঁৰ জীয়েকলৈ লিখা এখন চিঠিত । এই সম্পৰ্কত স্মৰণ কৰা উচিত যে অসহযোগ আন্দোলনৰ সময়ত প্ৰায় তিনি বছৰ নেহৰু কাৰাবাসত আছিল । এই সময়ত তেওঁ ইন্দিৰালৈ—(এওঁক 'প্ৰিয়দৰ্শিনী' বুলি সম্বোধন কৰিছিল—এজাপ চিঠি লিখিছিল । পিচত এই চিঠিবোৰ 'গ্লিম্‌চেচ্ অব্ ৱাৰ্লড হিষ্টৰী' (বিশ্ব ইতিহাসৰ জিলিকনি) নামৰ গ্ৰন্থত থুপুৱাই ১৯৩৪ চনত প্ৰকাশ কৰে । বিশ্বৰ বিভিন্ন পৰিক্ৰমা সম্পৰ্কে নেহৰুৱে ইন্দিৰালৈ ১৯৬ খন সুদীৰ্ঘ চিঠি লিখিছিল । চিঠিবোৰৰ তৃতীয় চিঠিখনৰ বিষয়বস্তু আছিল 'ইনক্লাব জিন্দাবাদ' । চিঠিখন তেওঁ ১৯৩১ চনৰ ৭ জানুৱাৰীত লিখিছিল । তাৰ পূৰ্ণপাঠ তলত দিয়া হ'ল—

ইনক্লাব জিন্দাবাদ্

জানুৱাৰী ৭, ১৯৩১

'প্ৰিয়দৰ্শিনী'—যি চকুৰ আগত পৰে সেইয়া মৰমৰ আৰু তাতোকৈ বেছি মৰমৰ যাক চাবলৈ দিয়া নহয়। আজি তোমালৈ লিখিবলৈ বহোতেই দূৰৈৰ মেঘৰ গাজনিৰ দৰে আকুণ্ট ধ্বনিয়ে মোক চুকি পাইছে। সেইয়া কিহৰ ধ্বনি তাক মই প্ৰথমতে বুজা নাছিলো; কিন্তু সেই ধ্বনি পূৰ্বতে মই শুনিছিলো, অন্তত পূৰ্বতে শুনা যেন লাগে আৰু সেই ধ্বনিয়ে মোৰ মনত প্ৰতিধ্বনি তুলিছিল। ধ্বনি-বোৰ ক্ৰমান্বয়ে মোৰ ওচৰলৈ অহা যেন অনুভৱ কৰিছিলোঁ আৰু ধ্বনিৰ মাত্ৰা বাঢ়িছিল। সেইটো কিহৰ ধ্বনি আছিল তাক বুজিবলৈ মোৰ বেছি সময় নালাগিল। 'ইনক্লাব জিন্দাবাদ'! 'ইনক্লাব জিন্দাবাদ্'! এই বীৰত্বৰ ধ্বনি কাৰাগাৰত প্ৰতিধ্বনিত হৈছিল আৰু ধ্বনি শুনি আমাৰ মনত আনন্দৰ জোঁৱাৰ উঠিছিল। কাৰাগাৰৰ ওচৰত কোনে আমাৰ সংগ্ৰামৰ ধ্বনি তুলিছিল তাক নাজানো। যিসকলে সেই ধ্বনি দিছিল তেওঁলোক চহৰৰ মুনিহ-তিৰোতা আছিল নে গাঁৱৰ কৃষক শ্ৰেণীৰ মানুহ আছিল তাকো নাজানো। কি কাৰণে আজি সেই ধ্বনি দিয়া হৈছিল সিও মোৰ অৱগত নহয়। তেওঁলোক যিয়েই মানুহ নহওক, তেওঁলোকৰ সেই ধ্বনিয়ে আমাক উৎফুল্ল কৰিছে আৰু তেওঁলোকৰ পৰা পোৱা অভিনন্দনৰ প্ৰতি আমি নীৰৱে উত্তৰ দিছিলো আৰু শুভেচ্ছা পঠাইছিলো।

'আমি ইনক্লাব ধ্বনি দিব লাগে জানো? আমি পৰিবৰ্তন আৰু বিপ্লব কিয় বিচাৰিছোঁ? ভাৰতবৰ্ষই নিশ্চয় আজি এটা বিৰাট পৰি-বৰ্তন বিচাৰিছে। সেই পৰিবৰ্তন যেতিয়া আহিব আৰু ভাৰতবৰ্ষ স্বাধীন দেশ হব, তেতিয়াও কিন্তু আমি নীৰৱ হৈ থাকিব নোৱাৰিম, কোনো সজীৱ বস্তু পৃথিৱীত নীৰৱ হৈ থাকিব নোৱাৰে। পৃথিৱীৰ সকলো বস্তু প্ৰতি দিনে, প্ৰতি মুহূৰ্তে, পৰিৱৰ্তন হয়—মাত্ৰ মৃত বস্তু বাঢ়িব নোৱাৰে আৰু নীৰৱ হৈ থাকে। মানুহৰ জীৱন আৰু জাতিৰ জীৱন একে ধৰণৰ। আমি ইচ্ছা কৰো বা নকৰো, বয়সত আমি

আগবাঢ়ি যাওঁ। কেচুৱা ছোৱালী এজনী বাঢ়ি যুৱতী হয়, যুৱতীজনী বয়স্কা তিৰোতা হয় আৰু পিচত বুঢ়ী হয়। আমি এনে বিধৰ পৰিবৰ্তন স্বীকাৰ কৰিবই লাগিব। কিন্তু পৃথিৱী যে পৰিবৰ্তনশীল তেনে কথা বহুতে মানি নলয়, সিহঁতে চকুমুদি তলাবন্ধ কোঠালিত আবদ্ধ হৈ থকাৰ দৰে বাস কৰে আৰু সিহঁতক কোনো নতুন চিন্তা ধাৰাই স্পৰ্শ কৰিব নোৱাৰে। নতুন ভাৱধাৰাক সিহঁতে যি দৰে ভয় কৰে আন কাকো সেইদৰে ভয় নকৰে। তাৰ ফল? সিহঁতে ইচ্ছা কৰক বা নকৰক, পৃথিৱী আগবাঢ়ি যায়। সিহঁত আৰু সিহঁতৰ লেখীয়া মানুহে পৰিবৰ্তনৰ লগত খাপ খুৱাই নলয় কাৰণে সময়ে সময়ে প্ৰচণ্ড গাজৰণি হয়; বিৰাট বিদ্ৰোহ আহে যিদৰে আহিছিল ফৰাচী বিপ্লৱ বা ১৩ বছৰ আগেয়ে ৰুছ বিপ্লৱ। আজি আমিও আমাৰ দেশত এটা বিপ্লৱৰ মাজত উপস্থিত। নিশ্চয় আমি স্বাধীনতা বিচাৰো; কিন্তু তাতোকৈ কিবা অধিক আমাক লাগে। আবদ্ধ হৈ থকা সকলো পানীৰ আমি পৰিসমাপ্তি বিচাৰো আৰু সকলো ঠাইলৈ পৰিষ্কাৰ পানী অহাটো বাঞ্ছা কৰো। আমাৰ দেশৰ সকলো মলি, দৰিদ্ৰতা আৰু দুৰ্গতি আমি দূৰ কৰিবই লাগিব। যিমান দূৰ পাৰো মানুহৰ মনৰ পৰা মকৰাৰ জাল গুচাব লাগিব, কাৰণ সেইবোৰে আমাৰ আগত উপস্থিত হোৱা বিৰাট কাম সম্পাদন কৰাত আৱশ্যকীয় সহযোগ আৰু চিন্তাৰ হেঙাৰ হৈ পৰিছে। এইটো এটা বিৰাট কাম আৰু এই কাম পূৰণ কৰোতে হয়তো বহু সময়ৰ দৰকাৰ হব। সেই-কাম আগবঢ়াই নিয়াত আমি অন্ততঃ পুৰুষাৰ্থ কৰোচোন—ইনক্লাব্ জিন্দাবাদ!

'আমি বিপ্লৱৰ ধামখুমীয়াত থিয় হৈছো। ভৱিষ্যতত কি হবগৈ আমি কব নোৱাৰো। কিন্তু পৰিশ্ৰমৰ বিনিময়ত আমি বহুখিনি লাভবান হৈছো। ভাৰতৰ নাৰী সমাজলৈ চোৱাচোন—তেওঁলোক সংগ্ৰামৰ বাটত কেনেকৈ আগুৱাই গৈছে। নম্ৰ অথচ সাহসী আৰু অদমনীয় হৈ তেওঁলোকে সময়ৰ লগত খাপ-খুৱাই, আনৰ সৈতে থোজ লৈছে। যি পৰ্দাই আমাৰ বীৰাঙ্গিনী আৰু সুন্দৰী নাৰীসকলক ঢাকি ৰাখিছিল আৰু যি পৰ্দা দেশৰ পক্ষে কলঙ্ক হৈছিল সেই পৰ্দা আজি

ক'ত ? সেই পর্দা আজি সংগ্রাহালয়ত। বিগত যুগবোৰৰ চিনবোৰ স্তূপীকৃত কৰি থওঁ।

'চোৱাচোন, ল'ৰা-ছোৱালীহঁতলৈ, যুৱক আৰু যুৱতীসকললৈ, বান্দৰ সেনা আৰু বালক-বালিকাসকললৈ চোৱাচোন। অতীতত এই ল'ৰা-ছোৱালীৰ অভিভাৱকসকলে কাপুৰুষৰ দৰে চলিছিল; কিন্তু আমাৰ ল'ৰা-ছোৱালীহঁতে যে কাপুৰুষালি বা দাসত্বক সহ্য নকৰে সেই বিষয়ে কাৰোবাৰ সন্দেহ আছে নে ?

'গতিকে পৰিবৰ্তনৰ চকৰি ঘূৰিব ধৰিছে আৰু যিসকল দলিত হৈ আছিল, তেওঁলোক উঠি আহিছে ; যিসকল ওপৰত আছিল তেওঁলো ক নামি আহিছে। কিন্তু এইবাৰ আমি এনে প্ৰচেষ্টা চলাইছো যে কোনেও আমাক চম্ভালিব নোৱাৰিব।

'ইনক্লাব্ জিন্দাবাদ্।'

ইনক্লাব্ জিন্দাবাদ্ অর্থাৎ বিপ্লৱ দীর্ঘজীৱি হওক—এই ধ্বনি নেহৰুৰ পক্ষে এটা শ্লোগান নাছিল। ইয়াৰ বাস্তৱ ৰূপায়নৰ বাবে তেওঁ আজীৱন চেষ্টা কৰিছিল।

বিপ্লৱ কি আৰু বিপ্লৱ কেনেকৈ আহে সেই সম্পর্কে নেহৰুৱে বিভিন্ন ঠাইত মন্তব্য দি থৈ গৈছে। সেই মন্তব্যবোৰ তেওঁৰ আদৰ্শ আৰু চিন্তাধাৰাৰ পৰিপ্ৰেক্ষিতত মন কৰিবলগীয়া। তেওঁৰ মন্তব্য-বোৰৰ ভিতৰত কেইটামান তলত দিয়া হ'ল ঃ

'বিপ্লৱ আৰু আগ্নেয়গিৰি বিনা কাৰণত বা সুদীর্ঘ আৱৰ্তন নোহোৱাকৈ নঘটে। পৃথিৱীয়ে হঠাৎ ফাঁট মেলিলে আমি আচৰিত হওঁ ; কিন্তু ভূ-গৰ্ভত বহু যুগ ধৰি পৰস্পৰ বহুত শক্তিয়ে কাম কৰে আৰু অগ্নি স্তূপীকৃত হয়। শেহত পৃথিৱীৰ উপৰিভাগে তাক বন্ধ কৰি ৰাখিব নোৱাৰা হয়, বিস্ফোৰণ হৈ সি আকাশৰ ফালে গতি কৰে আৰু পর্বতৰ ওপৰত উদ্গীৰণ হয়। যিবোৰ শক্তিয়ে সমাজৰ মাজত কাম কৰে সেইবোৰে শেহত বিপ্লৱ ঘটায়। পানী গৰম কৰিলে উতলে, কিন্তু তোমালোকে জানা যে পানী বেছি গৰম কৰিলেহে উতলি পৰে।

'আদৰ্শবিশিষ্ট মনোভাব আৰু অৰ্থনৈতিক অৱস্থাই বিপ্লৱৰ উৎপত্তি কৰে। ক্ষমতাত থকা ব্যক্তিয়ে সিহঁতৰ মতৰ লগত অমিল থকা সকলো শক্তিৰ প্ৰতি অন্ধ হৈ থাকে। ফলত আন্দোলনকাৰী-সকলে বিপ্লৱ কৰে। আন্দোলন যিসকলে কৰে তেওঁলোক প্ৰচলিত অৱস্থাৰ লগত অসন্তুষ্ট হয়, তাৰ পৰিবৰ্তন বিচাৰে আৰু তেনে পৰি-বৰ্তনৰ বাবে কাম কৰে। প্ৰত্যেক বিপ্লৱৰ সময়ত এনে কিছুমান লোক ওলায়। কিন্তু হাজাৰ হাজাৰ লোকে যে তেনে এজন লোকৰ কথাত বিপ্লৱৰ কামত আগবাঢ়ে, তেনে নহয়। বহুত মানুহে নিৰাপত্তা বিচাৰে; যিখিনি নিৰাপত্তা তেওঁলোকৰ থাকে সেইখিনি তেওঁলোকে হেৰুৱাবলৈ নিবিচাৰে। কিন্তু অৰ্থনৈতিক অৱস্থাই সিহঁতক এনে এটা পৰ্য্যায়লৈ আনে যে সময়ত সিহঁতৰ কষ্ট বাঢ়ি গৈ জীৱন এটা বোজা হৈ পৰে। তেনে পৰিস্থিতিত অত্যন্ত দুৰ্বল শ্ৰেণীও বিপদৰ সন্মুখীন হবলৈ সাজু থাকে। ঠিক এনে অৱস্থাৰ তাড়নাত এই শ্ৰেণীৰ লোকে আন্দোলনকাৰীৰ আহ্বানত সঁহাৰি দিয়ে, কাৰণ আন্দোলনকাৰীজনক সিহঁতৰ পৰিত্ৰাণ কৰোঁতা আৰু দুৰ্গতিৰ পৰা ৰক্ষা পৰিবলৈ নতুন বাটৰ সন্ধান দিয়া বুলি জ্ঞান কৰে।

'ফৰাচী বিপ্লৱত আমি এটা বস্তু বিৰাট আকাৰত দেখা পাওঁ— সেইটো আছিল বিপ্লৱমুখী কাৰ্য্যপন্থাৰ বাবে অৰ্থনৈতিক উৎস আৰু নতুন ভাৱধাৰাৰ মিলন। যতেই এনে মিলন ঘটে, তাতেই বিপ্লৱ হয়; প্ৰকৃত বিপ্লৱে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু ধৰ্মীয় সকলো দিশকে স্পৰ্শ কৰে।

'কিন্তু বিপ্লৱ বৰ বেলেগ; ই পথাৰত, ৰাস্তাত আৰু বজাৰত বাস লয় আৰু ইয়াৰ বাট বৰ উজ্জ্বল নহয়। যিসকলে বিপ্লৱ কৰে তেওঁলোক ৰাজকুমাৰ আৰু ৰাজনীতিজ্ঞসকলৰ দৰে শিক্ষিত লোক নহয়; তেওঁলোকৰ ভাষা ভদ্ৰলোকৰ ভাষাও নহয়; তেওঁলোকে তেওঁলোকৰ ভাষাত দুৰভিসন্ধি বা বেয়া মতলব ঢাকি নাৰাখে। তেওঁলোকৰ কোনো লুক-ঢাক নাই; তেওঁলোকে তেওঁলোকৰ মনৰ ভাব লুকাই নাৰাখে। তেওঁলোকে শৰীৰ ঢাকি ৰাখিবলৈও কোনো আবৰণ নলয়; বিপ্লৱৰ ৰাজনীতি ৰজাৰ খেল বা ব্যৱসায়ীৰ খেল

নহয়। বাস্তৱৰ লগত বিপ্লৱৰ সম্বন্ধ আৰু তাৰ লগত থাকে অতি সাধাৰণ লোকৰ প্ৰকৃতি আৰু ক্ষুধাতুৰৰ খালি পেট।

'বয়সীয়াল লোকে কাচিৎহে বিপ্লৱ কৰিব পাৰে।

'প্ৰকৃত বিপ্লৱে বিপুল শক্তিৰ সঞ্চাৰ কৰে।

'বিপ্লৱে জীৱনৰ কঠোৰ বাস্তৱতাৰ ওপৰত প্ৰচণ্ড ৰেখাপাত কৰে; মেঘৰ চিকিমিকিৰ দৰে বিপ্লৱে সমগ্ৰ ছবিখন প্ৰকাশ কৰে; বিশেষকৈ আন্ধাৰৰ স্থানখিনি বিপ্লৱে প্ৰকাশ কৰি দিয়ে। বিপ্লৱৰ লক্ষ্য পৰিষ্কাৰ ভাৱে দেখা যায় আৰু সি আগতপ্ৰায় যেন লাগে। বিশ্বাস আৰু শক্তিয়ে সেই লক্ষ্য পূৰণ কৰে; দ্বিধাভাৱ নোহোৱা হয় আৰু আপোচৰ কোনো প্ৰশ্ন নুঠে। যিসকলে বিপ্লৱ কৰে, তেওঁলোকে ধেনু-কাঁড়ৰ দৰে পোনে পোনে লক্ষ্যৰ পিনে আগবাঢ়ি যায়। তেওঁলোকৰ দৃষ্টি যিমানেই পৰিষ্কাৰ আৰু পোনপটীয়া হয় সিমানেই বিপ্লৱ আগুৱাই যায় আৰু বিপ্লৱ শীৰ্ষবিন্দুত উপস্থিত হয়; বিপ্লৱৰ নেতাসকল পৰ্বতৰ টিঙত উঠে আৰু তাৰ পিচে পিচে জনতায়ো পৰ্বত বগাবলৈ ধৰে। কিন্তু দুখৰ বিষয় কেতিয়াবা সি টিঙৰ পৰা নামি আহিব লগা হয় আৰু এন্ধাৰ ব্যতিত পৰে। সেই সময়ত বিশ্বাস ম্লান হয় আৰু উদ্যম হ্ৰাস পায়।

'ইতিহাসৰ ঘটনাৱলী আকস্মিকভাৱে ঘটে। তেনে ঘটনাৱলীৰ পিচত বহুত কাৰণ থাকে; কিন্তু কাৰণবোৰ স্পষ্ট নহয় কিয়নো কাৰণবোৰ ঘটনাৱলীৰ তলত পৰি থাকে।

'সামাজিক বিপ্লৱ নহ'লে ৰাজনৈতিক বিপ্লৱ হ'ব নোৱাৰে।

'ৰাজনৈতিক ঘটনা আৰু ৰাজনৈতিক বিপ্লৱৰ ফলাফল সুদূৰ প্ৰসাৰী আৰু বিপ্লৱ সামাজিক অৱস্থাৰ লগত জড়িত। দুৰাকাংক্ষী লোক এজনে বা গোষ্ঠীয়ে সামাজিক বিপ্লৱ আনিব নোৱাৰে, যদিহে জনতা তাৰ বাবে প্ৰস্তুত নহয়। তাৰ দ্বাৰা মই এইটো বুজোৱা নাই যে তাৰ বাবে জনতা ভাবি চিন্তি সাজু হয়। সামাজিক আৰু অৰ্থনৈতিক দুৰৱস্থা জনতাৰ কাৰণে এটা বোজা হৈ পৰে। তেওঁলোকৰ পক্ষে পৰিবৰ্ত্তনৰ বাহিৰে অন্য উপায় নোহোৱা হয়।'

'বিপ্লৱ যেতিয়া আহে, তেতিয়া মানুহৰ দুৰৱস্থাক যি অন্যায়ে ঢাকি ৰাখে সেই অন্যায় নোহোৱা হয়।'

পাঁচ

মুক্তি-সংগ্ৰামীৰ ভূমিকাত

জৱাহৰলাল নেহৰুৰ ৰাজহুৱা জীৱনত ১৯২৭-২৯ চনৰ এই দুবছৰৰ কাৰ্য্যাৱলী লেখত লবলগীয়া আছিল। ১৯২৭ চনত তেওঁৰ য়ুৰোপ ভ্ৰমণ, বিশেষকৈ ছোভিয়েত ৰুছিয়াৰ অভিজ্ঞতাই, তেওঁৰ ব্যক্তিত্ব আৰু ৰাজনৈতিক চিন্তাধাৰাত যিদৰে অভাৱনীয় প্ৰভাৱ আনিছিল, সেইদৰে ১৯২৯ চনত ভাৰতৰ কৃষক, শ্ৰমিক, ছাত্ৰ আৰু যুৱক শ্ৰেণীৰ মাজত তেওঁ অত্যন্ত জনপ্ৰিয় হৈ পৰিছিল। জৱাহৰলালে কংগ্ৰেছৰ সংগঠন আৰু উদ্দেশ্য সাধনত গুৰুত্বপূৰ্ণ ভূমিকা লব পাৰিব বুলি মহাত্মা গান্ধী আৰু আন নেতাসকলে বিশ্বাস কৰিছিল। ১৯২৮ চনত কলিকতাত বহা কংগ্ৰেছ অধিবেশনত জৱাহৰলালে সেই ভূমিকাৰ ইংগিত দিব পাৰিছিল। সেই অধিবেশনত সভাপতিত্ব কৰিছিল দেউতাক মতিলাল নেহৰুৱে। কংগ্ৰেছ অধিবেশনৰ কেইমাহমান আগত কংগ্ৰেছ নেতৃবৃন্দৰ মাজত নৰমপন্থী আৰু চৰমপন্থী দুটা উপদলৰ সৃষ্টি হয়। নৰমপন্থী দলটো বৃটিচ চৰকাৰৰ লগত এটা আপোচ কৰি ভাৰতৰ কাৰণে 'ডমিনিয়েন ষ্টেটাচ' অৰ্থাৎ ঔপনিবেশিক স্বায়ত্ব-শাসন গ্ৰহণ কৰাৰ সপক্ষে আছিল; আনহাতে, চৰমপন্থী উপদলে ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ প্ৰবক্তা হৈ থিয় দিছিল। মতিলাল নেহৰু চৰমপন্থী উপদলৰ পক্ষপাতী নাছিল আৰু বৃটিচৰ লগত কোনো এটা আপোচ কৰাৰ উদ্দেশ্যে তেওঁ আগ্ৰহান্বিত আছিল। সৰ্বদলীয় সন্মিলন নামৰ সন্থাৰ আপোচমূলক নীতিটো মতিলালে সমৰ্থন আগবঢ়াইছিল। আচলতে মতিলাল নেহৰুৰ নিজৰ অভিপ্ৰায় আৰু সৰ্বদলীয় সন্মিলনৰ প্ৰস্তাৱক্ৰমে কংগ্ৰেছৰ কলিকতাৰ অধিবেশনত তাৰ সভাপতি হিচাবে আপোচমূলক প্ৰস্তাৱ এটা গৃহীত কৰাবলৈ প্ৰয়াস কৰিছিল; তেওঁ কৈছিল যে যদি কংগ্ৰেছে আপোচমূলক প্ৰস্তাৱ গ্ৰহণ নকৰে, তেন্তে তেওঁ

কংগ্ৰেছৰ সভাপতিৰ পদ ইস্তাফা দিব। জৱাহৰলালে দেউতাকৰ এই মত সমৰ্থন কৰা নাছিল; বৰঞ্চ জৱাহৰলালে আপোচৰ নীতিৰ প্ৰতিবাদ কৰিছিল। স্বাভাৱিকতেই জৱাহৰলালৰ প্ৰতিবাদত দেউতাক অসন্তুষ্ট হৈছিল; অসন্তুষ্ট হৈছিল যদিও জৱাহৰলাল তেওঁৰ নীতিৰ পৰা আঁতৰি নগৈছিল। শেহত নৰমপন্থী আৰু চৰমপন্থী উপদল দুটাৰ মাজত বুজাবুজিৰ মনোভাব হয় আৰু কলিকতা অধিবেশনত মতিলাল নেহৰুৰ সভাপতিত্বত কংগ্ৰেছে এটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। এই প্ৰস্তাৱত কোৱা হৈছিল যে বৃটিচ চৰকাৰে ভাৰতৰ কাৰণে ঔপনিবেশিক স্বায়ত্ব-শাসনৰ প্ৰস্তাৱ গ্ৰহণ কৰি ভাৰতৰ স্বাধীনতাৰ কাৰণে এটা সময়সূচী নিৰ্দ্ধাৰণ কৰি দিব লাগিব। ১৯২৮ চনৰ ডিচেম্বৰ মাহত এই আপোচৰ প্ৰস্তাৱ কংগ্ৰেছে গ্ৰহণ কৰি ভাৰতৰ স্বাধীনতাৰ সমস্যাটোৰ সমাধানৰ ক্ষেত্ৰত বৃটিচ চৰকাৰক এটা সুযোগ দিছিল যদিও, বৃটিচ চৰকাৰে কংগ্ৰেছৰ এই প্ৰস্তাৱ গ্ৰহণ নকৰিলে। তাৰ ফলত ১৯২৯ চনত কংগ্ৰেছে লাহোৰ কংগ্ৰেছ অধিবেশনত পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰে, যাৰ ফলত ভাৰতৰ স্বাধীনতা সংগ্ৰাম এটা ঐতিহাসিক পৰ্য্যায়ত উপনীত হয়।

স্মৰণ কৰা উচিত হব যে ১৯২৮ চনত কলিকতা কংগ্ৰেছ অধিবেশনৰ সময়ত মতিলাল-জৱাহৰলাল তথা পিতা-পুত্ৰৰ মাজত ৰাজনৈতিক বিষয়ত যি মতান্তৰ ঘটিছিল, এই মতান্তৰ যুদ্ধত জৱাহৰলাল জয়ী হৈছিল আৰু ১৯২৯ চনৰ কাৰণে জৱাহৰলালক কংগ্ৰেছৰ প্ৰধান সম্পাদক নিয়োগ কৰা হৈছিল আৰু সেই একেটা বছৰতে তেওঁক ১৯২৯ চনত বহিব-লগীয়া লাহোৰ কংগ্ৰেছ অধিবেশনৰ বাবে সভাপতি নিৰ্বাচন কৰা হৈছিল। অগা-পিচাকৈ সাধাৰণ সম্পাদক আৰু সভাপতিৰ পদত জৱাহৰলাল নিৰ্বাচিত হোৱা কথাই কংগ্ৰেছ অনুষ্ঠানত যে প্ৰগতিবাদ নীতিয়ে ঠাই পাবলৈ ধৰিছিল তাক প্ৰমাণ কৰিছিল। কিন্তু কংগ্ৰেছৰ উৰ্দ্ধতন মহলত জৱাহৰলালৰ সভাপতি নিৰ্বাচনে বাক্-বিতণ্ডাৰ সৃষ্টি কৰিছিল; বিশেষকৈ যুৱক আৰু প্ৰগতিবাদী ব্যক্তিক—তেতিয়া জৱাহৰ-লালৰ বয়স ৪০ বছৰ হৈছিল—সভাপতিত্বৰ দায়িত্ব জৱাহৰলালৰ ওপৰত জাপি দিয়াত এচাম প্ৰভাৱশালী নেতা অসন্তুষ্ট হৈছিল। অৱশ্যে নেহৰুৱে

নিজেও সভাপতিৰ বাব লবলৈ প্ৰস্তুত নাছিল। ১৯২৯ চনৰ ন জুলাই তাৰিখে গান্ধীজীৰ ওচৰত লিখিতভাৱে তেওঁৰ আপত্তি দৰ্শাইছিল; তাৰ পিচত ২১ আগষ্টতো তাঁৰ যোগে জৱাহৰলালে পুনৰ গান্ধীজীক আপত্তি জনায় আৰু সন্দেহ প্ৰকাশ কৰি কৈছিল যে 'দুৰ্ভাগ্যবশতঃ মই যদি সভাপতি হওঁ, আপুনি দেখিব যে যিসকলে মোক সেই দায়িত্ব দিব, সেই সকলেই মোক ভালুকৰ সন্মুখত পেলাই দিব।' কিন্তু গান্ধীজীয়ে জৱাহৰলালৰ আপত্তি নুশুনিলে। সেই সময়ত জৱাহৰলালৰ প্ৰতিদ্বন্দ্বী হিচাপে চৰ্দাৰ বল্লভভাই পেটেলৰ নামটো প্ৰস্তাৱ হৈছিল। পিচে গান্ধীজীয়ে জৱাহৰলালক সমৰ্থন কৰাত আৰু কংগ্ৰেছৰ সভাপতি হিচাবে জৱাহৰলালে দায়িত্ব লোৱাটো বাঞ্ছনীয় বুলি মত প্ৰকাশ কৰাত পেটেলে নিজৰ নামটো উঠাই লয় আৰু নেহৰু বিনা প্ৰতিদ্বন্দ্বিতাই লাহোৰ কংগ্ৰেছ অধিবেশনৰ (১৯২৯) সভাপতি নিৰ্বাচিত হয়।

কংগ্ৰেছৰ উৰ্দ্ধতন মহলৰ বাক-বিতণ্ডাবোৰ দেখি গান্ধীজীয়ে সেই সময়ত এটা বিবৃতি দিছিল। ছয় জুলাইত গান্ধীজীয়ে বিবৃতিত কৈছিল ঃ 'ভৱিষ্যতৰ যুদ্ধ যুৱক আৰু যুৱতীয়ে কৰিব লাগিব আৰু তেওঁলোকৰ ভিতৰৰ এজনে সেই যুদ্ধৰ সেনাপতি হোৱাটো উচিত। দায়িত্বই যুৱক শ্ৰেণীক শান্ত আৰু বিবেচক কৰিব আৰু ভৱিষ্যতৰ বোজা বহন কৰিবলৈ তেওঁলোকক সাজু কৰিব। যি সকলে মোৰ আৰু জৱাহৰলালৰ মাজৰ সম্পৰ্ক জানে তেওঁলোকে এইটোও জানে যে মই কংগ্ৰেছৰ সভাপতি তথা নেতা হলে যি সুফল পোৱা যাব, জৱাহৰলাল সভাপতি হলেও সেই একে ফলকে পোৱা যাব। কংগ্ৰেছৰ সভাপতিজন স্বয়ম্ভু নহয়। ইংলেণ্ডৰ ৰজাই যিদৰে জনসাধাৰণৰ ওপৰত নিজৰ মত জাপি দিব নোৱাৰে, কংগ্ৰেছ সভাপতিজনেও বাইজৰ ওপৰত নিজৰ মত জাপি দিব নোৱাৰে।' আন এটা বিবৃতিত গান্ধীজীয়ে কৈছিল যে সভাপতি পদৰ বাবে জৱাহৰলালৰ নাম প্ৰস্তাৱ কৰাৰ পূৰ্বে তেওঁৰ মতামত লোৱা হৈছিল। তাৰ উত্তৰত জৱাহৰলালে কৈছিল যে তেওঁক সভাপতিৰ দায়িত্ব দিলে তেওঁ সেই পদ প্ৰত্যাখ্যান নকৰিব। গান্ধীজীয়ে কৈছিল, 'ঈশ্বৰত তেওঁক (জৱাহৰলালক) কোনেও চেৰ পেলাব নোৱাৰে।

দেশ-প্ৰেমত তেওঁক কোনে হাৰ মনাব ? কিছুমানে কয় যে তেওঁ উদ্ধত আৰু উগ্ৰাৱল। এনে গুণ বৰ্তমান সময়ত আৱশ্যক। যদি যোদ্ধাৰ দৰে উদ্ধত আৰু উগ্ৰাৱল, তেনেহ'লে ৰাজনীতিজ্ঞৰ দৰে তেওঁৰ সতৰ্কতাৰ গুণো আছে। তেওঁ নিশ্চয় উগ্ৰবাদী আৰু পাৰিপাৰ্শ্বিকতাৰ বাহিৰেও তেওঁ চিন্তা কৰে। কিন্তু তেওঁ নম্ৰ আৰু বাস্তৱবাদী আৰু কোনো কথাত অবিবেচক নহয়। তেওঁ স্ফটিকৰ দৰে পৰিষ্কাৰ; তেওঁ নিঃসন্দেহে সত্যবাদী। তেওঁৰ হাতত দেশখন নিৰাপদ।'

কিন্তু কংগ্ৰেছ উৰ্দ্ধতন মহলৰ কেইজনমান নেতা জৱাহৰলাল নেহৰু পৰৱৰ্তী কংগ্ৰেছ অধিবেশনৰ (১৯২৯) সভাপতি নিৰ্বাচিত হোৱাত অতিষ্ঠ হৈ উঠে। জৱাহৰলাল নেহৰুৰ সভাপতিত্বত কংগ্ৰেছ ডাঙৰ বিপদৰ সম্মুখীন হব বুলি তেওঁলোকে সন্দেহ কৰিছিল। জৱাহৰলালে এই কথাৰ সম্ভেদ পাই কংগ্ৰেছ সভাপতি পদৰ পৰা আঁতৰত থাকিবলৈ ইচ্ছা প্ৰকাশ কৰে আৰু সেই সন্দৰ্ভত গান্ধীজীলৈ এখন চিঠি লিখে। এই চিঠিত নেহৰুৱে গান্ধীজীক জনায়: 'কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব বৰ কঠিন। এই সময়ত মই কি কৰিম নাজানো, কাৰণ অধিবেশনলৈ সময় বেছি নাই; মই বুজি পাইছোঁ যে মোক সভাপতি নিৰ্বাচন কৰাটো ভুল হৈছে। অহা অধিবেশন আৰু আগন্তুক বছৰটোৰ কাৰণে আপুনি সম্ভৱ সভাপতি হব লাগিছিল। আপুনি যদি সন্মত হয়, এতিয়াও তাৰ উপায় আছে। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভা নপতাকৈয়ে সেইটো সম্ভৱ হব পাৰে। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সদস্য সকললৈ এখন চাৰ্কুলাৰ যোগে জনাব পাৰি যে আপুনি সভাপতিৰ দায়িত্ব লবলৈ সাজু। মোক ক্ষমা কৰিবলৈ মই তেওঁলোকক অনুৰোধ কৰিম। আপোনাৰ সিদ্ধান্ত তেওঁলোকে আনন্দেৰে গ্ৰহণ কৰিব।' গান্ধীজীয়ে জৱাহৰলালৰ অনুৰোধ ৰক্ষা নকৰিলে আৰু ১৯২৯ চনৰ আঠ নৱেম্বৰত এখন চিঠি যোগে জৱাহৰলালক সভাপতিৰ পদত বাহাল থাকিবলৈ টানি ধৰে। গান্ধীজীৰ অনুৰোধ ক্ৰমে জৱাহৰলাল নেহৰু সভাপতিৰ পদত থাকিবলৈ শেহত সন্মত হ'ল।

লাহোৰ কংগ্ৰেছ বিভিন্ন কাৰণে ঐতিহাসিক আছিল। প্ৰথম, কংগ্ৰেছ সভাপতি নেহৰুক বেন ষ্টেচনৰ পৰা যি বিৰাট সমদলে আগ বঢ়াই নিছিল, তেনে সমদল পূৰ্বতে হেনো হোৱা নাছিল; দ্বিতীয়, পোন-প্ৰথম বাৰৰ কাৰণে সভাপতি নেহৰু ঘোঁৰাত উঠি সমদলত যোগ দিছিল; তৃতীয়, কংগ্ৰেছৰ বুৰঞ্জীত প্ৰথমবাৰৰ কাৰণে দেউতাকৰ পিচত পুতেক কংগ্ৰেছৰ সভাপতি হয়। কংগ্ৰেছৰ সভাপতি পদত জৱাহৰলাল নেহৰু অধিষ্ঠিত হোৱাত আন তিনিটা স্মৰণীয় কথাৰ সূচনা হৈছিল। প্ৰথম, কংগ্ৰেছ নেতৃত্বৰ শাৰীত গান্ধীজীৰ পিচতেই জৱাহৰলালৰ স্থান নিৰ্ণয় হ'ল আৰু সেই কাৰণে ১৯৪২ চনত গান্ধীজীয়ে জৱাহৰলালক তেওঁৰ ৰাজনৈতিক উত্তৰাধিকাৰী বুলি ঘোষণা কৰে; দ্বিতীয়, কংগ্ৰেছ নীতিৰ অপূৰ্ব পৰিবৰ্তন হ'ল, কিয়নো ১৯২৯ চনলৈ কংগ্ৰেছে বৃটিচ চৰকাৰৰ লগত আপোচ কৰি ডমিনিয়ন ষ্টেটাচ আদিব যি আলোচনা কৰিছিল আৰু উদাৰনৈতিক নেতাসকলে ভাৰতৰ স্বাধীনতাৰ সন্দৰ্ভত এৰা-ধৰাৰ যি নীতি লৈ আছিল সেই সকলোবোৰ বিসৰ্জন দি পূৰ্ণ স্বৰাজৰ বাবে কংগ্ৰেছক প্ৰস্তুত কৰা হ'ল; তৃতীয়, নেহৰুৰ নেতৃত্বত ভাৰতৰ শ্ৰমিক, কৃষক আৰু যুৱ-সম্প্ৰদায়ক কংগ্ৰেছৰ লগত অধিকভাবে সংযোগ কৰা হ'ল; চতুৰ্থ, কংগ্ৰেছৰ আলোচনা আৰু প্ৰস্তাৱবোৰত সমাজবাদী দৃষ্টিভঙ্গী, নীতি আৰু আঁচনি স্পষ্টভাবে প্ৰতিফলিত হবলৈ ধৰিলে।

বৃটিচ চৰকাৰৰ ভাৰত-নীতি জৱাহৰলাল নেহৰুৱে তেওঁৰ অভিভাষণত চোকা ভাষাৰে সমালোচনা কৰে। সেই সময়ৰ ভাৰতৰ দায়িত্বত থকা বৃটিচ মন্ত্ৰী (চেক্ৰেটাৰী অব্ ষ্টেট ফৰ ইণ্ডিয়া) মিঃ ওৱেজুড বেনে হাউচ্ অব্ কমনচ্‌ত দিয়া বক্তৃতাবোৰত নেহৰুৱে বৰ বিৰক্তি বোধ কৰি কৈছিল যে ওৱেজুড বেন যদিও ভাৰতৰ প্ৰতি সহানুভূতিশীল আছিল আৰু ভাৰতীয় জনসাধাৰণৰ শুভেচ্ছা পাবলৈ চেষ্টা কৰিছিল তথাপি তেওঁৰ আৰু বৃটিচ পালিয়ামেণ্টত দিয়া আন সদস্যসকলৰ বক্তৃতাই নেহৰুক হতাশ কৰিছিল। নেহৰুৱে তেওঁৰ ভাষণত কৈছিল ঃ 'কাৰ্য্যতঃ ঔপনিবেশিক স্বায়ত্ত-শাসনৰ প্ৰতি আমাৰ

মনোযোগ আকৰ্ষণ কৰা হৈছে আৰু এই জালত আমাক পেলাবলৈ প্ৰয়াস কৰা হৈছে। তথাকথিত ঔপনিবেশিক শাসনে আমাক শোষণৰ বোজা কমাব পৰা নাই। বৰ্তমানে তেনে শাসনে আৰু দহ বছৰ আগত প্ৰবৰ্তন কৰা তথাকথিত সাংবিধানিক সংস্কাৰে ভাৰতীয় জনতাৰ ওপৰত বোজা বৃদ্ধিহে কৰিছে। লণ্ডনত হাই কমিচনাৰ, ৰাষ্ট্ৰসংঘত প্ৰতিনিধি, গৱৰ্ণৰ আৰু উচ্চ বিষয়া আদিৰ কেইটামান পদ ভাৰতীয় লোকক দিলেই ভাৰতৰ দাবী পূৰণ কৰা নহয় বুলি তেওঁ দৃঢ়তাৰে আঙুলিয়াই দি কৈছিল, 'এইবোৰ আমাৰ দাবী নহয়। আমি ভাৰতৰ গৰীব শ্ৰেণীৰ ওপৰত থকা শোষণৰ অন্ত পেলাব খোজোঁ আৰু প্ৰকৃত ক্ষমতা বিচাৰোঁ—কেইটামান উচ্চ পদ নহয়। যোৱা শতকত বৃটিচ চৰকাৰে যিখিনি কৰিছে মিঃ ওৱেজুড বেনে তাৰ এটা খতিয়ান দিছে। তথাকথিত ঔপনিবেশিক স্বায়ত্ব-শাসনৰ তলত যে পঞ্জাৱত সামৰিক আইন প্ৰবৰ্তন হৈছে, জালি-ৱানাবাগত গুলী চালনা হৈছে আৰু উৎপীড়ন আৰু শোষণ চলি আছে তাকো তেওঁ আঙুলিয়াই দিব পাৰিলেহেঁতেন। ঔপনিবেশিক স্বায়ত্ব-শাসন আমাৰ কাৰণে কি হব তাৰ বিষয়েও তেওঁ ইংগিত দিছে। তাৰ অৰ্থ মুষ্টিমেয় কেইজনমান ভাৰতীয় লোকৰ হাতত ক্ষমতাৰ ছাঁ অৰ্পণ কৰা আৰু জনতাৰ ওপৰত অধিক উৎপীড়ন আৰু শোষণ কৰা।'

এনে পৰিস্থিতিত নেহৰুৱে প্ৰশ্ন উত্থাপন কৰে ঃ 'এতিয়া কংগ্ৰেছে কি কৰিব? আমাৰ সহযোগৰ চৰ্ত বৃটিচ চৰকাৰে মানি লোৱা নাই। যেতিয়ালৈকে আমাক স্বাধীনতাৰ প্ৰতিশ্ৰুতি দিয়া নহয়, তেতিয়ালৈকে আমি সহযোগ (বৃটিচ চৰকাৰৰ লগত) কৰিব পাৰোঁ নে? আমাৰ সহকৰ্মীসকল জেলত থকা অৱস্থাত আৰু উৎ-পীড়ন চলি থকা সময়ত আমি সহযোগ কৰিব পাৰোঁ নে? যেতিয়া-লৈকে প্ৰকৃত শান্তি স্থাপন কৰাৰ প্ৰয়াস বৃটিচ চৰকাৰে প্ৰকাশ নকৰে, তেতিয়ালৈকে আমি সহযোগ কৰিব পাৰোঁ নে? বন্দুক দেখুৱাই শান্তি আনিব নোৱাৰি। এটা বিদেশী জাতিৰ শাসনৰ বিৰুদ্ধে আমি অন্ততঃ আমাৰ বিৰোধিতা দেখুৱাব লাগিব।'

হিংসা আৰু অহিংসা নীতিৰ ব্যাখ্যা কৰি নেহৰুৱে কৈছিল 'কংগ্ৰেছ বা আমাৰ জাতিয়ে যদি কোনো অদূৰ ভৱিষ্যতত সিদ্ধান্ত কৰে যে হিংসা নীতিয়ে আমাক দাসত্বৰ পৰা মুক্ত কৰিব, তেন্তে মই নিঃসন্দেহে কম যে কংগ্ৰেছে তেনে নীতি গ্ৰহণ কৰিব। হিংসা বেয়া, কিন্তু দাসত্ব তাতোকৈ বেয়া। আমি স্মৰণ কৰা উচিত যে অহিংসা নীতিৰ প্ৰবক্তাই (মহাত্মা গান্ধী) নিজে আমাক কৈছে যে যুঁজ কৰিবলৈ কাপুৰুষৰ দৰে অস্বীকাৰ নকৰিবা, যোদ্ধাৰ দৰে যুঁজি-বলৈ যোৱাটো শ্ৰেয়।' নেহৰুৱে কৈছিল ঃ 'মুক্তিৰ কাৰণে যি কোনো আন্দোলন জনতাৰ আন্দোলন হব লাগিব আৰু তেনে আন্দো-লন নিশ্চয় শান্তিৰে কৰিব লাগিব ; অৱশ্যে সংগঠিত বিপ্লৱৰ কথা সুকীয়া। এক শতক আগৰ অসহযোগ আন্দোলন হওক বা বৰ্তমান সময়ৰ ঔদ্যোগিক অস্ত্ৰ স্বৰূপ সাধাৰণ ধৰ্মঘটেই হওক, তাৰ বুনিয়াদ হব শান্তিপূৰ্ণ সংগঠন আৰু কৰ্মপন্থা। আমাৰ প্ৰধান আন্দোলন যদি শান্তিপূৰ্ণ নহয়, অ'ত ত'ত বিচ্ছিন্নভাবে হোৱা হিংসা-ত্মক কাৰ্য্যইও আমাৰ মূল আন্দোলন দুৰ্বল কৰিব আৰু আমাক আন্দোলনৰ পৰা আঁতৰাই নিব। দুটা আন্দোলন একে সময়ত চলালিব পৰা সহজ নহয়। আমি আমাৰ পন্থা বাছি লব লাগিব আৰু সেই বাছনি মতে তাক গ্ৰহণ কৰিব লাগিব। কংগ্ৰেছৰ বাছনি সম্পৰ্কে মোৰ অলপো দ্বিধা নাই। কংগ্ৰেছে শান্তিপূৰ্ণ গণ-আন্দোলনহে বাছি লব।'

লাহোৰ কংগ্ৰেছৰ সভাপতি হিচাবে দিয়া জৱাহৰলাল নেহৰুৰ ভাষণ আৰু তাত গৃহীত 'স্বাধীনতাৰ ঘোষণা' আৰু ১৯৩০ চনৰ ২৬ জানুৱাৰীৰ দিনটোক 'পূৰ্ণ স্বাধীনতা দিৱস' হিচাবে লোৱাৰ যি সিদ্ধান্ত হ'ল তাৰ দ্বাৰা ভাৰতৰ মুক্তি-সংগ্ৰামৰ ইতিহাসত নতুন অধ্যায়ৰ আৰম্ভ হ'ল। নেহৰুৰ দৃষ্টিমতে ভাৰতৰ অৰ্থনৈতিক সমস্যাৱলীৰ সমাধান গণতান্ত্ৰিক সমাজবাদৰ ওপৰত হব লাগিব। আন আন সমস্যাৰ সমাধান সূত্ৰও গণতান্ত্ৰিক সমাজবাদত পোৱা যাব বুলিও নেহৰুৱে বিশ্বাস কৰিছিল। কিন্তু কংগ্ৰেছত তেওঁৰ সহকৰ্মী সকলৰ কম সংখ্যকেহে নেহৰুৰ দৃষ্টিভঙ্গী, বিশ্বাস আৰু

নীতি সমৰ্থন কৰিছিল ; সমাজবাদৰ অৰ্থ আৰু তাক কেনেকৈ প্ৰয়োগ কৰিব পাৰি সেই বিষয়ে আনকি গান্ধীজীৰো বিপৰীত মনোভাব আছিল।

১৯২৯ চনৰ লাহোৰ কংগ্ৰেছ অধিবেশনত সভাপতিত্ব কৰাৰ পিচৰে পৰা জৱাহৰলাল নেহৰুৰ ব্যক্তিত্ব, নেতৃত্ব আৰু প্ৰগতিবাদী মনোভাৱে দেশবাসীক দ্ৰুতগতিত আকৰ্ষণ কৰিবলৈ ধৰে। মহাত্মা গান্ধীৰ বাহিৰে কংগ্ৰেছৰ বাকী নেতাসকলে ভাৰতীয় জনতাৰ মাজত নেহৰুৰ স্থান অধিকাৰ কৰিব পৰা নাছিল। কিন্তু তাৰ কাৰণে চৰ্দাৰ বল্লভভাই পেটেল, মৌলানা কালাম আজাদ, নেতাজী সুভাষ চন্দ্ৰ বসু, বাবু ৰাজেন্দ্ৰ প্ৰসাদ প্ৰমুখ্যে নেতাসকল যে নেহৰুৰ বিৰোধী হৈ উঠিছিল এনে নহয় ; তথাপি নেহৰুৰ কাৰ্য্যপদ্ধতি, সমাজবাদৰ নীতি, আন্তৰ্জাতিক দৃষ্টিভঙ্গীৰ লগত তেওঁলোকৰ মত সম্পূৰ্ণভাবে এক নাছিল। গান্ধীজীয়ে কিন্তু নেহৰুক পূৰ্ণভাবে সমৰ্থন কৰিছিল, যদিও কোনো কোনো সময়ত নেহৰুৰ উগ্ৰ মনোভাবত গান্ধীজী কিছু পৰিমাণে চিন্তিত নোহোৱাকৈ থকা নাছিল। যেতিয়াই জৱাহৰলাল নেহৰু আৰু আন কংগ্ৰেছী নেতাসকলৰ মাজত কোনো বিষয়ে মতানৈক্যৰ উদ্ভৱ হৈছিল, তেতিয়া গান্ধীজীয়ে মধ্যস্থতা কৰিছিল আৰু নেহৰুক সমৰ্থন কৰিছিল। ইতিমধ্যে ১৯৩০ চনৰ গান্ধীজীৰ লোণ সত্যাগ্ৰহ, আইন অমান্য আন্দোলন, চাপ্ৰু-জয়াকাৰ প্ৰস্তাৱৰ যোগেদি ভাৰত-সমস্যা সমাধানৰ প্ৰচেষ্টা, বিলাতৰ ঘূৰণীয়া মেজ-মেল, দিল্লী চুক্তি, বিলাতত দ্বিতীয় ঘূৰণীয়া মেজ-মেল, ১৯৩২-৩৪ চনত পুনৰ আইন অমান্য আন্দোলন, সাম্প্ৰদায়িক চুক্তি, ১৯৩২ চনৰ চেপ্তেম্বৰৰ গান্ধীজীৰ আমৰণ অনশন, বিলাতত তৃতীয় ঘূৰনীয়া মেজ-মেল, ১৯৩৩ চনৰ মেই মাহৰ গান্ধীজীৰ ২১ দিনীয়া অনশন, য়ুৰোপত নাজীবাদৰ অভ্যুত্থান, ১৯৩৩ চনত ভাৰতত আইন-অমান্য আন্দোলনৰ বিপৰ্য্যয়, সাম্প্ৰদায়িক ৰাজনীতিৰ দ্বাৰা ভাৰতৰ মূল সমস্যাৰ ওপৰত বিৰূপ প্ৰতিক্ৰিয়া, বৃটিচ চৰকাৰৰ দ্বাৰা ভাৰতত দেশব্যাপী ধৰ-পাকৰ আৰু উৎপীড়ন আদিয়ে ভাৰতৰ মুক্তি সংগ্ৰামত ঘাত-প্ৰতিঘাতৰ সৃষ্টি কৰে।

জৱাহৰলালৰ ব্যক্তিগত জীৱনতো একাধিক বিপৰ্য্যয়ে নানা-ভাবে ৰেখাপাত কৰে। এই ঘটনাবোৰৰ ভিতৰত দেউতাক মতিলাল নেহৰুৰ মৃত্যু (১৯৩১ চন, ৬ ফেব্ৰুৱাৰী) আৰু তেওঁৰ পত্নী কমলা নেহৰুৰ মৃত্যু (চুইজাৰলেণ্ডত, ১৯৩৬ চন, ২৮ ফেব্ৰু-ৱাৰী) বিশেষভাবে উল্লেখযোগ্য। ঘৰুৱা জীৱনত হোৱা বিপৰ্য্যয়ৰ উপৰিও, জৱাহৰলালৰ ৰাজহুৱা জীৱনতো একাধিক ঘটনাই আগুৰি ধৰে যেনে ১৯৩০ চনত ১৪ এপ্ৰিলত লোণ-আইন ভঙ্গ কৰাৰ বাবে গ্ৰেপ্তাৰ আৰু ছমাহ কাৰাদণ্ড। এই ছমাহ কাল তেওঁ নাইনিতাল জেলত কটায়। জেলত থকা সময়ত দেউতাকে জৱাহৰলাললৈ ফলাহাৰ পঠাইছিল; কিন্তু তেওঁ জেললৈ সেইভাবে ফলাহাৰ পঠোৱাটো পচন্দ নকৰিছিল। এখন চিঠিত জৱাহৰলালে জেলৰ পৰা দেউতাকলৈ লিখিছিল যে তেওঁ অৰ্থাৎ দেউতাকে পঠোৱা ফল আদিৰে তেওঁ জেলত উৎসৱ পাতিব নোখোজে, কিয়নো জেলৰ বাহিৰত তেওঁৰ দেশবাসীৰ ওপৰত বৃটিচ চৰকাৰে গুলীচালনা কৰিছে, সামৰিক আইন জাৰি কৰিছে আৰু বহুত লোকক কাৰাদণ্ড দিছে। লোণ আইন ভঙ্গ কৰাৰ সংক্ৰান্ত তেওঁক ছমাহৰ যি ফাটেক দিয়া হৈছিল, সেই ম্যাদ শেহ হোৱাত ১৯৩০ চনৰ ১১ অক্টোবৰত জৱাহৰলালক মুক্তি দিয়া হৈছিল; কিন্তু কৰ বন্ধ কৰা আন্দোলনৰ সন্দৰ্ভত ১২ অক্টোবৰত এখন ৰাজহুৱা সভাত বক্তৃতা দিয়াৰ কাৰণে তেওঁ পুনৰ গ্ৰেপ্তাৰ হয় আৰু ১৯৩১ চনৰ ২৬ জানুৱাৰীত বিচাৰৰ মতে তেওঁ নাইনিতাল জেলত পুনৰ আৱদ্ধ হয়। এইয়া তেওঁৰ পঞ্চমবাৰ কাৰাবৰণ। ইতিমধ্যে বৃটিচ চৰকাৰে সেই সময়ত বনুৱা দলৰ চৰকাৰ আছিল আৰু ভাৰতৰ নেতাসকলৰ লগত আলাপ-আলোচনা কৰি ভাৰত-সমস্যাৰ নিষ্পত্তি কৰিবলৈ প্ৰচেষ্টা কৰিছিল; কিন্তু সেই প্ৰচেষ্টাৰ কোনো সুফল নহ'ল। তাৰ ফলত দেশত আকৌ চৰকাৰৰ দমন-নীতি চলিল। ১৯৩১ চনৰ ২৬ ডিচেম্বৰত জৱাহৰলাল পুনৰ গ্ৰেপ্তাৰ হ'ল—ষষ্ঠবাৰৰ কাৰণে। এই গ্ৰেপ্তাৰ আৰু বিচাৰ-প্ৰসঙ্গ বৰ আমোদজনক আছিল। যুক্ত প্ৰদেশ চৰকাৰে এলাহাবাদ পৌৰ এলেকা ত্যাগ কৰিবলৈ নিৰ্দেশ

দি নেহৰুৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰে; কিন্তু তেওঁ এই নিষেধাজ্ঞা ভঙ্গ কৰি কৃষকৰ মাজত কৰ-আন্দোলনৰ বাণী প্ৰচাৰ কৰে। তেতিয়া তেওঁক গ্ৰেপ্তাৰ কৰা হয়। চাৰি জানুৱাৰীত তেওঁৰ বিচাৰ হয়। বিচাৰৰ সময়ত তেওঁ হাকিমৰ ওচৰত কৃষকৰ সম্পৰ্কে এটা বিবৃতি দাখি ধৰিবলৈ ইচ্ছা প্ৰকাশ কৰি কৈছিল, 'মোৰ বিৰুদ্ধে ইয়াত যি বিচাৰ আৰম্ভ হৈছে তাত অংশ গ্ৰহণ কৰিবলৈ মোৰ সমূলি আগ্ৰহ নাই। কিন্তু কৃষকসকলে তেওঁলোকৰ সেৱা কৰিবলৈ মোক যি সুবিধা দিছে তাৰ বাবে তেওঁলোকৰ ওচৰত মই মোৰ কৃতজ্ঞতা জনাবলৈ ইচ্ছা কৰোঁ। মই ইয়াকো কবলৈ বিচাৰোঁ যে মই কৃষক ভাইসকলৰ বাবে গৌৰৱ অনুভৱ কৰোঁ, বিশেষকৈ মোৰ নিজা জিলা এলাহাবাদৰ কৃষক ভাইসকলৰ বাবে।'

কিন্তু নেহৰুৱে তেওঁৰ বক্তব্য শেষ নৌ কৰোঁতেই হাকিমজনে তেওঁক কৈছিল যে যিহেতু তেওঁ (নেহৰুৱে) কৃষকৰ কথা কবলৈ বিচাৰিছে সেই হেতুকে তাৰ অনুমতি দিব নোৱাৰে। অৱশ্যে হাকিমজনে ইয়াকো আঙুলিয়াই দিছিল যে যদি নেহৰুৱে কিবা মূল কথাৰ অৱতাৰণা কৰিব বিচাৰে, তেন্তে বিচাৰৰ কোঠালিৰ পৰা দৰ্শক বৃন্দক উলিয়াই দিব লাগিব আৰু তেতিয়াহে বিবৃতি দিবলৈ তেওঁক অনুমতি দিয়া হব। জৱাহৰলালে বিচাৰকৰ কথা শুনি প্ৰতি-বাদ কৰে মাটিত লেপেতা কাঢ়ি বহি পৰিছিল। পিচত নেহৰুৱে এটা লিখিত বিবৃতি দাখিল কৰে। এই বিবৃতিটো কিন্তু হাকিমজনে পাঠ নকৰিলে। বিবৃতিটো দিয়াৰ লগে লগে জৱাহৰলালে চিঞৰি কৈছিল : 'এই চৰকাৰ ছাঁই হৈ যাব।'

বিবৃতিটোত নেহৰুৱে কৈছিল : 'মোৰ বিৰুদ্ধে তোলা অভিযোগৰ বিষয়ে মই কোনো কথা কবলৈ নিবিচাৰো। কৃষকসকলৰ প্ৰতি মোৰ কৃতজ্ঞতা জনাবলৈ ইচ্ছা কৰো, বিশেষকৈ মোৰ জিলা এলাহাবাদৰ কৃষকসকলৰ প্ৰতি, কাৰণ তেওঁলোকে তেওঁলোকৰ সেৱা কৰিবলৈ মোক সুবিধা দিছে। তেওঁলোকৰ কাৰণে মই গৌৰৱ অনুভৱ কৰো। তেওঁলোকে একুৰা জুই জ্বলাইছে, এই জুই বিয়পি পৰিব আৰু বৃটিচৰ প্ৰভুত্ব আৰু শোষণ ছাঁই কৰি পেলাব; এই প্ৰভুত্ব আৰু শোষণে তেওঁ-

লোকৰ অৰ্থাৎ কৃষক শ্ৰেণীৰ জীৱনৰ ৰক্ত শুহি নিছে। এই যুদ্ধে অৱশেষত প্ৰভুত্ব আৰু শোষণ ব্যৱস্থা—যি ব্যৱস্থাই কৃষকক ঘূণীয়া কৰিছে আৰু তেওঁৰ শ্ৰমৰ ফলৰ পৰা বঞ্চিত কৰিছে—নিশ্চিহ্ন কৰিব। বহু বছৰ ধৰি এই উদ্দেশ্যে মই কাম কৰিছো আৰু যেতিয়ালৈকে মোৰ শক্তি থাকে তেতিয়ালৈকে মই যুঁজ অব্যাহত ৰাখিম। জেলৰ ভিতৰত মই বহুকথা চিন্তা কৰিম; কিন্তু মোৰ মনলৈ সঘনে আহিব গাঁৱৰ কথা, খেতিপথাৰৰ কথা য'ত মোৰ কৃষক বন্ধুসকলে শ্ৰম কৰে আৰু নিকাৰ ভুগে। মোৰ শুভেচ্ছা তেওঁলোকক জনাম। তেওঁলোকৰ সংগ্ৰাম যাতে ফলৱতী হয় তাৰ বাবে প্ৰাৰ্থনা কৰিম আৰু যাতে তেওঁ-লোকৰ বৰ্তমান কষ্ট আৰু নিকাৰ অতীতৰ কথা হৈ পৰে। যেতিয়া-লৈকে যুঁজ কৃতকাৰ্য্য নহব, তেতিয়ালৈকে কোনো আপোচ আৰু শান্তি হব নোৱাৰিব।'

বিচাৰত নেহৰুৰ দুবছৰ সশ্ৰম কাৰাদণ্ড হ'ল; জৰিমনাও হ'ল, জৰিমনা অনাদায়ে ছমাহ সশ্ৰম কাৰাদণ্ড। অৱশ্যে নেহৰুৱে জৰিমনা দিবলৈ সম্মত নহল। পিচত জৰিমনা আদায় কৰাৰ উদ্দেশ্যে নেহৰু পৰিয়ালৰ মটৰ গাড়ী এখন নিলাম কৰা হয়। এইবাৰৰ দীঘলীয়া কাৰাদণ্ডই জৱাহৰলালক ৰাজনীতিৰ পৰা বিচ্ছিন্ন কৰিলে। বিচ্ছিন্ন কৰিলে যদিও, তেওঁ জেলত ভাৰতৰ মুক্তি যুদ্ধৰ শেষ অধ্যায়ৰ বিষয়ে চিন্তা কৰিবলৈ সুযোগ পালে।

ছয়

ভাৰতৰ মুক্তি-সংগ্ৰাম আৰু ৰুছিয়া

ৰুছিয়াৰ ঐতিহাসিক অক্টোবৰ (১৯১৭) মহাবিপ্লৱে পণ্ডিত জৱাহৰ লাল নেহৰু প্ৰমুখ্যে ভাৰতীয় মুক্তিসংগ্ৰামী নেতাসকলক নানাভাৱে আকৰ্ষণ কৰিছিল। বিপ্লৱৰ প্ৰাক্-যুগতো ভাৰতৰ কেবাজনো লেখক, সাংবাদিক আৰু চিন্তাশীল লোকক বিভিন্ন ক্ষেত্ৰত প্ৰভাৱান্বিত কৰিছিল। দুয়োখন দেশৰ জনসাধাৰণৰ মাজত যোগসূত্ৰ থকাৰ যথেষ্ট তথ্যপাতি পোৱা যায়। এই যোগসূত্ৰ কেতিয়াবা প্ৰকাশ হৈছিল, কেতিয়াবা প্ৰকাশ হোৱা নাছিল; তথাপি এটা কথা নিশ্চিতভাবে কব পাৰি যে ১৯০৫ চনত যেতিয়া ৰুছিয়াৰ জনসাধাৰণে ৰুছ শাসক জাৰৰ বিৰুদ্ধে থিয় দিয়ে, সেই সময়ত ভাৰতত বংগ-ভংগ আন্দোলনৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ মুক্তি-সংগ্ৰামৰ ইতিহাসত এটা উল্লেখযোগ্য অধ্যায়ৰ আৰম্ভ হয়। তেতিয়াৰ পৰা দুয়োখন দেশৰ স্বাধীনচেতা লোকসকলে ভাবৰ আদান-প্ৰদান কৰিবলৈ ধৰে।

কুৰি শতিকাৰ প্ৰথম দুটা দশকত বিখ্যাত ৰুছ লেখক আৰু চিন্তাশীল ব্যক্তি লিও টলষ্টয়ে ভাৰতৰ কেবাজনো লোকক আকৰ্ষণ কৰিছিল। ১৮৯৬ চনৰ পৰা টলষ্টয় আৰু ভাৰতীয় এচাম লোকৰ মাজত চিঠি-পত্ৰৰ আদান-প্ৰদান চলিছিল। এই ভাৰতীয় লোকসকলৰ ভিতৰত উপেন্দ্ৰ কুমাৰ দত্ত নামৰ এজনে টলষ্টয়লৈ এখন চিঠি লিখে। তাৰ পিছত মাদ্ৰাজত প্ৰকাশিত 'আৰ্য্য' নামৰ সামাজিক ৰাজনৈতিক আলোচনীৰ সম্পাদক ৰামশেচন ১৯০১, লাহোৰৰ 'ৰিভিউ অব্ ৰিলিজিয়ন'ৰ সম্পাদক মহম্মদ চাদিক, 'লাইট অব্ ইণ্ডিয়া'ৰ সম্পা-

দক ভাই পৰমানন্দ (এওঁ আমেৰিকাৰ লচ্ এঞ্জেলচ্‌ৰ পৰা এই আলোচনীখন প্ৰকাশ কৰিছিল), মাদ্ৰাজৰ 'দি নিউ ৰিফৰ্মাৰ'ৰ সম্পাদক, প্ৰবক্তা আৰু প্ৰকাশক ডি-গোপাল চেট্টি, লণ্ডনত প্ৰকাশিত 'লাইট অব্ দি ৱাৰ্ড আলোচনীৰ সম্পাদক আবদুল্লা আল মামুন, 'দি ভেদিক মেগাজিন'ৰ সম্পাদক ৰামদেব প্ৰমুখ্যে কেইবাজনো ভাৰতীয় সাংবাদিকে টলষ্টয়ৰ লগত চিঠিৰে যোগাযোগ স্থাপন কৰিছিল। এই চাৰি পত্ৰলেখকে টলষ্টয়ক মাত্ৰ এটা কথা জনাইছিল আৰু সেইটো আছিল মাতৃভূমি ভাৰতৰ দুৰ্দশাৰ কথা। তেওঁলোকে ভাৰতীয় সমস্যাৰ বিষয়ে মহামতি টলষ্টয়ৰ মনোযোগ আকৰ্ষণ কৰি তেওঁৰ পৰামৰ্শ বিচাৰিছিল আৰু তেওঁলোকৰ কেইবাজনেও টলষ্টয়ৰ পৰা উত্তৰ পাইছিল।

'আৰ্য্য'ৰ সম্পাদক ৰামশেচনে টলষ্টয়ৰ চিঠিখন প্ৰকাশ কৰিছিল। সেই চিঠিৰ ওপৰত মাদ্ৰাজৰ 'হিন্দু' বাতৰি কাকতে এটি চমু সম্পাদকীয় লিখিছিল আৰু টলষ্টয়ৰ উক্তিৰ প্ৰতি ভাৰতবাসীৰ মনোযোগ আকৰ্ষণ কৰিছিল। 'ডি নিউ ৰিফৰ্মাৰ'ৰ সম্পাদক ডি গোপাল চেট্টিয়ে এখন চিঠিত টলষ্টয়লৈ লিখিছিলঃ 'আপোনাৰ কথাবোৰে মোক বিশেষভাবে আকৰ্ষণ কৰিছে। সেইকাৰণে বহুদিনৰ পৰা মই আপোনাক গুৰু বুলি বিবেচনা কৰি আহিছোঁ।' 'বিহাৰী' নামৰ বাতৰিকাকত এখনে 'আমি মুক্তভাবে কব খোজো' শিৰোনামত (১৯০৭ চন, ২২ জুলাই) লিখিছিল ঃ 'কাউণ্ট লিও টলষ্টয়ে কৈছে যে মুষ্টিমেয় ইংৰাজে ভাৰতৰ অগণন লোকক দাসত্বৰ তললৈ আনিব নোৱাৰিলেহেঁতেন যদিহে তেওঁলোকে অৰ্থাৎ ভাৰতবাসীয়ে বৃটিচ সেনাবাহিনীত যোগ নিদিলেহেঁতেন আৰু বৃটিচ চৰকাৰক কৰ নোশোধালেহেঁতেন। এই স্পষ্ট কথা আজি ভাৰতত আৱশ্যক হৈছে।'

লিও টলষ্টয়ে ৰুছিয়াৰ জাৰৰ কুশাসন যিভাৱে সমালোচনা কৰিছিল, তাক পঢ়ি কেবাজনো ভাৰতীয় প্ৰবাসী লোকে বিদেশৰপৰা চিঠি লিখি ভাৰতত বৃটিচ চৰকাৰৰ অত্যাচাৰ সমালোচনা কৰিবলৈ টলষ্টয়ক অনুৰোধ কৰিছিল। যুক্তৰাষ্ট্ৰৰ ছিটলত প্ৰকাশিত 'ফ্ৰি হিন্দুস্থান' নামৰ আলোচনীৰ সম্পাদক তাৰক নাথ দাসে ১৯০৮ চনৰ



জৱাহৰলাল নেহৰু আৰু লিওনিড ব্ৰেজনেভৰ মস্কোত লোৱা ছবি, ১৯৬১

২৪ মে তাৰিখে তেনে এখন চিঠি লিখে। তাত তেওঁ লিখিছিল ঃ ‘মানৱসেৱাত ব্ৰতী ব্যক্তিসকলৰ মাজত আপোনাৰ নামটো সুপৰিচিত। আপুনি ৰুছিয়াৰ দলিত শ্ৰেণীৰ হিদবে প্ৰতিনিধিত্ব কৰিছে তাৰ দ্বাৰা সভ্য জগতৰ চকু মেল খাইছে। আপুনি তেওঁলোকৰ সমৰ্থন লাভ কৰিছে। ৰুছিয়াৰ জনসাধাৰণ নিশ্চয় উৎপীড়িত হৈছে, কিন্তু তেওঁলোকৰ উৎপীড়ন ভাৰতৰ জনসাধাৰণৰ উৎপীড়নৰ তুলনাত নগণ্য।’ তেওঁৰ চিঠিত তাৰক নাথ দাসে ভাৰতীয় লোকৰ উৎপীড়নৰ সমস্যাটো টলষ্টয়ে হাতত লব লাগে বুলি অনুৰোধ কৰি লিখিছিল ঃ ‘আপুনি আপোনাৰ সাহিত্যৰ যোগেদি ৰুছিয়াৰ মহৎ উপকাৰ কৰিছে। ভাৰত সম্পৰ্কেও আপুনি এটা প্ৰবন্ধ লিখি আপোনাৰ মত দাঙি ধৰিবলৈ অনুৰোধ কৰিলো। ভাৰতৰ লাখ লাখ ভোকাতুৰৰ হৈ মই আপোনাক অনুৰোধ জনাওঁ আপুনি যেন ভাৰতৰ হকে কাম কৰে।’

তাৰক নাথ দাসৰ উপৰিও আন এজন ভাৰতীয় জি-ডি কুমাৰৰ অনুৰোধ ক্ৰমে ১৯০৮ চনৰ ১৪ ডিচেম্বৰত ‘এজন হিন্দুলৈ’ শিতানৰ চিঠিত টলষ্টয়ে লিখিছিল ঃ ‘হিন্দুসকলক হিংসাৰ দ্বাৰা বশ কৰা হৈছে আৰু তাৰ বাবে হিন্দুসকল দায়ী, কাৰণ হিন্দুসকলে হিংসাত বিশ্বাস কৰিছিল আৰু এতিয়াও হিংসাত বিশ্বাস কৰে আৰু তেওঁলোকে মানৱ জাতিৰ চিৰন্তন প্ৰেমৰ নীতি স্বীকাৰ নকৰে। প্ৰেমৰ নীতিয়ে প্ৰতিৰোধ কৰিবলৈ শিকায়। প্ৰেমৰ নীতি বিশ্বাস কৰিলে কোনো লোকে লাখ লাখ মানুহক বশ কৰিব নোৱাৰে। অন্যায় প্ৰতিৰোধ কৰিবা, কিন্তু তোমালোকেও অন্যায় কাম নকৰিবা, প্ৰসাশনৰ কু-কাৰ্য্যত সহযোগ নকৰিবা, আইন প্ৰশাসনতো সহযোগ নকৰিবা, কৰ নিদিবা, সেনাবাহিনীত যোগ নিদিবা ; তেতিয়া তোমালোকক কোনেও দাসত্বৰ তলত আনিব নোৱাৰিব।’

টলষ্টয়ৰ এই চিঠিখনে ভাৰতৰ বিভিন্ন মতাৱলম্বীলোকৰ মাজত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে ; আনকি ভাৰতৰ ৰাজনীতিৰ নৰমপন্থী শ্ৰেণীৰ মাজতো তাৰ শুভ প্ৰতিক্ৰিয়া হৈছিল। আনহাতে চৰমপন্থী শ্ৰেণীৰ লোকসকলে টলষ্টয়ৰ অহিংস নীতিৰ সমালোচনা কৰিছিল।

মহাত্মা গান্ধীৰ পক্ষে টলষ্টয় গুৰু সদৃশ আছিল। টলষ্টয়ৰ দৰ্শন আৰু চিন্তাধাৰাই গান্ধীজীৰ মনত প্ৰভূতভাৱে ৰেখাপাত কৰিছিল। গান্ধীজী দক্ষিণ আফ্ৰিকাত ২১ বছৰ আছিল। সেই সময়ছোৱাত টলষ্টয়ে গান্ধীজীৰ মনক যিদৰে গঢ় দিছিল আন কোনেও তেনেদৰে গঢ় দিয়া নাছিল। অৱশ্যে ৰাস্কিন আৰু থ'ৰো আন দুজন মনীষীয়েও গান্ধীজীৰ ভাবধাৰাত বিশেষ প্ৰভাৱ আনিছিল; তথাপি টলষ্টয়ৰ প্ৰভাৱ অদ্বিতীয় আছিল। 'কিংডম অব্ গড্ উইদিন ইউ' নামৰ টলষ্টয়ে লিখা পুথিখনে অহিংস নীতি গ্ৰহণ কৰাত গান্ধীজীক স্থায়ীভাবে সহায় কৰিছিল। গান্ধীজীয়ে তেওঁৰ 'মাই এক্সপেৰীমেণ্ট উইথ ট্ৰুথ' অৰ্থাৎ 'সত্য অন্বেষণৰ কাহিনী' তথা আত্ম-জীৱনীত এই কথা স্বীকাৰ কৰিছে। ১৯৬০ চনৰ ৩০ জুনত ভাৰত-ছোভিয়েত মৈত্ৰী সম্পৰ্কে মস্কোৰ ক্ৰেমলিনত দিয়া ভাষণত ৰাষ্ট্ৰপতি ডাঃ ৰাজেন্দ্ৰ প্ৰসাদে তাৰ উল্লেখ কৰিছিল। গান্ধীজীৰ নিজৰ ভাষাত ঃ টলষ্টয়ৰ 'দি কিংডম অব্ গড উইদিন ইউ' নামৰ কিতাপখনে মোক অত্যন্ত মুগ্ধ কৰিছিল। কিতাপখনে মোৰ জীৱনত এটা স্থায়ী সাঁচ বহুৱাইছিল। কিতাপখনত সন্নিবিষ্ট স্বাধীন চিন্তা, গূঢ় নৈতিকতা আৰু সত্যবাদিতাৰ আগত মিঃ কোটে দিয়া বাকী কিতাপবোৰ তেনেই নগণ্য।

টলষ্টয়ৰ 'হোৱাট ইজ্ আৰ্ট', 'দি শ্লেভাৰী অব আৱাৰ টাইম্‌চ', 'দি ফাৰ্ষ্ট ষ্টেপ', 'হাও চেল উই ইস্কেপ' 'লেটাৰ টু এ হিন্দু', কিতাপবোৰো গান্ধীয়ে পঢ়িছিল। টলষ্টয়ৰ এই কিতাপ কিখনৰ উপৰিও থ'ৰৰ 'অন দি দিউটি অব চিভিল ওবেডিয়েন্স', 'লাইফ উইদাউত প্ৰিঞ্চিপ'ল,' ৰাস্কিনৰ 'আন টু ডি লাষ্ট', 'এ জয় ফৰ এভাৰ' কিতাপ কেইখনো গান্ধীজীয়ে পঢ়িছিল আৰু নিজক অহিংস নীতিত পৰিচালিত কৰিবলৈ প্ৰস্তুত কৰিছিল। মহাত্মা গান্ধীৰ ৰচিত 'হিন্দ স্বৰাজ' বা 'ইণ্ডিয়ান হ'ম ৰুল' নামৰ কিতাপত (১৯০৮) তাক উল্লেখ কৰা আছে। ১৯২১ চনত জনৈক সংবাদসেৱীয়ে গান্ধীজীৰ পৰা ২৪টা প্ৰশ্নৰ উত্তৰ বিচাৰিছিল। এই প্ৰশ্নকেইটাৰ উত্তৰ গান্ধীজীয়ে তেওঁৰ 'ইয়ং ইণ্ডিয়া' কাকতত প্ৰকাশ কৰিছিল। প্ৰশ্নকেইটাৰ ভিতৰৰ এটা প্ৰশ্নৰ দ্বাৰা টলষ্টয়ৰ লগত গান্ধীজীৰ কি সম্পৰ্ক তাক সোধা হৈছিল। উত্তৰত গান্ধীজীয়ে

কৈছিল ঃ 'তেওঁৰ একান্ত গুণমুগ্ধ হিচাপে তেওঁৰ সৈতে মোৰ সম্পর্ক মোৰ জীৱনৰ বহু কথাৰ কাৰণে, মই তেওঁৰ ওচৰত ঋণী।' মহাত্মা গান্ধীৰ অহিংস নীতি যে টলষ্টয়ৰ দর্শন ভিত্তিত ৰচিত সি সম্পূর্ণ সত্য। এই দৃষ্টি কোণৰপৰা বিচাৰ কৰিলে স্বীকাৰ কৰিব লাগিব যে ভাৰতৰ মুক্তি যুদ্ধৰ ওপৰত টলষ্টয়ৰ চিন্তাধাৰাই গভীৰভাৱে ৰেখাপাত কৰিছিল।

জৱাহৰলাল নেহৰুৱে গান্ধী আৰু টলষ্টয়ৰ মাজত থকা সম্পর্কে তেওঁৰ 'দি ডিচ্‌কভাৰী অব্‌ ইণ্ডিয়া' নামৰ গ্রন্থত লিখিছে ঃ 'দুয়োজনে (গান্ধী আৰু টলষ্টয়) অহিংস নীতিৰ ওপৰত পৰম বিশ্বাস কৰিছিল। টলষ্টয়ৰ মতে অহিংস নীতি যীশুখ্রীষ্টৰ মূল ধর্ম আৰু গান্ধীজীয়ে সেই কথা পুৰণি শাস্ত্রৰ পৰা আহৰণ কৰিছিল। টলষ্টয় এজন দার্শনিক আছিল আৰু তেওঁৰ দর্শন মতে তেওঁ নিজক পৰিচালিত কৰিছিল। কিন্তু তেওঁ পৃথিৱীৰ পৰা বিচ্ছিন্ন আছিল। দেখাত টলষ্টয়ৰ এই আওকলীয়া নীতিক গান্ধীজীয়ে কিন্তু দক্ষিণ আফ্রিকা আৰু ভাৰতৰ জনতাৰ সমস্যা সমাধান কৰাত প্রয়োগ কৰিছিল।'

দক্ষিণ আফ্রিকাত সত্যাগ্রহ আন্দোলনত অহিংস নীতি প্রয়োগ কৰি গান্ধীজী কৃতকার্য্য হৈছিল। ভাৰতলৈ প্রত্যাবর্তন কৰি গান্ধীজীয়ে যেতিয়া মুক্তি সংগ্রামৰ গুৰি ধৰে, তেতিয়া গান্ধীজীয়ে টলষ্টয়ৰ পৰা সংগ্রহ কৰা অহিংস নীতিক ব্রহ্মাস্ত্র হিচাবে ব্যৱহাৰ কৰিছিল। গতিকে ভাৰতৰ স্বাধীনতা আন্দোলনৰ ওপৰত ৰুছ মনীষী টলষ্টয়ৰ প্রভাৱ, বিশেষকৈ ১৯২০ চনৰ পিচত, অত্যন্ত লেখত লবলগীয়া আছিল।

সেইদৰে ৰুছিয়াৰ আন দুজন চিন্তাশীল ব্যক্তি লেনিন আৰু কার্ল মার্ক্সে ভাৰতৰ অন্যতম মুক্তি যোদ্ধা জৱাহৰলাল নেহৰুক প্রগতিবাদী হবলৈ প্রেৰণা যোগাইছিল। গান্ধীজীয়ে টলষ্টয়ৰ অহিংস নীতি আৰু দর্শনক তেওঁৰ ১৯২০-২১ চনৰ অসহযোগ আন্দোলন, ১৯৩০-৩২ চনৰ আইন অমান্য আন্দোলন আৰু ১৯৪২ চনৰ ভাৰত-ত্যাগ আন্দোলনত নীতি হিচাবে প্রয়োগ কৰিছিল। সেইদৰে জৱাহৰলাল নেহৰুৱে লেনিন আৰু কার্ল মার্ক্সৰ সমাজবাদৰ ভিত্তিত ভাৰতৰ সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাক গঢ় দিছিল।

ইতিহাসৰ দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলেও দেখা যায় যে, ১৯০৪-০৫ চনত ৰুছিয়া আৰু জাপানৰ মাজত হোৱা যুদ্ধত যেতিয়া জাপান জয়ী হয়, তেতিয়া ভাৰতৰ জনসাধাৰণৰ মাজত আনন্দৰ সৃষ্টি হয়। জাপানৰ জয়ে ভাৰতবাসীৰ মনলৈ এনে এটা বিশ্বাস আনিছিল যে যিহেতু এচিয়াৰ ৰাষ্ট্ৰ জাপানে ৰুছিয়াৰ মহা পৰাক্ৰমী শাসক জাৰক পৰাস্ত কৰিব পাৰিছে, সেই হেতুকে এচিয়াৰ অন্যতম ৰাষ্ট্ৰ ভাৰতে মহা পৰাক্ৰমী বৃটেইনক পৰাস্ত কৰি সাম্ৰাজ্যবাদৰ পৰা ভাৰতক মুক্ত নকৰাৰ কোনো কাৰণ থাকিব নোৱাৰে।

প্ৰকৃত পক্ষে ৰুছিয়াৰ বিপ্লৱ ১৯০৫ চনৰ ২২ জানুৱাৰীত আৰম্ভ হয় বুলি কঁব পাৰি। সেই ঐতিহাসিক দিনটোত ৰুছিয়াৰ শ্ৰমিক, মহিলা আৰু শিশুৰ সমদলে ৰুছিয়াৰ জাৰৰ ওচৰত মানুহৰ সাধাৰণ স্বত্বৰ বাবে থিয় দিয়ে। তাৰ প্ৰত্যুত্তৰ স্বৰূপে সাম্ৰাজ্যবাদী জাৰে সমদলৰ ওপৰত গুলীবৰ্ষণ কৰে। সেই দিনটো ৰুছিয়াৰ বুৰঞ্জীত 'ৰক্তাক্ত দেওবাৰ' বা 'ব্লাডি চান্‌দে' বুলি জনাজাত। সেই কাৰণে এই স্মৰণীয় দিনটোক ৰুছ বিপ্লৱৰ পাতনি বুলি কলে অত্যুক্তি কৰা নহয়। ৰক্তাক্ত দেওবাৰৰ ঘটনাৰ প্ৰতিবাদকল্পে ৰুছিয়াৰ ৰাজধানী পিটাৰ্চবাৰ্গত শিল্প আৰু ৰেলকৰ্মীৰ ধৰ্মঘট হয়; লগে লগে ৰুছিয়াৰ আন আন ঠাইতো ধৰ্মঘট হবলৈ ধৰে আৰু তাৰ ফলত ৰুছিয়াৰ অৰ্থনৈতিক জীৱন অচল অৱস্থাত পৰে। এই আন্দোলনৰ তীব্ৰতা ইমান বেছি হবলৈ ধৰে যে ৰুছিয়াৰ কুখ্যাত জাৰে ডুমা অৰ্থাৎ পালিয়ামেণ্ট আহ্বান কৰি দেশত সাংবিধানিক শাসন প্ৰবৰ্তন কৰিবলৈ প্ৰচেষ্টা কৰে। ১৯০৫ চনৰ ২২ জানুৱাৰীৰ 'ৰক্তাক্ত দেওবাৰ' সন্দৰ্ভত লেনিনে এনেদৰে লিখিছিল: 'পৃথিৱীৰ পুঁজিবাদ আৰু ৰুছিয়াৰ ১৯০৫ চনৰ আন্দোলনে শেহান্তৰত এচিয়াক উদ্বুদ্ধ কৰিলে। পদদলিত আৰু উপেক্ষিত লাখ লাখ জনতা মধ্যযুগীয়া স্থবিৰতা এৰি এটা নব চেতনাত জাগ্ৰত হ'ল আৰু গণতন্ত্ৰই মানৱ জাতিৰ বুনিয়াদী স্বত্ব সাব্যস্ত কৰাৰ বাবে সংগ্ৰামৰ সচনা কৰিলে (সংগৃহীত লেনিন ৰচনাৱলী, অষ্টম খণ্ড, ৪৬ পৃষ্ঠা)। ৰুছি-

য়াৰ এই আন্দোলনৰ প্ৰতিক্ৰিয়া আনকি ইৰাণ, তুৰস্ক আৰু পিচত চীনতো পৰিলক্ষিত হৈছিল।

১৯০৫ চনটো ভাৰতৰ বুৰঞ্জীতো লেখত লবলগীয়া বছৰ। এই বছৰত বৰলাট লৰ্ড কৰ্জনে বঙ্গ-ভঙ্গৰ আঁচনি প্ৰবৰ্তন কৰে। এই প্ৰস্তাৱে ভাৰতীয় মুক্তি-সংগ্ৰামত প্ৰবল প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হৈছিল যদিও, প্ৰায় কুৰি বছৰ কাল কংগ্ৰেছ অনুষ্ঠানত নৰমপন্থী নীতিৰ অনুষ্ঠান হিচাবে কাম-কাজ হৈছিল। ১৯০৫ চনৰ বঙ্গ-ভঙ্গ আঁচনিৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছত নতুন যুগৰ সূচনা হয়। সেই বছৰৰ ২২ জানুৱাৰীত ৰুছিয়াৰ পিটাৰ্চবাৰ্গত যি আন্দোলনৰ সূত্ৰপাত হয় সেই আন্দোলনে ভাৰতৰ মুক্তি-সংগ্ৰামীসকলৰ মাজত উৎসাহ আৰু উদ্দীপনাৰ সৃষ্টি কৰে। সেই সময়ত ইংৰাজৰ দ্বাৰা পৰিপুষ্ট আৰু পৰিচালিত ভাৰতৰ বাতৰিকাকত শ্ৰেণীত ৰুছিয়াৰ ঘটনাৱলীৰ প্ৰকৃত বিৱৰণ প্ৰকাশ হোৱা নাছিল; তথাপি ৰুছিয়াত যে গণতন্ত্ৰ প্ৰয়াসী ৰাইজ আৰু জাৰৰ একনায়কত্ববাদী শাসনৰ মাজত সংঘৰ্ষ হৈছিল, ভাৰতীয় জাতীয়তাবাদী নাগৰিকসকলে সেই কথাৰ ভু ৰাখিছিল। এই সম্পৰ্কে কলিকতাৰ এখন বাতৰি কাকতে—অমৃত বাজাৰ পত্ৰিকা—পোনপটিয়াকৈ মন্তব্য কৰিব নোৱাৰি দাৰ্শনিক সুৰত এইদৰে লিখি-ছিল: 'মানুহৰ ভিতৰত নিহিত ঈশ্বৰত্ব কোনেও একোপধ্যেই ধ্বংস কৰিব নোৱাৰে। ৰুছিয়াৰ বৰ্তমান ঘটনাই সেইটো আমাক যেন সোঁৱৰাই দিছে। ৰুছিয়াৰ দলিত কৰ্মীবৃন্দই যে নিজৰ শক্তি বিকাশ কৰিব আৰু বংশানুক্ৰমে চলি থকা প্ৰভুসকলৰ বিৰুদ্ধে যুঁজিব, তাক কোনোৱাই আশা কৰিছিল নে?······ মদগৰ্বী প্ৰভুসকলে যদি ভাবে যে প্ৰজাসকলক তেওঁলোকে সদায় দাস হিচাপে ৰাখি প্ৰজাসকলক নিজৰ ন্যায্য স্বত্বৰ পৰা বঞ্চিত কৰিব পাৰিব তেন্তে এই প্ৰভুসকল এখন মূৰ্খৰ স্বৰ্গৰাজ্যত বাস কৰিছে। পদ্মা নদীৰ গতি হয়তো কেতিয়াবা ৰোধ কৰিব পৰা যাব, কিন্তু মানৱ জাতিয়ে নিজৰ স্বত্ব সাব্যস্ত কৰাৰ প্ৰচেষ্টাক কোনেও ৰোধ কৰিব নোৱাৰে। (অমৃত বাজাৰ পত্ৰিকা, ৩০ জানুৱাৰী, ১৯০৫)।

ভাৰতৰ জাতীয় আন্দোলনৰ ওপৰত ৰুছিয়াৰ বিপ্লৱমুখী আন্দোলন সম্পৰ্কে বিহাৰৰ এজন খ্যাতনামা লেখকে 'চেন্‌জিং মোদচ্ অব্ নেচনেল মুভমেন্ট' নামৰ পুথিত এইদৰে লিখিছিল : 'য়ুৰোপত এটা বিপ্লৱমুখী আন্দোলনে জাৰৰ একনায়কত্ববাদক আক্ৰমণ কৰিলে আৰু সেই আন্দোলনৰ আংশিক কৃতকাৰ্য্যতা হিচাবে ১৯০৫ চনত (ডুমা ৰাইজৰ প্ৰতিনিধিত্ব কৰা সংসদ) প্ৰতিষ্ঠা হ'ল। তাৰ ফল স্বৰূপে ভাৰতত জাতিয়তাবাদীসকলে বিদেশী শক্তিৰ ক্ষমতাক প্ৰত্যা-হ্বান কৰি তেওঁলোকৰ উদ্দেশ্যৰ সফলতাৰ বাবে আশান্বিত হবলৈ সক্ষম হ'ল।'

বৰলাট লৰ্ড কৰ্জনৰ বঙ্গ-ভঙ্গৰ প্ৰস্তাৱ বদ কৰি বঙ্গদেশ আৰু পূৰ্ববঙ্গ অসমৰ চামিল কৰণৰ কাৰণে বঙ্গদেশত স্বদেশী আন্দোলন আৰম্ভ হয় ১৯০৫ চনত। এই আন্দোলন ইমান ব্যাপক আৰু তীব্ৰ হৈ পৰিছিল যে তাক দমন কৰিবলৈ চৰকাৰে কঠোৰ উৎপীড়ন ব্যৱস্থা লয়। এই দমন-নীতিৰ বিৰুদ্ধে বিলাতৰ 'মান-চেষ্টাৰ গাৰ্ডিয়ান', 'ডেইলী এক্সপ্ৰেচ' বাতৰি কাকতেও বৃটিচ চৰকাৰৰ নীতিৰ চোকা সমালোচনা কৰিছিল। এই বাতৰিকাকতবোৰে কবলৈ বাধ্য হৈছিল যে জাৰৰ তলত ৰুছিয়াৰ জনসাধাৰণক সেই সময়ত যি উৎপীড়ন কৰা হৈছিল, ভাৰতীয় ৰাইজ বিশেষকৈ স্বদেশী আন্দো-লনত লিপ্ত লোকসকলক তাতকৈ বেছি উৎপীড়ন কৰা হৈছে আৰু এনে কামক জঘন্য বুলি বাতৰিকাকত কেইখনে আখ্যা দিছিল। ভাৰতীয় মুক্তি-আন্দোলনৰ অন্যতম নেতা গোপাল কৃষ্ণ গোখলে লণ্ডনৰ ফেবিয়ান চ'চাইটিত ১৯০৫ চনৰ ৯ নবেম্বৰত ভাৰত চৰকাৰক সমা-লোচনা কৰি কৈছিল : 'আচলতে ভাৰতৰ চৰকাৰ-ব্যৱস্থা ৰুছিয়াৰ (জাৰৰ) ব্যৱস্থাৰ আহিত গঠিত।' বৃটিচ পাৰ্লিয়ামেন্টৰ সদস্য চাৰ হেন্‌ৰী কটনে—এওঁ পিচত অসমৰ চীফ্ কমিচনাৰ হয়—ভাৰত চৰকাৰৰ দমন-নীতিৰ কটু সমালোচনা কৰিছিল। তেওঁ কৈছিল : 'ভাইচৰয়ৰ পৰা আৰম্ভ কৰি নিম্ন স্তৰলৈ বৰ্তমান ভাৰতৰ শাসন একনায়কত্ববাদৰ ওপৰত ভিত্তি কৰি চলোৱা হৈছে যি দৰে ৰুছিয়াত জাৰৰ একনায়কত্ববাদী শাসন চলিছে।'

বৃটেইনৰ অন্যতম প্ৰগতিবাদী নেতা এইচ্-এম্ হাইণ্ডমেন নামৰ এজন লোকেও বৃটিচ চৰকাৰৰ নীতি সমালোচনা কৰিছিল আৰু কৈছিল ঃ 'ৰুছিয়াৰ জনতাই আন্দোলন কৰাটো যদি যুক্তিযুক্ত হয় —আৰু মই ভাবোঁ তেনে আন্দোলন কৰাটো উচিত হৈছিল—ইংৰাজ পৰিয়ালৰ এজন হিচাবে মই কবলৈ বাধ্য হৈছোঁ যে ইংৰাজে হিন্দুস্তানক যিভাবে বশ আৰু লুণ্ঠন কৰিছে, তেনে কুখ্যাত আৰু সৰ্বনাশী শাসন ওফৰাবলৈ ভাৰতবাসীয়ে যি প্ৰচেষ্টা চলাইছে, সেই প্ৰচেষ্টা ৰুছ জনসাধাৰণে জাৰৰ শাসনৰ বিৰুদ্ধে কৰা প্ৰচেষ্টাতকৈ বেছি যুক্তিযুক্ত হৈছে।'

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে ১৯০৫ চনত পিটাৰ্চবাৰ্গত ৰুছ জনতাই জাৰৰ বিৰুদ্ধে যি আন্দোলনৰ পাতনি মেলিছিল আৰু সেই বছৰতে বঙ্গদেশত বৃটিচ চৰকাৰৰ বঙ্গ-ভঙ্গৰ সন্দৰ্ভত যি স্বদেশী আন্দোলন হৈছিল এই দুটা আন্দোলনৰ মাজত কিছু মিল আছিল, কাৰণ দুয়োটা আন্দোলন জনতাৰ আন্দোলন আছিল। দুয়োটা আন্দোলনৰ উদ্দেশ্য আছিল উৎপীড়ন আৰু একনায়কত্ববাদৰ ঠাইত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ আন্দোলন।

ইপিনে ভাৰতীয় আন্দোলনত জড়িত একাধিক নেতা ৰুছ সমাজবাদী কাৰ্ল মাৰ্ক্সৰ দ্বাৰা প্ৰভাৱান্বিত হবলৈ ধৰে। বঙ্গদেশৰ কেশব চন্দ্ৰ সেন আৰু বোম্বাইৰ দাদাভাই নৌৰজী কাৰ্ল মাৰ্ক্সৰ সমসাময়িক আছিল। গোপাল কৃষ্ণ গোখলে আৰু মহামান্য তিলক লেনিনৰ সমসাময়িক আছিল। ইংলেণ্ডৰ প্ৰগতিবাদী আৰু সমাজবাদী হাইণ্ডমেন, ৱিট্ৰাইচ, চিডনে ওৱেব আৰু লৰ্ড লেণ্ডচবুৰী নেতা সকলৰ লগত ভাৰতৰ জাতীয়তাবাদী নেতা সকলৰ লগত সংযোগ স্থাপন হৈছিল। লালা লাজপত ৰায় আৰু জোচিয়া ৱাজেদ বেনৰ পৰম বন্ধু আছিল। লালা লাজপত ৰায় বৃটিচ শ্ৰমিক দলৰ দহ বছৰ কাল সভ্যও আছিল। বৃটিচ শ্ৰমিক দলৰ অন্যতম নেতা কেইথ হাৰ্ডিঞ্জ লালা লাজপত ৰায়ৰ বন্ধু আছিল আৰু এওঁ ১৯০৬ চনত জাৰ্মানীৰ ষ্টুটগাৰ্ট চহৰত অনুষ্ঠিত চ'চিয়েলিষ্ট ইণ্টাৰনেচনেল সভাত যোগদান কৰিছিল।

দেখা যায় ১৯০৫ৰ পৰা ১৯১৭ চনলৈ এই সময়ছোৱাত ভাৰতৰ জাতীয়তাবাদী নেতা সকলে য়ুৰোপত প্ৰগতিবাদী আৰু সমাজবাদী নেতাসকলৰ সৈতে বিভিন্ন প্ৰকাৰে সংযোগ ৰাখি ভাৰতীয় জাতীয় আন্দোলন তথা ৰাজনীতিৰ ধাৰাত নতুন চিন্তাৰ সঞ্চাৰ কৰিছিল। ভাৰতৰ এই নেতা চাম মধ্যবিত্ত শ্ৰেণীৰ আছিল যদিও, তেওঁলোকে শ্ৰমিক আৰু কৃষকৰ হকে কাম কৰিছিল; বিশেষকৈ ১৯১৭ চনৰ বলচেভিক বিপ্লৱৰ সফলতাই ভাৰতীয় নেতা সকলৰ মাজত যেনেকৈ আশাবাদৰ সৃষ্টি কৰিছিল সেইদৰে ভাৰতৰ আন্দোলনমুখী জনতাক নতুন প্ৰেৰণা যোগাইছিল। সেই সময়ত বঙ্গদেশ আৰু ভাৰতৰ আন আন অঞ্চলত এচাম সন্ত্ৰাসবাদী লোক ওলায়, কাৰণ তেওঁলোকে অনুভৱ কৰিছিল যে বৃটিচ চৰকাৰক ভাৰতত পৰাস্ত কৰিবলৈ হলে সন্ত্ৰাসবাদৰ বাহিৰে আন পন্থা নাই। এই সন্ত্ৰাসবাদী লোকসকলৰ ভিতৰত ফজলুল্ হক, মুজাফৰ আহমদ, এচ-এ-ডাঙ্গে, চিঙ্গাৰা ভেলু প্ৰভৃতিৰ নাম উল্লেখযোগ্য। এওঁলোক ৰুছিয়াৰ অক্টোবৰ বিপ্লৱত শ্ৰমিক শ্ৰেণীৰ বিজয়ৰ দ্বাৰা প্ৰভাবান্বিত হৈছিল আৰু মাৰ্ক্সবাদলৈ আকৰ্ষিত হৈছিল। এওঁলোকৰ কেইবাজনেও পিচত ১৯২৫ চনত প্ৰথমবাৰৰ কাৰণে ভাৰতত কমিউনিষ্ট দল গঠন কৰে।

স্মৰণ কৰা প্ৰয়োজন যে কংগ্ৰেছে ভাৰতৰ স্বাধীনতা আন্দোলনৰ শুৰি ধৰিছিল যদিও, এই অনুষ্ঠানৰ আগছোৱাত উকীল আৰু আন মধ্যবিত্ত শিক্ষিতসকলে অংশ গ্ৰহণ কৰিছিল। শ্ৰমিক আৰু কৃষকসকলে আনুষ্ঠানিক আৰু সংগঠিতভাবে তাত যোগদান কৰা নাছিল। ১৯১৮ চনলৈকে ভাৰতত শ্ৰমিক আন্দোলন সংগঠন হোৱা নাছিল। ১৯১৭ চনত ৰুছিয়াত বলচেভিক আন্দোলন যেতিয়া জয়ী হ'ল আৰু জাৰৰ শাসন উচ্ছেদ কৰি শ্ৰমিকে তাত শাসনৰ দায়িত্ব গ্ৰহণ কৰিলে, তেতিয়া ভাৰততো শ্ৰমিক শ্ৰেণীৰ মাজত নৱ-জাগৰণৰ সূচনা হ'ল। কেইমাহমান পিচত ১৯১৮ চনৰ এপ্ৰিল মাহত মাদ্ৰাজত ভাৰতীয় ট্ৰেড য়ুনিয়ন গঠন কৰা হয়। সেই বছৰত ভাৰতীয় নৌ-শ্ৰমিক সন্থাও বোম্বাইত গঠিত হয়। তাৰ পিচত ক্ৰমান্বয়ে ভাৰতত শ্ৰমিক আন্দোলন বিস্তাৰ হবলৈ ধৰে—

যেনে ১৯১৯ চনত জি-পি-আই ৰেলকৰ্মী য়ুনিয়ন, ১৯২০ চনত আহমেদাবাদ বস্ত্ৰ-শিল্প শ্ৰমিক য়ুনিয়ন, নিখিল ভাৰত ট্ৰেড য়ুনিয়ন প্ৰতিষ্ঠা।

ইতিমধ্যে সন্ত্ৰাসবাদী একাধিক যুৱকে য়ুৰোপত গৈ লেনিনক সাক্ষাৎ কৰে। তাৰ পিচত কেইবাগৰাকী বিপ্লৱী ভাৰতীয় নেতাই মস্কোত কেইবাজনো ছোভিয়েত নেতাক লগ ধৰে আৰু ভাৰতৰ সাম্ৰাজ্যবাদ বিৰোধী আন্দোলনৰ বাবে তেওঁলোকৰ সহানুভূতি আৰু সাহায্য বিচাৰে।

শ্ৰমিক আন্দোলনৰ লগে লগে ভাৰতত যুৱ-আন্দোলন আৰম্ভ হয় সেই সময়তে ভাৰতৰ বিপ্লৱী নেতা এম-এন ৰায় আৰু লেনিনৰ মাজত যোগাযোগ স্থাপন হয় আৰু ১৯২০ চনত মস্কোত অনুষ্ঠিত দ্বিতীয় কংগ্ৰেছত ৰায়ে যোগদান কৰে। ৰায়ে তেওঁৰ প্ৰবন্ধৰ যোগেদি লেনিনৰ মতবাদ, ছোভিয়েত য়ুনিয়নৰ কৰ্ম-পদ্ধতি আৰু মাৰ্ক্সবাদ সম্বন্ধে ভাৰতত প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰে।

ভাৰতত 'হোম ৰুল' আৰু খিলাফত্ আন্দোলনৰ সূত্ৰপাত হয় ১৯১৯ চনত। তাৰ লগে লগে ভাৰতীয় ৰাজনীতি আৰু মুক্তি-সংগ্ৰামৰ এক নতুন অধ্যায়ৰ সূচনা হয়, কাৰণ তেতিয়াৰ পৰা এই সংগ্ৰামৰ নেতৃত্ব কৰে মহাত্মা গান্ধীয়ে। ১৯২০-২১ চনৰ অসহযোগ আন্দোলনত গান্ধীজীৰ নেতৃত্বই সকলো শ্ৰেণীৰ লোকক আকৰ্ষিত কৰিছিল; আনকি সন্ত্ৰাসবাদী যুৱক শ্ৰেণীয়েও গান্ধীজীৰ নেতৃত্বত অসহযোগ আন্দেলনক সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সৰ্বাত্মক আন্দোলন হিচাবে গ্ৰহণ কৰিছিল। কিন্তু ১৯২২ চনৰ ফেব্ৰুৱাৰী মাহত উত্তৰ প্ৰদেশৰ চৌৰীচুৰাত হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত গান্ধীজীয়ে অসহযোগ আন্দোলন প্ৰত্যাহাৰ কৰে, কাৰণ হিংসাত্মক কাৰ্য্য তেওঁৰ নীতিৰ পৰিপন্থী আছিল। গান্ধীজীয়ে ঘোষণা কৰে যে যেতিয়ালৈকে জনসাধাৰণে তেওঁৰ আন্দোলন অহিংস নীতিত চলাবলৈ প্ৰস্তুত নহয় তেতিয়ালৈকে তেওঁ অসহযোগ আন্দোলন পুনৰ আৰম্ভ নকৰিব। গান্ধীজীৰ এই ঘোষণাত উগ্ৰপন্থী সকল অসন্তুষ্ট হৈছিল। জৱাহৰলাল নেহৰু গান্ধীজীৰ মত আৰু কাৰ্য্য পন্থাত পৰম বিশ্বাসী

আছিল, তথাপি অসহযোগ আন্দোলন স্থগিত হোৱাত নেহৰুও অসন্তুষ্ট হৈছিল আৰু গান্ধীজীৰ লগত প্ৰথমবাৰৰ কাৰণে তেওঁৰ মতানৈক্য হৈছিল। নেহৰুৰ মনোভাৱ উপলব্ধি কৰি গান্ধীজীয়ে ১৯২২ চনৰ ১৯ ফেব্ৰুৱাৰীত তেওঁলৈ এখন চিঠি লিখে। এই চিঠিখন বৰদলিৰ পৰা লিখিছিল আৰু গান্ধীজীয়ে নেহৰুক কৈছিল যে অসহযোগ আন্দোলন স্থগিত হোৱাৰ কাৰণে ভাৰতত স্বাধীনতাৰ যুদ্ধ ব্যাহত নহয়, বৰঞ্চ এই যুদ্ধ আগবাঢ়ি যাব। গান্ধীজীৰ ভাষাত 'আন্দোলন শুদ্ধ পথৰ পৰা আঁতৰি গৈছে।' [আন্দোলন স্থগিত ৰখাত] আমি আমাৰ শুদ্ধ পথলৈ ঘূৰি আহিছোঁ আৰু আমি পুনৰ আগুৱাই যাব পাৰিম।'

ইয়াৰ ন বছৰৰ পিচত গান্ধীজীয়ে পুনৰ আইন অমান্য আন্দোলন আৰম্ভ কৰে। জৱাহৰলালে ১৯২২ চনত গান্ধীজীৰ লগত একমত হব নোৱাৰিছিল যদিও, গান্ধীজীৰ নেতৃত্ব আৰু কৰ্মপন্থাৰ বিৰুদ্ধে তেওঁ কোনো কাম কৰা নাছিল। কিন্তু যিসকলে গান্ধীজীৰ অহিংস নীতি গ্ৰহণ কৰিবলৈ অমান্তি হ'ল তেওঁলোকে অস্ত্ৰ-শস্ত্ৰৰ দ্বাৰা ভাৰতৰ মুক্তি-আন্দোলন আগবঢ়াই নিবলৈ অতিষ্ঠ হৈ পৰিল। এই চাম যুৱকৰ ভিতৰত ভগত সিং, শুকদেৱ, চন্দ্ৰশেখৰ আজাদ, জগদীশ চন্দ্ৰ চট্টোপাধ্যায়, ভগৱতীচৰণ ভোহৰা, ডাঃ গয়াপ্ৰসাদ, শিৱ বৰ্মা, জচ্‌পল্ জয়দেৱ কাপুৰৰ নাম উল্লেখযোগ্য। এওঁলোকে উগ্ৰপন্থা লবলৈ উৎসাহিত হৈছিল ৰুছ বিপ্লৱৰ সাফল্যৰ কাৰণে। ভগত সিং প্ৰমুখ্যে উগ্ৰপন্থী যুৱকসকলে লালা লাজপত ৰায়ৰ দ্বাৰা প্ৰতিষ্ঠিত পণ্ডিত দ্বাৰকানাথ লাইব্ৰেৰীত বামপন্থী বিষয়ৰ কিতাপ-পত্ৰ পঢ়িবলৈ সুবিধা পাইছিল। ভগত সিং নিজে এজন সমাজবাদী চিন্তাশীল ব্যক্তি আছিল আৰু তেওঁৰ সহকৰ্মীসকলক মাৰ্ক্সবাদৰ আদৰ্শ লবলৈ উপদেশ দিছিল।

১৯২৭ চনটো ভাৰতীয় কংগ্ৰেছ তথা ৰাজনীতিৰ ইতিহাসৰ এটা স্মৰণীয় বছৰ, কাৰণ এই বছৰত জৱাহৰলালে মস্কোত ৰুছ বিপ্লৱৰ দশম বাৰ্ষিক উৎসৱত যোগ দিয়াৰ পিচত তেওঁৰ মনত সমাজবাদ আৰু ৰুছিয়াই যি সাঁচ বহুৱাইছিল সেই সাঁচ স্থায়ী হৈছিল

আৰু তাৰ পাচত কংগ্ৰেছৰ নীতি আৰু কাৰ্য্যপন্থাৰ অভাবনীয় পৰিবৰ্তন আহিছিল।

১৯৩০ চনৰ পৰা ১৯৫৫ চনলৈ এই সুদীৰ্ঘ কালছোৱাত ভাৰতীয় ৰাজনৈতিক দৃশ্যপটত ছোভিয়েত ৰুছিয়াৰ প্ৰভাৱ উল্লেখযোগ্য নাছিল। ১৯৩০-৩২ চনত ভাৰতত গান্ধীজীৰ দ্বাৰা পৰিচালিত আইন অমান্য আন্দোলন হয়। এই আন্দোলন প্ৰত্যাহাৰ হোৱাৰ পিচত গান্ধীজীয়ে সংগ্ৰামশীল আন্দোলনৰ পৰিবৰ্তে গঠনমূলক কাৰ্য্যক্ৰম দেশত প্ৰবৰ্তন কৰে। ইতিমধ্যে য়ুৰোপত দ্বিতীয় মহাযুদ্ধৰ প্ৰস্তুতি হয় আৰু হিট্লাৰ-মুচোলিনীৰ যুগল নেতৃত্বত নাজীবাদ আৰু ফেচীবাদৰ বিভীষিকা প্ৰকট হৈ উঠে। ১৯৩৯ চনৰ ৩ চেপ্তেম্বৰত যেতিয়া দ্বিতীয় মহাযুদ্ধ ঘোষণা হ'ল, তেতিয়া ভাৰত আৰু বৃটেইনৰ সম্বন্ধ বেয়াৰ ফালে চাল খাবলৈ আৰম্ভ কৰিলে। অৱশ্যে ১৯৩০-৩৯ চনৰ কালছোৱাত ভাৰত আৰু বৃটেইনৰ মাজত স্বাধীনতাৰ সম্পৰ্কত এটা নিষ্পত্তিৰ বাবে প্ৰচেষ্টা হৈছিল, কিন্তু প্ৰচেষ্টা ফলপ্ৰসূ নহ'ল।

বৃটিচ চৰকাৰৰ যুদ্ধনীতিৰ প্ৰতিবাদকল্পে ১৯৪২ চনত কংগ্ৰেছে ভাৰত-ত্যাগ আন্দোলন আৰম্ভ কৰে। ইপিনে ছোভিয়েত ৰুছিয়াত ষ্টেলিনৰ নেতৃত্বত যি নীতি গ্ৰহণ কৰা হৈছিল, সেই নীতিৰ পৰিপ্ৰেক্ষিতত ভাৰত আৰু ৰুছিয়াৰ মাজত যোগাযোগ কৰাৰ সেই সময়ছোৱাত কোনো সুবিধা নাছিল। সেই কাৰণে ১৯৩০ চনৰ পৰা ১৯৫৫ চনলৈ ভাৰত-ৰুছিয়াৰ মাজত কাৰ্য্যতঃ কোনো সম্পৰ্ক নাছিল। ১৯৫৩ চনৰ ৫ মাৰ্চত ষ্টেলিনৰ মৃত্যু হয় আৰু তেওঁৰ মৃত্যুৰ লগে লগে 'ষ্টেলিন যুগ'ৰ অন্ত পৰে। তাৰ চাৰি মাহ আগত মস্কোত ছোভিয়েত কংগ্ৰেছৰ ১৯তম অধিবেশন বহে। ষ্টেলিনে যোগ দিয়া এইখনেই আছিল শেষ কংগ্ৰেছ; তাত পৃথিৱীৰ বিভিন্ন দেশৰ ৮০টা কমিউনিষ্ট দলৰ প্ৰতিনিধি যোগদান কৰিছিল। ষ্টেলিনে তেওঁৰ ভাষণত অনা-কমিউনিষ্ট দেশ আৰু দলৰ ওপৰত প্ৰকাৰান্তৰে অযথা আক্ৰমণ কৰে। ষ্টেলিনৰ বক্তৃতাত ভাৰত চৰকাৰ ক্ষুব্ধ হয়, কাৰণ সেই সময়ত ষ্টেলিন-নীতিৰ লগত ভাৰত চৰকাৰৰ

নীতিৰ অমিল আছিল। ষ্টেলিনৰ বক্তৃতাৰ বিৰুদ্ধে ভাৰত চৰকাৰৰ প্ৰতিবাদ জনাবলৈ সেই সময়ৰ মস্কোত অৱস্থিত ভাৰতৰ দূত কে-পি-এছ মেননক ভাৰত চৰকাৰৰ বৈদিশিক মন্ত্ৰণালয়ে নিৰ্দেশ দিছিল; কিন্তু মেননে সেই নিৰ্দেশত আপত্তি কৰে আৰু প্ৰতিবাদ নকৰাটো সমীচিন বুলি ভাৰত চৰকাৰক জনায়। জবাহৰলাল নেহৰুৱে প্ৰধানমন্ত্ৰী হিচাপে মেননৰ পৰামৰ্শ গ্ৰহণ কৰে আৰু তাৰ দ্বাৰা কে-পি-এচ মেননে ভাৰত-ছোভিয়েত সম্পৰ্কত এটা নতুন দিশ আনিবলৈ সুযোগ পায়।

ৰুছ ছোভিয়েতৰ ১৯তম কংগ্ৰেছত নীতিৰ বিশেষ পৰিবৰ্তন হোৱা নাছিল; ষ্টেলিনৰ মতেই নীতি নিৰ্দ্ধাৰণ হৈছিল। কিন্তু ১৯৫৬ চনত হোৱা ২০তম কংগ্ৰেছত ছোভিয়েত ৰুছিয়াৰ নীতিৰ গুৰুত্ব-পূৰ্ণ পৰিবৰ্তন হয়। তাৰ দুটা প্ৰধান কাৰণ আছিল—প্ৰথম, ষ্টেলিনৰ মৃত্যু; দ্বিতীয়—আণবিক যুগৰ সূচনা। ইতিমধ্যে ছোভিয়েত ৰুছিয়া আণবিক শক্তিত পৰিণত হয়। আণবিক অস্ত্ৰৰ পৰিপ্ৰেক্ষিত ছোভিয়েত ৰুছিয়াত ষ্টেলিনৰ উত্তৰ কালত নীতিৰ পুনৰবিন্যাস হবলৈ ধৰে, বিশেষকৈ কাৰ্ল মাৰ্ক্সৰ মতে যুদ্ধ অৱশ্যম্ভাৱী বুলি ছোভিয়েত ৰুছিয়াৰ যি নীতি আছিল সেই নীতিৰ সলনি হয়, কাৰণ ৰুছিয়াই স্বীকাৰ কৰিলে যে যুদ্ধ অৱশ্যম্ভাৱী বুলি যদি ধৰি লোৱা হয় তেন্তে সভ্যতা তথা মানৱ জাতিৰ সৰ্বনাশ অনিবাৰ্য্য। কংগ্ৰেছে এই অধিবেশনত স্বীকাৰ কৰিলে যে সামাজিক পৰিবৰ্তনৰ বাবে হিংসা নীতিৰ কোনো আৱশ্যক নাই; লগতে ইয়াকো স্বীকাৰ কৰা হৈছিল যে সমাজবাদ প্ৰতিষ্ঠা কৰোতে বিভিন্ন পন্থা উপযোগী হব পাৰে। ষ্টেলিনৰ মৃত্যুৰ পিচত ছোভিয়েত ৰুছিয়াৰ নেতাসকলে আন এটা গুৰুত্বপূৰ্ণ নীতি গ্ৰহণ কৰে। ১৯১৭ চনৰ পৰা ১৯৫৩ চনলৈ ছোভিয়েত ৰুছিয়াই দুখন পৃথিৱীৰ কথা স্বীকাৰ কৰিছিল—পুঁজিবাদী ৰাষ্ট্ৰসমূহৰ এখন পৃথিৱী, আনখন কমিউনিষ্ট ৰাষ্ট্ৰসমূহৰ পৃথিৱী। ষ্টেলিনৰ মৃত্যুৰ পাচত ছোভিয়েত ৰুছিয়াই এখন তৃতীয় পৃথিৱীৰ অস্তিত্ব মানি লৈছে যি পৃথিৱীত নিৰ্লিপ্ত ৰাষ্ট্ৰসমূহে নিজৰ শাসন ব্যৱস্থাৰ দ্বাৰা সমাজবাদৰ কাৰণে প্ৰচেষ্টা কৰিব পাৰে বুলি ছোভিয়েত ৰুছিয়াই বিশ্বাস কৰে।

১৯৪৭ চনৰ ১৫ আগষ্টত বৃটিচ সাম্ৰাজ্যবাদৰ পৰা ভাৰত মুক্ত হোৱাত স্বাধীন দেশ হিচাবে ভাৰত আৰু ছোভিয়েত ৰুছিয়াৰ মাজত সম্পৰ্ক উন্নীত হব লাগিছিল, কিন্তু ১৯৫৪ চনলৈ দুয়োদেশৰ মাজত তেনে সম্পৰ্ক গঢ়ি উঠা নাছিল। ষ্টেলিনৰ সময়ত স্বাধীন দেশ হিচাবে ভাৰতক গণ্য কৰা হৈছিল যদিও, সেই সময়ৰ ৰুছিয়াৰ দৃষ্টিত ভাৰতক পশ্চিমীয়া সাম্ৰাজ্যবাদৰ বহতীয়া দেশ বুলি ধৰা হৈছিল। মস্কোত অৱস্থিত ভাৰতীয় ৰাষ্ট্ৰদূত কে-পি-এছ মেননে ছোভিয়েত ৰুছিয়াৰ নতুন নেতাসকলক ভাৰতৰ প্ৰকৃত নীতিৰ বুজ দি ভাৰত-ছোভিয়েত ৰুছিয়াৰ সম্পৰ্ক উন্নত কৰিবলৈ সক্ষম হয়। তাৰ ফলত ১৯৫৫ চনৰ জুন মাহত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু ছোভিয়েত ৰুছিয়া ভ্ৰমণ কৰিবলৈ যায়। নেহৰুৰ এইয়া দ্বিতীয় ৰুছিয়া ভ্ৰমণ। নেহৰুৰ এই ভ্ৰমণক ঐতিহাসিক বুলি কলে অত্যুক্তি কৰা নহয়, কাৰণ সেই ভ্ৰমণে ভাৰত-ছোভিয়েত ৰুছিয়াৰ মাজত বন্ধুত্বৰ যি সূচনা কৰিলে তেতিয়াৰ পৰা দুয়ো ৰাষ্ট্ৰৰ মাজত মতানৈক্য হোৱাৰ কোনো হেতু হোৱা নাই। বৰঞ্চ ছোভিয়েত ৰুছিয়া আৰু ভাৰতৰ মাজত নানা পৰ্য্যায়ত সঘনে প্ৰীতি আৰু সহযোগৰ বিনিময় ঘটিছে। প্ৰধানমন্ত্ৰী নেহৰুৰ ১৯৫৫ চনৰ ৰুছিয়া ভ্ৰমণৰ বিনিময়ত ১৯৫৯ চনৰ নবেম্বৰ মাহত ৰুছ প্ৰধানমন্ত্ৰী ক্ৰুশ্চেভ্ আৰু বুলগেনিন্ ভাৰত ভ্ৰমণ কৰিবলৈ আহে।

ষ্টেলিন-যুগত ভাৰত আৰু ছোভিয়েত ৰুছিয়াৰ সম্পৰ্ক সন্তোষজনক নাছিল যদিও আৰু ৰুছিয়াৰ কাৰ্য্যপন্থা ভাৰতৰ অনুকূল নোহোৱা সত্বেও জৱাহৰলাল নেহৰুৱে ৰুছিয়াৰ প্ৰতি তেওঁৰ সহানুভূতি বা ৰুছিয়াৰ সমাজবাদৰ নীতিৰ প্ৰতি থকা আগ্ৰহ ম্লান হবলৈ দিয়া নাছিল। দ্বিতীয় মহাযুদ্ধৰ আগভাগত ছোভিয়েত ৰুছিয়াই ফিন্‌লেণ্ড দেশ আক্ৰমণ কৰে। ৰুছিয়াৰ এনে কাৰ্য্যত গান্ধী প্ৰমুখ্যে নেতাসকল ক্ষুব্ধ হৈছিল। এই সম্পৰ্কে ১৯৪০ চনৰ ২৪ জানুৱাৰীত নেহৰুৱে গান্ধীজীলৈ এখন চিঠি লিখে। তাত নেহৰুৱে লিখিছিল: 'ফিন্‌লেণ্ড আক্ৰমণ কৰি ৰুছিয়াই বৰ ভুল কৰিলে। সেই বিষয়ে মোৰ অলপো

সন্দেহ নাই। তাৰ বাবে ৰুছিয়া ক্ষতিগ্ৰস্ত হব। আমাৰ কাৰণে কিন্তু ডাঙৰ কথা হৈছে যে ইংৰাজ-ফ্ৰান্স-জাৰ্মান যুদ্ধৰ গুৰিত সাম্ৰাজ্য-বাদী আৰু নাজীবাদী উভয় পক্ষ লগ হৈ ৰুছিয়াৰ বিৰুদ্ধে যুদ্ধ কৰিব। যুদ্ধখনৰ দ্বাৰা দুয়োপক্ষই সাম্ৰাজ্যবাদক শক্তিশালী কৰিবলৈ প্ৰয়াস কৰিছে। ১৯১৪ চনৰ যুদ্ধৰ সময়ত ৰাজনীতিজ্ঞ পুৰুষসকলে যেনেকৈ ধুনীয়া বাক্য প্ৰয়োগ কৰিছিল, এতিয়াও তেনে বাক্যৰ প্ৰয়োগ হৈছে। এই ধুনীয়া বাক্য বা প্ৰতিবাদৰ দ্বাৰা আমি প্ৰভাৱান্বিত হব নোৱাৰো—সেইয়া নিশ্চিত কথা। আমাৰ ভাৰতৰ ওপৰত তাৰ পোনপটীয়া প্ৰতিক্ৰিয়া হব আৰু বৃটিচৰ লগত আমি আলাপ-আলোচনা (ভাৰতৰ ৰাজনৈতিক সমস্যাৰ বিষয়ে) কৰোতেও তাৰ প্ৰতিক্ৰিয়া পৰিব। যুদ্ধৰ সংক্ৰান্তত চৰকাৰে আমাৰ শুভেচ্ছা পাবলৈ ইচ্ছা কৰিছে। ভাৰতৰ সমস্যাৰ কথা বাদেই দিছোঁ, কিন্তু বৰ্ত্তমান পৰিস্থিতিত সাম্ৰাজ্যবাদী যুদ্ধৰ সপক্ষে আমাৰ শুভেচ্ছা কেনেকৈ দিম? বৃটেইনে যদি ভাৰত-নীতিৰ আমূল পৰিবৰ্ত্তন কৰি আমাৰ স্বাধীনতাৰ দাবী মানি লয়, তেতিয়া হয়তো বৃটেইনৰ সাম্ৰাজ্যবাদৰ নীতি পৰিবৰ্ত্তন হৈছে বুলি কব পৰা যাব। কিন্তু সাম্ৰাজ্যবাদ মূলতঃ থাকিব আৰু সাম্ৰাজ্যবাদ ৰক্ষাৰ্থে যুদ্ধ চলিব যদিও অৱস্থাৰ তাড়নাত বৃটেইনে ভাৰত সম্পৰ্কে এটা অস্পষ্ট ঘোষণা কৰিব পাৰে। এনে ঘোষণা যুদ্ধৰ পিচতহে কাৰ্য্যকৰী হোৱাৰ আশা কৰিব পাৰি। মই ভাবো সেইয়া আমাৰ কাৰণে মাৰাত্মক হব; কাৰণ আমি ইচ্ছা কৰো বা নকৰো বৃটিচ সাম্ৰাজ্যবাদ নীতিৰ সকলো ৰকমৰ জঘন্য কামত আমি লিপ্ত হৈ পৰিম। সেই কাৰণে আমি বৰ সাৱধান হব লাগিব আৰু যুদ্ধৰ সাম্ৰাজ্যবাদী উদ্দেশ্য আমাৰ গ্ৰহণযোগ্য নহয় বুলি আমি স্পষ্টভাৱে কব লাগিব।

'যদি পাশ্চাত্য জাতিসমূহে ৰুছিয়াৰ বিৰুদ্ধে থিয় হয় আৰু ইটালীৰ লগত তেওঁলোকৰ চক্ৰান্ত সফল হয়, তেন্তে সেই পৰিস্থিতি ভয়াবহ হব। তেতিয়া এই শক্তিবোৰে যুদ্ধখনক কমিউনিষ্টৰ বিৰুদ্ধে 'এখন পবিত্ৰ যুদ্ধ' বুলি ঘোষণা কৰিব, তাৰ যোগেদি সাম্ৰাজ্যবাদী শক্তিসমূহে নিজক বলীয়ান কৰিব আৰু সমাজবাদী ৰাষ্ট্ৰ ছোভিয়েত

ৰুছিয়াক ধ্বংস কৰিব। সকলো দিশৰ পৰা বিচাৰ কৰিলে দেখা যায় যে সেইটো এটা বিপৰ্য্যয় হব—আমি ছোভিয়েত ৰুছিয়াৰ নীতিৰ লগত একমত হওঁ বা নহওঁ। এই কথাখিনি আপুনি বিবেচনা কৰি ভাৰত সম্পৰ্কীয় সকলো আলোচনা সেই দৃষ্টিত বিচাৰ কৰিব বুলি মই আপোনাক সনিৰ্বন্ধ অনুৰোধ কৰিলোঁ।

'আপোনাৰ প্ৰবন্ধত দুই-চাৰিটা কথা আছে যাৰ দ্বাৰা সকলো ঠাইতে এনে এটা ধাৰণা হৈছে যে বৃটিচৰ লগত আমাৰ এটা নিষ্পত্তি হৈ যাব আৰু সোনকালে কংগ্ৰেছে মন্ত্ৰিত্ব গ্ৰহণ কৰিব (উল্লেখযোগ্য, বৃটিচ চৰকাৰে ভাৰতবাসীৰ লগত কোনো ভাৰতৰ স্বাধীনতা সমস্যাটোৰ নিষ্পত্তি নকৰাত আৰু যুদ্ধ সম্পৰ্কে কোনো আলাপ-আলোচনা নকৰাৰ প্ৰতিবাদ কল্পে ১৯৩৯ চনৰ অক্টোবৰ মাহত প্ৰদেশবোৰৰ মন্ত্ৰীসভাৰ পৰা কংগ্ৰেছে পদত্যাগ কৰে।)

'ব্যক্তিগতভাবে মই অনুভব কৰো যে ভাৰত-বৃটেইনৰ মাজত নিষ্পত্তিৰ কোনো আশা নাই। বৃটিচ চৰকাৰে ভাৰত-সমস্যাৰ নিষ্পত্তি নোহোৱাটো বাঞ্চাও কৰে। আমাৰ নিম্নতম দাবীখিনিক তেওঁলোকে মানি লবলৈ সন্মত নহয়। বৰ্তমান সময়ৰ বৃটিচ চৰকাৰ আগতকৈ অধিক প্ৰতিক্ৰিয়াশীল আৰু সাম্ৰাজ্যবাদী। এনে অৱস্থাত তেওঁলোকে যে আমাৰ দাবী মানি লব সেইটো এতিয়া আশা কৰা টান। মিছাকৈ আশা কৰা ঠিক নহয় আৰু তেনে আশাই আমাৰ অৱস্থা দুৰ্বল কৰিব।'

নেহৰুৱে মৌলানা আবুল কালাম আজাদলৈও এখন চিঠি লিখে ১৯৪০ চনৰ ২২ ফেব্ৰুৱাৰীত। এই চিঠিত ৰুছিয়াৰ ফিনলেণ্ড আক্ৰমণৰ তীব্ৰ সমালোচনা কৰিছিল। কিন্তু কি পৰিস্থিতিত ছোভিয়েত ৰুছিয়াই ফিনলেণ্ড আক্ৰমণ কৰিবলৈ বাধ্য হৈছিল তাৰ বিশ্লেষণ কৰি দেখুৱাইছিল। নেহৰুৱে আজাদলৈ লিখিছিল ঃ 'ৰুছিয়াই বহুত ভুল কৰিছে, বিশেষকৈ ৰুছিয়াৰ ফিনলেণ্ড আক্ৰমণ এটা গুৰুতৰ ভুল। নীতি আৰু কৌশলৰ পৰা বিচাৰ কৰিলে তাক স্বীকাৰ কৰিব লাগিব। ইংলেণ্ডে কিন্তু ফিনলেণ্ডক ব্যৱহাৰ কৰিছিল ৰুছিয়াৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ ঘাটি হিচাবে আৰু ভৱিষ্যতে ৰুছিয়াক আক্ৰমণ কৰাৰ সুচল ঠাই বাপে। তাত খাৰ-বাৰুদ জমা কৰা হৈছে। এনে অৱস্থাত ৰুছিয়াই

স্বাভাৱিকতে ভয় পাইছিল আৰু হঠাতে ৰুছিয়াই সেই আক্ৰমণ প্ৰতিহত কৰিছে। এইটো মূৰ্খামি হৈছে আৰু তাৰ দ্বাৰা ৰুছিয়া, ফিনলেণ্ড, ইংলেণ্ড আৰু ফ্ৰান্সৰ ফান্দত পৰিছে আৰু জগতে পৃথিৱীৰ প্ৰগতি-বাদীসকলৰ বন্ধুত্বৰ পৰা ৰুছিয়া আঁতৰ হৈছে। ৰুছিয়াৰ ফিনলেণ্ড আক্ৰমণে ইংলেণ্ডক এটা সুবিধা দিলে যেন ইংলেণ্ড গণতন্ত্ৰৰ বন্ধুহে। ৰাষ্ট্ৰসংঘই কেতিয়াও নাজী আক্ৰমণ আলোচনা কৰা নাই, অথচ ৰুছিয়াক দোষাৰোপ কৰিবলৈ ৰাষ্ট্ৰসংঘ হঠাত সাৰ পাইছে। ৰুছিয়াৰ নীতি যে ভুল সেই সম্পৰ্কে মোৰ অকণো সন্দেহ নাই আৰু তাৰ দুৰ্ঘোৰ নিন্দা কৰিব লাগে। কিন্তু এইটো মনত ৰাখিব লাগিব যে বৃটেইনে একাদিক্ৰমে ৰুছিয়াক চাৰিওফালে ঘেৰি পেলাবলৈ প্ৰচেষ্টা কৰিছে। আমি জনা উচিত যে ফিনলেণ্ডৰ বৰ্তমান অৱস্থা বৃটেইনে নিজৰ স্বাৰ্থ-সিদ্ধিৰ কাৰণে ব্যৱহাৰ কৰিবলৈ প্ৰয়াস কৰিছে আৰু যুদ্ধ ৰুছিয়ালৈ বিয়পাবলৈ ইচ্ছা কৰিছে। এইটো আমাৰ কাৰণে মহা বিপদ ; বৃটেইন আৰু ৰুছিয়াৰ মাজত যুদ্ধ হলে আমাৰ সীমান্ত জড়িত হৈ পৰিব। সেই কাৰণে আমাৰ নীতি স্পষ্ট হব লাগে। ৰুছিয়াৰ ঘটনাৱলীৰ বহুখিনি আমি সমৰ্থন নকৰো আৰু তাৰ সমালোচনাও কৰিম ; কিন্তু নিজৰ স্বাৰ্থৰ বাবে বৃটিচ সাম্ৰাজ্যবাদক সেই সুবিধা লব দিলে আমি চৰম বিপদ চপাই লম।

'ৰুছিয়াক যদি যুদ্ধই দুৰ্বল কৰে তেন্তে সি শোকাবহ ঘটনা হব, কাৰণ তাৰ দ্বাৰা সাম্ৰাজ্যবাদৰ পৰম বিৰোধী শক্তি তথা ৰুছিয়া নিশ্চিহ্ন হৈ যাব। সেই কাৰণে ৰুছিয়াৰ প্ৰতি বৃটিচ সাম্ৰাজবাদৰ নীতি সম্পৰ্কে আমাৰ স্পষ্ট ধাৰণা হব লাগিব আৰু বৃটিচৰ তেনে নীতিৰ আমি দৃঢ়ভাৱে বিৰোধিতা কৰিব লাগিব। ৰুছিয়াৰ বিৰুদ্ধে বৃটেইনৰ নীতিক আমি কোনোমতে সমৰ্থন কৰিব নোৱাৰো। আমাৰ নীতি স্পষ্টভাৱে ঘোষণা কৰিলে বহুত কথা প্ৰকাশ পাব। বৃটিচে যদি ভাবে যে বৃটেইনৰ সকলো কাৰ্য্য ভাৰতে নিৰ্বিবাদে সমৰ্থন কৰিব, তেন্তে যুদ্ধ ৰুছিয়ালৈ বিয়পি পৰাৰ সম্ভাৱনা আছে। ৰুছিয়া যুদ্ধত জড়িত হলে আমাৰ সীমান্তত তাৰ প্ৰতিক্ৰিয়া হব। আনহাতে, ইংলেণ্ডে যদি ভাবে যে ইংলেণ্ডৰ দ্বাৰা ভাৰত আক্ৰমণ হলে ভাৰতে

তাৰ বিৰোধিতা কৰিব, তেতিয়া আন অঞ্চলবোৰলৈ যুদ্ধ বিয়পাবলৈ ইংলেণ্ডে ইতস্ততঃ কৰিব। ৰুছিয়াক আক্ৰমণ কৰিবলৈ বৃটেইন ইচ্ছুক, অৱশ্যে তাৰ ফলাফল সম্পৰ্কে বৃটেইনৰ সন্দেহ আছে। বৃটেইনে যদি নিশ্চিতভাবে জানে যে ভাৰতত শান্তি অব্যাহত থাকিব তেন্তে বৃটেইনে ৰুছিয়াক আক্ৰমণ কৰিব। অন্যথাই বৃটিচে এই কামত আগ নাবাঢ়ে। গতিকে কি নীতি আমি গ্ৰহণ কৰা উচিত তাৰ অৰ্থ আছে আৰু সেই নীতি আমি দৃঢ়তাৰে ঘোষণা কৰিব লাগে।

এই সংক্ৰান্তত জৱাহৰলালে 'নেচনেল হেৰাল্ড' নামৰ বাতৰি কাকতত (১৯40 চন, ১৯ জানুৱাৰী) এটা প্ৰবন্ধ লিখে। প্ৰবন্ধটোৰ অংশবিশেষ তলত দিয়া হ'ল ঃ

'নিৰপেক্ষভাবে কোনেও ৰুছিয়া সম্পৰ্কে মত দিব নোৱাৰে— মত হয়তো মুক্ত প্ৰশংসা, নহয় তীব্ৰ ঘৃণাৰ প্ৰকাশক। এই দুয়োটা মত স্বাভাৱিকতেই ভুল। তথাপি দুয়োটা মত বুজিব পৰা যায়। যিসকলে ন্যস্ত স্বাৰ্থৰ পুৰণি সুবিধাবোৰ খামোচ মাৰি থাকে, ৰুছিয়াৰ প্ৰতি তেনেলোকৰ ঘৃণা ভাব স্বাভাৱিক ; পুৰণি ব্যৱস্থাৰ তলত যিসকলে সংঘৰ্ষ আৰু দুৰ্দশা ভোগ কৰি ভাগৰি পৰিছে আৰু বৈজ্ঞানিক ব্যৱস্থাত নতুন সমাজ প্ৰতিষ্ঠাৰ যিসকলে আশা দেখিছে, তেওঁলোকে ৰুছিয়াৰ অগ্ৰগতিত উৎসাহিত হৈছে। নতুন ব্যৱস্থা প্ৰবৰ্তন হওঁতে যিবোৰ দোষ-ত্ৰুটি হৈছিল, উৎসাহী লোকসকলে সেই দোষ-ত্ৰুটিবোৰ লক্ষ কৰা নাছিল। সেইটো সঁচা আছিল, কাৰণ ৰুছিয়াৰ আমূল পৰিবৰ্তনৰ কথাহে বৰ উল্লেখযোগ্য আছিল ; তথাপি ৰুছিয়াই নভবা-নিচিন্তাকৈ যিহকে পাই তাকে কৰি নিজৰ মঙ্গল কৰা নাছিল। সকলো সমালোচনাৰ প্ৰতি উদাসীন জাতি বা মানুহ সমৃদ্ধিশালী হব নোৱাৰে। তেনে সমালোচনাত কোনেও নিৰ্বিকাৰ হৈ থাকিবও নালাগে।

'পৰিকল্পনা আৰু বিভিন্ন বিষয়ত অগ্ৰগতিৰ বাবে ৰুছিয়াৰ সম্মান বৃদ্ধি হৈছিল। তাৰ পিচত ৰুছিয়াৰ সন্মুখত বহুত পৰীক্ষা উপস্থিত হ'ল আৰু সেই পৰীক্ষাবোৰৰ পৰিপ্ৰেক্ষিতত ৰুছিয়াৰ ভাবমূৰ্তি

ম্লান হ'ল। এই পৰীক্ষাবোৰ উপস্থিত হোৱাৰ যথেষ্ট যুক্তি আছিল। যিখন দেশে এটা মহান বিপ্লৱৰ মাজেদি অতিবাহিত কৰিছিল তেনে এখন দেশত ষড়যন্ত্র বা কুটাঘাত কাৰ্য্য কিয় হৈছিল বাৰু? কিন্তু ৰুছিয়াৰ জনসাধাৰণ সংঘাটবোৰৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা নাছিল, বৰঞ্চ এওঁলোক উন্নতিৰ বাটত আগবাঢ়ি গৈছিল। অৰ্থনৈতিক নতুন ব্যৱস্থাই তাৰ প্ৰমাণ দিছিল।

'ৰুছিয়াৰ আভ্যন্তৰীণ অৱস্থা সম্পৰ্কে যি সন্দেহ নাথাকক, ৰুছিয়াৰ বহিঃ পৰিক্ৰমা নীতি সম্পৰ্কে কাৰো একো সন্দেহ নাছিল। ৰুছিয়াৰ এই নীতি আছিল শান্তি আৰু যৌথ-নিৰাপত্তাৰ নীতি। যিবোৰ দেশে আক্ৰমণৰ বিৰুদ্ধে থিয় দিছিল তেনে দেশবোৰক উৎসাহ আৰু সহায় প্ৰদান কৰাটো ৰুছিয়াৰ বহিঃ পৰিক্ৰমা নীতিৰ অংশ আছিল। ফেচিবাদী আৰু নাজিবাদী দেশকেইখনে প্ৰকাশ্যে নিজৰ আক্ৰমণাত্মক কাৰ্য্য চলাই গৈছিল, ইংলেণ্ড আৰু ফ্ৰান্সে নিজৰ বৈদেশিক নীতি স্বৰূপে নাজি আৰু ফেচিবাদী দেশক সহায় কৰিছিল। ৰুছিয়া কিন্তু আন্তৰ্জাতিক শান্তিৰ সংহতিসূচক আৰু পোনপটীয়া নীতিৰ প্ৰতীকৰূপে থিয় দিছিল। য়ুৰোপৰ পশ্চিমীয়া শক্তিসমূহৰ চক্ৰান্তমূলক নীতিৰ লগত খোজ মিলাবলৈ অস্বীকাৰ কৰাত সেই শক্তিসমূহে ৰুছিয়াক অৱজ্ঞা, অপমান আৰু বেয়া ব্যৱহাৰ কৰিছিল।'

ৰুছিয়াই ফিন্‌লেণ্ড আক্ৰমণ কৰাত নেহৰুৰ আন এটা মন্তব্য আছিল: 'ৰুছিয়াৰ ভৱিষ্যত নিৰাপত্তাৰ খাতিৰত ৰুছিয়াৰ ফিন্‌লেণ্ড আক্ৰমণ কিছু পৰিমাণে যুক্তিযুক্ত আছিল, সকলো বৃহৎ শক্তিয়ে নিৰাপত্তাৰ বাবে নিজৰ ৰাজ্যক্ষেত্ৰ বঢ়াবলৈ প্ৰয়াস কৰে। যুদ্ধজনিত অৱস্থা আৰু য়ুৰোপৰ সম্ভাব্য পৰিবৰ্তনৰ পৰিপ্ৰেক্ষিত আৰু ৰুছিয়াৰ ওপৰত পশ্চিমীয়া দেশসমূহৰ যুটীয়া আক্ৰমণৰ ভয়ত নিজৰ সীমান্ত আৰু মহানগৰী লেনিনগ্ৰাড্ ৰক্ষা কৰাৰ অৰ্থে ৰুছিয়াৰ অভিপ্ৰায় বোধগম্য আছিল, কিন্তু ৰুছিয়াই ফিন্‌লেণ্ড আক্ৰমণ কৰি সেই বিবেচনা অতিক্ৰম কৰিছিল আৰু নিজে আক্ৰমণকাৰীৰ শাৰীত পৰিছিল। তাৰ দ্বাৰা ৰুছিয়াই নিজৰ পৰম্পৰাৰ বিৰোধী কাম কৰিছিল। এই মাৰাত্মক ভুলৰ কাৰণে ৰুছিয়াৰ যথেষ্ট ক্ষতি হৈছিল আৰু তাৰ বাবে

যি প্ৰায়শ্চিত্ত লব লগা হৈছিল তাৰ শেষ কৰা টান। কোনো ব্যক্তি বা জাতিয়ে নিজৰ অপূৰণীয় ক্ষতি নকৰাকৈ তেনে অমূল্য বিষয়ত খেলা কৰিব নোৱাৰে, বিশেষকৈ যি জাতিয়ে মৌলিক আৰু আদৰ্শৰ বাবে গৌৰৱ অনুভৱ কৰে।

'ফিন্‌লেণ্ডবাসীৰ পৰা প্ৰতিৰোধ পাব বুলি ৰুছিয়াই হয়তো আশা কৰা নাছিল ; ফিন্‌লেণ্ডবাসীয়ে যুদ্ধ নকৰি ৰুছিয়াৰ ওচৰত বশ্যতা স্বীকাৰ কৰিব বুলি ৰুছিয়াই বোধহয় ভাবিছিল, কাৰণ সেই সময়ত বাল্টিক অঞ্চলৰ আন দেশবোৰে আক্ৰমণকাৰীৰ ওচৰত বশ্যতা স্বীকাৰ কৰিছিল। ৰুছিয়াই কি জানি ভাবিছিল যে ৰঙা সৈন্যবাহিনীৰ আক্ৰমণক ফিন্‌লেণ্ডৰ শ্ৰমিক আৰু কৃষক শ্ৰেণীয়ে স্বাগত জনাব। ৰুছিয়াৰ এই দুয়োটা অনুমান ভুল প্ৰমাণিত হৈছিল। ইটালী, ফ্ৰান্স আৰু ইংলণ্ডে ফিন্‌লেণ্ডক নিশ্চয় সহায় কৰিছিল আৰু এই তিনিখন ৰাষ্ট্ৰই সেইভাবে ৰুছিয়া-বিৰোধী চক্ৰ এটা গঢ়ি তুলিছিল। যুদ্ধৰ যিবোৰ বাতৰি আমি পাইছিলো সেইবোৰ একপক্ষীয় বা প্ৰৰোচিত আছিল আৰু স্বাভাৱিকতে সেইবোৰ আমাৰ বিশ্বাসযোগ্য নাছিল। কিন্তু ফিন্‌লেণ্ডৰ জনসাধাৰণে যে একগোট হৈ ৰুছ-আক্ৰমণৰ বিৰোধিতা কৰিছে তাত কোনো সন্দেহ নাই। ফিন্‌চ্‌ কৃষকশ্ৰেণী আৰু ট্ৰেড্‌ য়ুনিয়ন উভয়ে এই বিৰোধিতা সমৰ্থন কৰিছে। এটা ক্ষুদ্ৰ গণতান্ত্ৰিক জাতিয়ে নিজৰ স্বাধীনতা ৰক্ষাৰ কাৰণে আক্ৰমণৰ বিৰুদ্ধে যুঁজিছে ; স্বাভাৱিকতেই তাৰ প্ৰতি সহানুভূতি হয়।

'প্ৰতিক্ৰিয়াশীল শক্তিসমূহে ফিন্‌লেণ্ডৰ যুদ্ধক ঈশ্বৰপ্ৰদত্ত ঘটনা বুলি ধৰি লৈছে। এই যুদ্ধখনৰ অজুহাতত প্ৰতিক্ৰিয়াশীল শক্তিসমূহে সকলো ঠাইত নিজৰ আক্ৰমণ আৰু বিশ্বাসঘাটকতা ঢাকি ৰাখি দলিত জাতিক আক্ৰমণৰপৰা ৰক্ষক হিচাবে থিয় দিছে। সমাজবাদী আৰু সমাজবাদৰ সমৰ্থক ছোভিয়েত ৰুছিয়াৰ বিৰুদ্ধে থিয় দিয়া এই শক্তিসমূহৰ ঘৃণাৰ আঁৰত প্ৰতিক্ৰিয়াশীল শক্তিসমূহে কাৰ্য্য কৰিবলৈ সুযোগ লৈছে। অষ্ট্ৰিয়া আৰু যুগোশ্লোভিয়াক আক্ৰমণ কৰোতে ৰাষ্ট্ৰসংঘ শান্তিত শুই আছিল, মিউনিক চুক্তি গ্ৰহণ কৰিছিল, স্পেইনৰ ক্ষেত্ৰত নিলিপ্ত হৈ আছিল আৰু নাজী সৈন্যদলে পোলেণ্ড আক্ৰমণ

কৰাত নিমাত আছিল; কিন্তু সেই ৰাষ্ট্ৰসংঘ হঠাত সাৰ পাইছে আৰু ৰুছিয়াক আক্ৰমণ কৰিবলৈ সেই পৰিস্থিতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে।

'ইপিনে য়ুৰোপ, আমেৰিকা আৰু এচিয়াৰ প্ৰগতি মহলত যি প্ৰতিক্ৰিয়া হৈছে সেইটো বৰ বেজাৰৰ কথা। ৰুছিয়াৰ চৰকাৰৰ দায়িত্বত যিসকল আছে তেওঁলোকেও নিজৰ স্বাৰ্থত আঘাট হানিছে; তেওঁলোকৰ শত্ৰু বা শত্ৰুগোষ্ঠীৰ আঘাট হোৱা নাই। তেওঁলোকে বহুতৰ শুভেচ্ছা হেৰুৱালে আৰু ফিন্‌লেণ্ড আক্ৰমণৰ দ্বাৰা সমাজবাদ ঘূণীয়া কৰিলে। আক্ৰমণ আৰু সমাজবাদৰ মাজত কোনো সম্পৰ্ক নাই আৰু দুয়োটাকে আমি বেলেগে বেলেগে চাব পাৰো; কিন্তু আমি যদি ৰুছিয়াৰ আক্ৰমণৰ প্ৰবক্তা হওঁ বা তাক প্ৰকাৰন্তৰে সমৰ্থন কৰো তেন্তে তাৰ দ্বাৰা সমাজবাদৰ প্ৰতি পৰম অন্যায় কৰা হব। ছোভিয়েত ৰুছিয়াৰ সকলো কাৰ্য্যক সমৰ্থন কৰা লোক আছে আৰু ৰুছিয়াৰ কাৰ্য্যক সমালোচনা কৰিলে উৰা বাতৰিত ভিত্তি কৰি তেনে সমালোচনা কৰা বুলি কোৱা হয়। এইবোৰ অন্ধ-বিশ্বাসৰ লেখীয়া আৰু তাত কোনো যুক্তি নাই। অন্ধবিশ্বাস বিসৰ্জন দিব পাৰে। আমাৰ সিদ্ধান্ত আমি ভাবি-চিন্তি কৰো আৰু তেনে সিদ্ধান্ত কৰোতে কোনো লোকৰ বহতীয়া হৈ নকৰো।

'ৰুছিয়াৰ বিৰুদ্ধে যিবোৰ সমালোচনা হয় সি পক্ষপাতিতা আৰু দুৰাসন্ধিমূলক। তাক আমি জনা উচিত। ছোভিয়েত য়ুনিয়নত নৃশংস ঘটনাৱলীৰ যি বাতৰি ভাৰত আৰু বিদেশত পৰিবেশন কৰা হৈছে সেই প্ৰচাৰৰ বিৰুদ্ধে আমি সতৰ্ক হব লাগিব। সমাজবাদক যদি আমি বিশ্বাস কৰোঁ, তেন্তে সেই বিশ্বাসত লাগি থাকিব লাগিব আৰু বিশ্বৰ অন্যায়বোৰ সমাজবাদে সমাধা কৰিব পাৰিব বুলি ভাবিব লাগিব। আমি স্মৰণ কৰা উচিত যে নানা ত্ৰুটি সত্বেও সমাজবাদী অৰ্থনৈতিক ব্যৱস্থা স্থাপন কৰাত ৰুছিয়া বহুখিনি আগবাঢ়িছে। এনে মহৎ কামৰ প্ৰচুৰ সম্ভাৱনা আছে; আমি যদি তাক বিৰুদ্ধাচৰণ কৰো, সি বৰ দুঃখজনক কথা হব।'*

'গতিকে আমি ভাৰতবাসীয়ে ছোভিয়েত ৰুছিয়াৰ সমাজবাদৰ প্ৰতি সমৰ্থন জনাওঁ ; তাক কোনোবাই নষ্ট কৰিবলৈ প্ৰয়াস কৰিলে আমি তাৰ বিৰোধিতা কৰোঁ। অৱশ্যে ৰুছিয়াৰ ৰাজনৈতিক পাকচক্ৰ আৰু আক্ৰমণাত্মক কাৰ্য্যৰ প্ৰতি আমাৰ সহানুভূতি নাই। ফিন্‌লেণ্ডৰ বিৰুদ্ধে হোৱা যুদ্ধত আমি ফিন্‌লেণ্ডবাসীৰ প্ৰতি সহানুভূতি জনাওঁ, কাৰণ তেওঁলোকে নিজৰ স্বাধীনতা ৰক্ষাৰ বাবে বীৰত্বেৰে যুঁজিছে। ৰুছিয়া যদি সেই যুদ্ধত লিপ্ত হৈ থাকে, তেন্তে ৰুছিয়া আৰু পৃথিৱীৰ বাবে সেইয়া মাৰাত্মক হব।

'আমি পুনৰ মনত ৰাখিব লাগিব যে বৰ্তমান সময়ত পুৰণি মূল্যবোধৰ সলনি হব ধৰিছে আৰু পুৰণি মূল্যবোধৰ ঠাইত সকলোৱে নতুন মূল্যমান বাঞ্ছা কৰে। এনে পৰিবৰ্তনমুখী বিপ্লৱৰ যুগত আমি মন আৰু উদ্দেশ্যৰ পৱিত্ৰতা ৰক্ষা কৰিব লাগিব। উপায় আৰু উদ্দেশ্য উভয়ে যাতে সজ হয় তাৰ প্ৰতি মনোযোগ দিব লাগিব, কাৰণ আমাৰ লক্ষ্য আৰু আদৰ্শৰ লগত পন্থাৰ মিল আছে। হিংসা, একনায়কত্ববাদ বা সাময়িক সুবিধাবাদৰ যোগেদি আমি আমাৰ লক্ষ্যত উপনীত হব নোৱাৰিম। আমি অহিংস আৰু শুদ্ধ পথত চলিব লাগিব ; তাৰ বাবে নিশ্চয় পৰিশ্ৰমৰ আৱশ্যক হব।'

ওপৰৰ আলোচনাৰ পৰা স্পষ্টভাবে দেখা যায় যে জৱাহৰলাল নেহৰুৱে সেই সময়ত ৰুছিয়াৰ কিছুমান কাৰ্য্যত অসন্তুষ্ট হৈছিল যদিও ছোভিয়েত ৰুছিয়াৰ মৌলিক আদৰ্শ আৰু সমাজবাদৰ প্ৰতি তেওঁৰ সমাদৰ অপৰিবৰ্ত্তিত আছিল। তাৰ ফলস্বৰূপে ষ্টেলিন যুগৰ অৱসানৰ পিচত নেহৰুৱে ছোভিয়েত ৰুছিয়াৰ লগত বন্ধুত্ব আৰু সহযোগৰ সম্পৰ্ক গঢ়ি তুলিবলৈ প্ৰচেষ্টা হাতত লয়। সেই কাৰণে ছোভিয়েত ৰুছিয়া আৰু ভাৰতৰ মাজত মৈত্ৰীৰ নতুন যুগৰ সূচনা তেওঁৰ প্ৰধানমন্ত্ৰীত্বৰ দিনতে দেখা যায়। তেতিয়াৰ পৰা বৰ্তমান সময়লৈকে ৰুছ-ভাৰতৰ বন্ধুত্বৰ সোঁত অব্যাহত হৈ বৈ আছে আৰু ক্ৰমান্বয়ে সেই সোঁত ঐতিহাসিক পৰ্য্যায়ত উপস্থিত হৈছে আৰু পৃথিৱীৰ ঘটনা প্ৰবাহত আলোড়নৰ সৃষ্টি কৰিছে।

সাত

কার্ল মার্ক্স, লেনিন আৰু নেহৰু

সমাজবাদৰ প্ৰতি জৱাহৰলাল নেহৰুৰ আগ্ৰহ কোনো আবেগৰ প্ৰতিফলন নাছিল। সমাজবাদৰ পুৰোহিত কার্ল মার্ক্স আৰু তেওঁৰ প্ৰধান প্ৰবক্তা লিও লেনিন সম্পৰ্কে নেহৰুৱে গভীৰভাবে অধ্যয়ন কৰিছিল। উনৈশ শতিকাৰ মাজভাগত শ্ৰমিকসকলৰ মাজত সমাজবাদৰ যি বাণী কার্ল মার্ক্সে প্ৰচাৰ কৰি নৱজাগৰণৰ বাতাবৰণৰ সৃষ্টি কৰিছিল, নেহৰুৱে তাক পৰম নিষ্ঠাৰে পৰ্য্যবেক্ষণ কৰিছিল আৰু কার্ল মার্ক্সৰ আদৰ্শত বিশ্বাস কৰিছিল। বোধহয় সেই বিশ্বাসৰ কাৰণে তেওঁৰ একমাত্ৰ সন্তান ইন্দিৰালৈ (প্ৰিয়দৰ্শিনী) ১৯৩৩ চনৰ ১৪ আৰু ১৬ ফেব্ৰুৱাৰীত জেলৰ পৰা লিখা দুখন চিঠিত কার্ল মার্ক্সে শ্ৰমিক সংগঠনৰ বাবে কৰা প্ৰচেষ্টা আৰু মার্ক্সবাদ কি তাৰ সবিশেষ বৰ্ণনা কৰিছিল।

এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে ইন্দিৰা গান্ধীয়ে প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ পিচত (১৯৬৫ চন, ১৯ জানুৱাৰী) ভাৰতত সমাজবাদ প্ৰতিষ্ঠাৰ বাবে চেষ্টা কৰিছে। ইন্দিৰা গান্ধীৰ দিনত ভাৰতত বেংক ৰাষ্ট্ৰীয়কৰণ, ৰজা-মহাৰজাৰ মাননি প্ৰথাৰ বিলোপ সাধন, বস্তুৰ উৎপাদন আৰু বিতৰণৰ বাবে ৰাজহুৱা খণ্ডত দ্ৰুতগতিত ব্যৱস্থা গ্ৰহণ আদি কেইবাটাও প্ৰগতিবাদী পন্থা অৱলম্বন কৰা হৈছে। সন্দেহ নাই, সেইতাক জৱাহৰলাল নেহৰুৱে ইন্দিৰাক কার্ল-মার্ক্স, লেনিন আৰু আন প্ৰগতিবাদী লেখকসকলৰ মতবাদ সম্পৰ্কে বাল্যকালৰ পৰা প্ৰস্তুত কৰি ইন্দিৰাৰ মনত সমাজবাদৰ প্ৰতি বিশ্বাস জন্মাইছিল।

জৱাহৰলালে ১৯৩৩ চনৰ ১৪ ফেব্ৰুৱাৰীত লিখা চিঠিখনত মাৰ্ক্সবাদ আৰু সমাজবাদৰ অৰ্থ সহজ ভাষাত ইন্দিৰালৈ এইদৰে লিখিছিল ঃ

'মই আগতে কৈছোঁ যে সমাজবাদ নানা বিধৰ। সমাজবাদৰ ব্যাখ্যাসমূহ এটা বিষয়ত একমত যে সমাজবাদৰ লক্ষ্য হৈছে সকলো প্ৰকাৰৰ উৎপাদন ৰাষ্ট্ৰৰ দ্বাৰা হস্তগত অৰ্থাৎ ভূমি, খনি, কাৰখানা আদি উৎপাদন ক্ষেত্ৰ আৰু ৰেল, বেঙ্ক আৰু তেনে অনুষ্ঠানবোৰ ৰাষ্ট্ৰই নিজৰ অধীনলৈ আনিব লাগে। ইয়াৰ আদৰ্শগত অৰ্থ হৈছে যি কোনো ব্যক্তি বিশেষে উৎপাদৰ কোনো পদ্ধতি, অনুষ্ঠান বা আনৰ শ্ৰম গাইগুটীয়া সুবিধাৰ কাৰণে শোষণ কৰিব নালাগে। বৰ্তমান এইবোৰ গাইগুটীয়া মালিকীস্বত্বৰ তলত আৰু তাৰ যোগেদি শ্ৰমিকক শোষণ কৰা হয়। ফলত কিছুমান মানুহ উন্নত আৰু ধনী হয়; আনহাতে সমাজ সমূহীয়াভাবে ক্ষতিগ্ৰস্ত হয় আৰু জনসাধাৰণ দুখীয়া হয়। উৎপাদনৰ আহিলাবোৰ যাৰ হাতত থাকে, তেওঁ-লোকো পাৰস্পৰিক আৰু উৎকট প্ৰতিযোগিতাৰ গৃহযুদ্ধত লিপ্ত হয় আৰু এনে প্ৰতিযোগিতাৰ কাৰণে তেওঁলোকৰ শক্তিও বহুখিনি নষ্ট হয়। এনে গৃহযুদ্ধৰ পৰিবৰ্তে যদি উৎপাদনৰ উপযুক্ত ব্যৱস্থা হয় আৰু সুচিন্তিত বিতৰণৰ দিহা কৰা হয়, তেতিয়া অনাহক প্ৰতি-যোগিতা আৰু অপচয় বন্ধ হব। তাৰ উপৰিও, বিভিন্ন শ্ৰেণী আৰু ব্যক্তিৰ মাজত সম্পদৰ বৰ্তমান অসমতা নোহোৱা হব। সেই কাৰণে উৎপাদন, বিতৰণ আৰু ইয়াৰ লগত সংশ্লিষ্ট কাৰ্য্যবোৰ সমাজে অধিগ্ৰহণ কৰিব লাগে ; আনকথাত কব লাগিলে এইবোৰ ৰাষ্ট্ৰই নিয়ন্ত্ৰণ কৰা উচিত। সেইবোৰ জনসাধাৰণৰ হাতলৈ অনা দৰ্কাৰ। সমাজবাদৰ মূল অৰ্থ সেয়ে।

'সমাজবাদৰ তলত সমাজ বা ৰাষ্ট্ৰ কেনে প্ৰকাৰৰ হোৱা উচিত সেইয়া এটা অন্য প্ৰশ্ন। যদিও সেইটো ডাঙৰ প্ৰশ্ন, সদ্যহতে আমি সেই বিষয়ে বিবেচনা নকৰিলেও হব।

'সমাজবাদৰ আদৰ্শ মানি লোৱাৰ পিচত তাক কেনেকৈ কাৰ্য্য-কৰী কৰিব পাৰি স্বাভাবিকতেই সেই প্ৰশ্ন আহি পৰে আৰু তাতেই

সমাজবাদী সকলৰ মাজত মতভেদৰ সৃষ্টি হয়। বিভিন্ন পন্থাৰ পোষকতা কৰা বহুত গোষ্ঠী আছে। থূলমূলকৈ এই গোষ্ঠীসমূহক দুভাগত ভগাব পাৰি—একশ্ৰেণীয়ে সংসদৰ মাধ্যমত এখোজ-এখোজকৈ আগবাঢ়ি লাহে লাহে পৰিবৰ্তন আনিবলৈ বিচাৰে যেনে বৃটিচ শ্ৰমিক দল আৰু ফেবিয়ানবাদী ; আন শ্ৰেণীটোয়ে সংসদৰ যোগেদি লক্ষ্য লাভত বিশ্বাস নকৰে আৰু তেওঁলোকক বিপ্লৱপন্থী বোলা হয়। এই দ্বিতীয় শ্ৰেণীৰ লোকসকল মাৰ্ক্সবাদী।'

মাৰ্ক্সবাদ কি ? এই প্ৰশ্ন উত্থাপন কৰি নেহৰুৱে একেখন চিঠিত তলত দিয়া মতে মাৰ্ক্সবাদ ব্যাখ্যা কৰিছে ঃ

'ইতিহাস, ৰাজনীতি, অৰ্থনীতি, মানুহৰ জীৱন আৰু আকাংক্ষা বিন্যাস কৰাৰ বাবে মাৰ্ক্সবাদ এটা পথ। ই এটা তত্ত্ববাদ আৰু কামলৈ কৰা আহ্বান। মাৰ্ক্সবাদ এটা দৰ্শন ; এই দৰ্শনে মানুহৰ কাৰ্য্যাৱলীৰ কিছুমান কথা বিশ্লেষণ কৰে। মাৰ্ক্সবাদে মানৱ জাতিৰ অতীত, বৰ্ত্তমান আৰু ভৱিষ্যত যুক্তিবাদলৈ ৰূপান্তৰ কৰে। জীৱনটো কিছুমান ধৰা-বন্ধা নিয়ম বা পদ্ধতিৰ ওৰপত নিৰ্ভৰ কৰে নে নকৰে তাক পৰিষ্কাৰভাবে জনা নাযায় ; কিন্তু বহুতে এই কথাত সন্দেহ কৰে। মাৰ্ক্সে কিন্তু অতীত ইতিহাস বৈজ্ঞানিক দৃষ্টিৰে বিচাৰ কৰিছিল আৰু তাৰ পৰা কিছুমান সিদ্ধান্তত উপনীত হৈছিল। অতীজৰে পৰা মানুহে জীৱন নিৰ্বাহ কৰিবলৈ কঠোৰ পৰিশ্ৰম কৰা তেওঁ দেখিছিল। এই পৰিশ্ৰম প্ৰকৃতি আৰু সহকৰ্মীৰ বিৰুদ্ধে হৈছিল। খাদ্য আৰু আন লাগতিয়াল বস্তুৰ কাৰণে মানুহে শ্ৰম কৰিছিল। সময়ৰ পৰিবৰ্তনৰ লগে লগে শ্ৰমৰ পদ্ধতি বদলি হৈ তাৰ ৰূপ জটিল আৰু উন্নীত হৈছিল। মাৰ্ক্সৰ মতে, যুগে যুগে মানুহে জীৱন নিৰ্বাহৰ বাবে কি উপায় অবলম্বন কৰিব লগাত পৰিছিল সেইটো মানুহ আৰু সামাজিক জীৱনৰ কাৰণে বৰ ডাঙৰ প্ৰশ্ন হৈ পৰিছিল। জীৱন নিৰ্বাহৰ পদ্ধতিয়ে ইতিহাসৰ প্ৰত্যেক স্তৰ প্ৰভাৱান্বিত কৰিছিল যিদৰে প্ৰভাৱান্বিত কৰিছিল প্ৰত্যেক কাম আৰু সমাজৰ সম্বন্ধই। সেই পৰিবৰ্তনৰ লগে লগে আছিল পৰম ঐতিহাসিক আৰু সামাজিক পৰিবৰ্তন। উদাহৰণ স্বৰূপে কৃষিৰ কথা



১৯৭৩ চনত নতুন দিল্লীত ছোভিয়েত য়ুনিয়নৰ কমিউনিষ্ট দলৰ প্ৰধান
লিওনিড্ ব্ৰেজনেভ্ আৰু প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী

কৰ পাৰি। কৃষি প্ৰবৰ্তনৰ লগত বিৰাট প্ৰভেদ পৰিলক্ষিত হয়। লগে লগে অঘৰী লোকবিলাকে ঘৰ-দুৱাৰ বান্ধি স্থায়ীভাবে বসতি কৰিবলৈ ধৰিলে; গাঁও আৰু চহৰ স্থাপিত হ'ল, খেতিৰ উৎপাদন বাঢ়িল আৰু তাৰ ফলত খাদ্যবস্তু কিছু বাহি হ'ল। জনসংখ্যা বাঢ়িবলৈ ধৰিলে আৰু লগতে বাঢ়িবলৈ ধৰিলে সম্পদ আৰু মানুহৰ জিৰণি যাৰ ফলত হস্তশিল্প আৰু কলাৰ সৃষ্টি হ'ল। শিল্প বিপ্লৱৰ সময়ত কল-কাৰখানা স্থাপিত হ'ল; তাৰ ফলত বিৰাট পৰিবৰ্তন আহিল। এনে ধৰণৰ বহুত পৰিবৰ্তনৰ পটভূমি আছে।

'ইতিহাসৰ কোনো এটা সময়ত উৎপাদনৰ পদ্ধতি মানুহৰ নিৰ্দিষ্ট পৰ্য্যায়ৰ লগত খাপ খাই উঠে আৰু উৎপাদনৰ এনে পদ্ধতিৰ ফলত মানুহৰ পাৰস্পৰিক সম্বন্ধই নতুন ৰূপ লয়, যেনে বস্তুৰ লেনদেন, কিনা-বেচা ইত্যাদি। এই সম্বন্ধক সমূহীয়াভাবে সমাজৰ অৰ্থনৈতিক গাঁথনি বুলি কোৱা হয়। এই অৰ্থনৈতিক বুনিয়াদৰ ওপৰত আইন, ৰাজনীতি, সামাজিক প্ৰথা, আদৰ্শ আদি গঠন কৰা হয়। মাৰ্ক্সৰ মতে উৎপাদনৰ প্ৰণালী পৰিবৰ্তন হলে অৰ্থনৈতিক গাঁথনিৰ পৰিবৰ্তন হয়। এনে পৰিবৰ্তনৰ পাচত মানুহৰ মতৰ ধাৰা, আইন, ৰাজনীতি আদি সলনি হয়।

'বিভিন্ন শ্ৰেণীৰ মাজত হোৱা সংঘৰ্ষক মাৰ্ক্সে ইতিহাস হিচাপে গণ্য কৰিছিল। তেওঁৰ মতে 'মানুহৰ অতীত আৰু বৰ্তমান ইতিহাস মানুহৰ শ্ৰেণী-বিৰোধৰ ইতিহাস।' মাৰ্ক্সে কৈছিল যি শ্ৰেণীয়ে উৎপাদনৰ উপায় নিয়ন্ত্ৰণ কৰে, সেই শ্ৰেণীটোৱে প্ৰভুত্ব কৰে আৰু আনৰ শ্ৰম শোষণ কৰি লাভবান হয়। শ্ৰমজীৱীসকলে জীৱনৰ নিম্নতম আৱশ্যকীয় বস্তুখিনিও নাপায়; শোষক শ্ৰেণীয়ে বাহি সকলোখিনি পায়। বাহি সম্পদ বা মূলধনিৰ পৰা শোষক শ্ৰেণী ক্ৰমান্বয়ে ধনী হবলৈ ধৰে; এই শ্ৰেণীৰ লোকে ৰাষ্ট্ৰ নিয়ন্ত্ৰণ কৰে আৰু ৰাষ্ট্ৰৰ পৰিচালক হিচাবে ধনী শ্ৰেণীৰ দ্বাৰা গঠিত চৰকাৰে উৎপাদন নিয়ন্ত্ৰণ কৰে। ৰাষ্ট্ৰইও প্ৰথমতে এই শাসক শ্ৰেণীৰ স্বাৰ্থ ৰক্ষা কৰে। মাৰ্ক্সে কৈছে: শাসকশ্ৰেণীৰ কাজ-কামবোৰ পৰিচালনা কৰাত ৰাষ্ট্ৰ পৰিচালনা কাৰ্য্যপালিকা সমিতিৰ দৰে।

সেই উদ্দেশ্যে আইন ৰচনা হয় আৰু শিক্ষা, ধৰ্ম, আৰু আন বিভিন্ন মাধ্যমেৰে শাসক শ্ৰেণীয়ে জনসাধাৰণৰ মাজত এনে বিশ্বাস সুমাই দিয়ে যে শাসকশ্ৰেণীৰ স্বাৰ্থ ন্যায়সংগত আৰু স্বাভাৱিক। শাসনৰ প্ৰকৃত ৰূপটো ঢাকি ৰাখিবলৈ সকলো ৰকমৰ প্ৰচেষ্টা কৰা হয় যাতে শোষিত শ্ৰেণীয়ে প্ৰকৃত অৱস্থাৰ কোনো গম নাপায় আৰু অসন্তুষ্ট নহয় বা তেনে ন্যস্ত প্ৰথাৰ প্ৰতি দলিত শ্ৰেণীয়ে কোনো প্ৰত্যাহ্বান নকৰে। যদি কোনোবাই প্ৰত্যাহ্বান জনায়, তেন্তে তেওঁলোকক সমাজদ্ৰোহী আৰু নৈতিকতাৰ শত্ৰু বুলি গণ্য কৰা হয় আৰু ৰাষ্ট্ৰই তেওঁলোকক নিৰ্মমভাবে বিনাশ কৰে।

'এনে প্ৰচেষ্টা সত্বেও কোনো এটা শ্ৰেণীয়ে স্থায়ীভাবে প্ৰভূত্ব কৰি থাকিব নোৱাৰে। যি বিবেচনাই এই শ্ৰেণীক প্ৰভূত্ব কৰিবলৈ সুবিধা দিছিল, সেই বিবেচনাই প্ৰভুত্বৰ বিৰুদ্ধে কাম কৰিবলৈ ধৰে। পুৰণি পদ্ধতিৰ লগত উৎপাদন পদ্ধতিয়ে এটা শ্ৰেণীক আন শ্ৰেণীৰ ওপৰত প্ৰভূত্ব কৰিবলৈ দিছিল, কাৰণ প্ৰথম শ্ৰেণীটোৱে বস্তুৰ উৎপাদনৰ উপায় নিয়ন্ত্ৰণ কৰিছিল। কিন্তু যেতিয়া উৎপাদনৰ নতুন পদ্ধতিৰ উদ্ভৱ হয় তেতিয়া এই পদ্ধতিৰ তলত উৎপাদনকাৰী তথা শ্ৰমিকে উৎপাদন নিয়ন্ত্ৰণ কৰে আৰু আন শ্ৰেণীৰ দ্বাৰা শোষিত হবলৈ অস্বীকাৰ কৰে; নতুন ভাবধাৰাই মানুহক উদ্বুদ্ধ কৰি তোলে, আদৰ্শগত বিপ্লৱৰ সূচনা হয় আৰু সেই বিপ্লৱে পুৰণি চিন্তাধাৰা আৰু মতবাদৰ শিকলি ভাঙি পেলায়। এনে অৱস্থাত উত্তিষ্ঠিত শ্ৰেণী আৰু পুৰণি শ্ৰেণীৰ মাজত সংঘৰ্ষ ঘটে আৰু পুৰণি শ্ৰেণীটোৱে ক্ষমতাত থাকিবলৈ অহোপুৰুষাৰ্থ কৰে। এই সংঘাটত অৱশ্যে নতুন শ্ৰেণী জয়ী হয়, কাৰণ এই শ্ৰেণীটোৰ হাতত অৰ্থনৈতিক ক্ষমতা আহি পৰে। ফলত পুৰণি শ্ৰেণীৰ অৱসান ঘটে আৰু ইতিহাসত এই শ্ৰেণীৰ ভূমিকা ইতিমধ্যে নোহোৱা হৈ পৰে।

'নতুন শ্ৰেণীৰ জয় অৰ্থনৈতিক আৰু ৰাজনৈতিক; এই জয় নতুন উৎপাদন পদ্ধতিৰ জয়ৰ প্ৰতীক স্বৰূপ। তাৰ পৰা সমগ্ৰ সমাজৰ স্তৰে স্তৰে পৰিবৰ্তন আহি পৰে—নতুন মত, নতুন ৰাজ-

নৈতিক গাঁথনি, নতুন আইন, নতুন প্ৰথা আদিৰ ক্ষেত্ৰত পৰিবৰ্তনে দেখা দিয়ে। নতুন শ্ৰেণীয়ে আন শ্ৰেণীটোক শোষণ কৰিবলৈ ধৰে যেতিয়ালৈকে নতুন শ্ৰেণীটো বেলেগ শ্ৰেণী এটাৰ দ্বাৰা স্থানাচ্যুত হৈ পৰে। এইদৰে সংঘাট হৈ থাকে আৰু শেহান্তৰত কোনো শ্ৰেণী-বিশেষে শোষণ কৰিবলৈ আন শ্ৰেণী নোহোৱা অৱস্থাত পৰে। বিভিন্ন শ্ৰেণী বিলুপ্ত হৈ যেতিয়া মাত্ৰ এটা শ্ৰেণী থাকে, তেতিয়াহে সংঘৰ্ষৰ পৰিসমাপ্তি হয়, কাৰণ সেই সময়ত শোষণৰ কোনো বাট নোহোৱা হৈ পৰে। এনে সময়ত সমাজত বৰ্তমানৰ সংঘাট আৰু প্ৰতি-যোগিতাৰ ঠাইত সমতা আৰু সহযোগ আহি পৰে। ৰাষ্ট্ৰৰ নিপীড়ন কাৰ্য্যও নোহোৱা হয়, কোনো শ্ৰেণীবিশেষে আন শ্ৰেণীক উৎপীড়ন কৰিবলৈও সুযোগ নোহোৱা হয়।

'সেইকাৰণে মাৰ্ক্সে ইতিহাসক অৱশ্যম্ভাবী শ্ৰেণী সংঘাটৰ বিবৰ্তন বুলি আখ্যা দিছিল। অতীতত সেই বিবৰ্তন কেনেকৈ হৈছিল, মধ্য-যুগীয়া প্ৰথাই সময়ত কেনেকৈ পুঁজিবাদ সৃষ্টি কৰিছিল, মধ্যযুগীয়া এই সম্প্ৰদায়টো কেনেকৈ বুৰ্জোৱা শ্ৰেণীত পৰিণত হৈছিল সেইবোৰ কাৰ্ল মাৰ্ক্সে বিভিন্ন পটন্তৰ দি ফঁহিয়াই দেখুৱাইছিল। তেওঁৰ মতে বুৰ্জোৱা আৰু শ্ৰমিক সংঘৰ্ষটো সমাজৰ শেষ সংঘৰ্ষ আছিল। পুঁজি-বাদে শ্ৰমিকৰ সংখ্যা বৃদ্ধি কৰিছে, কিন্তু পুঁজিবাদক পৰাস্ত কৰি শ্ৰমিক শ্ৰেণীয়ে শ্ৰেণীবিহীন সমাজ আৰু সমাজবাদ প্ৰতিষ্ঠা কৰিব।

'ইতিহাসক এই দৃষ্টিৰে বিশ্লেষণ বা লক্ষ কৰাটোক মাৰ্ক্সে 'ইতি-হাসৰ বস্তুবাদী ধাৰণা' বুলি অভিহিত কৰিছিল। তাক বস্তুবাদী বোলা হৈছিল কাৰণ তাৰ আদৰ্শবাদী বোলা কোনো কথা নাছিল। মাৰ্ক্সৰ সময়ত আদৰ্শবাদী শব্দটো কেইবাজনো দাৰ্শনিকে ব্যৱহাৰ কৰিছিল। সেই সময়ত বিবৰ্তনৰ ভাবধাৰা জনপ্ৰিয় হৈ উঠে। জনসাধাৰণৰ মনত ভাৰউইনে এই ভাবৰ প্ৰচাৰ কৰিছিল, কিন্তু তাৰ দ্বাৰা মানুহৰ সামাজিক সম্পৰ্কৰ কোনো বিশ্লেষণ হোৱা নাছিল। কিছুমান দাৰ্শনিকে মানুহৰ অপ্ৰগতিৰ কাৰণ তেওঁলোকৰ মনৰ অস্পষ্ট আদৰ্শবাদী মত বুলি কৈছিল। তেওঁৰ মতে অস্পষ্ট ধাৰণা আৰু অস্পষ্ট আদৰ্শবাদ

মাৰাত্মক, কাৰণ তাৰ ফলত মানুহে বাস্তৱবাদৰ জগত সম্বন্ধে নোহোৱা যি কোনো কথা ভবাৰ সম্ভাবনা থাকে। সেই কাৰণে মাৰ্ক্সে সকলো সত্য ঘটনা বৈজ্ঞানিকভাবে পৰীক্ষা কৰি আগবাঢ়িছিল। 'বস্তুবাদী' শব্দৰ অৰ্থ সেইটোৱে আছিল।

'মাৰ্ক্সে সঘনে শোষণ আৰু সংঘাতৰ কথা উল্লেখ কৰিছিল। আমাৰ চাৰিওফালে থকা অন্যায় দেখি আমাৰ খং উঠে আৰু আমি উত্তেজিত হৈ পৰো; কিন্তু মাৰ্ক্সৰ মতে সেইটো খঙৰ কথা নহয় বা ভাল উপদেশ দিয়াৰ কথা নহয়। শোষণ শোষণকাৰীৰ দোষ নহয়। এক শ্ৰেণীয়ে আন এটা শ্ৰেণীক শোষণ কৰা এটা ঐতিহাসিক ধাৰা আৰু সময়ত তাৰ ঠাইত আন ব্যৱস্থাৰ উৎপত্তি হয়। এজন প্ৰভাৱ-শালী লোকে আন এজনক শোষণ কৰিলে, সেইটো শোষণকাৰীজনৰ মাৰাত্মক পাপ নহয়, কাৰণ শোষণকাৰীজন এটা ব্যৱস্থাৰ অংশবিশেষ। গতিকে সেই মানুহজনক গালি-শপনি পৰাৰ কোনো যুক্তি নাই। ব্যক্তি আৰু ব্যৱস্থাৰ মাজৰ ব্যৱধান আমি সদায় পাহৰি যাওঁ। ভাৰতবৰ্ষ বৃটিচ সাম্ৰাজ্যৰ তলত আৰু আমি বৃটিচ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সকলো শক্তিৰে যুঁজ কৰিছো; কিন্তু ভাৰতবৰ্ষত থকা বৃটিচসকল বৃটিচ সাম্ৰাজ্যবাদৰ সমৰ্থক বুলিয়েই তেওঁলোকক দোষী বুলিব নোৱাৰি। তেওঁলোক বিৰাট যন্ত্ৰ এটাৰ ভেজা মাত্ৰ, আৰু এই যন্ত্ৰ-চালনা কাৰ্য্যত তেওঁলোকে কোনো প্ৰভেদ আনিব নোৱাৰে। সেইদৰে জমিদাৰী প্ৰথাক আমি কিছুমানে পুৰণি প্ৰথা বুলি ভাবিব পাৰো আৰু খেতিয়কৰ কাৰণে এই প্ৰথা অনিষ্টকৰ বুলি কওঁ, কাৰণ এই প্ৰথাই খেতিয়কক নিষ্ঠুৰভাবে শোষণ কৰে। তাৰ অৰ্থ এইটো নহয় যে জমিদাৰ সকল গাইগুটীয়াভাবে শোষণৰ বাবে দায়ী। পুঁজিবাদী সকলৰ ক্ষেত্ৰতো সেই একে কথাকে কব পাৰি। দোষ ব্যৱস্থাটোৰ, ব্যক্তি বিশেষৰ নহয়।

'কাৰ্ল মাৰ্ক্সে শ্ৰেণী-সংগ্ৰাম প্ৰচাৰ কৰা নাছিল। তেওঁ মাত্ৰ দেখুৱাইছিল যে শ্ৰেণী-বিৰোধ যি কোনো এটা জগত আছিল। আধু-নিক সমাজৰ অৰ্থনৈতিক আইনৰ বিবৰ্তন প্ৰকাশ কৰাৰ উদ্দেশ্যে তেওঁ 'ডাচ কেপিটাল'খন লিখিছিল। তাৰ দ্বাৰা সমাজৰ বিভিন্ন শ্ৰেণীৰ

মাজত থকা সংঘৰ্ষ প্ৰকাশ কৰিছিল ; এই সংঘৰ্ষ শ্ৰেণীৰ মাজত হোৱা যুঁজ যেন নালাগে, কাৰণ প্ৰভাৱশালী লোকে নিজৰ স্বৰূপটো ঢাকি ৰাখে। কিন্তু যেতিয়া চলিত পুংক্তি প্ৰত্যাহ্বানৰ সন্মুখীন হয়, তেতিয়া সেই শ্ৰেণীটোৱে সকলো ধৰণৰ ফাঁকটি এৰি পেলায় ; ফলত তাৰ প্ৰকৃত ৰূপ উদং হৈ শ্ৰেণী-সংঘৰ্ষ মুকলিভাবে ওলাই পৰে। এনে পৰিস্থিতিত গণতন্ত্ৰ, সাধাৰণ আইন আৰু পদ্ধতি নোহোৱা হয়। এই সংঘৰ্ষক কিছুমানে বুজাবুজিৰ অভাব বা আন্দোলনকাৰীৰ দুষ্কাৰ্য্য বুলি কৰলৈ প্ৰয়াস কৰে, কিন্তু দৰাচলতে সেইটো নহয়। সমাজত তেনে সংঘৰ্ষ স্বাভাৱিক। স্বাৰ্থ-বিৰোধৰ মাত্ৰা বৃদ্ধি হলেই তেনে সংঘৰ্ষ ঘটিবলৈ ধৰে।

'এতিয়া ভাৰতৰ চলিত অৱস্থাৰ লগত মাৰ্ক্সবাদৰ তুলনা কৰা যাওক। বৃটিচ চৰকাৰে সুদীৰ্ঘকাল দাবী কৰি আহিছে যে ভাৰতবাসীৰ কল্যাণৰ বাবে আৰু ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত কৰি ইয়াত ৰাজত্ব চলাইছে। অতীতত আমাৰ বহুতে বৃটিচৰ সেই দাবীত যে বিশ্বাস কৰিছিল তাত অলপো সন্দেহ নাই। বৰ্ত্তমান সময়ত এটা বিৰাট ৰাজহুৱা আন্দোলনে বৃটিচৰ ভাৰত-শাসনৰ প্ৰতি এটা ডাঙৰ প্ৰত্যাহ্বান জনাইছে আৰু সেইকাৰণে শাসনৰ নগ্ন ৰূপটো ওলাই পৰিছে। সাম্ৰাজ্যবাদী শোষণ এতিয়া সঙ্গীনৰ ওপৰত নিৰ্ভৰশীল আৰু যিকোনো লোকে এই সত্য ঘটনা দেখা পাইছে। কোমল সুৰৰ কথাবোৰ এতিয়া নোহোৱা হ'ল ; বিশেষ অৰ্ডিনেন্স সাধাৰণ আইনত পৰিণত হৈছে। চলিত কৰ্তৃত্বৰ প্ৰত্যাহ্বান যিমানেই বাঢ়িব, সেই অনুপাতে তেনে আইন তথা অৰ্ডিনেন্সবোৰৰ সংখ্যা বাঢ়িব। এক শ্ৰেণীয়ে আন শ্ৰেণীক প্ৰত্যাহ্বান কৰিলেও তেনে আইন প্ৰবৰ্তন কৰা হব। কৃষক আৰু বনুৱা আৰু যিসকলে তেওঁলোকৰ হকে কাম কৰিছে এই আটাইবোৰৰ ওপৰত বৰ্ব্বৰভাবে আৰোপ কৰা জেল-জৰিমনাৰ পৰা সেইকথা আমাৰ দেশত দেখিবলৈ পাইছো।

'মাৰ্ক্সৰ মতে ইতিহাস পৰিবৰ্তনশীল আৰু সমাজ অগ্ৰগতিৰ বাটত। তাৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাই। ই এটা গতিশীল ভাব। সমাজ সদায় আগবাঢ়ি থায় ; তাক কোনেও ৰোধ কৰিব নোৱাৰে। এটা

সামাজিক ব্যৱস্থাক আন এটা সামাজিক ব্যৱস্থাই দখল কৰে ; কিন্তু যেতিয়া এটা সমাজব্যৱস্থা পূর্ণকালপ্রাপ্ত হয়, তেতিয়াহে সেই ব্যৱস্থাৰ ওৰ পৰে। সমাজ বিবর্ত্তনে সমাজৰ পুৰণি সাজ-পাৰ ফালি পেলায়, কাৰণ তেনে সাজ-পাৰ আওপুৰণি হৈ সমাজক শৃংখলাৰে আৱদ্ধ কৰি ৰাখে। সমাজে তেতিয়া নতুন সাজপাৰ লয়।

'উন্নয়নৰ আকর্ষণীয় ধাৰাক মার্ক্সে সমাজৰ অদৃষ্ট বুলি আখ্যা দিছিল। আগৰ দিনবোৰ বাগৰি যাবলৈ ধৰে। পুঁজিবাদী বুর্জোৱা আৰু শ্রমিকৰ মাজত বর্ত্তমান যি সংঘর্ষ ঘটিব ধৰিছে, সেই সংঘর্ষ শ্রেণী-সংগ্রামৰ শেহ সংগ্রাম। শিল্প ক্ষেত্রত উন্নত দেশবোৰত পুঁজিবাদে পূর্ণতা লাভ কৰিছে আৰু সেই দেশবোৰত শ্রেণী-সংঘাট ঘটিছে। যিবোৰ দেশত পুঁজিবাদ বৰ আগবঢ়া নাই সেই দেশবোৰ পিচ পৰি আছে আৰু এই দেশবোৰৰ শ্রেণী-সংঘর্ষ মিশ্র আৰু বিভিন্ন ধৰণৰ ; তথাপি মূলতঃ এই দেশবোৰতো শ্রেণী-সংঘর্ষ আৰম্ভ হৈছে কাৰণ বিশ্বৰ দেশবোৰৰ মাজত পাৰস্পৰিক সম্বন্ধ আছে। মার্ক্সে কৈ গৈছে যে পুঁজিবাদ এটাৰ পিচত আন এটা বিপদৰ সন্মুখীন হব আৰু শেহত পুঁজিবাদ ভাঙি পৰিব, কাৰণ পুঁজিবাদৰ কোনো স্বকীয় ক্ষমতা নাই। এই কথা মার্ক্সে ষাঠিবছৰ আগতে লিখি থৈ গৈছে আৰু তেতিয়াৰ পৰা পুঁজিবাদ একাধিক বিপদৰ সম্মুখীন হৈছে। পুঁজিবাদ কিন্তু অন্ত পৰা নাই। ৰুছিয়াত পুঁজিবাদ নাই। মই লিখাৰ সময়ত দেখিছো যে পৃথিৱীৰ সকলো ঠাইতে পুঁজিবাদ মর্মান্তিকভাবে ৰুগীয়া হৈ পৰিছে। পুঁজিবাদ ৰোগমুক্ত হৈ পৰিব বুলি যেজসকলে (অর্থাৎ যিসকলে পুঁজিবাদক ৰুগ্ন অৱস্থাৰ পৰা ভাল কৰিব পাৰিব বুলি চেষ্টা কৰিছে) আশা নকৰে।

'বর্ত্তমান পুঁজিবাদৰ তলত ধনীশ্রেণীয়ে দুখীয়া শ্রেনীক আৰু পুঁজিবাদীয়ে বনুৱাক শোষণ কৰিছে বুলি আমি নিন্দা কৰো। নিঃসন্দেহে সেইটো সত্য ঘটনা, কিন্তু পুঁজিবাদৰ দোষৰ কাৰণে এই অৱস্থা হোৱা নাই। শোষণৰ ভিত্তিত থকা পদ্ধতিৰ কাৰণেহে তেনে অৱস্থাৰ উত্তৱ হৈছে। আমি ভবা উচিত নহয় যে পুঁজিবাদৰ তলত এইয়া নতুন কথা। বিগত যুগবোৰত সকলো পদ্ধতিৰ তলত বনুৱা আৰু দুখীয়া

শ্ৰেণীয়ে নিষ্ঠুৰ আৰু অৱশ্যম্ভাবী শোষণত কষ্ট ভুগিছিল। পুঁজিবাদীৰ শোষণ সত্ত্বেও বৰ্তমান যুগক কিছু ভাল বুলি কব পাৰি ; কিন্তু তাৰ অৰ্থ এইটো নহয় যে বৰ্তমান অৱস্থা সন্তোষজনক।

‘বৰ্তমান মাৰ্ক্সবাদৰ শ্ৰেষ্ঠ সমৰ্থক লেনিন। লেনিনে মাৰ্ক্সবাদৰ কেৱল প্ৰতিনিধিত্ব বা ব্যাখ্যা কৰা নাছিল ; তেওঁ জীৱনত মাৰ্ক্সবাদ মানি চলিছিল। কিন্তু মাৰ্ক্সবাদক সাল-সলনি কৰিব নোৱাৰা ধৰা-বন্ধা মত বুলি ভবা অনুচিত বুলি তেওঁ সতৰ্ক কৰি দি গৈছে। মাৰ্ক্স-বাদৰ মৌলিক কথাত লেনিনে বিশ্বাস কৰিছিল ; কিন্তু তাৰ বিশদ ভাবধাৰা নভবা-নিচিন্তাকৈ গ্ৰহণ বা প্ৰয়োগ কৰাৰ পক্ষে নাছিল। লেনিনে কৈছে ঃ কোনো অৰ্থতে মাৰ্ক্সীয় তত্ত্ব সম্পূৰ্ণ আৰু ক্ৰুটি-হীন বুলি আমি নধৰোঁ। বৰঞ্চ আমি দৃঢ়তাৰে বিশ্বাস কৰোঁ যে মাৰ্ক্সবাদ সকলো বিজ্ঞানৰ মূল ভেটি ; সমাজবাদী সকল পিচ পৰি নাথাকে আৰু তেওঁলোকে সকলো দিশতে আগবাঢ়ি যায়। ৰুছ মাৰ্ক্সবাদী সকলে মাৰ্ক্সীয় তত্ত্বটো স্বাধীনভাবে বিচাৰ কৰি চোৱা উচিত বুলি ভাবো, কাৰণ এই তত্ত্বটোৱে সাধাৰণ দিক-দৰ্শক ভাব-বোৰ দিছে। এইবোৰ বিভিন্ন প্ৰকাৰে প্ৰয়োগ কৰিব পাৰি যেনে ফ্ৰান্সতকৈ ইংলেণ্ডত, বা ইংলেণ্ডতকৈ জাৰ্মানীত বেলেগে বেলেগে তাক প্ৰয়োগ কৰিব পাৰি।’

জাহৰলালে চিঠি দুখনত মাৰ্ক্সবাদ সম্পৰ্কে আলোচনা কৰি ইন্দিৰা গান্ধীয়ে মাৰ্ক্সবাদৰ মতবোৰ জনা উচিত বুলি উপদেশ দিছিল। এনে উপদেশ দিয়াৰ কাৰণ আছিল যে এই মতবোৰ আমাৰ ভাৰতৰ সমস্যা সমাধানৰ ক্ষেত্ৰত সহায়ক হব বুলি নেহৰুৱে বিশ্বাস কৰি-ছিল। তেওঁ অনুভৱ কৰিছিল যে মাৰ্ক্সবাদৰ মতবোৰে অগণন নৰ-নাৰীক প্ৰভাৱান্বিত কৰিছিল। এই সংক্ৰান্তত ছোভিয়েত ৰুছি-য়াৰ কথা উল্লেখ কৰি নেহৰুৱে ইন্দিৰালৈ লিখিছিল ঃ ‘ৰুছিয়া এটা মহৎ জাতি ; ছোভিয়েত য়ুনিয়ন আৰু তাৰ আন অংশবোৰে মাৰ্ক্সক তেওঁলোকৰ ভৱিষ্যত বক্তা হিচাবে গ্ৰহণ কৰিছে আৰু বৰ্তমানে ঘোৰ বিপত্তিত জুৰুলা হৈ তাৰ প্ৰতিকাৰৰ বাবে প্ৰেৰণা পাবলৈ প্ৰপীড়িত লোকে মাৰ্ক্সলৈ আশা পালি আছে।’

এই সংক্ৰান্তত নেহৰুৱে ইংৰাজ কবি টেনিচনৰ কবিতাৰ কেইশাৰীমান উদ্ধৃত কৰিছিল ঃ

'The old world changeth yielding
Place to new,
And God fulfils himsilf in many ways
Lest one good custom should
Corrupt the world.'

(পুৰণি পৃথিৱীয়ে নতুনক বাট এৰি দি পৰিবৰ্তন লয় আৰু ভগবানে নানা প্ৰকাৰে নিজৰ বাঞ্ছা পূৰণ কৰে জানোচা এটা সজ ৰীতিয়ে পৃথিৱীখন কলুষিত কৰে)।

কুৰি শতিকাৰ আগ ভাগত লেনিনে প্ৰাচ্যৰ বিভিন্ন ঠাইত জাতীয় মুক্তি আন্দোলনৰ পাতনি লক্ষ কৰিছিল ; সেইদৰে ভাৰতত কংগ্ৰেছৰ নেতৃত্বত বৃটিচ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে হোৱা আন্দোলনৰ বা-বাতৰি গম পাইছিল আৰু মুক্তি আন্দোলনৰ লগত জড়িত একাধিক লোকৰ লগত চিঠি-পত্ৰৰ আদান-প্ৰদান কৰিছিল। কিন্তু তেওঁ ভাৰতৰ সন্দৰ্ভত নিৰ্দিষ্ট মতামত দিব নোৱাৰিছিল। তথাপি যিবোৰ তথ্য তেওঁৰ হাতত পৰিছিল তাৰ যোগেদি ভাৰতবৰ্ষত গণ বিপ্লৱৰ সম্ভাৱনা দেখিছিল আৰু ভাৰতত বৃটিচ উপনিবেশ শাসনৰ তীব্ৰ সমালোচনা কৰিছিল। অৰ্থনৈতিক দুৰৱস্থা আৰু জনসাধাৰণৰ অভাৱনীয় দাৰিদ্ৰ্য ভাৰতৰ পৰাধীনতাৰ কাৰণ বুলি লেনিনে আখ্যা দিছিল। তেওঁ কৈছিল ঃ 'ভাৰতত বৃটিচ পদ্ধতিৰ চৰকাৰৰ তলত অত্যাচাৰ আৰু লুণ্ঠনৰ অন্ত নাই। ৰুছিয়াৰ বাহিৰে ভাৰতৰ দৰে পৃথিৱীৰ কতো ব্যাপক দাৰিদ্ৰ্য আৰু অনাহাৰ নাই (১৯০৮)।'

লেনিনে ১৯১৬ চনত কৈছিল যে বৃটিচে ভাৰতত শিল্প-উন্নয়নত বাধা দি আহিছে। প্ৰাক্ বিপ্লৱৰ সময়ৰ ৰুছিয়াৰ দুৰৱস্থাৰ ভাৰতৰ লগত তুলনা কৰি তেওঁ ভাৰতবৰ্ষক এখন দাসত্বৰ দেশ বুলি কৈছিল। তেওঁৰ মতে 'ভাৰতত প্ৰায় ত্ৰিশ কোটি মানুহক বৃটিচ শাসকবৰ্গই লুণ্ঠন আৰু অত্যাচাৰ কৰিছে।' তেওঁৰ মতে ভাৰতৰ তেনে

অৱস্থা হোৱাৰ কাৰণ ভাৰতত প্ৰায় এহেজাৰমান শকত বেতনভোগী আৰু দক্ষতাপূৰ্ণ চাকৰিয়াল আছিল। লেনিনৰ মতে ভাৰতত বৃটিচ আধিপত্যৰ অন্যতম কাৰণ আছিল হিন্দু আৰু মুছলমানৰ মাজত বিভেদনীতিৰ বীজ। ভাৰতত বৃটিচৰ শক্তিৰ বুজ লেনিনে পাই-ছিল; তথাপি ভাৰতীয় ৰাজনৈতিক নেতাসকলৰ ওপৰত তেওঁৰ আস্থা আছিল আৰু ৰাজনৈতিক আন্দোলনত জনতাৰ সমৰ্থন থকাৰ ইংগিত পাইছিল। বাল গঙ্গাধৰ তিলকক তেওঁ ভালদৰে জানিছিল আৰু ১৯০৮ চনত তিলকৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত বোম্বাইত যি ধৰ্মঘট হৈছিল, তাৰ বিষয়ে উল্লেখ কৰি কৈছিল: 'ভাৰতত প্ৰলেটাৰিয়েট শ্ৰেণীৰ মাজত ৰাজনৈতিক গণ-আন্দোলনৰ চেতনা আহিছে। গতিকে ভাৰতত ৰুছিয়া সদৃশ বৃটিচ ৰাজত্ব অন্ত হবলৈ বাধ্য।' প্ৰায় ৪০ বছৰৰ মূৰত লেনিনৰ ভৱিষ্যৎ-বাণী কাৰ্য্যত পৰিণত হ'ল, কাৰণ ১৯৪৭ চনৰ ১৫ আগষ্টত পৰম পৰাক্ৰমী বৃটিচ শক্তিৰ ভাৰতত আধিপত্য শেষ হ'ল। বৃটিচ সাম্ৰাজ্যত বেলি মাৰ নাযায় বুলি বৃটিচ সাম্ৰাজ্যবাদীসকলে যুগে যুগে যি গৌৰৱ কৰি আহিছিল, সেই গৌৰৱ অতীতত জাহ গ'ল।

আঠ

মতিলালৰ পৰা ইন্দিৰালৈ

ভাৰতৰ মুক্তি-সংগ্ৰাম (১৮৮৫-১৯৪৭) তথা কংগ্ৰেছৰ ইতিহাস আৰু তাৰ পিচত স্বাধীন ভাৰতৰ বুৰঞ্জীত নেহৰু-পৰিয়ালৰ অৱদান অদ্বিতীয়। ভাৰতত এনে এটা পৰিয়াল আছে বুলি কব নোৱাৰি যি পৰিয়ালে নেহৰু-পৰিয়ালৰ দৰে দেশৰ মুক্তি-সংগ্ৰাম আৰু তাৰ পৰবৰ্তী কালত স্বাধীন ভাৰত গঢ়াৰ পথত বিশিষ্ট অৱদান যোগাইছে। এই বিশিষ্ট ভূমিকাত অংশ গ্ৰহণকাৰী হিচাপে নেহৰু পৰিয়ালৰ ভিতৰত মনত পৰে মতিলাল নেহৰু (৬ মে, ১৮৬১-৬ ফেব্ৰুৱাৰী, ১৯৩১); তাৰ পিচত তেওঁৰ একমাত্ৰ পুত্ৰ-সন্তান জৱাহৰলাল নেহৰু (১৪ নবেম্বৰ, ১৮৮৯-২৬ মে, ১৯৬৪) আৰু জৱাহৰলালৰ একমাত্ৰ সন্তান ইন্দিৰা নেহৰু গান্ধী। এই একে বংশৰ আন কেবাজনো ব্যক্তি আছে যি সকলে প্ৰথমতে মুক্তি-সংগ্ৰামৰ বিভিন্ন পৰ্য্যায়ত আৰু স্বাধীনতাৰ উত্তৰ কালত ভাৰতৰ ৰাজনৈতিক জীৱনত বিশিষ্ট অংশ গ্ৰহণ কৰিছে। এওঁলোকৰ ভিতৰত বিজয়লক্ষ্মী পণ্ডিতৰ নাম উল্লেখযোগ্য।

জৱাহৰলাল নেহৰুৰ দেউতাক মতিলাল নেহৰু ভাৰতৰ ভিতৰত এজন প্ৰখ্যাত আইনজীৱী আছিল আৰু এই ব্যৱসায়ত তেওঁ প্ৰচুৰ ধন ঘটিছিল। থকা-মেলা, ফুৰণ-চাকন আদিত মতিলাল এজন অভিজাত লোক আছিল। মতিলালে ভাৰতৰ ৰজা-মহাৰজাৰ ডাঙৰ ডাঙৰ মোকৰ্দমাবোৰৰ পক্ষ লৈছিল আৰু লাখ লাখ টকা ফিজ হিচাপে পাইছিল। তেওঁৰ বাসস্থান এলাহাবাদত 'আনন্দ ভৱন' আছিল আধুনিক ব্যৱস্থাৰে পৰিবেশিত ৰাজভৱন সদৃশ ঘৰ।

কিন্তু যেতিয়া দেশৰ স্বাধীনতাৰ প্ৰশ্ন আহি তেওঁৰ সন্মুখত উপস্থিত হ'ল তেতিয়া মতিলালে তেওঁৰ ওকালতি ব্যৱসায় বিসৰ্জন দিবলৈ ইতস্ততঃ কৰা নাছিল আৰু এবাৰ থিৰ কংগ্ৰেছত যোগদান কৰিবলৈ সিদ্ধান্ত কৰিলে সেই সিদ্ধান্তৰ পৰা আঁতৰি নগছিল।

১৮৮৫ চনত ভাৰতীয় কংগ্ৰেছৰ জন্ম হয়। তাৰ তিনি বছৰৰ পিচত (১৮৮৮) মতিলাল নেহৰুৰ নিজা মহানগৰী এলাহাবাদত কংগ্ৰেছৰ বছৰেকীয়া অধিবেশন বহে। এই অধিবেশনত প্ৰায় ১৪০০ জন প্ৰতিনিধি উপস্থিত আছিল। প্ৰতিনিধিসকলৰ ভিতৰত আছিল মতিলাল নেহৰু। তাৰ পিচৰ বছৰত মতিলাল বিষয় বাছনি সভাৰ সদস্য নিৰ্বাচিত হয়। সেই কালত উমেশ চন্দ্ৰ বন্দোপাধ্যায়, জি-কে গোখলে প্ৰমুখ্যে বিশিষ্ট নেতাসকল বিষয় বাছনি সভাৰ সদস্য হয়। ইতিমধ্যে কংগ্ৰেছী নেতাসকলৰ মাজত নৰমপন্থী নামৰ এটা উপদল গঠন কৰা হয় আৰু এই উপদলৰ নেতা হয় মতিলাল নেহৰু। ১৯০৬ চনত মুচলিম লীগ স্থাপন কৰা হয়, কিন্তু এই লীগৰ ৰাজনীতি তেতিয়া সাম্প্ৰদায়িক ভিত্তিত হোৱা নাছিল আৰু সেই কাৰণে কংগ্ৰেছ আৰু মুচলিম লীগৰ মাজত উদ্দেশ্য আৰু নীতিৰ বিশেষ পাৰ্থক্য নাছিল। দহ বছৰৰ পিচত কংগ্ৰেছ আৰু মুছলিম লীগৰ যুটীয়া প্ৰচেষ্টাত ১৯১৬ চনত এখন স্মাৰকপত্ৰ ৰচনা কৰি ভাৰতৰ স্বাধীনতাৰ বিষয়টো বৃটিচ চৰকাৰৰ ওচৰত উত্থাপন কৰা হ'য়। এই স্মাৰক-পত্ৰখনৰ পাণ্ডুলিপি তৈয়াৰ কৰোঁতে মতিলাল নেহৰুৱে বিশিষ্ট ভূমিকা লৈছিল আৰু এই স্মাৰকপত্ৰৰ মাধ্যমেৰে হিন্দু-মুছলমান উভয় সম্প্ৰদায়ে ভাৰতৰ ৰাজনৈতিক দাবী পেচ কৰিছিল। স্মাৰক-পত্ৰখনত সৰ্বমুঠ ১৯টা দাবী সন্নিবিষ্ট কৰা হৈছিল।

১৯১৯ চনত মহাত্মা গান্ধী যেতিয়া ভাৰতৰ ৰাজনীতি তথা কংগ্ৰেছৰ আন্দোলনৰ নেতৃত্ব গ্ৰহণ কৰে, তেতিয়া নেহৰু পৰিয়ালৰ ওপৰত তাৰ দ্বাৰা এটা উল্লেখযোগ্য প্ৰতিক্ৰিয়া হয়। ১৯১৯ চনৰ তেৰ এপ্ৰিলত বৃটিচ বিষয়া জেনেৰেল ডায়াৰৰ দ্বাৰা অমৃতচৰ জালিয়ানৱালাবাগত যি হত্যাকাণ্ড ঘটিছিল সেই হত্যাকাণ্ডই ইতিমধ্যে জৱাহৰলালৰ মনত—তেতিয়া তেওঁৰ বয়স মাত্ৰ ৩০ বছৰ—প্ৰচণ্ড

আঘাত কৰে। তাৰ পিচত গান্ধীজীয়ে যি অসহযোগ আন্দোলনৰ বিস্তাৰিত কাৰ্য্যক্ৰম ঘোষণা কৰে সেই কাৰ্য্যক্ৰমৰ পৰিণতি কি হব সেই প্ৰশ্নইও মতিলাল নেহৰু আৰু জৱাহৰলাল দুয়োৰো মনত অনিশ্চয়তাৰ ভাবৰ উদ্ৰেক কৰে। মতিলালে গান্ধীজীৰ প্ৰস্তাৱিত অসহযোগ আন্দোলনৰ পোষকতা কৰা নাছিল, কাৰণ তেওঁ মূলতঃ উদাৰপন্থী ৰাজনীতি আৰু সংসদী ৰাজনীতি পৰিক্ৰমাৰ মাধ্যমত দেশৰ ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰাৰ পক্ষপাতী আছিল। মতিলালে এনী বেচেন্তৰ 'হোম ৰুল লীগ'ত ১৯১৭ চনত যোগদান কৰাৰ পিচত তেওঁৰ নৰমপন্থী ৰাজনীতিৰ কিছু পৰিবৰ্তন ঘটে, বিশেষকৈ ভাৰতৰ ৰাজনৈতিক দাবীৰ সন্দৰ্ভত বৃটিচ চৰকাৰে মণ্টেগু-চেমফৰ্ড সংস্কাৰৰ যি ঘোষণা কৰে, সেই ঘোষণাত মতিলাল অসন্তুষ্ট হয় আৰু নৰমপন্থী বন্ধুসকলৰ লগত তেওঁৰ মতান্তৰ ঘটে। ১৯১৯ চনৰ অমৃতচৰৰ জালিয়ানৱালাবাগ আৰু ৰাওলেট্ আইন—এই দুটা ঘটনাই মতিলালৰ ৰাজনীতিত উল্লেখযোগ্য সলনি ঘটায় আৰু তাৰ ফলস্বৰূপে তেওঁ গান্ধীজীৰ কাৰ্য্যপন্থা সমৰ্থন কৰে; সমৰ্থন কৰে যদিও, তেওঁ জেললৈ যোৱা, হৰতাল কৰা আদি কাৰ্য্যৰ পোষকতা কৰা নাছিল। আনহাতে, জৱাহৰলালে দেউতাকৰ পথ অৱলম্বন কৰাটো পচন্দ কৰা নাছিল। এইদৰে মতিলাল নেহৰু আৰু জৱাহৰলাল তথা পিতা আৰু পুত্ৰৰ মাজত ৰাজনীতি সম্পৰ্কে ঘোৰ মতানৈক্য হৈছিল। শেহান্তৰত, মতিলালে গান্ধীজীৰ নেতৃত্ব পূৰ্ণভাৱে সমৰ্থন কৰিলে আৰু তাৰ পিচত তেওঁ কংগ্ৰেছৰ এজন বিশিষ্ট নেতা হৈ পৰে। মতিলালে তেওঁৰ ওকালতি ব্যৱসায়ৰ প্ৰচুৰ ধন আৰু পাশ্চাত্য ধৰণে থকা-মিলা অভ্যাসৰ বাবে গান্ধীজীৰ আন্দোলনৰ লগত খাপ খুৱাই লোৱাত কিছু অসুবিধা পাইছিল; ভাৰতৰ ৰাজনৈতিক আন্দোলনৰ কাৰ্য্যসূচী আৰু কৰ্মপন্থাৰ ক্ষেত্ৰতো গান্ধীজীৰ লগত তেওঁৰ মতানৈক্য হৈছিল। তথাপি ১৮৮৭ চনত যে তেওঁ কংগ্ৰেছৰ সভ্য হৈছিল তেতিয়াৰ পৰা তেওঁৰ মৃত্যুলৈ [১৯৩১] কংগ্ৰেছত একেৰাহে ৪৪ বছৰ কাল সংশ্লিষ্ট হৈ আছিল।

১৯২৯ চনৰ ৬ ডিচেম্বৰত মতিলাল নেহৰু প্ৰথমবাৰৰ কাৰণে পুলিচৰ হাতত গ্ৰেপ্তাৰ হয়। গ্ৰেপ্তাৰৰ সময়ত পাঁচ বছৰীয়া নাতিনীয়েক ইন্দু (ইন্দিৰা) তেওঁৰ কোলাত আছিল। এক হিচাপে ইন্দিৰাই তেতিয়াই ভাৰতৰ স্বাধীনতা যুদ্ধৰ প্ৰথম অভিজ্ঞতা পায়, যদিও সেই বয়সত তেওঁ তেওঁৰ ককাদেউতাক পুলিচৰ হাতত গ্ৰেপ্তাৰ হোৱাৰ কোনো তাৎপৰ্য্য বুজিব পৰা নাছিল।

ভাৰতৰ মুক্তি-সংগ্ৰাম আৰু ট্ৰেড য়ুনিয়ন কংগ্ৰেছ আন্দোলনৰ ইতিহাসত কুখ্যাত মিৰাট ষড়যন্ত্ৰ মোকৰ্দমা এটা লেখত লবলগীয়া ঘটনা। ভাৰতৰ উগ্ৰপন্থী লোকসকলে বনুৱা আন্দোলনত লিপ্ত হৈ ৰুছিয়াৰ কমিউনিষ্ট সকলৰ লগত যোগাযোগ কৰাৰ সন্দেহ পাই বৃটিচ চৰকাৰে এই আন্দোলনত আঘাত কৰিবলৈ চেষ্টা কৰিছিল। ১৯২৯ চনৰ মাৰ্চ মাহত এই আন্দোলনত লিপ্ত প্ৰথম শাৰীৰ নেতা সকলক চৰকাৰে গ্ৰেপ্তাৰ কৰে আৰু তেওঁলোকৰ বিচাৰ প্ৰায় চাৰি বছৰ কাল চলি থাকে। এই মোকৰ্দমাত জড়িত আচামী সকলক সাহায্য কৰিবলৈ আৰু তেওঁলোকৰ হৈ আদালতত পক্ষ লবলৈ ভাৰতৰ কেইজনমান বিশিষ্ট আইনজ্ঞক লৈ এটা কমিটী গঠন কৰা হয়। এই কমিটীত মতিলাল নেহৰু আৰু জৱাহৰলাল উভয়ে সদস্য আছিল। মতিলালে এই কুখ্যাত মিৰাট ষড়যন্ত্ৰ মোকৰ্দমাত লিপ্ত আচামী কেইজনৰ হৈ ওকালতি কৰিছিল। এই মোকৰ্দমাত বিচাৰক আছিল মিঃ ইয়ৰ্ক নামৰ এজন ইংৰাজ আই-চি-এছ। পিচত তেওঁ এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ন্যায়াধিশৰ পদলৈ উন্নীত হয়। মিৰাট ষড়যন্ত্ৰ মোকৰ্দমাত চৰকাৰে দৈনিক ১৭০০ টকা ফিজত লেংফৰ্ড জেমচ্ নামৰ কলিকতা উচ্চ ন্যায়লয়ৰ বিখ্যাত উকীল এজনক নিযুক্ত কৰে। এনে এজন উকীলৰ বিপক্ষে থিয় দিয়ে মিৰাট ষড়যন্ত্ৰ মোকৰ্দমাত জড়িত আচামী কেইজনৰ পক্ষে মতিলাল নেহৰু। এই মোকৰ্দমাটো এটা ঐতিহাসিক মোকৰ্দমা, কাৰণ এই মোকৰ্দমাৰ যোগেদি ষড়যন্ত্ৰৰ অজুহাতত বৃটিচ চৰকাৰে ভাৰতত কমিনিষ্ট আৰু বনুৱা আন্দোলন ধ্বংস কৰিবলৈ প্ৰয়াস কৰিছিল। এই সংক্ৰান্ত জৱাহৰলালে লিখিছিল ঃ

'১৯২৯ চনৰ মার্চ মাহত বনুৱা আন্দোলনৰ শীর্ষস্থানীয় কর্মীসকলৰ কেবাজনক গ্রেপ্তাৰ কৰি বনুৱাৰ সংগঠনৰ ওপৰত আঘাত কৰে- এওঁলোকৰ কেইজনমান কমিউনিষ্ট আছিল; কেইজনমান কমিউ- নিষ্টৰ লেখীয়া আছিল আৰু বাকীবোৰ ট্রেড য়ুনিয়নপন্থী আছিল। ভাৰতত কমিউনিষ্ট আৰু কমিউনিজমৰ বিষয়ে বৰ চিৎকাৰ হৈছে। সন্দেহ নাই, ভাৰতত কিছুমান কমিউনিষ্ট আছে, কিন্তু এইটো কথাও সত্য যে চৰকাৰৰ অসংখ্য পাপ ঢাকি ৰখাৰ বাবে কমিউনিজমৰ বিৰুদ্ধে চিৎকাৰ কৰা হৈছে। মিৰাট ষড়যন্ত্র মোকৰ্দ্দমাত জড়িত ৩১ জন আসামীৰ ভিতৰত বেছিভাগে কমিউনিজমৰ বিষয়ে কম জানে। যিবোৰ শ্রমিক বা কৃষক আন্দোলনৰ লগত জড়িত, তেওঁ- লোকক গ্রেপ্তাৰ কৰা হৈছে আৰু তেওঁলোকৰ বিৰুদ্ধে গোচৰ তৰা হৈছে। আচামী কিজনৰ ভিতৰত আঠজন নিখিল ভাৰত কংগ্রেছ কমিটীৰ সদস্য অর্থাৎ কংগ্রেছৰ কেন্দ্রীয় কমিটীৰ লোক। চৰকাৰে যে কমিউনিষ্টৰ প্রতিহে নজৰ দিছে সেইটো দৃশ্যতঃ বৰ অসম্ভৱ কথা।'

মতিলাল নেহৰুয়ে কেন্দ্রীয় ব্যৱস্থাপক সভাৰ স্বৰাজ্য দলৰ নেতা হিচাপে বৃটিচ চৰকাৰৰ বিৰুদ্ধে যি চোকা সমালোচনা কৰিছিল তাৰ দ্বাৰা তেওঁৰ সংসদী ৰাজনীতিত বিচক্ষণতা প্রমাণ হৈছিল।

১৯২৮ চনৰ ১৯ মে'ত বম্বেত অনুষ্ঠিত সর্বদলীয় সন্মিলনত —এই সন্মিলনত ডঃ এম-এ আন্সাৰীয়ে সভাপতিত্ব কৰিছিল—ভাৰতৰ ভৱিষ্যত চৰকাৰ কেনে ধৰণৰ হোৱা উচিত সেই সম্পর্কে এখন পাণ্ডুলিপি প্রস্তুত কৰিবলৈ এটা কমিটী পতা হয়। এই কমিটীৰ অধ্যক্ষ নিযুক্ত হয় মতিলাল নেহৰু। এই কমিটীৰ দ্বাৰা প্রস্তুত পাণ্ডুলিপি 'নেহৰু ৰিপর্ট' নামে জনাজাত। কমিটিৰ সদস্য সকলৰ ভিতৰত আছিল তেজ বাহাদুৰ চাপ্রু, আলি ইমাম, মঙ্গল সিং, এম- এছ আনে, চুয়াইব কুৰেছি, জি-আৰ প্রধান, আৰু নেতাজী সুভাষচন্দ্র বসু। এই ৰিপৰ্টত মুঠ ১৯টা 'মৌলিক অধিকাৰ' অন্তর্ভুক্ত কৰা হয়। উল্লেখযোগ্য যে এই মৌলিক অধিকাৰ কিটাৰ কেবাটাও ১৯৫০ চনত গৃহীত ভাৰতৰ সংবিধানৰ 'মৌলিক অধিকাৰ' অধ্যায়ত সন্নিবিষ্ট কৰা হৈছে।

মতিলালৰ মৃত্যুৰ সময়ত (৬ ফেব্ৰুৱাৰী, ১৯৩১) লক্ষ্ণৌত মহাত্মা গান্ধী মতিলালৰ মৃত্যু শয্যাৰ ওচৰত আছিল। মতিলালৰ পত্নী স্বৰূপৰাণীক সান্ত্বনা দি গান্ধীজীয়ে কৈছিল ঃ মতিলালৰ বিয়োগ ঘটা নাই। তেওঁৰ লেখীয়া লোকৰ মৃত্যু নাই। তেওঁ চিৰ-জীৱী হৈ থাকিব।

দেউতাকৰ বেমাৰৰ সময়ত জৱাহৰলাল নাইনিতাল জেলত আছিল। তেওঁক ২৬ জানুৱাৰীৰ দিনা মুক্তি দিয়া হয়। সেই সময়ত গান্ধীজীকো যাৰবেদা জেলত আটক কৰি ৰখা হৈছিল। কিন্তু ২৬ জানুৱাৰীৰ দিনা তেওঁকো মুক্তি দিয়া হয় আৰু পোনে পোনে শয্যাগত মতিলাল নেহৰুৰ ওচৰলৈ আহে।

মতিলালৰ একমাত্ৰ পুত্ৰ-সন্তান জৱাহৰলালে ভাৰতৰ মুক্তি-সংগ্ৰামত কি বীৰত্বপূৰ্ণ ভূমিকা লৈছিল তাক বিভিন্ন দিশত বিভিন্ন প্ৰকাৰে বিশিষ্ট লেখক-লেখিকা সকলে নানা গ্ৰন্থ আৰু প্ৰবন্ধৰ যোগেদি আলোচনা কৰিছে। তেওঁৰ কৰ্মবহুল জীৱন-আলেখ্য সম্প্ৰতি উচ্চ পৰ্য্যায়ত অধ্যয়নৰ বিষয়বস্তু হৈ পৰিছে। তেওঁৰ লেখনিবোৰত ভাৰতৰ মুক্তি-যুদ্ধৰ বিভিন্ন দিশ, সমাজবাদৰ প্ৰতি তেওঁৰ আজীৱন আকৰ্ষণ, তেওঁৰ প্ৰগতিমূলক আদৰ্শ আৰু তেওঁৰ প্ৰধান মন্ত্ৰীত্বৰ দিনত ভাৰত কিদৰে তেওঁ গঢ়িবলৈ চেষ্টা কৰিছিল সেইবোৰ প্ৰকাশ পাইছিল। আন্তৰ্জাতিকতা আৰু সমাজবাদত যে তেওঁৰ অকৃত্ৰিম বিশ্বাস আছিল সি সম্পূৰ্ণ সত্য।

জৱাহৰলাল নেহৰুৰ ৰাজনীতি আৰু অৰ্থনীতি আছিল গণতন্ত্ৰ আৰু সমাজবাদৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ এই বিশ্বাস জন্মিছিল ১৯২৭ চনৰ পৰা যেতিয়া তেওঁ পোন প্ৰথমবাৰৰ কাৰণে ছোভিয়েত ৰুছিয়ালৈ গৈছিল আৰু তেওঁৰ লগত গৈছিল দেউতাক মতিলাল নেহৰু। সেই কাৰণে তেওঁ ১৯২৯ চনত ঘোষণা কৰিছিল যে

তেওঁ 'এজন লোকতান্ত্রিক আৰু সমাজবাদী'। তেওঁৰ আত্ম-জীৱনত লিখা আছে ঃ 'পৃথিৱী আৰু ভাৰতৰ সমস্যাবোৰৰ সমাধানৰ একমাত্র উপায় সমাজবাদ। এই শব্দটো মই কোনো অস্পষ্ট আৰু মানবীয় ধৰণে ব্যৱহাৰ কৰা নাই, কিন্তু বৈজ্ঞানিক অৰ্থনৈতিক ভাবেহে ব্যৱহাৰ কৰিছোঁ। অৰ্থনৈতিক মতবাদতকৈ সমাজবাদৰ অৰ্থ বেছি ; ই জীৱনৰ দৰ্শন আৰু সেই কাৰণে সমাজবাদে মোক আকৰ্ষণ কৰে। সমাজবাদৰ বাহিৰে দৰিদ্ৰতা, ব্যাপক নিবনুৱা সমস্যা, ভাৰতীয় লোকৰ নিপীড়ন আৰু পৰাধীনতা অন্ত কৰিবলৈ মই আন কোনো উপায় দেখা নাপাওঁ। তাকে কৰিবলৈ হলে আমাক ৰাজনৈতিক আৰু সামাজিক গাঁথনিত চৰম পৰিবৰ্তন আনিব লাগিব ; জমি আৰু শিল্পৰ ক্ষেত্ৰত ন্যস্তস্বাৰ্থৰ বিলোপ ঘটাব লাগিব আৰু বিলোপ ঘটাব লাগিব মধ্যযুগীয়া আৰু একচেতীয়া পদ্ধতিৰ।' তেওঁ ন-দি কৈছিল ঃ 'সমাজবাদ মোৰ কাৰণে কেৱল এটা অৰ্থনৈতিক মতবাদ নহয় যিটো অৱশ্যে মই পচন্দ কৰোঁ ; মোৰ পক্ষে সমাজবাদ এটা ধৰ্মৰ দৰে আৰু মই আন্তৰিকতাৰে তাক গ্ৰহণ কৰোঁ। মই ভাৰতৰ স্বাধীনতাৰ কাৰণে কাম কৰোঁ, কাৰণ মোৰ ভিতৰত থকা জাতীয়তাবোধে বিদেশী প্ৰভুত্ব সহ্য কৰিব নোৱাৰে ; স্বাধীনতাৰ কাৰণে মই বেছি কাম কৰোঁ কাৰণ সামাজিক আৰু অৰ্থনৈতিক পৰিবৰ্তনৰ বাবে সেইয়া অপৰিহাৰ্য্য।' কিন্তু নেহৰুৱে ভাৰতীয় অৱস্থা আৰু ভাৰতীয় পৰিস্থিতিৰ লগত খাপ খুৱাই সমাজবাদ ৰচনা কৰিছিল আৰু সেই সমাজবাদী অৰ্থনৈতিক ব্যৱস্থা প্ৰতিফলিত হৈছিল পাঁচ বছৰীয়া পৰিকল্পনাত। এই পাঁচ বছৰীয়া পৰিকল্পনাৰ নীতি ১৯৩৮ চনত কংগ্ৰেছ অনুষ্ঠানৰ যোগেদি তেওঁ গ্ৰহণ কৰিছিল। পৰিকল্পনা সম্পৰ্কে কংগ্ৰেছে যি কমিটী পাতিছিল, সেই কমিটীৰ সভাপতি জৱাহৰলাল নিজেই আছিল। তেওঁৰ প্ৰধান মন্ত্ৰীত্বৰ সময়ত কেন্দ্ৰীয় চৰকাৰৰ পাঁচ বছৰীয়া পৰিকল্পনা আয়োগৰ সভাপতিৰ পদো তেওঁৰ হাতত ৰাখিছিল।

নেহৰু পৰিয়ালৰ তৃতীয় ব্যক্তি ইন্দিৰা গান্ধী যিজনে তেওঁৰ ককাদেউতাক মতিলাল নেহৰু আৰু দেউতাক জৱাহৰলাল নেহৰুৰ দৰে ভাৰতৰ স্বাধীনতা যুদ্ধত বিশিষ্ট অংশ গ্ৰহণ কৰিবলৈ সক্ষম

হৈছিল। আন আন সাংগঠনিক কামৰ উপৰিও ইন্দিৰা গান্ধীয়ে কংগ্ৰেছৰ উচ্চতম পদ সভাপতিৰ আসন অলঙ্কৃত কৰিছিল। মতিলালে দুবাৰ, জৱাহৰলালে মুঠ ছয়বাৰ আৰু ইন্দিৰা গান্ধীয়ে এবাৰ এতিয়ালৈকে ৯০ বছৰীয়া কংগ্ৰেছৰ ইতিহাসত (১৮৮৫—১৯৭৬) সভাপতিত্বৰ দায়িত্বপূৰ্ণ পদ লৈ মুক্তি সংগ্ৰাম আৰু তাৰ পিচত স্বাধীনতাৰ উত্তৰ কালৰ নবীন ভাৰত গঢ়াত অপূৰ্ব অৰিহনা যোগাইছে।

ইন্দিৰাৰ জন্ম হয় ১৯১৭ চনৰ ১৯ নবেম্বৰত। ১৯১৭ চনটোৰ এটা ঐতিহাসিক তাৎপৰ্য্য আছে, কাৰণ এই বছৰতে ৰুছিয়াৰ জনসাধাৰণে জাৰৰ কুশাসনৰ ঠাইত শ্ৰমিক আৰু কৃষকৰ শাসন প্ৰতিষ্ঠা কৰে। স্মৰণ কৰা উচিত যে ইন্দিৰাই যি বংশ আৰু যি ভৱনত জন্ম গ্ৰহণ কৰিছিল, সেই নেহৰু বংশ আৰু 'আনন্দ ভৱন'ৰ ঐতিহ্যৰ পটভূমিত তেওঁ ৰাজনীতিৰ অভিজ্ঞতা অৰ্জন কৰিছিল। জৱাহৰলাল নেহৰুৰ একমাত্ৰ সন্তান হিচাপে ইন্দিৰাই ককাদেউতাক আৰু দেউতাকৰ প্ৰীতি আৰু স্নেহ সম্পূৰ্ণভাবে লাভ কৰিছিল; কিন্তু দেউতাকে তেওঁক নিজৰ অভিৰুচিমতে অধ্যয়ন আদি কৰিবলৈ স্বাধীনতা দিছিল। ইন্দিৰাই শৈশৱ কালত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ শান্তি নিকেতনৰ বিশ্ব-ভাৰতীত শিক্ষা লাভ কৰে। তেওঁৰ জীৱনত কবিগুৰুৰ প্ৰভাৱ উল্লেখযোগ্যভাবে পৰিলক্ষিত হৈছিল। বিশ্ব-ভাৰতীত ইন্দিৰাই কি বিষয় অধ্যয়ন কৰিব লাগে সেই বিষয়ে জৱাহৰলালে অধ্যাপক এ-কে চন্দলৈ এখন চিঠি লিখিছিল। চিঠিখনৰ কথাখিনি উল্লেখযোগ্য। তেওঁ লিখিছিল: 'ইন্দিৰাই কি বিষয় অধ্যয়ন কৰিব লাগে সেইটো তেওঁৰ লগত (ইন্দিৰা) কথা-বতৰা হৈ মই আপোনালৈ লিখিম। তেওঁ নিজৰ বিষয় বাছি লব লাগে। তেওঁ শান্তি নিকেতনলৈ গৈও বিষয় বাছি লব পাৰিব। শিক্ষাৰ বিষয়ে মোৰ নিজৰ ধাৰণা বৰঙ্ক বেলেগ। মই এনে শিক্ষা বিচাৰা পাওঁ যি শিক্ষাই ছোৱালীক প্ৰইং কমৰ অংশ হিচাপে গঢ়ি তোলে আৰু আন কোনো কামৰ উপযোগী কৰি নোতোলে। ব্যক্তিগতভাৱে মোৰ নিজৰ সুযোগ থাকিলে মোৰ ছোৱালীয়ে (ইন্দিৰা) এবছৰ কাৰখানাত কাম কৰিব লাগে যিদৰে অন্য শ্ৰমিকে কাম কৰে যাতে তেনে কাম শিক্ষাৰ অংশ হব পাৰে। বৰ্ত্তমান সময়ত ভাৰতত এইয়া সম্ভৱপৰ নহয় বুলি মই ভাবোঁ।'

নেহৰুৱে তেওঁৰ একমাত্ৰ সন্তান ইন্দিৰাই কল-কাৰখানাত কিছু দিন শ্ৰমিকৰ সৈতে কাম কৰাটো ইচ্ছা কৰিছিল? তাৰ কাৰণ আছিল ইন্দিৰাই ভাৰতীয় মানুহে কি পৰিবেশত কাম-কাজ কৰে তাৰ অভিজ্ঞতা পোৱাটো উচিত বুলি নেহৰুৱে ভাবিছিল। কিন্তু দেউতাকে ইন্দিৰাৰ ওপৰত এই অভিজ্ঞতা জাপি দিব খোজা নাছিল। ১৯৩৪ চনত এখন চিঠিত দেউতাক নেহৰুৱে ইন্দিৰালৈ এই দৰে লিখিছিল: 'মই তোমাক কৈছিলোঁ যে তোমাৰ শিক্ষাৰ অংশ হিচাপে —আৰু সেইদৰে প্ৰত্যেক ছোৱালীৰ শিক্ষাৰ বাবেও—কাৰখানা বা পথাৰত কাম কৰিব লাগে। ভাৰতৰ বৰ্তমান পৰিস্থিতিত এইটো সম্ভৱ নহয়; তথাপি ইয়াৰ পৰা শিক্ষা সম্পৰ্কে মোৰ কি ধাৰণা তাক তুমি বুজিব পাৰিবা। তুমি যদি কাৰখানাত কাম কৰা, তেন্তে তুমি অইন শ্ৰমিকৰ পৰা বেলেগ বা তেওঁলোকৰ ওপৰৱালা বুলি নাভাবিবা। তেনে ভাব অবাস্তৱ। কাৰখানালৈ গৈ তুমি কষ্ট, অসুবিধা আৰু দুৰ্দশাৰ গম পাব লাগিব, কাৰণ এইবোৰে আমাৰ বেছিভাগ মানুহক আগুৰি আছে; জীৱনৰ প্ৰকৃত নাটখন দেখিব লাগিব; জনতাৰ লগত, কিছু পৰিমাণে জড়িত হব লাগিব; তেওঁলোকৰ মতৰ মৰ্ম বুজিব লাগিব আৰু কেনেকৈ কাম কৰিব লাগে তাক শিকি জনতাক দুৰ্গতিৰ পৰা কি উপায়ে উদ্ধাৰ কৰিব পাৰি তাক উপলব্ধি কৰিব লাগিব। যি সকলে আৰামত বাস কৰে তেওঁলোকে সেই কথা উপলব্ধি কৰিব নোৱাৰে; কিন্তু যি সকলে ৰ'দ, বতাহ আৰু কষ্টত কাম কৰে তেওঁলোকেহে উপলব্ধি কৰিব পাৰিব। অৱশ্যে বৰ্তমান সময়ত এইবোৰ সম্ভৱ নহয়; কিন্তু তুমি তোমাৰ জীৱনৰ বাবে কি আদৰ্শ ৰাখিছা তাৰ ওপৰত বহু কথা নিৰ্ভৰ কৰিব। তোমাৰ ওপৰত মোৰ নিজৰ আদৰ্শ জাপি দিব নোৱাৰোঁ; তুমি যদি তোমাৰ জীৱনটোক প্ৰকৃত ৰূপ দিবলৈ বিচৰা, তেন্তে তুমি তোমাৰ নিজৰ জীৱন-আদৰ্শ আৰু দৰ্শন স্থিৰ কৰি লব লাগিব।'

সোতৰ বছৰীয়া জীয়েকলৈ লিখা এই চিঠিখন গুৰুত্বপূৰ্ণ বুলি কব পাৰি, কাৰণ আনন্দ ভৱনৰ লাস-বিলাসৰ পৰিৱেশৰ মাজত থকা ইন্দিৰালৈ যে দেউতাকে কাৰখানাত শ্ৰম কৰাৰ বাবে লিখিব

পাৰিছিল তাৰ বাবা নেহৰুৰ শ্ৰমিক আৰু কৃষকৰ প্ৰতি থকা সহানুভূতি প্ৰকাশ হৈছিল আৰু ইন্দিৰাকো তেনে সহানুভূতি আৰু অভিজ্ঞতাৰ বাবে প্ৰস্তাৱাত্তৰে নিৰ্দেশ দিছিল; নিৰ্দেশ দিছিল যদিও, নেহৰুৱে জীয়েকক জীয়েক বুলি গণ্য নকৰি বন্ধু বুলিহে তেনে কথা কৈছিল। ১৯৩৩ চনৰ ১৪ নৱেম্বৰৰ দিনা —এইটো নেহৰুৰ জন্ম দিন—আন এখন চিঠিত ইন্দিৰালৈ লিখিছিল : '....তুমি আৰু মই বন্ধু, যদিও তুমি মোৰ অতি চেনেহৰ জীয়াৰী। মানুহে ইজনে আন এজনক বুজিবলৈ চেষ্টা কৰাটোহে অতি দৰকাৰী।' জৱাহৰলালে এইখিনি কথা লিখিছিল ইন্দিৰাৰ এখন চিঠিৰ উত্তৰত, কিয়নো সেই চিঠি খনত ইন্দিৰাই তেওঁৰ এটি দোষৰ কাৰণে দেউতাকৰ ওচৰত 'ক্ষমা' প্ৰাৰ্থনা কৰি লিখিছিল।

নেহৰুৱে ১৯৩৫ চনত এখন চিঠিত ইন্দিৰাই কি কিতাপ পঢ়া উচিত সেই বিষয়ে লিখিছিল : 'যুৱক-যুৱতীয়ে এক শ্ৰেণীৰ পুথি ভাল পায়; আদহীয়া লোকে আন শ্ৰেণীৰ পুথি ভাল পায়; আৰু বুঢ়া চামে আন শ্ৰেণীৰ পুথি ভাল পায়। ল'ৰাকালত স্কটৰ উপন্যাস আৰু টেনিচনৰ কবিতা মই ভাল পাইছিলোঁ। এতিয়া মই এইবোৰ দেখিবই নোৱাৰোঁ। তাৰ পিচত মই চুইন্‌বাৰ্ণ আৰু খেলীৰ কিতাপ পঢ়ি ভাল পাইছিলোঁ; সম্প্ৰতি এইবোৰৰ প্ৰতি মোৰ ৰাপ বহুত কমিছে। তুমি কি কিতাপ পঢ়িব লাগে সেই বিষয়ে মোৰ যৌৱন কালৰ বা এতিয়াৰ ৰাপৰ কথা লিখিম নে? সম্ভৱতঃ কবিতা তোমাৰ প্ৰিয়। ইতিহাস, সমাজবিজ্ঞান, সমসাময়িক বিষয় নে অৰ্থনীতি ভাল পোৱা? উপন্যাস, বুৰঞ্জীমূলক উপন্যাস, ৰচনা আদি? তুমি যদি এইবোৰৰ সম্পৰ্কে মোলৈ লিখা, তেন্তে তেতিয়া মই তোমাৰ মানসিক ভাব আৰু প্ৰগতিৰ বিষয়ে জানিব পাৰিম আৰু তুমি কি কিতাপ পঢ়িব লাগে তাক জনাব পাৰিম। তুমি ভাল নোপোৱা পুথি পঢ়িবলৈ তোমাক জোৰ কৰিব নোখোজোঁ।'

জৱাহৰলাল নেহৰুৱে ইন্দিৰাক নিজৰ আদৰ্শ আৰু বিবেচনাৰ আধাৰত গঢ়ি উঠিবলৈ ইচ্ছা কৰিছিল। ১৯৩৫ চনৰ ৬ মে'ত লিখা এখন চিঠিত নেহৰুৱে লিখিছিল : "মাক-দেউতাক বৰ আচৰিত

বস্তু। তেওঁলোকে তেওঁলোকৰ সন্তান-সন্ততিৰ ভিতৰেদি জীয়াই থাকিবলৈ বিচাৰে অৰ্থাৎ তেওঁলোকে যি কৰিছিল তেওঁলোকৰ সন্তান-সন্ততিয়েও তাকে কৰাটো বিচাৰে। মোৰ জীৱনত বাহিৰৰ বহুত কাম আৰু এই কামবোৰে মোক ব্যস্ত কৰি আন কথাৰ পৰা আঁতৰত ৰাখে, তথাপি মই পিতৃত্বৰ দায়িত্বৰ পৰা মুক্ত হব নোৱাৰোঁ আৰু তুমি জীৱনক কি দৰে গঢ় দিবা তাৰ বাবে চিন্তা কৰোঁ। তোমাক বৰ সহায় কৰিব পৰা নাই যদিও, সেই পিতৃত্বৰ দায়িত্বৰ কথা পাহৰি যোৱা নাই। মাক-দেউতাকে নিজৰ ল'ৰা-ছোৱালীহঁতক নিজৰ আহিত ভাঙৰ হোৱাটো বাঞ্ছা কৰে আৰু তেওঁ-লোকৰ ভাবধাৰা নিজৰ সন্তানসকলে গ্ৰহণ কৰাটো বিচাৰে। মই ভাবো, কিছু পৰিমাণে এইটো অৱশ্যম্ভাৱী, তথাপি প্ৰত্যেক ব্যক্তিয়ে নিজৰ জীৱনক নিজে গঢ় দিব লাগে। এজন উঠি অহা ব্যক্তিক এটা নিৰ্দ্ধাৰিত ৰাপত আনিবলৈ বিচাৰিলে, তেওঁৰ ব্যক্তিত্ব নষ্ট কৰা হয়। বাৰ্নাৰ্ড শ্ব'ৰ মতে এইটো আটাইতকৈ ডাঙৰ অপৰাধ। সেই কাৰণে মই তোমাৰ ওপৰত মোৰ ভাবধাৰা জাপি নিদিবলৈ চেষ্টা কৰিম, কিন্তু মই এই বিষয়ত কিমানদূৰ কৃতকাৰ্য্য হব পাৰিম কব নোৱাৰোঁ। তুমি তোমাৰ মতে ডাঙৰ দীঘল হোৱাটো ইচ্ছা কৰোঁ যাতে তোমাৰ জীৱন সাৰ্থক কৰিব পাৰা।'

ছাত্ৰ অৱস্থাত ইন্দিৰাই শিক্ষকতাৰ প্ৰতি আগ্ৰহান্বিত হৈছিল আৰু এই বিষয়ে দেউতাকলৈ এখন চিঠি লিখিছিল। তাৰ উত্তৰত নেহৰুৱে ১৯৩৩ চনৰ ২৩ জানুৱাৰীত ডেৰাডুন জেলৰ পৰা লিখি-ছিল: 'তুমি কি হবলৈ ইচ্ছা কৰা তাৰ ওপৰত বহু কথা নিৰ্ভৰ কৰিব। তুমি এই বিষয়ে ভাবিছানে? তুমি শিক্ষক হবলৈ ইচ্ছা কৰিছা বুলি তুমি যোৱা বছৰ মোলৈ লিখিছিলা। আনক শিক্ষা প্ৰদান কৰাটো বৰ ভাল কথা, কিন্তু এজন ব্যক্তিয়ে নিজে প্ৰচুৰ অধ্যাপনা কৰাৰ পিচতহে আনক পঢ়ুৱাব পাৰে। বহুত ৰকমৰ ভাল কাম পৃথিৱীত আছে, কিন্তু যি কোনো ভাল কাম কৰিবলৈ প্ৰশিক্ষণৰ প্ৰয়োজন। ভাৰতত ল'ৰা-ছোৱালীৰ কাৰণে কামৰ

যেছি সুযোগ নাই। বহুত ছাত্ৰই উকীল হবলৈ বিচাৰে, আনকি ছোৱালীয়েও উকীল হবলৈ ইচ্ছা কৰে। এই ব্যৱসায়ৰ পৰা ধনহে ঘটিব পাৰি।”

ওপৰত দিয়া চমু সমীক্ষাটিৰ পৰা দেখা যায় যে জৱাহৰলালে ইন্দিৰাৰ ওপৰত কোনো ভাবধাৰা জাপি দিয়া নাছিল। সেই কাৰণেই দৃশ্যতঃ ইন্দিৰাই সেচ্ছাৰে তেওঁৰ নিজৰ ব্যক্তিত্ব গঠন কৰিব পাৰিছিল। তথাপি তিনিজন মহান ব্যক্তিৰ প্ৰভাৱে যে ইন্দিৰাৰ ৰাজনীতি আৰু কৰ্মকুশলতাক গঢ় দিছিল তাত সন্দেহ নাই। এই তিনিজন ব্যক্তি আছিল মহাত্মা গান্ধী, কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ আৰু দেউতাক জৱাহৰলাল নেহৰু।

ৰাজহুৱা কামৰ প্ৰতি ইন্দিৰাৰ আগ্ৰহ সৰু কালৰ পৰা পৰিলক্ষিত হৈছিল। চৈধ্য বছৰ বয়সত তেওঁ ‘বানৰ সেনা’ নামৰ কণ কণ শিশুসকলৰ এটা বাহিনী গঠন কৰিছিল আৰু সেই সময়তে তেওঁ কংগ্ৰেছত যোগ দিবলৈ বিচাৰিছিল; কিন্তু তেওঁৰ বয়স তেনেই কম হোৱাৰ বাবে কংগ্ৰেছৰ সভ্য পদৰ বাবে তেওঁৰ অৰ্হতা নাছিল। তেওঁৰ ককাদেউতাক মতিলালে ইন্দিৰাৰ দ্বাৰা গঠিত বানৰ বাহিনীটোক উপলুঙা কৰিছিল। ইন্দিৰা গান্ধীয়ে ইয়াৰ বিষয়ে বৰ্ণনা দি কৈছে: ‘বয়স অনুপাতে ইয়াৰ অৰ্থাৎ ‘বানৰ সেনা’ৰ কাম আছিল। আমি যিমান পাৰো বয়সীয়াসকলৰ কাম কৰিবলৈ-লৈছিলো যাতে তেওঁলোকে আন কাম কৰিব পাৰে। আমাৰ এই সংগঠনৰ কাম বহুত লোকে অৱজ্ঞাৰে চাইছিল, কিন্তু কিছুদিন পাচত আমাৰ প্ৰতি অৱজ্ঞা প্ৰদৰ্শন নকৰা হ’ল; কাৰণ আমি সঁচাকৈয়ে কঠিন কাম সম্পাদান কৰিছিলো।’ উল্লেখযোগ্য যে ইন্দিৰাৰ দ্বাৰা সংগঠিত ‘বানৰ সেনা’ক লংকাৰ ৰাৱণৰ বিৰুদ্ধে হনুমানে গঠন কৰা বানৰ সেনাৰ লগত তুলনা কৰা হৈছিল।

সৰুৰে পৰা কংগ্ৰেছ অনুষ্ঠানৰ কাম কাজত লিপ্ত হৈ ইন্দিৰাই ১৯৩৮ চনত নিখিল ভাৰত কংগ্ৰেছৰ সদস্য পদ লাভ কৰে আৰু ১৯৫৫ চনত কংগ্ৰেছ ৱৰ্কিং কমিটীৰ সভ্য হয়। তাৰ কেই বছৰৰ

পাচত ১৯৫৯ চনত কংগ্ৰেছ সভাপতি হয়। এটা পৰিয়ালৰ তিনিজন লোকে কংগ্ৰেছৰ সভাপতি পদ লাভ কৰাটো পৰিয়ালটোৰ পক্ষে এটা অদ্বিতীয় আৰু গৌৰৱময় কাহিনী।

১৯২৬ চনৰ শেহৰ ফালে দেউতাকৰ লগত তেওঁ চুইজাৰলেণ্ড, ইংলেণ্ড, ইটালি আদি দেশবোৰ ভ্ৰমণ কৰে। তাৰ পিচত ১৯৩৬ চনত তেওঁৰ মাতৃ কমলা নেহৰুৰ সৈতে যেতিয়া লণ্ডনত থাকিবলৈ লৈছিল, তেতিয়া, কৃষ্ণ মেননৰ দ্বাৰা গঠিত ইণ্ডিয়া লীগত সোমাই ইন্দিৰাই দায়িত্বমূলক সংগঠনৰ কাম কৰিছিল। দেউতাক নেহৰু প্ৰধান মন্ত্ৰী হিচাপে বিদেশ ভ্ৰমণৰ সময়ত তেওঁৰ লগত ইন্দিৰাই বিভিন্ন দেশ ভ্ৰমণ কৰিবলৈ সুযোগ পাইছিল। তেনেদৰে তেওঁ ইংলেণ্ড, আমেৰিকা যুক্তৰাষ্ট্ৰ, চীন, ব্ৰহ্মদেশ, ইণ্ডোনেচিয়া, ফ্ৰান্স, পশ্চিম জাৰ্মানী, ডেনমাৰ্ক, ফিনলেণ্ড, নৰওৱে, জাপান, চুইডেন আদি দেশ ভ্ৰমণ কৰি বিশ্বৰ নেতাসকলৰ লগত চিনাকি হবলৈ সুবিধা পাইছিল। তাৰ পিচত তেওঁ ছোভিয়েত ৰাছিয়ালৈ যায়।

জৱাহৰলাল নেহৰুৰ জীৱিত কালত বিভিন্ন মহলৰ মাজত এটা প্ৰশ্ন উঠিছিল। প্ৰশ্নটো আছিল : নেহৰুৰ পিচত কোন? অৰ্থাৎ নেহৰুৰ অবিহনত ভাৰতৰ প্ৰধান মন্ত্ৰী কোন হব? এই প্ৰসঙ্গত কিন্তু ইন্দিৰাৰ নাম ওলোৱা নাছিল। ১৯৬৪ চনত জৱাহৰলাল নেহৰুৰ আকস্মিক বিয়োগৰ পিচত লালবাহাদুৰ শাস্ত্ৰী কংগ্ৰেছ দলৰ দলপতি নিৰ্বাচিত হয় আৰু প্ৰধান মন্ত্ৰীৰ পদ লাভ কৰে। শাস্ত্ৰীৰ মন্ত্ৰীসভাত ইন্দিৰাই তথ্য আৰু অনাতাঁৰ দপ্তৰৰ দায়িত্ব লয়; কিন্তু ইন্দিৰা প্ৰথমতে মন্ত্ৰী পদ গ্ৰহণৰ পক্ষপাতী নাছিল। লালবাহাদুৰ শাস্ত্ৰীয়ে নতুন মন্ত্ৰীসভা গঠন কৰাৰ কিছুদিন পাচতহে ইন্দিৰাই মন্ত্ৰীসভাত যোগ দিয়ে। প্ৰকৃতপক্ষে লালবাহাদুৰ শাস্ত্ৰীয়ে ইন্দিৰাক বহিঃপৰিক্ৰমা দপ্তৰৰ গধুৰ দায়িত্ব দিবলৈ বিচাৰিছিল। সেই ভাৰ গ্ৰহণ নকৰি, শাস্ত্ৰীজীৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি তেওঁ তথ্য আৰু অনাতাঁৰ দপ্তৰৰ দায়িত্ব লয়। কিন্তু প্ৰায় আঢ়ৈ বছৰ কাল প্ৰধান মন্ত্ৰীত্বৰ দায়িত্ব বহন কৰাৰ পিচত ১৯৬৭ চনৰ ১১ জানুৱাৰীত তাচখণ্ডত

ভাৰত-পাকিস্তানৰ মাজত হোৱা চুক্তিত স্বাক্ষৰ দিয়াৰ কেইঘণ্টামান পাচত সেইদিনা ৰাতি তাচখণ্ডত শাস্ত্রীজীৰ আকস্মিকভাবে বিয়োগ ঘটে।

শাস্ত্রীৰ পিচত ভাৰতৰ প্রধান মন্ত্রী কোন হব? এইটো এটা ডাঙৰ সমস্যা হৈ পৰিল। স্বাভাৱিকতেই প্রবীণ নেতা মোৰাৰজীভাই দেশায়ে এই পদ পাবলৈ উঠি-পৰি লাগিল। কংগ্ৰেছ দলে সর্ব-সম্মতিক্রমে এজন নেতা নির্বাচন কৰিবলৈ পুৰুষার্থ কৰিলে; পুৰু-ষার্থ কৰিলে যদিও শেহত মোৰাৰজী দেশাই আৰু ইন্দিৰা গান্ধীৰ মাজত প্রতিদ্বন্দ্বিতা অপৰিহার্য্য হৈ পৰে; কিন্তু এই প্রতিদ্বন্দ্বিতাত ইন্দিৰা গান্ধীৰ জয় হ'ল। ইন্দিৰা গান্ধীৰ এই জয়ক দেশৰ প্রগতি-বাদী দলৰ জয় বুলি সমাদৰ কৰা হ'ল। কিন্তু হৰিষত বিষাদ পৰ্বও আৰম্ভ হ'ল। ইন্দিৰা গান্ধীয়ে দলপতি হৈ প্রধান মন্ত্রীৰ পদ গ্ৰহণ কৰাত প্রবীণ পন্থী নেতাসকল সন্তুষ্ট হব পৰা নাছিল, বিশেষকৈ ইন্দিৰা গান্ধীয়ে প্রধান মন্ত্রী হিচাপে বেংক ৰাষ্ট্রীয়কৰণ, ৰাজন্যবর্গৰ মাননী বিলোপ, অর্থনৈতিক ক্ষেত্রত বিদেশী ধনৰ ওপৰত নির্ভৰ নকৰি আত্মনির্ভৰশীলতা, সমাজবাদী অর্থনীতি আদিৰ ক্ষেত্রত কেবা-তাও ব্যৱস্থা হাতত লবলৈ ইচ্ছা কৰাত কংগ্ৰেছী দলৰ প্রবীণ নেতা-সকল অতিষ্ঠ হৈ পৰে আৰু লগতে অতিষ্ঠ হৈ পৰে জনসংঘ আৰু আন আন দক্ষিণ পন্থী দল আৰু পুঁজিবাদৰ সমর্থকসকল। এনে পটভূমিত সেই সময়ৰ পালিয়ামেণ্টত দলীয় সংখ্যাৰ আলেখ-লেখত ইন্দিৰা গান্ধীয়ে চৰকাৰ পৰিচালনা কৰোতে একাধিক সমস্যাৰ সন্মুখীন হব লগাত পৰিল। শেহত ১৯৬৯ চনৰ মাজভাগত কংগ্ৰেছ বিভাজন হ'ল। এই বিভাজন ভাৰতৰ ৰাজনীতিত এটা ডাঙৰ ঘটনা। এই বিভাজনে ইতিমধ্যে ভাৰতৰ ৰাষ্ট্রীয় জীৱনত অভূতপূর্ব ৰেখাপাত কৰিছে আৰু ইন্দিৰা গান্ধীৰ নেতৃত্ব দৃঢ়ভাবে প্রতিষ্ঠা কৰিছে।

তাৰ পিচত কংগ্ৰেছ তথা ভাৰতৰ ৰাজনীতিত আভাৱনীয় ঘটনা-প্রবাহ হবলৈ ধৰে। ১৯৭০ চনৰ ২৮ ডিচেম্বৰ তাৰিখে প্রধান মন্ত্রীৰ ইন্দিৰা গান্ধীয়ে লোকসভা ভংগ কৰি ১৯৭১ চনৰ ফেব্রুৱাৰী-মার্চত

লোকসভাৰ মধ্যকালীন নিৰ্বাচন পাতে। এনে আকস্মিক সিদ্ধান্তৰ ফলাফল কি হব সেই বিষয়ে কোনেও নিশ্চিতভাবে ভৱিষ্যৎ বাণী কৰিব পৰা নাছিল। বহুত ৰাজনৈতিক সমালোচক আৰু সমীক্ষকে ভাবিছিল যে মধ্যকালীন নিৰ্বাচনৰ ফলাফল হিচাপে ইন্দিৰা গান্ধী নেতৃত্বৰ পৰা খহি পৰিব। কিন্তু এই অনুমান সম্পূৰ্ণভাবে ভুল প্ৰমাণিত হ'ল। লোকসভাৰ এই মধ্যকালিন নিৰ্বাচনত ৫১৮ খন আসনৰ বাবে ৪৪২ জন কংগ্ৰেছ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছিল আৰু তাৰ ভিতৰত ৩৯১ খন আসনত কংগ্ৰেছ প্ৰাৰ্থী জয় হৈছিল। শাসক কংগ্ৰেছৰ এই অভূতপূৰ্ব জয় লাভে যিদৰে ইন্দিৰা গান্ধীৰ নেতৃত্ব সুদৃঢ় কৰিলে, সেইদৰে ভাৰতত কেন্দ্ৰীয় চৰকাৰক সুস্থ আৰু সুস্থিৰ অৱস্থালৈ আনিলে। তাৰ পৰবৰ্তী কালত ইন্দিৰা গান্ধীৰ চৰকাৰে বেংক ৰাষ্ট্ৰীয়কৰণ, ৰাজন্যবৰ্গৰ মাননীৰ বিলোপ, দৰিদ্ৰতা দূৰীকৰণৰ বাবে যিবোৰ সমাজবাদী ব্যৱস্থা গ্ৰহণ কৰিলে তাৰ দ্বাৰা দেশৰ অৰ্থনীতিৰ ৰূপে ইতিমধ্যে অনিবাৰভাবে পৰিবৰ্তন হবলৈ ধৰে।

তাৰ পিচত ১৯৭১ চনৰ বাংলাদেশৰ মুক্তি যুঁজত ভাৰতৰ অবিহণা আৰু ইন্দিৰা গান্ধীৰ নেতৃত্ব, ১৯৭২ চনত ৰাজ্য বিধান সভাৰ নিৰ্বাচনত কংগ্ৰেছৰ বিপুল জয়, ১৯৭১ চনৰ ৯ আগষ্টত ভাৰত আৰু ছোভিয়েত ৰুছিয়াৰ মাজত শান্তি, বন্ধুত্ব আৰু সহযোগৰ চুক্তিৰ সম্পাদনা আদি ঘটনাপ্ৰবাহ ইন্দিৰা গান্ধীৰ নেতৃত্বৰ জয়তিলক স্বৰূপ হৈ উঠে।

১৯৭৫ চনৰ ২৫ জুন তাৰিখে ভাৰতত প্ৰবৰ্তন কৰা ৰাষ্ট্ৰপতি শাসন তথা জৰুৰীকালিন ঘোষণা ভাৰতৰ ইতিহাসৰ স্মৰণীয় ঘটনা। এই ঘটনাৰ উত্তৰ কালত ভাৰতৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু প্ৰশাসনিক জীৱনত নতুন ধাৰাৰ সূচনা হৈছে আৰু তাৰ দ্বাৰা গণতন্ত্ৰ সমাজবাদ আৰু নতুন অৰ্থনীতিত সুস্থিৰতা আহি পৰিছে। প্ৰধানমন্ত্ৰীৰ দ্বাৰা ঘোষিত কুৰিদফীয়া আঁচনিয়ে ভাৰতৰ জনতাৰ কল্যাণৰ বাবে এটা নতুন আশাৰ সঞ্চাৰ কৰিছে।

স্মৰণ কৰা উচিত হব যে প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ নেতৃত্বত যি তিনিটা অতি উল্লেখযোগ্য তথা ঐতিহাজিক ঘটনাৰ উত্তৱ হ'ল—

১৯৬৯ চনৰ কংগ্ৰেছ বিভাজন, ১৯৭১ চনৰ বাংলাদেশৰ মুক্তি সংগ্ৰাম আৰু ১৯৭৫ চনৰ দেশৰ জৰুৰীকালিন অৱস্থা ঘোষণা--এই ঘটনা-কেইটা ইন্দিৰা গান্ধীৰ দৃঢ়তা আৰু দূৰদৃষ্টিৰ পৰিচায়ক বুলি কলে অত্যুক্তি কৰা নহব ।

১৮৮৬ চনত নেহৰু পৰিয়ালৰ মতিলাল নেহৰুৱে প্ৰথমবাৰৰ কাৰণে কংগ্ৰেছত যোগদান কৰাৰ পাচৰ পৰা বৰ্তমান ইন্দিৰা গান্ধীৰ নেতৃত্বলৈকে এই নব্বৈ বছৰীয়া কালছোৱাত নেহৰু বংশৰ তিনিজন মহান নেতা মতিলাল নেহৰু, জবাহৰলাল নেহৰু আৰু ইন্দিৰা নেহৰু গান্ধীয়ে ভাৰতৰ জনতাৰ যি সেৱা কৰি আহিছে সেইয়া নিঃসন্দেহে পৃথিৱীৰ ইতিহাসৰ পাতত সোণালী আখৰত লিপিবদ্ধ হৈ থাকিব ।

ন

বন্ধুত্বৰ ঐতিহাসিক দলিল

১৯৭১ চনৰ ৯ আগষ্টৰ দিনটো ভাৰত-ছোভিয়েত সম্পৰ্কৰ ইতিহাসত এটা বিশেষভাৱে উল্লেখযোগ্য দিন। ১৯৪২ চনৰ পৰা প্ৰতি বছৰৰ ৯ আগষ্টৰ দিনটোৰ এটা ইংগিতপূৰ্ণ তাৎপৰ্য্য আছে, কিয়নো এই স্মৰণীয় দিনটোত উনৈশ শ বিয়াল্লিচৰ 'কুইট ইণ্ডিয়া' তথা 'ভাৰত-ত্যাগ' আন্দোলন আৰম্ভ হয় আৰু সেইদিনা দেশৰ মুক্তি-সংগ্ৰামৰ শেষ পৰ্য্যায়ত মহাত্মা গান্ধী, পণ্ডিত জৱাহৰলাল নেহৰু, চৰ্দাৰ বল্লভভাই পেটেল, মৌলানা কালাম আজাদ, বাবু ৰাজেন্দ্ৰ-প্ৰসাদ প্ৰমুখ্যে ভাৰতৰ শীৰ্ষস্থানীয় কংগ্ৰেছৰ নেতাসকলক বৃটিচ চৰকাৰে গ্ৰেপ্তাৰ আৰু আটক কৰি ৰখাৰ উপৰিও ভাৰতৰ অগণন কংগ্ৰেছী লোকক বন্দী কৰিছিল। এনে এটা স্মৰণীয় 'দিৱস'ত নতুন দিল্লীত ছোভিয়েত ৰুছিয়া আৰু ভাৰতৰ মাজত এখন ঐতিহাসিক চুক্তি সম্পাদিত হয়। এই চুক্তিত ভাৰতৰ পক্ষে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী চৰ্দাৰ স্বৰণ সিং আৰু ছোভিয়েত য়ুনিয়নৰ ফালৰ পৰা বৈদেশিক মন্ত্ৰী এন্দ্ৰি গ্ৰোমিকোই স্বাক্ষৰ কৰে। চুক্তি-খনৰ ম্যাদ বিশ বছৰ নিৰ্দিষ্ট কৰা হৈছে আৰু এই স্মৰণীয় চুক্তি-খনক ভাৰত-ছোভিয়েত শান্তি, বন্ধুত্ব আৰু সহযোগিতাৰ চুক্তি হিচাপে নামকৰণ কৰা হৈছে।

ভাৰত-ছোভিয়েতৰ মাজত স্বাক্ষৰিত এই চুক্তিখনক বিনা দ্বিধাই ভাৰতবৰ্ষ আৰু ছোভিয়েত ৰুছিয়াৰ মাজত বন্ধুত্বৰ দলিল বুলিব পাৰি। চুক্তিখনক দ্বিপাক্ষিক আন চুক্তিৰ দৰে গণ্য কৰিলে ভুল

ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক ছোভিয়েত য়ুনিয়নৰ কমিউনিষ্ট দলৰ প্ৰধান লিওনিড্ ব্ৰেজনেভে ১৯৭৬ চনৰ আঠ জুনত মস্কোত সম্বৰ্দ্ধনা জনোৱা দেখা গৈছে

কৰা হয়, কাৰণ যি পটভূমি আৰু পৰিস্থিতিত এই চুক্তি স্বাক্ষৰিত হৈছিল তাৰ পৰ্য্যালোচনা কৰিলে চুক্তিখনৰ গুৰুত্ব পূৰ্বৰ যি কোনো দ্বিপাক্ষিক চুক্তিতকৈ অতি উৰ্দ্ধত।

১৯৭১ চনত বাংলাদেশৰ মুক্তি-সংগ্ৰামত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ নেতৃত্বত ভাৰতবৰ্ষই যি ভূমিকা লৈছিল, তাৰ বিস্তৃত বিৱৰণ ইয়াত আলোচনা নকৰি মাত্ৰ উল্লেখ কৰা প্ৰয়োজন যে বাংলাদেশৰ মুক্তি সংগ্ৰামত পাশ্চাত্যৰ কেইবাখনো শক্তিশালী দেশে ভাৰতৰ নীতিৰ চৰম বিৰোধিতা কৰিছিল। কিন্তু এই পৰিস্থিতিত ছোভিয়েত ৰুছিয়াই ভাৰতবৰ্ষক সম্পূৰ্ণ সমৰ্থন আৰু সহযোগ যোগাই পৰম বন্ধুত্বৰ পৰিচয় দিছিল।

বিশ বছৰীয়া ভাৰত-ছোভিয়েত চুক্তিখনক বহুত সমীক্ষকে প্ৰতি-ৰক্ষা বিশিষ্ট চুক্তি বুলি আখ্যা দিয়ে; কিন্তু চুক্তিখন প্ৰতিৰক্ষামূলক হ'লেও, এই চুক্তিৰ আধাৰত উভয় দেশৰ মাজত বিভিন্ন দিশ যেনে অৰ্থনৈতিক, বৈজ্ঞানিক, কাৰিকৰী, ক্ৰীড়া, ভ্ৰমণ, শিল্পকলা আদিত পাৰস্পৰিক সহযোগত গুৰুত্ব দিয়া আছে। ভাৰত আৰু ছোভিয়েত ৰুছিয়াই বিশ্ব-শান্তিৰ কাৰণে যি ভূমিকা লৈ আহিছে, এই ভূমিকাক একাধিক পশ্চিমীয়া ৰাষ্ট্ৰই বিকৃতভাৱে ব্যাখ্যা কৰি আহিছে; সেই ৰাষ্ট্ৰবোৰে ১৯৭১ চনৰ ৯ আগষ্টৰ ভাৰত-ছোভিয়েত শান্তি, বন্ধুত্ব আৰু সহযোগিতাৰ চুক্তিখনৰ কটু সমালোচনাও কৰিছে। কিন্তু তেনে সমালোচনাই ভাৰত আৰু ছোভিয়েত ৰুছিয়াৰ নেতৃবৃন্দক নিৰ্দিষ্ট লক্ষ্যৰ পৰা আঁতৰাই আনিব পৰা নাই; বৰঞ্চ ভাৰত-ছোভিয়েতৰ মাজত বন্ধুত্ব ক্ৰমান্বয়ে দৃঢ়তৰ হৈ উঠিছে।

ভাৰত-ছোভিয়েত ৰুছিয়াৰ মৈত্ৰী হঠাৎ আৰম্ভ হোৱা নাই। মুক্তি-সংগ্ৰামৰ আগছোৱাত বহুত ভাৰতীয় মুক্তি-সংগ্ৰামীয়ে ৰুছিয়াৰ অক্টোবৰ বিপ্লৱৰ দ্বাৰা নানাভাৱে প্ৰভাৱান্বিত হৈছিল; মহাত্মা গান্ধীও ৰুছিয়াৰ একাধিক চিন্তাশীল ব্যক্তিৰ লিখনিৰ পৰা প্ৰভাৱান্বিত হৈছিল। তেওঁৰ ৰাজনৈতিক উত্তৰাধিকাৰী জৱাহৰলাল নেহৰুৱে [illegible] বিপ্লৱৰ পৰা বহুত শিকিছিল আৰু তাৰ প্ৰভাৱ তেওঁৰ ৰাজ-

নৈতিক জীৱন, অৰ্থনৈতিক চিন্তাধাৰা, সামাজিক ব্যৱস্থা উদ্ভাৱন কৰা কাৰ্য্যত প্ৰভূতভাবে প্ৰকাশ পাইছিল। কিন্তু ষ্টেলিন-যুগত (১৯২৭-৫৩) ভাৰত আৰু ৰুছিয়াৰ সম্পৰ্ক ম্লান হৈ পৰে। ১৯৫৩ চনৰ ৯ মাৰ্চত ষ্টেলিনৰ মৃত্যুৰ লগে লগে অৱশ্যে সেই যুগৰো মৃত্যু হয় আৰু তেতিয়াৰ পৰা নতুন অধ্যায়ৰ সূচনা হবলৈ ধৰে। ষ্টেলিনৰ কুখ্যাত নীতিৰ ঠাইত ক্ৰুশ্চেভৰ নেতৃত্বত ৰুছিয়াই বন্ধুত্ব আৰু শান্তিৰ নীতি অবলম্বন কৰে। ষ্টেলিনৰ সময়ত কোনো বিদেশী ৰাষ্ট্ৰদূত মস্কোৰ পৰা বিশ কিলোমিটাৰ বাহিৰলৈ যাব নোৱাৰিছিল; কিন্তু ১৯৫৩ চনৰ পাচত ছোভিয়েত ৰুছিয়াৰ পূৰ্বৰ নীতি আচৰিতভাবে সলনি হ'ল। এনে পৰিবৰ্তিত পৰিস্থিতিত ভাৰত-ছোভিয়েতৰ মাজৰ সম্পৰ্কলৈ পৰিবৰ্তন আহি পৰে, বিশেষকৈ কে-পি-এচ মেনন মস্কোত ৰাষ্ট্ৰদূত হিচাপে থকাৰ কালছোৱাত (১৯৫২—৬১)।

এই কালছোৱাত ইন্দিৰা গান্ধীয়ে ১৯৫৩ চনত আৰু প্ৰধান মন্ত্ৰী হিচাপে জৱাহৰলাল নেহৰুৱে ১৯৫৫ চনত ছোভিয়েত ৰুছিয়ালৈ যায়। ইন্দিৰা গান্ধী ১৯৫৩ চনত মস্কোলৈ যোৱাৰ সময়ত তেওঁ কোনো চৰকাৰী দায়িত্বত নাছিল; দেউতাকৰ লগত ৰাণী দ্বিতীয়া এলিজাবেথৰ অভিষেক উৎসৱত যোগ দিবলৈ লণ্ডনলৈ গৈছিল। অভিষেক উৎসৱৰ পাচত নেহৰু ভাৰতলৈ ঘূৰি আহে, কিন্তু ইন্দিৰা গান্ধী মস্কোলৈ যায় আৰু কেবা সপ্তাহো ৰাষ্ট্ৰদূত কে-পি-এচ মেননৰ লগত ৰুছিয়া ভ্ৰমণ কৰে। ভ্ৰমণ কালত ইন্দিৰাই ষ্টেলিন-নীতিৰ ঠাইত শান্তি আৰু সদ্ভাৱৰ নীতি দেখা পায়। তাৰ পাচত ১৯৫৫ চনৰ জুন মাহৰ আগভাগত প্ৰধান মন্ত্ৰী নেহৰু মস্কোলৈ যায়। নেহৰুৰ এই মস্কো ভ্ৰমণ স্বাভাৱিকতেই ঐতিহাসিক আছিল, কাৰণ ষ্টেলিন-যুগত যিবোৰ ঘটনা ঘটিছিল আৰু যিবোৰ ঘটনাৰ কাহিনী শুনি নেহৰুৱে বেদনা অনুভব কৰিছিল, সেই ঘটনাবোৰৰ পৰিসমাপ্তি হোৱা তেওঁ নিজে লক্ষ কৰিছিল। ৰুছিয়াত দুসপ্তাহ কাল বিভিন্ন ঠাইত তেওঁ মুকলিমূৰীয়াভাবে ১৩,০০০ কিলোমিটাৰ ভ্ৰমণ কৰিছিল। বিভিন্ন ঠাইত ৰুছ জনসাধাৰণে তেওঁক দিয়া বিপুল

অভ্যৰ্থনাত তেওঁ অভিভূত হৈ পৰিছিল। মস্কোৰ ডাইনামো ষ্টেডিয়ামত ১৯৫৫ চনৰ ২২ জুনত নেহৰুৰ বাবে যি ৰাজহুৱা অভ্যৰ্থনা সভা পতা হৈছিল তাত একলাখ মানুহৰ সমাগম হৈছিল। এই সমাগম দেখি জনৈক বিদেশী সংবাদদাতাই নেহৰুক প্ৰশ্ন কৰিছিল ঃ 'এই সমাবেশটো সংগঠন কৰি মানুহবোৰক অনা নাই নে?' সংবাদদাতাজনে প্ৰকান্তৰে কবলৈ প্ৰয়াস কৰিছিল যে ডায়নামো ষ্টেডিয়ামলৈ মানুহবোৰ সেচ্ছায় অহা নাছিল। কিন্তু নেহৰুৱে সংবাদদাতাজনক চুওা চাই সোপা দিয়াৰ দৰে উত্তৰ দি কৈছিল ঃ 'সম্ভৱতঃ সমাবেশটো সংগঠন কৰা হৈছে, কিন্তু তুমি মানুহৰ অন্তৰ সংগঠন কৰিব নোৱাৰা।' তাৰ যোগেদি নেহৰুৱে সংবাদদাতাজনক জানিব দিছিল যে তেওঁৰ বাবে পতা সমাৱেশ আন্তৰিকতাপূৰ্ণ আছিল।

সমাৱেশত নেহৰুৱে বক্তৃতা দি কৈছিল 'আমি ইয়ালৈ অচিনাকি মানুহ হিচাবে অহা নাই, কাৰণ এই দেশত যি মহান পৰিবৰ্তন আৰু উন্নতি হৈছে আমি বহুতে তাক অতি মন দি লক্ষ কৰিছোঁ। লেনিনৰ নেতৃত্বত হোৱা আপোনালোকৰ অক্টোবৰ বিপ্লৱৰ একে সময়তে আমি আমাৰ মুক্তি সংগ্ৰামৰ এটা নতুন অধ্যায় আৰম্ভ কৰিছিলোঁ। আমাৰ জনসাধাৰণ এই আন্দোলনত বহু বছৰ ব্যস্ত আছিল আৰু সাহস আৰু ধৈৰ্য্যেৰে নানা যাতনা ভুগিছিল। মহাত্মা গান্ধীৰ নেতৃত্বত আমি এটা বেলেগ পথত স্বাধীনতাৰ বাবে যুদ্ধ কৰিছিলোঁ যদিও, আমি লেনিনক প্ৰশংসা কৰিছিলোঁ আৰু তেওঁৰ উদাহৰণৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিলোঁ। পন্থাৰ ক্ষেত্ৰত পাৰ্থক্য থকা সত্বেও, ছোভিয়েত ৰুছিয়াৰ জনতাৰ বিৰুদ্ধে আমাৰ জনতাৰ কোনো বেয়া ভাব নাছিল।'

তেওঁ কৈছিল ঃ

"ছোভিয়েত য়ুনিয়নৰ মই যলৈকে গৈছোঁ তাতেই শান্তিৰ বাবে বিপুল আগ্ৰহ দেখিছোঁ। মই বিশ্বাস কৰোঁ যে প্ৰত্যেক দেশৰ বেছি ভাগ লোকে শান্তি বিচাৰে, কিন্তু বহুতৰ মন শংকা আৰু সন্দেহে মেঘাবৃত কৰে আৰু তেওঁলোকে বেলেগ পন্থাৰে কাম কৰে। আমি এই ভয় আৰু

ঈৰ্ষা ত্যাগ কৰি শান্তিৰ বাতাবৰণৰ কাৰণে চেষ্টা কৰিব লাগিব। যুদ্ধ বা যুদ্ধৰ ভাবুকি কিম্বা যুদ্ধৰ কাৰণে কৰা অব্যাহত প্ৰস্তুতিয়ে শান্তি আনিব নোৱাৰে।'

বক্তৃতাৰ সামৰণিত নেহৰুৱে কৈছিল যে, 'ছোভিয়েত য়ুনিয়নৰ বিৰাট উন্নতিত মই ৰৰকৈ মুগ্ধ হৈছোঁ।'

১৯৫৫ চনত বুলগেনিন আৰু ক্ৰুশ্চেভ ভাৰত ভ্ৰমণলৈ আহোঁতে তেওঁলোকৰ সন্মানাৰ্থে নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত পতা ভোজ সভাত প্ৰধান মন্ত্ৰী নেহৰুৱে কৈছিল ঃ 'মই পৰম নিষ্ঠাৰে বিশ্বাস কৰোঁ আপোনালোকৰ এই ভ্ৰমণে শান্তি আৰু সহযোগৰ মহান কামত সহায় কৰিব। আমি সকলোৱে শান্তি আৰু সহযোগ কামনা কৰোঁ। ভাৰতৰ ৰাইজে কেৱল নিজৰ কল্যাণৰ বাবেই নহয়, মানৱ জাতিৰ সমূহীয়া কল্যাণৰ কাৰণেও কেনেকৈ কাম কৰিছে তাক আপোনালোকে দেখিছে।'

তাৰ পাচত ১৯৫৯ চনত ক্ৰুশ্চেভ্ আৰু বুলগেনিনৰ দ্বিতীয় ভাৰত ভ্ৰমণ, ১৯৬১ চনৰ চেপ্টেম্বৰ মাহত ব্ৰেজনেভ প্ৰভৃতিৰ ভাৰত দৰ্শনৰ ফলস্বৰূপে ১৯৭১ চনৰ ৯ আগষ্টত 'ভাৰত-ছোভিয়েত শান্তি, বন্ধুত্ব আৰু সহযোগিতাৰ' চুক্তি সম্পাদন সম্ভৱ হৈছিল। ভাৰত-ছোভিয়েতৰ সম্পৰ্কৰ ইতিহাসত এইটো অত্যন্ত উল্লেখযোগ্য আৰু ঐতিহাসিক পদক্ষেপ।

পৰিশিষ্ট-ক

কাৰ্ল মাৰ্ক্স

[১৮১৮-১৮৮৩]

কাৰ্ল মাৰ্ক্সে জাৰ্মানীৰ ৰাইনলেণ্ড প্ৰিভিজ্ নামৰ ঠাইত ১৮১৮ চনৰ ৫ মে'ত জন্ম গ্ৰহণ কৰে। দেউতাকে ওকালতি ব্যৱসায় কৰিছিল। পৰিয়ালটো জাতত ইহুদী আছিল। কাৰ্ল মাৰ্ক্সে যেতিয়া ছবছৰ বয়সত ভৰি দিয়ে, তেতিয়া তেওঁৰ পৰিয়ালটো খৃষ্টান ধৰ্মত দীক্ষিত হয়। কিন্তু জাত আৰু ধৰ্মই কাৰ্ল মাৰ্ক্সৰ জীৱনত কোনো প্ৰভাৱ পেলাব পৰা নাছিল। সৰুৰে পৰা মাৰ্ক্স স্বাধীনচেতা, উদ্ধত, বিপ্লৱমুখী আছিল; তেওঁ আবেগৰ পৰিবৰ্তে যুক্তিৰ প্ৰতি ধাউতি দেখুৱাইছিল। তেওঁৰ এনে স্বভাৱে ভৱিষ্যতে এজন নামজ্বলা লোক হৈ পৰিবৰ্তনশীল জগতত এটা পৰম শক্তিসম্পন্ন মানুহ হোৱাৰ ইংগিত দিছিল।

সোতৰ বছৰ বয়সত কাৰ্ল মাৰ্ক্স ব'ন বিশ্ববিদ্যালয়ত ছাত্ৰ হিচাবে ভৰ্তি হয়। তাৰ পিচৰ বছৰত বাৰ্লিন বিশ্ববিদ্যালয়লৈ যায়। ইতিমধ্যে গৰমৰ বন্ধত মাৰ্ক্স বেৰন্ ফন বেষ্টফালেনৰ জীয়েক জিনীৰ প্ৰেমত পৰে। বেষ্টফেলেন সম্ভ্ৰান্ত পৰিয়ালৰ মানুহ আছিল। এই পৰিয়ালৰ ছোৱালী ইহুদী বংশীয় উকীলৰ ল'ৰালৈ যে বিয়া দিব মাৰ্ক্সে আশা কৰা নাছিল। কিন্তু তেওঁ মনসাহ কৰি ছোৱালীৰ দেউতাকলৈ চিঠি লিখি জিনীক বিয়া কৰাবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। সেইমতে মাৰ্ক্স আৰু জিনীৰ বিয়া সুকলমে সম্পন্ন

হয়। প্ৰেমৰ এই কাহিনীয়ে মাৰ্ক্সৰ জীৱনত এটা লেখতলবগীয়া পৰিবৰ্তন আনে, অৰ্থাৎ এই ঘটনাই তেওঁক কবি হিচাবে প্ৰতিষ্ঠা কৰে। মাৰ্ক্সে জিনীলৈ জাপে জাপে কবিতা লিখিছিল আৰু তেনে কবিতা কোনো কোনো আলোচনীত প্ৰকাশ হৈছিল। যিজনে পিচৰ জীৱন কালত বিখ্যাত ৰাজনৈতিক লেখক আৰু কৰ্মী হৈছিল, তেওঁ প্ৰথমতে বাইজৰ মাজত কবি বুলি জনাজাত হৈছিল।

১৮৪১ বছৰ বয়সত কাৰ্ল মাৰ্ক্সে জেনা বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট্ উপাধি লাভ কৰে আৰু তাৰ পিচত ব'ন বিশ্ববিদ্যালয়লৈ ঘূৰি আহে। ব'ন বিশ্ববিদ্যালয়ত 'ইয়ং হেজেলিয়ান' নামৰ দাৰ্শনিক গোষ্ঠীৰ ব্ৰুনো ব্ৰয়াৰ আৰু আন আন সদস্যৰ দ্বাৰা প্ৰভাৱান্বিত হয়। এই গোষ্ঠীয়ে বাইবেল সমালোচনা কৰিছিল। সেই সময়তে মাৰ্ক্সে ধৰ্মবিৰোধী মনোভাৱ লয়, যিটো তেওঁৰ ৰাজনৈতিক মত-বাদৰ অংশ হৈছিল। ব'নত ইয়ং হেজেলিয়ান গোষ্ঠীটোৱে 'ৰেনচি জেইটুং' নামৰ এখন উগ্ৰপন্থী দৈনিক বাতৰিকাকত প্ৰকাশ কৰে। এই কাকতত মাৰ্ক্সে প্ৰবন্ধ লিখিছিল। তেওঁৰ প্ৰবন্ধবোৰে কম সময়ৰ ভিতৰতে পঢ়ুৱৈৰ মন আকৰ্ষণ কৰে আৰু মাৰ্ক্সে কেইমাহ-মানৰ ভিতৰতে বাতৰিকাকতখনৰ সম্পাদক হয়। সম্পাদকীয় প্ৰবন্ধত তেওঁ প্ৰুচিয়াৰ চৰকাৰৰ তীব্ৰ সমালোচনা কৰিছিল; সেই-দৰে সমালোচনা কৰিছিল ব্ৰুনো ব্ৰয়াৰ প্ৰমুখ্যে দাৰ্শনিক মণ্ডলীক, যদিও ব্ৰয়াৰ আৰু তেওঁৰ সতীৰ্থবৃন্দ এসময়ত মাৰ্ক্সৰ বন্ধু আছিল। ব্ৰয়াৰ প্ৰমুখ্যে দাৰ্শনিকসকলক প্ৰতি-বিপ্লৱী বুলি তেওঁ দুৰ্যোৰ সমা-লোচনা কৰিছিল। মাৰ্ক্সে তেওঁৰ পুৰণি বন্ধুবৰ্গক আক্ৰমণ কৰাত বৰ সিদ্ধহস্ত আছিল। কিন্তু সম্পাদকৰ বাব তেওঁৰ বেছি দিন নাথাকিল, কাৰণ চৰকাৰে এই বাতৰিকাকতৰ প্ৰকাশ বন্ধ কৰি দিয়ে। তথাপি তেওঁ সম্পাদক হিচাপে খ্যাতি লাভ কৰিছিল।

জেইটুং নামৰ বাতৰিকাকতখন বন্ধ হোৱাত প্ৰুচিয়া চৰকাৰৰ চেঞ্চৰ এলাকাৰ বাহিৰত পেৰিচত এখন উগ্ৰপন্থী কাকত প্ৰকাশ কৰি-বলৈ প্ৰস্তাৱ লৈছিল, কিন্তু এই প্ৰস্তাৱ কাৰ্য্যকৰী নহ'ল। পেৰিচৰ পৰা 'ভৰৱাৰ্টচ' নামৰ এখন বামপন্থী বাতৰিকাকত ওলাইছিল।

মাৰ্ক্সে এই বাতৰিকাকতখনত তেওঁৰ চোকা সমালোচনামূলক প্ৰবন্ধ লিখিবলৈ ধৰে। তেওঁৰ লিখনিবোৰ এনে উগ্ৰ আছিল যে প্ৰুচিয়া চৰকাৰে মাৰ্ক্সক ফ্ৰান্সৰ পৰা বহিষ্কাৰ কৰাৰ বাবে পেৰিচৰ সংশ্লিষ্ট কৰ্তৃপক্ষক অনুৰোধ কৰে আৰু ১৮৪৫ চনৰ জানুৱাৰী মাহত মাৰ্ক্স পেৰিচ এৰি ব্ৰুচলেচ্‌লৈ যায়। ফ্ৰান্সত থকা সময়ত ফ্ৰিড্ৰিক-এঞ্জেলৰ লগত মাৰ্ক্সৰ বন্ধুত্ব হয়। মাৰ্ক্সতকৈ এঞ্জেল বয়সত দুবছৰ সৰু আছিল। মাৰ্ক্স আৰু এঞ্জেলচৰ বন্ধুত্ব ইমান গাঢ় আছিল যে দয়োজনে একেলগে কাম কৰিছিল আৰু দুয়োৰো মাজত মনৰ মিল আছিল। মাৰ্ক্স ব্ৰুচলেচ্‌লৈ যোৱাৰ কেইমাহমানৰ পিচত এঞ্জেলচও তালৈ যায়। তাৰ পৰা এঞ্জেলেচ্ আৰু মাৰ্ক্স একে-লগে লণ্ডনলৈ যায়। লণ্ডনত জাৰ্মান শ্ৰমিক শিক্ষা য়ুনিয়ন নামৰ এটা সন্থা আছিল। এইটো এটা প্ৰগতিবাদী অনুষ্ঠান আছিল। মাৰ্ক্সে ব্ৰুচলেচ্‌লৈ প্ৰত্যাবৰ্তন কৰি ব্ৰুলেচত তেওঁ জাৰ্মান বনুৱা এচোচিয়েচন এটা সংগঠন কৰে। তাৰ উদ্দেশ্য আছিল কমিউনিজম অধ্যয়ন আৰু প্ৰচাৰ। এই সন্থাটোক আৰম্ভণি হিচাপে লৈ মাৰ্ক্সে কমিউনিষ্ট কৰেচ্‌পণ্ডেচ্ কমিটী এটা গঠন কৰে আৰু এই কমিটীলৈ তেওঁ বিভিন্ন দেশৰ কমিউনিষ্ট সকললৈ আহ্বান কৰিছিল। এঞ্জেলচক তেনে সন্থা এটা গঠন কৰিবলৈ মাৰ্ক্সে পেৰিচলৈ পঠায়। ১৮৪৭ চনত লণ্ডনত ব্ৰুচেলচ্, পেৰিচ আৰু লণ্ডনৰ প্ৰতিনিধিবৰ্গৰ এখন কংগ্ৰেছ বহে আৰু তাৰ পিচত এটা আন্তৰ্জাতিক কমিউনিষ্ট লীগ গঠন কৰা হয়। এই সন্থাৰ হৈ মাৰ্ক্স আৰু এঞ্জেলচে প্ৰখ্যাত 'কমিউনিষ্ট মেনিফেষ্টো' প্ৰকাশ কৰে।

কমিউনিষ্ট মেনিফেষ্টোৰ প্ৰথম অধ্যায়ত মাৰ্ক্সবাদৰ মত এই-দৰে লিপিবদ্ধ কৰা হয়ঃ 'বিগত সমাজৰ ইতিহাস শ্ৰেণী সংগ্ৰামৰ ইতিহাস।'

১৮৪৮ চনত বেলজিয়মত বিপ্লৱৰ ধ্বনি উঠে আৰু সেই আন্দো-লনৰ পৰিপ্ৰেক্ষিতত কাৰ্ল মাৰ্ক্স বেলজিয়মৰপৰা চৰকাৰৰ দ্বাৰা বহিষ্কৃত হয়। য়ুৰোপৰ আন আন ঠাইতো তেনে আন্দোলন হয়। মাৰ্ক্স পেৰিচলৈ আহে আৰু পিচত ক'লোন চহৰত 'নিউ ৰেইনিচি-জেইটাং' নামৰ বাতৰিকাকতৰ সম্পাদক নিযুক্ত হয়। কিন্তু সেই

সময়ত বিপ্লৱৰ যি বাতাবৰণ হৈছিল, সি নিস্তেজ হৈ পৰে আৰু কাৰ্ল মাৰ্ক্স পুনৰ জাৰ্মান ত্যাগ কৰিব লগা হয় আৰু কিছুদিন পেৰিচত থাকেগৈ ; কিন্তু তাৰ পৰাও তেওঁ বহিষ্কৃত হৈছিল। শেহত তেওঁ লণ্ডনলৈ গৈ তাতে বসতি কৰে।

লণ্ডনত কাৰ্ল মাৰ্ক্সৰ পৰিয়ালে অত্যন্ত দাৰিদ্ৰ্যৰ মাজেদি দিন কটাব লগাত পৰিছিল। কাৰ্ল মাৰ্ক্সৰ ঘৈণীয়েক এজনী মৰমিয়াল তিৰোতা আছিল, ল'ৰা-ছোৱালীকেইটাও ভাল আছিল, তেওঁৰ এজনী নাৰ্চ আছিল ; কিন্তু মাৰ্ক্সৰ অৰ্থ-সম্বল নাছিল আৰু উপাৰ্জনৰো কোনো পথ নাছিল। তেওঁলোক কেম্বাৰেৱেল নামে ঠাই এখনত ভাৰাঘৰত বাস কৰিছিল, কিন্তু ভাৰা আদায় দিব নোৱাৰাত কাৰ্ল মাৰ্ক্সক তেওঁৰ ঘৰৰ মালিকে ভাৰাঘৰ ত্যাগ কৰিবলৈ বাধ্য কৰে। তাৰ পিচত ডিন্ ষ্ট্ৰীটত দুটা কোঠালী ভাৰা লয়। দাৰিদ্ৰ্যৰ কাৰণে তেওঁ আৰু তেওঁৰ পৰিয়ালৰ স্বাস্থ্য ভাঙি পৰে আৰু ইতিমধ্যে দুটা সন্তানৰ মৃত্যু হয়। মাৰ্ক্সেও নানা ৰোগ ভোগ কৰে। দাৰিদ্ৰ্য আৰু লাঞ্ছনাৰ হেঁচাত ঘৈণীয়েক অতিষ্ঠ হৈ উঠে আৰু শেহত ঘৈণী-য়েক মাৰ্ক্সৰ প্ৰতি বিৰক্ত হৈ পৰে আৰু দুয়োৰো মাজত মতান্তৰ হয়। এনে দুৰৱস্থা দেখি তেওঁৰ বন্ধু এঙ্গেলচে সহায় কৰিছিল। এঙ্গেলচে সেই সময়ত মানচেষ্টাৰত কাম কৰিছিল। মাৰ্ক্স আৰু এঙ্গেলচৰ বন্ধুত্ব স্থায়ী আছিল ; কোনো কোনো সময়ত মাৰ্ক্সৰ জাৰ্মান ভাষাৰ প্ৰবন্ধবোৰ ইংৰাজীত ভাঙনি কৰি বাতৰিকাকতত প্ৰকাশ কৰিছিল। মাৰ্ক্সে তেওঁৰ সময়ৰ বেছিভাগ ৰাজনৈতিক অৰ্থনীতি আৰু সাংবাদিকতাৰ কামত দিন নিয়াইছিল। নানা দুৰ্য্যোগৰ মাজতো তেওঁ কিন্তু তেওঁৰ নিজস্ব মতবাদ এৰোঁপধ্যে এৰা নাছিল ; যি সকলে তেওঁৰ মতত সমৰ্থন দিয়া নাছিল তেওঁ-লোকৰ সৈতে কোনো আপোচ নকৰিছিল। তেওঁ সংগঠন কৰা 'কমিউনিষ্ট লীগ'ৰ প্ৰভাৱ ম্লান কৰিবলৈ উলিলিচ্ নামৰ এজন লোকে অপচেষ্টা কৰাত তেওঁ লীগৰ কেন্দ্ৰীয় কাৰ্য্যালয় কলোনলৈ স্থানান্তৰ কৰে।

সমসাময়িক ৰাজনীতি আৰু সাংবাদিকতাত মাৰ্ক্স ব্যস্ত আছিল। তথাপি "কেপিটেল ইন্ জেনেৰেল' এই শিতানত এখনি পুথি সংকলন

কৰিবলৈ ধৰে আৰু ১৮৫৯ চনত এই পুথিৰ প্ৰথম অধ্যায়টো 'এ ক্ৰিটিক অব্ পলিটিকেল ইকনমি' নামত প্ৰকাশ কৰে। ১৮৬৭ চনৰ 'কেপিটেল' পুথিখনৰ প্ৰথম খণ্ড প্ৰকাশ কৰে। তেওঁৰ মৃত্যুৰ পিচত 'কেপিটেল'ৰ দ্বিতীয় আৰু তৃতীয় খণ্ড যথাক্ৰমে ১৮৮৫ আৰু ১৮৯৪ চনত তেওঁৰ বন্ধু এঞ্জেলচে প্ৰকাশ কৰে। এই খণ্ডকেইটাত মাৰ্ক্সে পুঁজিবাদৰ সকলো দিশ বিশ্লেষণ কৰে। 'এ ক্ৰিটিক অব্ পলিটিকেল ইকনমি' নামৰ পুথিখনত মাৰ্ক্সে দেখুৱাইছিল যে এটা বস্তুৰ মূল্য সেই বস্তু উৎপাদন কৰোঁতে যি পৰিশ্ৰম হয় তাৰ দ্বাৰা নিৰ্ণিত হয়। কেপিটেল পুথিত তেওঁ বাহি মূল্য বা চাৰপ্লাচ ভেলু বিশ্লেষণ কৰে।

১৮৮১ চনত কাৰ্ল মাৰ্ক্সৰ পত্নীৰ বিয়োগ ঘটে। যেতিয়াৰেক কেন্সাৰ ৰোগত পৰি থকা অৱস্থাত মাৰ্ক্সৰ নিজৰ প্লুৰোচী বেমাৰ হয়; অৱশেষ্যে তেওঁ এই ৰোগৰ পৰা আৰোগ্য লাভ কৰে। কিন্তু ক্ৰমান্বয়ে তেওঁৰ ৰুগীয়া শৰীৰ বেয়াৰ ফালে চাল খাবলৈ ধৰে আৰু ১৮৮৩ চনৰ ১৪ মাৰ্চত তেওঁৰ মৃত্যু হয়। লণ্ডনৰ হাইগেটত তেওঁক সমাধিস্থ কৰা হয়।

মাৰ্ক্সৰ সতীৰ্থ এঞ্জেলচে মাৰ্ক্সৰ সমাধিস্থানত কৈছিল: 'এওঁৰ (মাৰ্ক্সৰ) নাম আৰু কাম শতাব্দীৰ পিচত শতাব্দীলৈ জীৱিত হৈ থাকিব।'

ভ্লাডিমিৰ লেনিন

[১৮৭০—১৯২৪]

ৰুছিয়াৰ বিখ্যাত নদী ভল্গাৰ পাৰত অৱস্থিত উলিয়ানভস্কত (পুৰণি নাম চিম্বিৰ্স্ক) ১৮৭০ চনৰ ২২ এপ্রিলত ভ্লাডিমিৰ ইলিচ লেনিনৰ জন্ম হয়। তেওঁৰ দেউতাক ইলিয়া নিকোলায়ভিচ এটা নিম্ন মধ্যবিত্ত পৰিয়ালৰ সন্তান আছিল। লেনিনৰ মাক মেৰিয়া আলেকজেণ্ড্রোভ্না এটা ডাক্তৰ পৰিয়ালৰ জীয়ৰী আছিল। লেনিনৰ মাক এজনা গুণসম্পন্না তিৰোতা আছিল; ঘৰতে শিক্ষা লাভ কৰা সত্ত্বেও তেওঁ কেবাটাও বিদেশী ভাষা জানিছিল। সঙ্গীত বিদ্যাতো তেওঁৰ বুৎপত্তি আছিল। সেই অঞ্চলৰ তিৰোতাসকলৰ ভিতৰত লেনিনৰ মাক চৰিত্ৰ, মনৰ বল আৰু দৃঢ়তাৰ বিষয়ত জনাজাত আছিল।

উইলিয়ানভ্ পৰিয়ালৰ ছটা ল'ৰা-ছোৱালী আছিল। তাৰ ভিতৰত ভ্লাডিমিৰ আছিল তৃতীয় সন্তান। মাক-বাপেকে সকলো ল'ৰা-ছোৱালীকেইটাক শিক্ষিত কৰিবলৈ পুৰুষাৰ্থ কৰিছিল; তাতকৈ বেছি চেষ্টা কৰিছিল ল'ৰা-ছোৱালীকেইটা সৎ স্বভাৱী, পৰিশ্ৰমী আৰু জনকল্যাণৰ কামত ব্ৰতী হবলৈ। সাধাৰণতে পৰিয়ালটো সুখী আছিল। লেনিনে বাল্যকালৰে পৰা সাঁতোৰা, খেল-ধেমালি আৰু ভ্ৰমণ ভাল পাইছিল। তেওঁৰ শিক্ষা পাঁচ বছৰৰ পৰা আৰম্ভ হয় আৰু ন বছৰত বয়সত স্কুলৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰ হিচাপে চিম্বিৰ্স্ক গাঁৱৰ স্কুলত ভৰ্তি হয়। বাল্য অৱস্থাৰ পৰা লেনিন ধী শক্তিসম্পন্ন, মেধাৱী আৰু মনোযোগী ছাত্ৰ আছিল। পৰীক্ষাত প্ৰতি বছৰ উত্তীৰ্ণ হৈছিল। সৰুৰে পৰা পুচ্‌কিন, লাৰমনটভ, টুৰ্গেনিভ, নেক্ৰাচভ, মালটিকভ, শ্বেড্ৰিন আৰু লিও টলষ্টয়ৰ গল্প আৰু অন্যান্য ৰচনাৱলী

মনোযোগ দি পঢ়িছিল। তাৰ উপৰিও সেই সময়ৰ বিপ্লৱী গণতন্ত্ৰ লেখকসকল যেনে বেলিনস্কি, হাৰ্জেন, চার্নিশ্বেভ্স্কি, পিচাৰেভ প্ৰভৃতিৰ ৰচনাবোৰ পঢ়ি লেনিনে নিজৰ জ্ঞান আৰু বিপ্লৱী মনোভাৱ গঢ়ি তুলিছিল। বোধহয় সেই কাৰণে লেনিন তেওঁৰ পাৰিবাৰিক অৱস্থা, প্ৰগতিবাদ, ৰুছ-সাহিত্য আৰু পাৰিপাৰ্শ্বিক জীৱনৰ দ্বাৰা প্ৰভাৱান্বিত হৈ এজন বিপ্লৱী তৰুণ হিচাপে থিয় দিব পাৰিছিল। ৰুছিয়াৰ জাৰৰ অত্যাচাৰী শাসন, ধনী শ্ৰেণীৰ দ্বাৰা দুখীয়াৰ ওপৰত কৰা উৎপীড়ন, কৃষকৰ দাৰিদ্ৰ্য অৱস্থা দেখি লেনিনৰ মনত শোষকৰ প্ৰতি ঘৃণা আৰু দলিতৰ প্ৰতি সহানুভূতি জাগি উঠিছিল। নগৰৰ সৰহ সংখ্যক লোকৰ দুখ-দুৰ্গতিও তেওঁ দেখা পাইছিল। তেতিয়াৰ পৰা তেওঁ দুখীয়া শ্ৰেণীৰ মানুহৰ কাৰণে সংগ্ৰাম কৰিবলৈ প্ৰতিজ্ঞা-বদ্ধ হৈছিল।

উল্লেখ কৰা প্ৰয়োজন যে লেনিনৰ ভায়েকজন বিপ্লৱী আছিল। তাৰ ভিতৰত এজনে জাৰ আলেকজেণ্ডাৰক হত্যা কৰিছিল আৰু সেই অপৰাধৰ বাবে এই ভায়েকজনক মৃত্যুদণ্ড দিয়া হৈছিল। সেই সময়ত লেনিনৰ বয়স ১৭ বছৰ। লেনিনৰ বিপ্লৱী মনোভাৱৰ ইংগিত পাই ১৭ বছৰ বয়সত জাৰ চৰকাৰে তেওঁক গ্ৰেপ্তাৰ কৰে। তাৰ পিচত ২৬ বছৰ বয়সত পুনৰ গ্ৰেপ্তাৰ হয়, কাৰণ লেনিনে চৰকাৰ বিৰোধী বাতৰিকাকতত প্ৰবন্ধ-পাতি লিখি জনসাধাৰণক জাৰৰ বিৰুদ্ধে আন্দোলন কৰিবলৈ উচটনি দিছিল। চৰকাৰে লেনিনক চাইবেৰিয়ালৈ দেশান্তৰ কৰি পঠায়; কিন্তু তেওঁৰ কাৰাদণ্ডৰ ম্যাদ শেষ হোৱাত ৰুছিয়ালৈ আহে আৰু তেওঁ পুনৰ শিক্ষা লাভ কৰিবলৈ বিচাৰে। কিন্তু ৰুছিয়াৰ কোনো বিশ্ববিদ্যালয়ত লেনিনক ভৰ্তি হবলৈ দিয়া নহ'ল। চৰকাৰৰ বোৰত পৰি তেওঁ বিশ্ববিদ্যা-লয়ত শিক্ষা লবলৈ সুযোগ নাপালে যদিও, প্ৰাইভেট প্ৰাৰ্থী হিচাপে পৰীক্ষা দিবলৈ সিদ্ধান্ত কৰে আৰু চাৰি বছৰীয়া পাঠ্যক্ৰম তেওঁ এবছৰতে সমাপ্ত কৰি পাৰদৰ্শিতাৰে পৰীক্ষাত উত্তীৰ্ণ হয়।

১৮৯৩ চনত লেনিন চেন্ট পিটাৰ্চবাৰ্গলৈ যায়। তেওঁ তালৈ যোৱাৰ উদ্দেশ্য আছিল ৰুছিয়াৰ ৰাজধানীৰ কাৰখানাত কাম কৰা

শ্ৰমজীৱী আৰু আন দুখীয়া শ্ৰেণীৰ মাজত তেওঁৰ ভাবধাৰা প্ৰচাৰ কৰা। তাত গোপনে আলোচনা-চক্ৰ গঠন কৰি শ্ৰমজীৱীসকলক লেনিনে তেওঁৰ মতবাদলৈ আকৰ্ষণ কৰিছিল ; জাৰৰ গুপ্তচৰবিলাকে লেনিনৰ এনে কাৰ্য্যবোৰৰ উদ্দেশ্যৰ সম ধৰিব পৰা নাছিল। এইদৰে তেওঁ জাৰৰ সামন্ত নীতি আৰু ধনিক শ্ৰেণীৰ বিৰুদ্ধে সংগ্ৰামৰ বুনিয়াদ গঢ়ি তুলিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰিও তেওঁ কৃষক সকলৰ মাজতো প্ৰচাৰ কাৰ্য্য চলাইছিল। এইদৰে তেওঁ বনুৱা আৰু কৃষক শ্ৰেণী দুটাৰ মাজত সোমাই, জাৰ আৰু তেওঁৰ বহুতীয়া লোকসকলৰ কুশাসন ধ্বংস কৰি জনতাৰ হাতত ক্ষমতা অনাৰ বাবে চেষ্টা কৰিবলৈ ধৰিলে। লেনিনে দুখীয়া লোকসকলৰ মাজত এনে বিশ্বাস জগাই তুলিছিল যে জাৰৰ অত্যাচাৰ আৰু শোষণ অন্ত কৰিবলৈ হলে জনসাধাৰণে ক্ষমতা দখল কৰিব লাগিব আৰু তেতিয়াহে তেওঁলোকে মুক্ত, সুখী আৰু নতুন জীৱন লাভ কৰিব।

এনে কাৰ্য্যৰ বাবে লেনিন ১৮৯৫ চনত পুনৰ গ্ৰেপ্তাৰ হয় আৰু জেললৈ যায়। কিন্তু জেলৰ ভিতৰৰ পৰাই তেওঁ বাহিৰৰ কৰ্মীসকলৰ লগত গোপনে যোগাযোগ ৰক্ষা কৰে। তেওঁৰ বিপ্লৱমুখী আন্দোলন এইদৰে অব্যাহত থাকে। চাইবেৰিয়াত তিনি বছৰ নিৰ্বাসিত হৈ থকাৰ সময়তো লেনিনৰ বিপ্লৱধৰ্মী মন কিঞ্চিৎমানো ম্লান হোৱা নাছিল। ১৯০৩ চনলৈ এইদৰে লেনিনে নিৰ্য্যাতন আৰু নিপীড়নৰ মাজেদি কটায়। ১৯০৩ চনৰ পিচত ৰুছিয়াৰ সমাজবাদীসকলৰ মাজত লেনিন নেতা হিচাপে পৰিগণিত হয়।

জাৰ চৰকাৰৰ পতনৰ পিচত লেনিন ছুইজাৰলেণ্ডৰ পৰা ৰুছিয়ালৈ প্ৰত্যাৱৰ্তন কৰে। কিন্তু ৰুছিয়ালৈ আহি ৰুছিয়াত জাৰ চৰকাৰৰ ঠাইত এদল নৰমপন্থী বল্‌চেভিকৰ হাতত ক্ষমতা দেখা পালে। তেতিয়া এই নৰম পন্থী বলচেভিক্ চৰকাৰৰ বিৰোধী হৈ তাৰ ঠাইত তেওঁ আৰু তেওঁৰ সতীৰ্থসকলে শ্ৰমিক আৰু কৃষক প্ৰকৃত প্ৰতিনিধিত্বমূলক চৰকাৰ প্ৰতিষ্ঠা কৰিবলৈ আন্দোলন কৰে আৰু ছোভিয়েতবৃন্দৰ সমৰ্থনত ১৯১৭ চনৰ নবেম্বৰত মধ্যকালীন নৰমপন্থী সমাজবাদী দলৰ চৰকাৰ ওফৰাই তাৰ ঠাইত ছোভিয়েত চৰকাৰ পাতি ৰুছিয়াৰ

শাসনৰ দায়িত্ব লয়। (ৰুছিয়াৰ পঞ্জিকা মতে ১৯১৭ চনৰ ১৭ নবেম্বৰৰ তাৰিখটো ২৫ অক্টোবৰ আৰু সেই কাৰণে ৰুছিয়াৰ নতুন চৰকাৰৰ অভ্যুদয় 'অক্টোবৰ বিপ্লৱ' বুলি জনাজাত)। এই চৰকাৰৰ মুৰব্বী হয় লেনিন। ৰুছিয়াৰ ইতিহাসৰ এই সন্ধিক্ষণত তেওঁ ক্ষমতা হাতত লৈ শ্ৰমিক, কৃষক আৰু আন দৰিদ্ৰ শ্ৰেণীৰ স্বাৰ্থৰ বাবে লেনিনে যি সাহস, দক্ষতা, ব্যক্তিত্ব আৰু নেতৃত্ব দেখুৱাইছিল, তাৰ ফলত ছোভিয়েত ৰুছিয়াত সমাজবাদ স্থায়ী হৈ ৰল।

লেনিন আছিল অক্টোবৰ বিপ্লৱৰ প্ৰধান নেতা। তেওঁৰ বিভিন্ন ৰচনাই প্ৰথমতে ৰুছিয়াত, তাৰ পিচত পৃথিৱীৰ আন আন দেশত বিপ্লৱমুখী আন্দোলনৰ উৎস যোগাইছিল। তেওঁ এই কাৰ্য্য বহন কৰি শাৰীৰিক শক্তি হেৰুৱাইছিল; কিন্তু তেওঁ আদৰ্শ আৰু দায়িত্বৰ পৰা কিঞ্চিৎমানো আঁতৰি নগৈছিল। মস্কোৰ ওচৰৰ গৰ্কীত ১৯২৪ চনৰ ২১ জানুৱাৰীত একাঙ্গী ৰোগত লেনিনৰ মৃত্যু হয়। মস্কো নগৰৰ ক্ৰেমলিনত তেওঁক সমাধিস্থ কৰা হয়। তেওঁৰ সমাধি স্থলত তেওঁৰ মৃতদেহ অতি সুন্দৰকৈ ৰখা হৈছে আৰু পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা এই পবিত্ৰ সমাধিস্থানলৈ প্ৰতি বছৰে বহুত দৰ্শক যায়।

১৯১৭ চনৰ ৭ নবেম্বৰৰ পৰা ১৯২৪ চনৰ ২১ জানুৱাৰীলৈকে সাত বছৰৰ অধিক কাল ভ্লাডিমিৰ লেনিন ছোভিয়েত ৰুছিয়াৰ ৰাষ্ট্ৰনায়ক আছিল। তেওঁৰ আদৰ্শ আৰু তেওঁৰ অদম্য কৰ্ম-শক্তিৰ যোগেদি ছোভিয়েত ৰুছিয়াত যি সমাজবাদী ৰাষ্ট্ৰ প্ৰতিষ্ঠা হৈছিল, সেই ৰাষ্ট্ৰৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ বিশ্বৰ বিভিন্ন ঠাইত— বিশেষকৈ পুব এছিয়া আৰু আফ্ৰিকা মহাদেশৰ নৱজাত ৰাষ্ট্ৰবোৰত বিয়পি পৰিছে।

জৱাহৰলালৰ ভাষাত: 'লেনিন এটা শক্তিশালী পৰম্পৰা হৈ উঠিছে, কেৱল ৰুছিয়াতেই নহয়, পৃথিৱীৰ প্ৰায় সকলো ঠাইতে। সময়ৰ সোঁতৰ লগে লগে তেওঁ মহীয়ান হৈ উঠিছে; তেওঁ চিৰ-জীৱি হৈছে—কিন্তু স্মৃতিস্তম্ভ বা ছবিতেই নহয়, তেওঁ যি মহান কাম কৰি থৈ গৈছে তাৰ কাৰণেহে তেওঁ চিৰজীৱি হৈছে আৰু

চিৰজীৱি হৈছে লাখ লাখ শ্ৰমিকৰ অন্তৰত আৰু এই শ্ৰমিকসকলে লেনিনৰ আদৰ্শত উদ্বুদ্ধ হয় আৰু উন্নততৰ ভৱিষ্যতৰ আশা দেখা পায়।'

লেনিন সম্পৰ্কে ইন্দিৰা গান্ধীয়ে কৈছে: 'মানৱ জাতিৰ ইতিহাস গঢ়োতা সকলৰ ভিতৰত লেনিনৰ নাম বহুত উৰ্দ্ধত। তেওঁ তেওঁৰ জনসাধাৰণক বিপ্লৱ আৰু এটা নতুন সামাজিক পন্থা দি গৈছে। পৃথিৱীৰ অন্য ঠাইৰ দলিত শ্ৰেণীক প্ৰচুৰভাবে দি গৈছে তেওঁৰ সহানুভূতি আৰু তেওঁলোকক বুজাবুজিৰ ভাব।'

জৱাহৰলাল নেহৰু

[১৮৮৯-১৯৬৪]

১৮৮৯ চনৰ ১৪ নবেম্বৰত এলাহাবাদত জৱাহৰলাল নেহৰুৰ জন্ম হয়। দেউতাক মতিলাল নেহৰু আৰু মাক স্বৰূপ ৰাণী। জৱাহৰলাল মাক-দেউতাকৰ একমাত্র সন্তান আছিল। নেহৰু পৰিয়াল পূর্বতে কাশ্মীৰৰ আছিল। ১৭১৬ চনত এই পৰিয়ালটো মোগল ৰাজধানী দিল্লীলৈ আহে আৰু ইয়াত জৱাহৰলালৰ ককাক মোগল আমোলত প্রধান কাজি নিযুক্ত হয়। ১৮৫৭ চনৰ বিপ্লৱত পৰিয়ালটো সর্বস্বান্ত হয় আৰু আগ্রালৈ উঠি আহে। আগ্রাত কিছু বছৰ থকাৰ পিচত পৰিয়ালটো এলাহাবাদলৈ আহি ইয়াতে স্থায়ীভাবে বাস কৰে।

জৱাহৰলালৰ দেউতাক মতিলাল এগৰাকী প্রসিদ্ধ আইনজ্ঞ আছিল। ধন, যশ আদিত মতিলাল আগশ্রেণীৰ লোক হৈ উঠিছিল আৰু একমাত্র পুতেক জৱাহৰলালক লাহ-বিলাহৰ মাজেদি ডাঙৰ-দীঘল কৰিছিল, বিশেষকৈ ১১ বছৰ বয়সলৈ জৱাহৰলালে পৰম লাহ-বিলাহৰ মাজত দিন কটাইছিল। ইংৰাজ লোকক তেওঁৰ ঘৰুৱা শিক্ষক আৰু শিক্ষয়িত্রী নিযুক্ত কৰা হৈছিল। এজন ইংৰাজ শিক্ষকে ব্রহ্মবিদ্যা আৰু বিজ্ঞানৰ বিষয়ে জৱাহৰলালৰ মনত বিশেষ ৰেখাপাত কৰিছিল। ১৩ বছৰ বয়সত তেওঁ ব্রহ্মজ্ঞানী অর্থাৎ থিওচফিৰ দীক্ষা লয় এনী বেচান্তৰ তলত। কিন্তু থিওচফিৰ প্রতি তেওঁৰ অনুৰাগ বেছি দিন নাথাকিল।

পোন্ধৰ বছৰ বয়সত জৱাহৰলাল ইংলেণ্ডলৈ যায় আৰু শিক্ষালাভৰ কাৰণে হেৰ' স্কুলত ভর্তি হয়। দুবছৰৰ পিচত কেম্ব্রিজলৈ যায়

আৰু তাত ৰসায়ন, ভূতত্ত্ব আৰু উদ্ভিদবিদ্যা আদিৰ প্ৰাকৃতিক বিজ্ঞানত 'ট্ৰাইপ'চ' লাভ কৰে। এই সময়ত তেওঁ ইতিহাস আৰু অৰ্থনীতিৰ প্ৰতি আকৃষ্ট হয় আৰু বিমান চালনা বিষয়ত ৰাইট ভাতৃদ্বয়ৰ সাফল্যত মুগ্ধ হয়। কেম্ব্ৰিজৰ শিক্ষা সমাপ্ত কৰি তেওঁ আইন বিদ্যা অধ্যয়ন কৰে আৰু ১৯১২ চনত ইনাৰ টেম্পলৰ পৰা আইনৰ উপাধি লাভ কৰে। বিলাতত থকা সময় ছোৱাত তেওঁ বঙ্গ-ভঙ্গ আন্দোলনৰ কথা জানিব পাৰি ভাৰতৰ ঘটনাৱলীৰ বিষয়ে চিন্তান্বিত হয়।

ভাৰতলৈ উভতি আহি এলাহাবাদ উচ্চ ন্যায়ালয়ত এড্‌ভোকেট হিচাপে তালিকা ভুক্ত হয়; কিন্তু এই ব্যৱসায়ত তেওঁৰ মন নবহিল। ক্ৰমান্বয়ে তেওঁ ৰাজনীতিৰ কামত লিপ্ত হবলৈ ধৰিলে। পোন প্ৰথমৰ কাৰণে ১৯১২ চনত বাঁকীপুৰত বহা কংগ্ৰেছ অধিবেশনত তেওঁ উপস্থিত হয় আৰু লোকমান্য তিলক আৰু এনী বেচেন্টৰ 'হোম ৰুল' লীগৰ সদস্য ভুক্ত হয়।

১৯১৬ চনত জাতীয় কংগ্ৰেছৰ লক্ষৌ অধিবেশনৰ সময়ত জৱাহৰলালৰ জীৱনত এটা নতুন অধ্যায়ৰ সূচনা হয়। এই অধিবেশনত দক্ষিণ আফ্ৰিকাৰ পৰা প্ৰত্যাগত মহাত্মা গান্ধীক তেওঁ প্ৰথমবাৰ লগ পায়। কিছুদিনৰ পিচত তেওঁ মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনত যোগদান কৰে। দেউতাক মতিলাল নেহৰুৱেও এই আন্দোলনত যোগ দিয়ে। কালক্ৰমত গান্ধীজীয়ে জৱাহৰলালক তেওঁৰ উত্তৰাধিকাৰী বুলি অভিহিত কৰে। জৱাহৰলাল নেহৰু আৰু মহাত্মা গান্ধীৰ যোগাযোগ ভাৰতীয় ৰাজনৈতিক ইতিহাসৰ তাৎপৰ্য্যপূৰ্ণ ঘটনা।

১৯১৬ চনত জৱাহৰলাল নেহৰুৱে কমলা কাউলক বিয়া কৰায় আৰু তেওঁলোকৰ এটি কন্যা জন্মে। এইজনী কন্যাৰ নাম তেওঁলোকে প্ৰিয়দৰ্শিনী ৰাখে যিজনা পিচত ইন্দিৰা নামেৰে জনাজাত হয়। কমলা নেহৰু গিৰীয়েকৰ ঘটনাবহুল জীৱনৰ আশা-আকাংক্ষা, সুখ-দুখ আৰু জাতীয় সংগ্ৰামৰ সমভাগিনী আছিল। আনন্দ ভৱনৰ নেহৰু পৰিয়ালৰ লোকসকল বাইজৰ স্নেহ আৰু শ্ৰদ্ধাভাজন আছিল। কিন্তু এই পৰিয়ালটো বিদেশী চৰকাৰৰ কোপদৃষ্টিত পৰিবলৈ ধৰিলে

যিহেতু তেওঁলোকে ভাৰতৰ মুক্তি-সংগ্ৰামত উল্লেখযোগ্য ভূমিকা লৈছিল। নিচেই কম বয়সতে পত্নী কমলা নেহৰুৰ টান নৰিয়া হয় আৰু ১৯৩৬ চনত য়ুৰোপত তেওঁৰ লোকান্তৰ ঘটে। সেই সময়ত জৱাহৰলাল কাৰাবাসত আছিল ; অৱশ্যে কমলাৰ অন্তিম সময়ত তেওঁক কাৰাগাৰৰ পৰা সাময়িকভাৱে মুক্তি দিয়া হৈছিল। ইয়াৰ পাঁচ বছৰৰ পূৰ্বে মতিলাল নেহৰুৰ বিয়োগ ঘটে।

১৯১৮ চনত জৱাহৰলাল নেহৰু এলাহাবাদৰ 'হোম ৰুল' লীগৰ সম্পাদক হয় আৰু লগতে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সদস্য নিৰ্বাচিত হয়। তেওঁ তেতিয়াৰে পৰা আজীৱন কংগ্ৰেছৰ সক্ৰিয় সভ্য হৈ থাকে। ১৯১৯ চনৰ পঞ্জাবৰ জালিয়ানাবাগ হত্যাকাণ্ডৰ পিচত হোৱা বৃটিচ চৰকাৰৰ দমন নীতিৰ সম্বন্ধে অনুসন্ধানৰ সময়ত তেওঁ দেশবন্ধু চিত্তৰঞ্জন দাসক সহায় কৰিছিল। পূব উত্তৰ প্ৰদেশৰ কিষাণ আন্দোলনৰ সময়ৰ পৰা তেওঁ ভাৰতীয় কিষাণ সকলৰ আশা-আকাংক্ষা আৰু তেওঁলোকৰ সমস্যাৱলীৰ লগত ওতপ্ৰোত-ভাৱে জড়িত হয় আৰু সেই সংক্ৰান্তত একাধিকবাৰ জেললৈ যায়। ১৯২১ চনত তেওঁ পোন প্ৰথমবাৰৰ কাৰণে চৰকাৰৰ অন্যায় আদেশ অমান্য কৰি কাৰাবৰণ কৰে। ১৯২৩ চনত সেই সময়ত দেশীয় ৰাজ্য নাভা পৰিত্যাগ কৰাৰ আদেশ অমান্য কৰাৰ বাবে পুনৰ গ্ৰেপ্তাৰ হয়। তেতিয়াৰ পৰা ভাৰতৰ দেশীয় ৰাজ্যসমূহৰ স্বাধীনতা আন্দোলনতো তেওঁ জড়িত হৈ পৰে।

কিছুদিনৰ কাৰণে জৱাহৰলাল নেহৰু এলাহাবাদ পৌৰসভাৰ সভাপতি আছিল। ১৯২৩ চনত তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হয় আৰু কেবা বছৰলৈ তেওঁ এই পদত থাকি গধুৰ দায়িত্ব পালন কৰে। ১৯২৭ চনত য়ুৰোপৰ ব্ৰুচেলত নিপীড়িত জাতিসমূহৰ কংগ্ৰেছত ভাৰতীয় জাতীয় কংগ্ৰেছৰ একমাত্ৰ প্ৰতিনিধিৰূপে যোগদান কৰে আৰু তেতিয়াৰ পৰা তেওঁ আন্তৰ্জাতিক গণতান্ত্ৰিক আন্দোলনৰ লগত সংশ্লিষ্ট থাকে। তাৰ পিচত তেওঁ পুনৰ য়ুৰোপ ভ্ৰমণ কৰে আৰু ছোভিয়েত ৰুছিয়ালৈ যায়।

দেশলৈ ঘূৰি আহি তেওঁ চাইমন কমিচনৰ বিৰুদ্ধে বাজহুৱা বিক্ষোভৰ আয়োজন কৰোতে পুলিচৰ লাঠিৰ আঘাত পায়। পিচত তেওঁৰ আত্ম-জীৱনীত এই ঘটনাৰ বৰ্ণনা দিওঁতে উল্লেখ কৰিছে যে আঘাতৰ প্ৰত্যুত্তৰ আঘাতেৰে দিয়াৰ প্ৰলোভন তেওঁ বৰ কষ্টেৰে প্ৰতিৰোধ কৰিবলগীয়া হৈছিল।

১৯২৯ চনত তেওঁ কংগ্ৰেছৰ লাহোৰ অধিবেশনত সভাপতিত্ব কৰে। জৱাহৰলালৰ বয়স তেতিয়া ৪০ বছৰ। জৱাহৰলালে এনে বয়সত কংগ্ৰেছ সভাপতি হোৱাত গান্ধীজীয়ে কৈছিল যে এই সম্মানৰ মুকুট জৱাহৰলালে পিন্ধিবলৈ পোৱাটো সঁচাকৈয়ে উপযুক্ত হৈছে, কিয়নো গান্ধীজীয়ে জৱাহৰলালক যুৱকৰ প্ৰতীক বুলি ভাবিছিল আৰু দেশৰ ভৱিষ্যৎ যুৱক সম্প্ৰদায়ৰ ওপৰতহে নিৰ্ভৰ কৰে বুলি কৈছিল। লাহোৰ অধিবেশন কংগ্ৰেছৰ ইতিহাসত অত্যন্ত গুৰুত্বপূৰ্ণ বুলি পৰিগণিত হয়, কাৰণ ১৯২৯ চনৰ ৩১ ডিচেম্বৰত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত ৰবি নদীৰ পাৰত কংগ্ৰেছে ভাৰতৰ 'পূৰ্ণ স্বাধীনতা'ৰ সংকল্প গ্ৰহণ কৰে আৰু তাৰ লগে লগে দেশৰ মুক্তি সংগ্ৰামৰ এটা নতুন অধ্যায়ৰ সূচনা হয়। এই অধ্যায় মুক্তি সংগ্ৰামৰ শেষ অধ্যায় নাছিল যদিও, এই অধ্যায়ত ভাৰতৰ অগণন জনতাৰ মনত বিশ্বাস আহিছিল যে ভাৰতৰ স্বাধীনতা অৱশ্যম্ভাবী। কৃষকৰ দুৰ্দশাৰ লগতে শিল্প বনুৱাৰ দুৰ্দশাইও তেওঁৰ সহানুভূতি লাভ কৰিছিল আৰু ১৯২৯ চনত ভাৰতীয় ট্ৰেড য়ুনিয়ন কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত হৈছিল। বনুৱা আন্দোলনক জাতীয় আন্দোলনৰ অংশ হিচাপে তেওঁ সংগঠন কৰাৰ আৱশ্যকতা উপলব্ধি কৰিছিল আৰু এই কাৰ্য্যত তেওঁ বিশেষ ভূমিকা লৈছিল।

১৯৩০ চনৰ পৰা জাতীয় কংগ্ৰেছত তথা ভাৰতৰ মুক্তি আন্দোলনত মহাত্মা গান্ধীৰ পিচতেই জৱাহৰলালৰ আসন স্বীকৃত হয়। এই সময়ৰ পৰা জৱাহৰলালে দেশত ব্যাপকভাবে ভ্ৰমণ কৰিবলৈ লয় আৰু কন্যাকুমাৰীৰ পৰা খদিয়ালৈকে ভাৰতীয় জনসাধাৰণে, ভাৰতীয় কৃষকে, ভাৰতীয় শ্ৰমিকে, ভাৰতীয় যুৱকে তেওঁৰ বক্তৃতা শুনিবলৈ সুবিধা পায়। আনকি পৃথিৱীৰ পদদলিত

জাতিসমূহৰ মুক্তি আন্দোলনৰ এজন নিৰ্ভীক, যোগ্য আৰু শক্তিশালী মুখপাত্ৰ হিচাপেও জৱাহৰলালে স্বীকৃতি লাভ কৰে। জাতীয় জাগৰণৰ প্ৰতি তেওঁৰ অন্যতম বৰঙণি এই যে তেওঁ প্ৰথমে ভাৰতৰ জাতীয় আন্দোলনক আন্তৰ্জাতিক পটভূমিৰ লগত সম্বন্ধ ঘটাব পাৰিছিল। তেওঁৰ ভূমিকাৰ আন এটা দিশ আছিল যে ভাৰতীয় ৰাজনৈতিক আন্দোলনক অৰ্থনৈতিক বিপ্লৱৰ লগত ৰাইজক চিনাকি কৰি দিছিল। তেওঁ প্ৰকাশ্যে ঘোষণা কৰিছিল যে সমাজবাদৰ অবিহনে প্ৰকৃত স্বাধীনতা হব নোৱাৰে। ১৯৩৬ চনত লক্ষৌত বহা কংগ্ৰেছৰ অধিবেশনত দ্বিতীয়বাৰ সভাপতি হৈ তেওঁ সেই অভিমত ব্যক্ত কৰিছিল। ১৯৩৫ চনৰ ভাৰত শাসন আইন অনুসৰি পতা দেশৰ নিৰ্বাচনত তেওঁৰ দ্বাৰা চালিত নিৰ্বাচনী অভিযানৰ ফলত ভাৰতৰ সৰহ সংখ্যক প্ৰদেশত কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল, যদিও কংগ্ৰেছৰ বিৰুদ্ধে ন্যস্ত স্বাৰ্থ আৰু দক্ষিণপন্থী সকলে, সাম্প্ৰদায়িক নেতাসকলে, বৃটিচৰ বহতীয়া বণিক সম্থাবোৰ যেনে চাহ খেতিয়ক আৰু আন তেনে বণিক বৰ্গই কংগ্ৰেছৰ প্ৰতিদ্বন্দ্বী হৈ কংগ্ৰেছৰ পৰাজয়ৰ বাবে বিভিন্নৰূপে ষড়যন্ত্ৰ কৰিছিল।

য়ুৰোপত নাজীবাদৰ অভ্যুত্থান, য়ুৰোপীয়ৰ ওপৰত ইটালীৰ আক্ৰমণ, চীনৰ বিৰুদ্ধে জাপানৰ আক্ৰমণ আৰু সভ্যতাৰ সংকটস্বৰূপ ফেচীবাদক প্ৰতিৰোধ কৰাত গণতান্ত্ৰিক দেশসমূহৰ অক্ষমতা আদি ঘটনাপ্ৰবাহে জৱাহৰলালক অতিষ্ঠ কৰি তুলিছিল। ইতিমধ্যে স্পেইনৰ সাধাৰণতন্ত্ৰৰ প্ৰতি সমৰ্থন জনাবলৈ জৱাহৰলাল ১৯৩৮ চনৰ মাজভাগত তালৈ যায় আৰু তাৰ সাধাৰণতন্ত্ৰী নেতাসকলক লগ ধৰে। যোৱাৰ পথত তুৰস্কৰ নাহাচ পাছা প্ৰভৃতি জাতীয়তাবাদী নেতাসকলকো লগ ধৰিছিল। বিলাততো তেওঁ শ্ৰমিক দলৰ নেতাসকলক লগ ধৰে। য়ুৰোপৰ প্ৰগতিবাদী নেতাসকলে জৱাহৰলালৰ আদৰ্শ আৰু ব্যক্তিত্বৰ ভূৰি ভূৰি প্ৰশংসা কৰিছিল।

ইতিমধ্যে য়ুৰোপত দ্বিতীয় মহাযুদ্ধৰ প্ৰস্তুতি হয়। যিসকলে এই যুদ্ধ প্ৰতিৰোধ কৰিবলৈ প্ৰচেষ্টা কৰিছিল, তেওঁলোকৰ প্ৰচেষ্টা ব্যৰ্থ হোৱাত ১৯৩৯ চনৰ ৩ চেপ্তেম্বৰৰ যুদ্ধ আৰম্ভ হয়। দ্বিতীয়

মহাযুদ্ধ আৰম্ভ হোৱাত জৱাহৰলালে আন্তৰিকভাবে কামনা কৰিছিল যে ভাৰতে তেনে ফেচিবাদৰ বিৰুদ্ধে দ্বিতীয় যুদ্ধত যোগ দিব যদিহে বৃটেইনে ভাৰতৰ লগত আপোচত আহিবলৈ সন্মত হয়।

সেই সময়ত বৃটিচ চৰকাৰে মিত্ৰপক্ষৰ লগত ভাৰতক সাঙুৰি লয়। কিন্তু এই কাৰ্য্য ভাৰতীয় জনসাধাৰণৰ মতৰ বিৰুদ্ধে কৰা হৈছিল, কাৰণ ভাৰতীয় ৰাইজক চক্ৰশক্তিৰ বিৰোধী সংগ্ৰামত সাৰ্থক আৰু সন্মাজনক অৰিহণা যোগাবলৈ কোনো সুযোগ বৃটিচ চৰকাৰে আগ বঢ়োৱা নাছিল। ভাৰতে মাত্ৰ যুদ্ধকালীন সময়ছোৱাত এটা অন্তৰ্বৰ্তী চৰকাৰ প্ৰতিষ্ঠা আৰু যুদ্ধৰ সামৰণি হোৱাৰ পিচত মিত্ৰপক্ষৰ দ্বাৰা ঘোষিত চাৰিদফীয়া স্বাধীনতাৰ ভিত্তিত স্বাধীনতা দান কৰা হব বুলি স্পষ্ট বিবৃতি বৃটিচ চৰকাৰৰ পৰা বিচাৰিছিল। ভাৰতীয় নেতাসকলৰ লগত আলোচনা নকৰাকৈ বৰলাটে ভাৰতক দ্বিতীয় মহাযুদ্ধত জড়িত কৰাত তাৰ প্ৰতিবাদ স্বৰূপে প্ৰদেশসমূহত কংগ্ৰেছ মন্ত্ৰীসভাবোৰে পদত্যাগ কৰে।

ইয়াৰ পিচত অচল অৱস্থাৰ মাজেদি ভাৰতৰ ৰাজনীতিৰ ধাৰা প্ৰবাহিত হবলৈ ধৰে। বৃটেইনক ভাৰতীয় জনমতৰ মৰ্ম বুজাবলৈ গান্ধীজীয়ে কংগ্ৰেছৰ বিশিষ্ট নেতাসকলৰ ব্যক্তিগত সত্যাগ্ৰহ আৰম্ভ কৰিলে। এই সত্যাগ্ৰহত পোন প্ৰথমে বিনোবা ভাৱে আৰু তাৰ পিচত জৱাহৰলাল নেহৰু গ্ৰেপ্তাৰ হয়।

মহাযুদ্ধত জাপানৰ যোগদান আৰু দক্ষিণ-পূব এচিয়াত জাপানৰ অভূতপূৰ্ব সমৰ-সাফল্য দেখি বৃটিচ চৰকাৰে চাৰ ষ্টেফৰ্ড ক্ৰিপছক ভাৰতৰ জাতীয়তাবাদী নেতাসকলৰ সৈতে আলোচনা কৰিবলৈ ভাৰতলৈ পঠায়। আলোচনা একোপধ্যে ফলপ্ৰসূ নোহোৱাত গান্ধীজীয়ে ঘোষণা কৰিলে যে যুদ্ধ হ'ল বা নহ'ল বৃটিচে ভাৰত ত্যাগ কৰিব লাগিব। ১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে বম্বে অধিবেশনত ঐতিহাসিক 'ভাৰত ত্যাগ' প্ৰস্তাৱ গ্ৰহণ কৰে। পিচদিনা মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, মৌলানা আজাদ, চৰ্দাৰ বল্লভভাই পেটেল, ডঃ ৰাজেন্দ্ৰপ্ৰসাদ প্ৰমুখ্যে কংগ্ৰেছ নেতা-সকলক ভাৰত চৰকাৰে আচম্বিতে গ্ৰেপ্তাৰ কৰে। এইয়া আছিল ভাৰতৰ মুক্তি সংগ্ৰামৰ শেষ পৰ্য্যায়।

তিনি বছৰ কাল মহাৰাষ্ট্ৰৰ আহমদনগৰ দুৰ্গত আটক কৰি ৰখাৰ পিচত চৰকাৰে জৱাহৰলাল নেহৰুক মুক্তি দিয়ে (১৯৪২ চন, জুন)। ১৯২১ চনৰ পৰা ১৯৪২ চনৰ এই একৈশ বছৰৰ কাল-ছোৱাত জৱাহৰলালে ৯ বাৰ কাৰাবৰণ কৰে আৰু ৯ বছৰৰ অধিক কাল ভাৰতৰ বিভিন্ন জেলত কটায়। তেওঁৰ দৰে ক্ৰিয়াশীল ব্যক্তিৰ কাৰণে কাৰাজীৱন শাস্তি হলেও সুদীৰ্ঘ কাৰাজীৱন জৱাহৰ-লালক চিন্তা আৰু অভিব্যক্তিৰ সুযোগ দিছিল। জেল-জীৱনত তেওঁ অমূল্য গ্ৰন্থৰাজি যেনে জীয়েকলৈ 'চিঠি', আত্ম-জীৱনী, বিশ্ব ইতিহাসৰ জিলিঙনি আৰু ভাৰত সন্ধেদ আদি অমূল্য গ্ৰন্থবোৰ লিখিবলৈ সুযোগ পাইছিল। এই গ্ৰন্থকিখনক সামুহিকভাবে ভাৰতৰ ৰাজনৈতিক তথা স্বাধীনতাৰ বুৰঞ্জী বুলি কব পাৰি।

১৯৪৫ চনত যেতিয়া দ্বিতীয় মহাযুদ্ধৰ সামৰণি পৰিল, তেতিয়া মহা পৰাক্ৰমী বৃটেইনৰ ধাৰণা হ'ল যে তেওঁলোকৰ অধীনস্থ উপনি-বেশবোৰক প্ৰাক-যুদ্ধৰ অৱস্থাত ৰাখিব পৰা নাযাব অৰ্থাৎ তেওঁ-লোকে মানি লবলৈ বাধ্য হ'ল যে বৃটিচ সাম্ৰাজ্যত সূৰ্য্য অস্ত নাযায় বোলা কথাটো অবাস্তৱ। সেই কাৰণে পোনপ্ৰথমে ভাৰতীয় সম-স্যাৰ সমাধান কৰাৰ অভিপ্ৰায়ে ছিমলাত ভাৰতীয় নেতৃবৰ্গৰ সন্মিলন আহ্বান কৰিবলৈ বৰলাটক বৃটিচ চৰকাৰে নিৰ্দেশ দিলে। এই সন্মিলনত যোগদান কৰিবলৈ সুযোগ দিয়াৰ অৰ্থে জৱাহৰলাল নেহৰু, চৰ্দাৰ পেটেল, মৌলানা আজাদ প্ৰভৃতি নেতাসকলক জেলৰ পৰা মুক্তি দিয়া হ'ল। তাৰ পূৰ্বে গান্ধীজীক মুক্তি দিয়া হৈছিল। ছিমলাত সন্মিলন বহিল যদিও এই সন্মিলনত ভাৰতীয় সমস্যাটোৰ কোনো মীমাংসা-সূত্ৰ পোৱা নহ'ল।

ইতিমধ্যে যুদ্ধৰ কেইমাহমান পিচত বৃটেইনত চৰকাৰ সলনি হ'ল। ৰক্ষণশীল দলৰ চাৰ্চিল মন্ত্ৰীসভাৰ ঠাইত শ্ৰমিক দলৰ মন্ত্ৰীসভা ১৯৪৫ চনৰ জুলাই মাহত গঠন হ'ল। শ্ৰমিক দলৰ মন্ত্ৰীসভাই ভাৰতবাসীৰ হাতত ক্ষমতা হস্তান্তৰ কৰাৰ উদ্দেশ্যে এটা বলিষ্ঠ নীতি গ্ৰহণ কৰিলে আৰু ভাৰতত এখন সংবিধান সভা গঠন কৰাৰ প্ৰাথমিক ব্যৱস্থা হিচাপে ভাৰতত নিৰ্বাচন পাতিবলৈ স্থিৰ

কৰিলে আৰু ১৯৪৬ চনত এই নিৰ্বাচন অনুষ্ঠিত হয়। পিচৰ বছৰৰ ফেব্ৰুৱাৰী মাহত বৃটিচ প্ৰধানমন্ত্ৰী এট্‌লীয়ে ভাৰতৰ পূৰ্ণ স্বায়ত্ত-শাসনৰ বিষয়ে আলোচনা কৰিবলৈ বৃটিচ মন্ত্ৰীসভাৰ এটা সঁজাতি দল ভাৰতলৈ পঠোৱা হব বুলি ঘোষণা কৰিলে। সঁজাতী দল আহিল, নেতৃবৃন্দৰ লগত আলোচনা কৰিলে; কিন্তু ভাৰতৰ বিভিন্ন ৰাজনৈতিক দলৰ মাজত ভাৰতৰ স্বাধীনতা সম্পৰ্কে এটা সৰ্বসম্মত সূত্ৰ উদ্ভাৱন কৰিব নোৱাৰিলে; উদ্ভাৱন কৰিব নোৱাৰিলে যদিও ভাৰতৰ ভৱিষ্যত সংবিধান আৰু শাসন সম্পৰ্কে কেইটামান প্ৰস্তাৱ আগবঢ়ালে।

১৯৪৬ চনৰ ২ চেপ্তেম্বৰত বৰলাটে জৱাহৰলাল নেহৰুক অস্থায়ী চৰকাৰ-এখন পাতিবলৈ আহ্বান কৰিলে। উল্লেখযোগ্য যে সেই সময়ত নেহৰুৱে মৌলানা আজাদৰ পৰা কংগ্ৰেছৰ সভাপতিৰ ভাৰ গ্ৰহণ কৰিছিল। সেইদৰে সেই বছৰৰ ২ চেপ্তেম্বৰত জৱাহৰলাল নেহৰুৱে কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক মন্ত্ৰীসভাৰ সহকাৰী সভাপতিৰ পদ গ্ৰহণ কৰে। মুছলিম লীগে এই সভাত কিছুদিন যোগ নিদিয়াকৈ আছিল; কিন্তু পিচত তেওঁলোকৰ মনোভাৱ সলনি হয়। ডিচেম্বৰ মাহৰ ৯ তাৰিখে সংবিধান সভাৰ অধিবেশন আৰম্ভ হয়, কিন্তু মুছলিম লীগে সংবিধান সভাৰ অধিবেশন বৰ্জন কৰে। তাৰ পিচত মুছলিম লীগে নিজৰ ৰাজনৈতিক সংগঠন শক্তিশালী কৰে আৰু দেশ-বিভাগৰ কাৰণে কঠোৰ মনোভাৱ লয়। তাৰ ফলত দেশৰ বিভিন্ন ঠাইত হিংসাত্মক কাৰ্য্য-কলাপৰ বা-বতাহে দেশৰ আভ্যন্তৰীণ অৱস্থা বিষাক্ত কৰি তোলে।

১৯৪৭ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে বৃটিচ প্ৰধান মন্ত্ৰী এট্‌লীয়ে ঘোষণা কৰে যে ১৯৪৮ চনৰ জুন মাহৰ আগতে ভাৰতৰ শাসনভাৰ ভাৰতবাসীৰ হাতত অৰ্পণ কৰিবলৈ তেওঁ আৰু বৃটিচ চৰকাৰ বদ্ধপৰিকৰ। সেই উদ্দেশ্যে বৃটিচ চৰকাৰে লৰ্ড মাউণ্টবেটেনক ভাৰতৰ নতুন বৰলাট হিচাপে ১৯৪৭ চনৰ মাৰ্চ মাহত ভাৰতলৈ পঠায়। তেওঁ কাৰ্য্যভাৰ বহন কৰি অনুভৱ কৰিলে যে পাৰিলে ভাৰতক বিভাজন নকৰাকৈ ক্ষমতা হস্তান্তৰ কৰিব, নোৱাৰিলে ভাৰতক দুখন ডমিনিয়নত বিভক্ত কৰি ক্ষমতা হস্তান্তৰৰ কাৰ্য্য সম্পন্ন কৰা হব।

জৱাহৰলাল নেহৰু আৰু কংগ্ৰেছৰ আন আন নেতৃবৃন্দই গোনতে ভাৰত বিভাজনৰ প্ৰস্তাৱৰ পৰম বিৰোধিতা কৰিছিল। মহাত্মা গান্ধী এই পৰিকল্পনাৰ দুৰ্দ্ধোৰ বিৰোধী আছিল। কিন্তু ১৯৪৭ চনৰ জুন মাহত নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে সমস্যাটো সকলো দিশৰপৰা আলোচনা কৰি দেশ-বিভাজন অৱশ্যম্ভাৱী বুলি স্বীকাৰ কৰিলে। শেহান্তৰত ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত বিভাজন হৈ ভাৰত আৰু পাকিস্তান দুখন স্বাধীন দেশ হ'ল।

স্বাধীন ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী হিচাপে জৱাহৰলালে ১৫ আগষ্টত দায়িত্ব গ্ৰহণ কৰে। সেই ঐতিহাসিক দিনটোৰ মাজ-নিশা জৱাহৰলাল নেহৰুৱে ঘোষণা কৰি কৈছিল : 'বহু বছৰ আগতে আমি নিয়তিক মিলনৰ প্ৰতিশ্ৰুতি দিছিলোঁ; আজি সম্পূৰ্ণ-ৰূপে নহলেও যথেষ্টৰূপে সেই শুভ মুহূৰ্ত উপস্থিত হৈছে। ভাৰত-বাসীৰ প্ৰতিনিধি হিচাপে আমি তেওঁলোকক এই মহা অভিযানত বিশ্বাস আৰু আস্থাৰে যোগদান কৰিবলৈ আহ্বান জনাওঁ। ভাৰতীয় সন্তানসকলে বসতি কৰিব পৰা আমি এটা মহান অট্টালিকা গঢ়ি তুলিব লাগিব।'

প্ৰধান মন্ত্ৰী হিচাপে জৱাহৰলালে ১৭ বছৰৰ কালছিনিত কেবাটাও মানসিক আঘাত সহ্য কৰিবলগীয়া হৈছিল। এইবোৰৰ ভিতৰত আছিল মহাত্মা গান্ধীৰ হত্যাকাণ্ড (১৯৪৮ চন, ৩০ জানুৱাৰী)। এনে বিপৰ্য্যয়ৰ সময়তো জৱাহৰলালে ভাৰতবাসীক সংঘবদ্ধ কৰি তুলিছিল। তেওঁৰ ভাষাত—'মহান বিপৰ্য্যয়ে জাতিৰ জীৱনৰ মহান আদৰ্শবোৰ সোঁৱৰণ কৰিবলৈ আৰু নীচ আদৰ্শ পাহৰিবলৈ সুযোগ দিয়ে; জীৱন বন্তি নুমাই গ'ল যদিও তাৰ আলোক-শিখাই আমাক সন্ধান দিব।' বছৰ বাগৰাৰ লগে লগে তেওঁ কেবাজনো বিশ্বাসভাজন সহকৰ্মী আৰু কৰ্মী হেৰুৱাইছিল। তথাপি পৰিকল্পিত ভাৰত গঢ়াৰ অদম্য প্ৰচেষ্টাৰ পৰা তেওঁ বিৰত হোৱা নাছিল।

তেওঁ আৰু তেওঁৰ কেইজনমান সহকৰ্মীয়ে ভাৰতৰ সংবিধান ৰচনা কৰি থৈ গৈছে। এই সংবিধানে ভাৰতক এখন সাৰ্বভৌম লোকতন্ত্ৰ হিচাপে ৰূপ দিছে। এই সংবিধান ১৯৫০ চনৰ ২৬ জানুৱাৰীত

ভাৰতত বলবৎ কৰা হয়। জৱাহৰলাল নেহৰুৰ পৰামৰ্শক্ৰমে ভাৰতবৰ্ষ কমনৱেলথৰ সদস্য হৈ আছে, কিন্তু কমনৱেলথৰ ৰূপ আৰু ভূমিকা পৰিৱৰ্তন হৈছে আৰু তেনে পৰিৱৰ্তন আনোতে নেহৰুৰ অৱদান লেখতলবলগীয়া।

প্ৰধান মন্ত্ৰীৰ ১৭ বছৰীয়া কাৰ্য্যকালত নেহৰুৱে নিজেই বৈদেশিক পৰিক্ৰমাৰ দায়িত্বত আছিল। প্ৰাক্-স্বাধীনতাৰ সময়ত তেওঁ আন্তৰ্জাতিক ক্ষেত্ৰত শান্তি ৰক্ষা আৰু সমাজবাদৰ বাবে প্ৰচেষ্টা কৰিছিল, প্ৰধান মন্ত্ৰীত্বৰ দিনতো তেওঁ তাত বিশিষ্ট অৰিহণা যোগাইছিল। তেওঁৰ লক্ষ্য আছিল বিশ্ব-শান্তি, ঔপনিবেশিকতাৰ দৰে সকলো ৰকমৰ নিপীড়ন আৰু শোষণৰ বিৰোধিতা, সহ-অৱস্থান, এচিয়া আৰু প্ৰবুদ্ধ জাতিসমূহৰ মাজত উমৈহতীয়া সম্পৰ্ক স্থাপন, বিশ্ব সমাজ প্ৰতিষ্ঠাৰ হকে ৰাষ্ট্ৰসংঘৰ প্ৰতি সমৰ্থন আৰু ভাৰতক সামৰিক আৰু অসামৰিক উভয় ক্ষেত্ৰৰ পৰা মুক্ত ৰখা। ১৯৪৭ চনত তেওঁ এচিয়াৰ সম্পৰ্কীৰক্ষী ইণ্ডোনেচীয়া, এচিয়া আৰু আফ্ৰিকাৰ দেশসমূহৰ স্বাধীনতাৰ প্ৰতি নিৰ্ভীক সমৰ্থন জনাইছিল। ১৯৫৫ চনত বাণ্ডুং সন্মিলনৰ গুৰি ধৰোতা আছিল জৱাহৰলাল নেহৰু।

১৯৫৪ চনত তেওঁ সহ-অৱস্থাৰ পাঁচোটা নীতি অৰ্থাৎ পঞ্চশীল নীতি ঘোষণা কৰে। বিশ্বৰ প্ৰতি তেওঁৰ অৱদান গোষ্ঠী নিৰ্লিপ্ততা। ১৯৬১ চনত বেলগ্ৰেড্ শীৰ্ষ সন্মিলনত এই নীতিৰ প্ৰতি দৃঢ় সমৰ্থন জনোৱা হয়। ১৯৬৩ চনৰ আদ্দিচ্ আবেবা সন্মিলনতো আফ্ৰিকাৰ জাগ্ৰত জাতিসমূহে অকুণ্ঠ সমৰ্থন জনায়। যুদ্ধৰ বিৰুদ্ধে আৰু সম্পূৰ্ণ নিৰস্ত্ৰীকৰণ পক্ষে তেওঁ অক্লান্তভাৱে প্ৰচেষ্টা কৰিছিল। কোৰিয়াৰ শান্তিকে ধৰি ভাৰতে বিশ্ব শান্তিৰ হকে নানা আন্তৰ্জাতিক দায়িত্ব গ্ৰহণ কৰিছিল আৰু সেই দায়িত্ব আৰু ভূমিকা কৃতিত্বৰে পালন হোৱাৰ বাবে নেহৰুৰ নেতৃত্ব প্ৰশংসনীয়। ১৯৬০ চনত ৰাষ্ট্ৰসংঘত উপস্থিত হৈ তেওঁ বিশ্ব শান্তি প্ৰতিষ্ঠা আৰু বৃহৎ শক্তি সমূহৰ প্ৰধান-সকলৰ মাজত সম্পৰ্ক স্থাপন কৰাৰ বাবে গুৰুত্ব আৰোপ কৰি তেওঁ এটা প্ৰস্তাব দাঙি ধৰিছিল। ১৯৬৩ চনৰ আগষ্ট মাহত আনবিক ত্ৰিশক্তিৰ মাজত গৃহীত আনবিক বিস্ফোৰণৰ আংশিক নিবাৰণ সম্পৰ্কীয়

চুক্তিত এখন দেশৰ মুৰব্বী হিচাপে নেহৰুৱে পোনপ্ৰথমে সমৰ্থন জনায়। তেওঁ বিশ্ব শান্তিৰ পৰিপন্থী সকলো সামৰিক আৰু ৰাজনৈতিক গোষ্ঠীৰ বিৰোধী আছিল আৰু ভাৰতৰ সৈতে সকলো ৰাষ্ট্ৰৰ সম্বন্ধ বন্ধুত্ব ভাৱত উন্নত কৰিবলৈ প্ৰচেষ্টা কৰিছিল। তেওঁ ভাৰত আৰু পাকিস্তানৰ মাজৰ সম্পৰ্কৰ উন্নতিৰ প্ৰয়াস কৰিছিল। ১৯৬২ চনত পঞ্চশীল নীতি উপেক্ষা কৰি চীনে ভাৰত আক্ৰমণ কৰি বিশ্বাসঘাটকতা কৰাত তেওঁ পৰম মানসিক আঘাত পাইছিল।

গণতন্ত্ৰৰ গাঁথনিৰ মাজেৰে জাতীয় অৰ্থনৈতিক পৰিবৰ্তন সাধন কৰাৰ ক্ষেত্ৰত নেহৰুৰ অৰিহণা সুদূৰপ্ৰসাৰী। ভাৰতে স্বাধীনতা লাভ কৰাৰ পূৰ্বেই তেওঁ পৰিকল্পনাৰ যোগেদি অৰ্থনৈতিক উন্নয়নৰ আৱশ্যকতা উপলব্ধি কৰিছিল আৰু এই উপলব্ধি আছিল তেওঁৰ ৰুছ-ভ্ৰমণৰ ফল স্বৰূপে। সেয়েহে কংগ্ৰেছৰ উদ্যোগত দেশৰ অৰ্থনৈতিক বিকাশৰ বাবে জাতীয় পৰিকল্পনা সমিতি গঠন কৰাত তেওঁ সক্ৰিয় অংশ লৈছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পিচত তেওঁৰ এই প্ৰচেষ্টাই বাস্তৱ ৰূপ লয়। পাঁচ বছৰীয়া পৰিকল্পনাৰ বাবে ১৯৫০ চনত এটা আয়োগ গঠন কৰা হয় আৰু তেওঁৰ নেতৃত্বত ভাৰতত পৰিকল্পনাবিশিষ্ট অৰ্থনীতিৰ কাম হাতত লোৱা হয়। গুৰিৰে পৰা তেওঁ এই আয়োগৰ সভাপতি আছিল।

নেহৰুৱে জাতিৰ ঐক্য আৰু অখণ্ডতাৰ বাবে অক্লান্তভাৱে কাম কৰিছিল। ৰাজনৈতিক আৰু কূটনৈতিক গভীৰ দায়িত্বৰ মাজতো তেওঁ শিল্পী, গ্ৰন্থকাৰ, কবি, পণ্ডিত আৰু চিন্তাশীল সকলো শ্ৰেণীৰ লগত যোগাযোগ ৰাখিছিল। কৃষক, ছাত্ৰ আৰু চেমনীয়া সকলৰ প্ৰতি চেনেহৰ এনাজ স্বৰূপে ১৪ নবেম্বৰৰ তেওঁৰ জন্মদিনটো 'শিশু দিৱস' ৰূপে পালন কৰা হয়।

এইগৰাকী মহান নেতাই আমাৰ দেশখনক শুভ্ৰপথত আগবঢ়াই নিছিল। তেওঁৰ আদৰ্শই ভাৰতবাসীক উদ্বুদ্ধ কৰি ৰাখিছে।

পৰিশিষ্ট-খ

ক্ৰমবৰ্দ্ধমান ভাৰত-ছোভিয়েট বন্ধুত্ব গঢ়াৰ সন্দৰ্ভত সময়ভিত্তিক তালিকা

১৯২৭, ফেব্ৰুৱাৰী—গুৱাহাটীত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৪১তম অধিবেশনত গৃহীত প্ৰস্তাৱ অনুসাৰে ব্ৰুচেলচত অনুষ্ঠিত সাম্ৰাজ্যবাদবিৰোধী নিপীড়িত জাতিসংঘৰ বৈঠকত জৱাহৰলাল নেহৰুৰ যোগদান আৰু তেতিয়াৰ পৰা প্ৰগতিবাদী আদৰ্শৰ প্ৰতি তেওঁৰ আকৰ্ষণ।

১৯২৭, নবেম্বৰ— মস্কোত অনুষ্ঠিত ৰুছ অক্টোবৰ বিপ্লৱৰ দশম বাৰ্ষিকী উৎসৱত ৰুছিয়াৰ সাংস্কৃতিক সস্থা-বিশেষৰ আমন্ত্ৰণক্ৰমে দেউতাক মতিলাল নেহৰুৰ লগত প্ৰথমবাৰৰ কাৰণে জৱাহৰলালৰ ৰুছিয়া ভ্ৰমণ। এই ভ্ৰমণে নেহৰুৰ মনত সমাজবাদ আৰু ছোভিয়েত ৰুছিয়াৰ ওপৰত পৰম বিশ্বাসৰ পাতনি মেলে।

১৯৪৭, এপ্ৰিল— ভাৰত আৰু ছোভিয়েত ৰুছিয়াৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপন।

১৯৫২, চেপ্তেম্বৰ— মস্কোত ভাৰতীয় ৰাষ্ট্ৰদূত হিচাপে কে-পি-এচ মেননৰ কাৰ্য্যভাৰ গ্ৰহণ আৰু ভাৰত-ছোভিয়েত সম্পৰ্কত নতুন বাতাবৰণ।

১৯৫৩, মাৰ্চ— ষ্টেলিনৰ মৃত্যু আৰু ছোভিয়েত ৰুছিয়াত নতুন আন্তৰ্জাতিক নীতিৰ আৰম্ভণ।

১৯৫৩, জুন— ইন্দিৰা গান্ধীৰ প্ৰথম ছোভিয়েত ৰুছিয়া ভ্ৰমণ।

১৯৫৫, জুন— প্ৰধান মন্ত্ৰী হিচাপে জৱাহৰলাল নেহৰুৰ প্ৰথম আৰু চৰকাৰী ৰুছিয়া ভ্ৰমণ। তেওঁৰ লগত ইন্দিৰা গান্ধীৰো ৰুছিয়া ভ্ৰমণ।

১৯৫৫, নবেম্বৰ— ক্ৰুশ্চেভ আৰু বুলগেনিনৰ ভাৰত ভ্ৰমণ আৰু ভাৰত-ছোভিয়েত বন্ধুত্বৰ বাটত নতুন পদক্ষেপ।

১৯৬১, চেপ্তম্বৰ— প্ৰধান মন্ত্ৰী হিচাপে জৱাহৰলাল নেহৰুৰ ছোভিয়েত ৰুছিয়া পুনৰ ভ্ৰমণ।

১৯৬১, জুলাই— কমৰেড্ ব্ৰেজনেভৰ প্ৰথম ভাৰত ভ্ৰমণ।

১৯৬৫, জুলাই— কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু অঁনাতাৰ দপ্তৰৰ মন্ত্ৰী হিচাপে ইন্দিৰা গান্ধীৰ ৰুছিয়া ভ্ৰমণ।

১৯৬৬, এপ্ৰিল— লণ্ডন, মাৰ্কিন যুক্তৰাষ্ট্ৰ ভ্ৰমণৰ অন্তত ভাৰত অভিমুখে অহাৰ পথত ইন্দিৰা গান্ধীৰ মস্কোত উপস্থিতি।

১৯৬৬, জুলাই— প্ৰধান মন্ত্ৰী হিচাপে ইন্দিৰা গান্ধীৰ পাঁচদিনীয়া ছোভিয়েত ৰুছিয়া ভ্ৰমণ।

১৯৬৭, অক্টোবৰ—ৰাব্‌টলৈ যোৱাৰ পথত ইন্দিৰা গান্ধীৰ মস্কোত অৱতৰণ।

১৯৬৭, নবেম্বৰ— ৰুছ বিপ্লৱৰ উৎসৱত যোগদানৰ বাবে ইন্দিৰা গান্ধীৰ ৰুছ ভ্ৰমণ।

১৯৬৯, জানুৱাৰী—লণ্ডনলৈ যোৱাৰ পথত ইন্দিৰা গান্ধীৰ মস্কোত উপস্থিতি।

১৯৭০, অক্টোবৰ—যুক্তৰাষ্ট্ৰলৈ যোৱাৰ পথত ইন্দিৰা গান্ধীৰ মস্কোত উপস্থিতি আৰু ৰুছ প্ৰধান মন্ত্ৰী ক'ছিজিনৰ দ্বাৰা সম্বৰ্দ্ধিত।

১৯৭১, আগষ্ট— ঐতিহাসিক ভাৰত-ছোভিয়েত শান্তি, বন্ধুত্ব আৰু সহযোগৰ চুক্তি নতুন দিল্লীত স্বাক্ষৰিত।

১৯৭১, চেপ্তেম্বৰ— প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ দুদিনীয়া ছোভিয়েত ৰুছিয়া ভ্ৰমণ।

১৯৭৩, নৱেম্বৰ— কমৰেড্ লিওনেড্ ব্ৰেজনেভৰ ভাৰত ভ্ৰমণ আৰু ৰুছ-ভাৰতীয় বাণিজ্যিক চুক্তি সম্পাদন।

১৯৭৬, ফেব্ৰুৱাৰী-মস্কোত অনুষ্ঠিত ছোভিয়েত কমিউনিষ্ট পাৰ্টিৰ ৰূপালী জয়ন্তী অধিবেশনত কমৰেড্ ব্ৰেজনেভৰ দ্বাৰা ভাৰত-ছোভিয়েত বন্ধুত্বৰ বিশেষ ঘোষণা।

১৯৭৬, জুন— প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ ছদিনীয়া ছোভিয়েত ৰুছিয়া ভ্ৰমণ আৰু তাৰ দ্বাৰা ১৯২৭ চনত জৱাহৰলাল নেহৰুৰ প্ৰথম মস্কো দৰ্শনৰ দিনৰ পৰা এক অৰ্দ্ধ-শতাব্দীত গঢ়ি উঠা ভাৰত-ছোভিয়েত বন্ধুত্বৰ দৃঢ়তৰ পদক্ষেপ স্থাপন।

পরিশিষ্ট-গ

গ্রন্থপঞ্জী

এম-কে গান্ধী : Hind Swaraj

জবাহরলাল নেহরু : Glimpes of World History.
The Discovery of India.
An Autobiography.
A Bunch of Old Letters.

কে-এ আব্বাচ্ : Indira Gandhi.

পি-বি সিংহ : Indian National Liberation Movement and Russia.

কে-পি-এচ মেনন : Many Worlds.

ডরথি নর্মান : Nehru–The First Sixty Years : Vols. 1 & II

এইচ-ডি মালব্য : Jawaharlal Nehru–Congressmen's Primer for Socialism.

শঙ্কর ঘোষ : Indian National Congress.

নির্ম্মলা যোশী : Foundations of Indo–Soviet Relations.

শলাগৰ শৰাই

এই গ্ৰন্থত সংযোজন কৰাৰ বাবে ভাৰতত থকা ছোভিয়েত ৰুছিয়াৰ দূতাবাসৰ তথ্য বিভাগৰ পৰা ছবি আৰু তথ্য সম্পৰ্কীয় সাহায্য পোৱা গৈছে। তাৰ বাবে লেখকে ধন্যবাদ আগ বঢ়াইছে। ভাৰত চৰকাৰৰ তথ্য আৰু অনাতাঁৰ বিভাগৰ পৰা সহায় পোৱা হৈছে। লেখক তাৰ বাবে তেওঁলোকৰ ওচৰত ঋণী। লগতে, পুথিখনৰ পাণ্ডুলিপি প্ৰস্তুত কৰাত লেখকৰ বোৱাৰীয়েক শ্ৰীমতী মাধুৰীমা কাকতীয়ে (গীতি) যথেষ্ট সহায় কৰাৰ বাবে তেওঁৰো শলাগ লৈছে। সাহিত্য-প্ৰকাশৰ শ্ৰীৰজনী কান্ত-দেৱ শৰ্মাই আহি কাকত আদি চোৱাত আৰু আসাম ট্ৰিবিউনৰ শিল্পী শ্ৰীত্ৰৈলোক্য দত্তই বেটুপাত অঙ্কণত লেখকক সহায় কৰা বাবে তেওঁলোক ধন্যবাদৰ পাত্ৰ।

জৱাহৰলাল নেহৰু আৰু ইন্দিৰা গান্ধীৰ লগত লেখক। এই ছবি ১৯৫৮ চনত গুৱাহাটীত বহা কংগ্ৰেছৰ ৬৩তম অধিবেশনৰ সময়ত লোৱা হৈছিল। সেই সময়ত লেখক অভ্যৰ্থনা সমিতিৰ প্ৰচাৰ উপ-সমিতিৰ সভাপতি আছিল।

The author of the book with Jawaharlal Nehru and Indira Gandhi photographed at Gauhati during the 63rd Session of the Congress, 1958. The author was the Chairman of the Publicity Sub-committee of the Reception Committee.